# উপকণ্ঠ

ভবেন্দ্ৰনাথ শইকীয়া

বনলতা
গুৱাহাটী-১, ডিব্ৰুগড়-১

UPAKANTHA : A collection of short stories written by Bhabendra Nath Saikia. Published by Makhan Hazarika, Banalata, Guwahati, Assam. *Price* : *Rs. Thirty five only.*

প্ৰকাশক ঃ
শ্ৰীমাখন হাজৰিকা
গুৱাহাটী-১

পৰিৱেশক ঃ
বনলতা
ডিব্ৰুগড়-১

প্ৰথম প্ৰকাশ ঃ
জানুৱাৰী ১৯৯২

প্ৰচ্ছদ ঃ
সম্বিৎ সাহা

মূল্য ঃ ৩৫·০০ টকা

মুদ্ৰক ঃ
শ্ৰীতুলসীচৰণ বক্সী
নেশ্যনেল প্ৰিণ্টিং ৱৰ্কছ
৩৩ডি, মদন মিত্ৰ লেন
কলিকতা-৭০০ ০০৬

# সূচীপত্ৰ


| গল্প | ৰচনাকাল | পৃষ্ঠা |
|---|---|---|
| অনুগত ভৃত্য | *১৯৬৩ চন | ১ |
| দংশন | ১৯৭০ চন | ৪৯ |
| চিৰসাক্ষী | *১৯৬৪ চন | ৯৫ |
| ৰাদুলি | *১৯৭৫ চন | ১১৪ |
| গঞ্জিকা | ১৯৭০ চন | ১২৮ |
| ৰাক্ষস | ১৯৭০ চন | ১৩৬ |
| ধেমালি | ১৯৭৫ চন | ১৪৯ |
| প্ৰহৰ | ১৯৭৬ চন | ১৬৪ |
| উপকণ্ঠ | ১৯৬৭ চন | ১৭৭ |


* শুধৰণীৰ প্ৰয়োজন হ'ব পাৰে।

# অনুগত ভৃত্য

ৰাতি চাৰে দহ বজাত নিজৰ কোঠালিটোৰ দুৱাৰখনৰ সন্মুখত থিয় হৈ সুকুমাৰে চোৰৰ নিচিনাকৈ গম ললে ভিতৰত কোনোবা আছে নে কি। একো সাৰি-শব্দ নাপাই সি লাহেকৈ দুৱাৰখন মেলি ভিতৰলৈ সোমাই গ'ল। সোমায়েই সি কোঠালিটোৰ ভিতৰখনলৈ আচৰিত অথচ উদাস দৃষ্টিৰে চাই ৰ'ল। অভ্যস্ত চিপাহীয়ে কয়দীক ভিতৰলৈ সুমুৱাই জেলৰ দুৱাৰ বন্ধ কৰাৰ নিচিনাকৈ সুকুমাৰৰ সোঁহাতখনে তাৰ অজ্ঞাতসাৰেই পিছৰ দুৱাৰখন লাহেকৈ বন্ধ কৰি দিলে।

ইমান বছৰে শুই অহা কোঠালিটো আজি যেন চিনিয়েই নাপাব, সুকুমাৰৰ এনেকুৱা লাগিল। কোনোবাই কোঠালিটোত গোন্ধৰ পোহাৰ মেলি থৈ গৈছে। দহ হাত দীঘল, আঠ হাত বহল কোঠালিটোত বাতাহৰ চেপত গুজি জ্বলাই দিয়া এডাল ধূপৰ গোন্ধেই কেতিয়াবা অস্ফুট যন্ত্ৰণাত ছটফটাই থাকে, তাৰ ঠাইত আজি ধূপদানি এটাৰ প্ৰত্যেকটো ফুটাত, মুঠতে পুৰা এক বাণ্ডিল ধূপ একেলগে জ্বলাই দিয়া হৈছে। কোঠালিটোৰ খিৰিকি দুখন মাৰি পৰ্দাবোৰ কোনোবাই আধা কোঁচাই আধা মেলি থৈ গৈছে; পৰ্দা ঠিক কৰি লোৱা মানুহ আছে যেতিয়া দৰকাৰ হলে নিজে ঠিক কৰি ল'ব, এনেকুৱা ভাবত। জ্বলি থকা এক বাণ্ডিল ধূপৰ ফালে চাই সুকুমাৰে অনুমান কৰিবলৈ চেষ্টা কৰিলে,—এইটো গতিত ধূপখিনি জ্বলি থাকিব লাগিলে শেষত গৈ এই বন্ধ কোঠালিটো ধোৱাঁৰ নে কি!

কোঠালিটোৰ মাজত ওলমি থকা লাইটটো ঠিকেই আছে, কিন্তু বেৰত লাগি থকা লাইটটোৰ বাল্বটো সলনি কৰা হৈছে। সেইটো লাইটৰ তলত থকা মেজখনত সাধাৰণতে সুকুমাৰে চিঠি-পত্ৰ লিখা আদি সৰু-সুৰা কামবোৰ কৰে। আজি লাইটটোৰ বগা বাল্বটো আঁতৰাই তাৰ ঠাইত কম পোহৰৰ নীলা বাল্ব এটা লগাই দিয়া হৈছে। ঘটনাটো যাতে সুকুমাৰৰ

চকুত পৰে। বোধহয় সেই উদ্দেশ্যেই মাজৰ উজ্জ্বল লাইটটো জ্বলি থকা সত্ত্বেও নীলা লাইটটো জ্বলাই থোৱা আছে। তলৰ মেজখন নতুন কাপোৰ পাৰি সজোৱা হৈছে। এটা আয়নাৰ ফুলাম বাচন মুখলৈকে পানী ভৰাই, চাৰিওকাষে উজ্জ্বল মণি লগোৱা সূতাৰ ঢাকনি এখনেৰে ঢাকি থোৱা আছে। দুফালে দুটা সৰু সৰু পাতল আয়নাৰ গিলাছ,—যেন দুটা অকণ-অকণ আতুৰ প্ৰাণীয়ে এক পৰিপূৰ্ণ পাত্ৰৰ ফালে মূৰ তুলি চাই আছে: সময় আহিব, সিহঁতৰো জীৱন পাত্ৰ কিনাৰলৈকে ভৰি যাব, এই আশাত।

সন্ধিয়া সময়ত পাৰি দিয়া নতুন পালেংখনৰ ভৰি-পথানৰ বাৰ্নিছ কৰা মসৃণ কাঠচটাত বেৰৰ নীলা লাইটটো জিলিকি আছে। বিছনাখনৰ ওচৰতে থকা হেলনীয়া চকীখনত বহিব বুলি সুকুমাৰ আগুৱাই গ'ল। কিন্তু বিছনাখনৰ ফালে চাই সি অকণমান পৰ বৈ গ'ল। সম্পূৰ্ণ নিষ্কলংক ধপধপকৈ বগা বিছনা চাদৰখনৰ অ'ত-ত'ত বহুত ঠাইত টোপালে-টোপালে তিতি আছে। সুগন্ধি আতৰৰ টোপাল। যিমানদূৰ সম্ভৱ কোনোবাই সম্পূৰ্ণ এবটল আতৰ অকৃপণ হাতেৰে ছটিয়াই থৈ গৈছে। সুকুমাৰে এনেয়ে ৰূপৰ টকাটোৰ সমান গোলকৈ তিতি থকা ঠাই এডোখৰ আঙুলি এটাৰে হেঁচি চালে, ভালকৈ তিতিছে। কাপোৰ দুতৰপ পাৰ হৈ আতৰে নিশ্চয় ডাঠ তুলিখন ভেদি গৈছে; তুলাৰ আঁহে আঁহে গোন্ধটো বিয়পি পৰিছে। বিছনাৰ কাপোৰ দুতৰপ হয়তো যেতিয়া ইচ্ছা সলাই পোলোৱা হব, কিন্তু ডাঠ তুলিখনৰ মাজৰ পৰা আতৰৰ গোন্ধটো ওলাই যাওঁতে বহুত দিন লাগিব। এই আতৰটোৰ গোন্ধ যদি সুকুমাৰৰ ভাল নালাগে, তেনেহলে বহুদিনলৈ সি তাকে সহ্য কৰি থাকিব লাগিব—এই কথাটো আতৰ ছটিয়াওঁতাসকলে নিশ্চয় মনেই নকৰিলে। ছটিয়াব লাগে, ছটিয়াই গুচি গ'ল;—আগফালৰ বাৰান্দাত গম্ভীৰ হৈ বহি থকা ককাদেউতাকক অকণমান নাতিনীয়েকে যেনেকৈ ফাগুৱাৰ দিনা খৰিকা ভৰোৱা বটলেৰে ৰং চটিয়াই দৌৰ মাৰে, তেনেকৈ।

আৰু এই ফুলবোৰ। ফুলশয্যা মানে যে ফুল আৰু শয্যাৰ

মাজত প্ৰকাৰান্তৰে এটা সম্পৰ্ক আছে, সেইটো সুকুমাৰে বুজে। হয়তো আজি ৰাতি এই শয্যাখনৰ কাৰণে দুটা প্ৰাণীয়েই দুপাহ ফুল ; নাইবা ৰহস্য-কৌতূহল-শংকা-মাধুৰী-উত্তাপেৰে ভৰা সকলো ৰাতিৰ ভিতৰতে অনন্য এই ৰাতিটোৰেই দুটা প্ৰাণীৰ জীৱন বিয়পি থকা শয্যাখনৰ কাৰণে এপাহ কোমল, দুষ্প্ৰাপ্য ফুল। এনেকুৱাও হ'ব পাৰে যে দুটা স্পৰ্শকাতৰ প্ৰাণীৰ আজি নিশাৰ নিবিড় অনুভূতিবোৰেই একো-একোপাহ ফুল। বহুত অৰ্থ হ'ব পাৰে। কিন্তু সেই বুলি ফুলশয্যা কাৰণেই যে গছৰ পৰা টপটপকৈ কেঁচা ফুল এসোপা চিঙি আনি শয্যাখনত সিঁচি দিয়া হ'ল, এই কথাটো সুকুমাৰে উপভোগ কৰিব নোৱাৰিলে। এইবোৰ নিশ্চয় এই ছোৱালীকেইজনীৰ কাম। এই ছোৱালী কেইজনী মানে যি কেইজনীয়ে লোকৰ ঘৰৰ বিয়া বুলি আজি পাঁচ-ছদিন নিজৰ ঘৰৰ লগত সম্পৰ্ক এৰি দিছে, উৎপাতৰ কোবত ঘৰখনত মানুহ শান্তিৰে থাকিব নোৱৰা কৰিছে, এঘণ্টামান তামোল কটাৰ নিচিনা কাম কৰি দুঘণ্টামান চুকত সোমাই লৈ মেল মাৰিছে আৰু পাঁচ মিনিটৰ মূৰে মূৰে হাঁহিৰ জাউৰিৰে ওচৰৰ বিছনাত শুই থকা দুৰণিবটীয়া আলহীৰ কেঁচুৱাৰ টোপনি ভাঙিছে, সিহঁত। এইবোৰ সিহঁতৰ কাম। সুকুমাৰে আজি পাঁচ-ছদিনে তাক বিৰক্ত কৰা এই ছোৱালীকেইজনীৰ কথা মনলৈ আনি চালে। সিহঁতৰ কেইবাজনীৰো চাগে শয্যা সম্পৰ্কে ধাৰণা আছে, বাকী কেইজনীৰ চাগে জীৱন, ভৱিষ্যত সকলোৰে প্ৰতি কেৱল ফুল-ফুল ভাব! ফুলশয্যাৰ ধূঁৱলি-কুঁৱলী চেহেৰা সম্পৰ্কে সিহঁতৰ কাৰো চাগে স্পষ্ট ধাৰণা নাই।

সুকুমাৰে ফুলবোৰলৈ এবাৰ ভালকৈ চালে। কিছুমান গোটা গোটা ফুল, বাকীবোৰ বিচ্ছিন্ন পাহি। কেইবাদিনবো বাহি ফুল চাগে, প্ৰথমতে ছিঙোতেই কিছুমান পাহি সৰি গ'ল, তাৰ পাছত ঠাৰিডালত ধৰি জোকাৰি দিওঁতেই চাগে পাহ-পাহ হ'ল। পিছে সুকুমাৰে লক্ষ্য কৰিলে, বিছনাখন ফুলাম-ফুলাম কৰিছে পাহিবোৰেহে, গোটা-গোটা ফুলবোৰ বিয়াৰ বভাতলিত বাহি থকা অহংকাৰী বোৱাৰীৰ নিচিনাকৈ ভেম জুৰি পৰি আছে।

সুকুমাৰ বিছনাৰ ওচৰৰ চকীখনত বহিল। তাৰ শোৱা কোঠালিত আগেয়েও এখন চকী আছিল। সেইখন চকী ওখ আছিল; আগৰ অভ্যাসৰ আণ্ডাজতে সি বহি দিলে; এইখন চকী চাপৰ; গতিকেই পিছৰ ডোখৰত সি ধপকৈ পৰি গ'ল। আউজি দিওঁতেও তাৰ একে অৱস্থা হ'ল; আগৰ থিয় চকীখনৰ আণ্ডাজত আউজি দিওঁতে তাৰ পিঠিখন প্ৰথমতে ক'তো নালাগিল, একমুহূৰ্তৰ পাছত, আশা কৰাতকৈ বহুত বেছি হেলনীয়া হোৱাৰ পাছত চকীখনে তাক আউজাই ধৰি ৰাখিলে। সি যেন দুটা সৰু সৰু জোকাৰণি খালে। সন্ত্ৰস্ত হ'বলগীয়া নতুন মানুহৰ ঘৰলৈ গৈ, বহাৰ আগতে চকীখনৰ আকৃতি-প্ৰকৃতি চাই লোৱাৰ নিচিনা কথা সুকুমাৰৰ মনলৈকে অহা নাছিল, কিন্তু জোকাৰণি দুটা খোৱাৰ লগে লগে তাৰ মন নতুন চকীখনৰ প্ৰতি আকৃষ্ট হ'ল। চকীখনৰ হাত থোৱা কাঠ এডালৰ ওপৰত সি লাহে লাহে হাত ফুৰাই চালে; মসৃণ, চিকচিকিয়া, নতুন। এইখন নিশ্চয় ড্ৰইংৰুমৰ ছে'টটোৰ ভিতৰুৱা চকী নহয়; এইখন নিশ্চয় শোৱনী কোঠাত বিছনাত নুঠাকৈয়ে আৰাম কৰাৰ ব্যৱস্থা হিচাপে দিয়া হৈছে। নতুন বস্তু আৰু কি কি কোঠালিটোত সোমাইছে চাবলৈ সুকুমাৰে চাৰিওফালে চকু ঘূৰালে; নাই; আৰু বিশেষ একো সোমোৱা নাই। কিন্তু সোমাব। বোধহয় কাইলৈকে সোমাব। খবৰ-কাগজ আৰু মৰাপাটৰ ৰচিৰে মেৰিয়াই থোৱা বহুত আহিলা-পাতি সি বাহিৰত পৰি থকা দেখিছে; পেকিং খুলি বস্তুবোৰ চিজিল লগাবলৈ মানুহবোৰে চাগৈ সময়েই পোৱা নাই; নহলে নহ'ব বুলি ভাবি আজি কেৱল পালেংখন আৰু বহিবলৈ আৰামী চকী এখন যতনাই দিছে।

আৰু সেইবোৰ আহিলা-পাতিতকৈ বহুত আগেয়ে, বোধহয়, এঘণ্টা-ডেৰঘণ্টাৰ ভিতৰতে কোঠালিটোত সোমাব চন্দ্ৰা। বাৰান্দাইদি আহোঁতে সি দেখি আহিছে, পাগঘৰত এজাক অঙহী-বঙহী ওচৰ-চুবুৰীয়া বোৱাৰী-জীয়ৰীৰ মাজত বহি চন্দ্ৰাই ভাত খোৱা শেষ কৰিছে। বাৰান্দাৰ এন্ধাৰত থিয় হৈ সুকুমাৰে কেই মুহূৰ্তমান উজ্জ্বল পোহৰত বহি থকা চন্দ্ৰাক চাই আহিছে। তাই কেৱল কইনা সাজৰ পেকিংটোহে খুলিছে,

তাৰ বাহিৰে গোটেই মানুহজনী সম্পূৰ্ণ কইনা হৈ আছে। একেলগে বহা বোৱাৰী-জীয়ৰীহঁতকৈ আগেয়ে ভাত খোৱা শেষ কৰি তাই কাহীখন চিকুটি-বাঁকুহি বহি আছে; নতুন ঘৰ, নতুন কইনা, নতুন উত্তেজনা, এইবোৰ বহুত কাৰণত তাই কিজানি ভালকৈ ভাত খাবই নোৱাৰিলে, নাইবা নতুনতে বেছিকৈ খোৱাটো বেয়া দেখি কাৰণে কমকৈ খাই দেখুৱালে! লগৰ বোৱাৰী-জীয়ৰীহঁতৰ মুখৰ ভাত উচ্ছৃংখল হাঁহিৰ কোবত উফৰি পৰিব খুজিছে, চন্দ্ৰাই তলমূৰ কৰি কেৱল মুখ টিপি-টিপি হাঁহি আছে। পাছত এইবোৰ কথাকে মনত পেলাই হয়তো তাই এদিন বাগৰি-বাগৰি হাঁহিব, কিন্তু আজি হঁহা নাই। বেয়া দেখি।

ভাত-পানী খাই, পাগঘৰৰ জঞ্জাল মাৰি উঠাৰ পাছত এটাইখন মানুহ আকৌ থকাঘৰৰ কোনোবা এটা কোঠালিত গোট খাবহি, ভাতৰ লগত যিখিনি কথা চোবাবলৈ থাকি গ'ল, সেইখিনি তামোলৰ লগত পাগ লগাই-লগাই চোবাব; তাৰে ভিতৰৰ কোনোবা এজনীয়ে চন্দ্ৰাক নিজৰ শোৱনী-কোঠালিলৈ যাবলৈ কৈ কৃত্ৰিম ডাবি মাৰিব, অইন এজনীয়ে লগে-লগে—"হয়তো, এতিয়া আৰু তুমি আমাৰ এইবোৰ বেবেৰিবাং কথাত কি ৰস পাবা?" বুলি সমৰ্থন কৰিব, এটাইখনে হাঁহিব, চন্দ্ৰাই কিন্তু লৰচৰ নকৰিব, লাজ কৰিব। অৱশেষত ৰাতি যেতিয়া বহুত হ'ব, বিয়াঘৰৰ অস্থায়ী বিছনা কেইখনৰ একোখনত দুজনী-তিনিজনীকৈ বাগৰি, অৱশিষ্ট কথাখিনি টোপনি অহা বড়িৰ নিচিনাকৈ ব্যৱহাৰ কৰিব, আৰু এসময়ত সেই গুণ-গুণনি নিষ্প্ৰভ হৈ আহিব, তেতিয়া আৰু চন্দ্ৰাৰ অইন উপায় নাথাকিব। এই দুদিনৰ ভিতৰতে যিজনীৰ লগত তাইৰ ঘনিষ্ঠতম সম্পৰ্ক হৈছে, তাই তাইৰ কাণত শেষ পৰামৰ্শ কেইটা ঢালি দি চিকুট এটাৰে সৈতে ঠেলা এটা মাৰি দিব শোৱনী কোঠাৰ দুৱাৰখনৰ ফালে। চন্দ্ৰা সোমাই আহিব কোঠালি-টোলৈ—আহিবৰ ইচ্ছা নাছিল, ঠেলি-হেঁচুকি সুমুৱাই দিলে কাৰণেহে আহিল,—বোধহয় এনেকুৱা এটা ভাবত।

সোমাই আহি প্ৰথমতে চন্দ্ৰাই কি কৰিব, সুকুমাৰে ভাবি উলিয়াব

নোৱাৰিলে। আৰু তাই সোমোৱাৰ পাছত সি নিজেইনো কেনেকৈ কি আৰম্ভ কৰিব তাকো সি এতিয়ালৈকে ঠিক কৰা নাই। কোঠালিটোত সোমায়েই দুৱাৰখন জপাই, হুকডাল লগাই দিয়া,—এই কামটো চন্দ্ৰাই নিজে-নিজে নিশ্চয় নকৰে। ঠিক আছে—সুকুমাৰে ভাবিলে ;—ঠিক এই সূত্ৰটোকে ধৰি সি কথা আৰম্ভ কৰিব। চন্দ্ৰাৰ লগত তাৰ প্ৰথম কথাষাৰ হ'ব, "দুৱাৰখন বন্ধ কৰি দিয়া।"

দুৱাৰখন বন্ধ কৰি চন্দ্ৰা বৰ অস্বস্তিৰে থিয় হৈ থাকিব, তেতিয়া অৱশ্যে সুকুমাৰে এটা কথা বৰ সহজে ক'ব পাৰিব : ঘৰলৈ অহা অইন দহজন মানুহক কোৱাৰ নিচিনাকৈ, অভ্যস্ত সুৰত সি কব, "বহা।"

চন্দ্ৰা বিছনাখনৰ এটা মূৰত কোঁচমোচ খাই বহিব, আৰু তাইৰ কোলাত আৰু ওচৰে-পাজৰে মাটিত যেন কেইখনমান কিতাপ মেল খাই আছে আৰু তাই কিতাপ কেইখন পঢ়িবলৈ চেষ্টা কৰিছে, এনেকুৱা ভাবত একমনে তললৈ চাই থাকিব। এইখিনি সময়তে সুকুমাৰৰ বিপদ হ'ব, কাৰণ প্ৰাণী দুটাৰে সৈতে কোঠালিটোক অস্বস্তিকৰ অৱস্থাটোৰ পৰা উদ্ধাৰ কৰাৰ দায়িত্ব তাৰ গাতে থাকিব।

সুকুমাৰে ঠিক কৰিলে, সি অনৰ্গল কথা কৈ যাব ; মাজে-মাজে অৱশ্যে চন্দ্ৰাকো দুই-এটা প্ৰশ্ন কৰি কথা কোৱাব। প্ৰথমতে সুধিব এই দুদিনত এই ঘৰখনৰ প্ৰতি তাইৰ প্ৰাথমিক ধাৰণাটো কেনে হৈছে। তাই নিশ্চয় লগে লগে ক'ব,—ভাল, বৰ ভাল লাগিছে। হয়তো দুজনীমান মানুহৰ নাম উল্লেখ কৰি আৰু নাম নাজানিলে বৰ্ণনা একোটা দি কব,—সেই কেইজনী মানুহ তাইৰ বৰ ভাল লাগিছে ; এই দুদিন মানুহ কেইজনীয়ে তাইক হঁহুৱাই মাৰিছে। সুকুমাৰে—"সেই কেইজনী মানুহ ভাল লাগিলে কি লাভ হ'ব ? সিহঁত বিয়া খাবলৈ অহা মানুহ, দুই-এদিন থাকি গুচি যাব ; থাকিম মইহে!" বুলি হাঁহিব ; আৰু তাৰ পাছত তাৰ নিজৰ বিষয়ে, এই ঘৰখনৰ বিষয়ে এটা উদ্বোধনী বক্তৃতা দিব ; ক'ব,—"মোৰ কথাতো তুমি বহুত আগৰে পৰা বহুত জানা, কেৱল মোৰ লগত যে তোমাৰ বিয়া হ'ব, সেইটোহে অলপতে জানিলা, নহয় জানো ?"

চন্দ্ৰাই মূৰ ঘূৰাই বেৰৰ ফালে চাব।

সুকুমাৰে কৈ যাব,—“এতিয়া আমাৰ ঘৰৰ কথা শুনা। আমাৰ নিজৰ ঘৰ বুলিবলৈ নাছিলেই ; প্ৰায় ডেৰ পুৰুষে ভাৰাঘৰতেই কটালে। পাছত ককাইদেৱে ঘৰ এটা সজালে, মাও ককাইদেউৰ লগলৈ গ'ল, আৰু তেতিয়াৰ পৰা সেইখনেই আমাৰ ঘৰ হ'ল। ঘৰ মানে কি,—কলেজ বন্ধ হলে মাক চাবলৈ বুলি যলৈকে যাওঁ, সেয়েই ঘৰ, নহয় জনো ? তাৰ পাছত, মই দেশ-বিদেশ বহুত ঘূৰিলোঁ, শেহত ইয়াত নিগাজী চাকৰিটো পাইছোঁ, ইয়াতেই জীৱনটো কটাব লাগিব বুলি ধৰি লৈ, চৰকাৰৰ পৰা পইচা ধাৰলৈ লৈ এইডোখৰ মাটি কিনিলোঁ, এইটো ঘৰ সজালোঁ। অ' এটা কথা, চৰকাৰৰ টকা ধাৰলৈ ললোঁ যদিও অসুবিধা একো নহয় ; প্ৰতিমাহে ধাৰৰ বাবদ দৰমহাৰ বহুত টকা কটা যায় যদিও, বাকী থাকেও বহুত ; গতিকেই সেই বিষয়ে চিন্তা কৰিব নালাগে।”

চন্দ্ৰাই তলমূৰকৈ হাঁহিব খুজিব।

সুকুমাৰে এটা ছিগাৰেট,—নাই নালাগে, অন্ততঃ আজি ৰাতি সি ছিগাৰেট নাখায়। পিছে-পৰে এদিন কথাই-কথাই ছিগাৰেট সম্পৰ্কে চন্দ্ৰাৰ মনৰ ভাবটো বুজি লব লাগিব ; তাৰ পাছত দেখা যাব ; আজিলৈ থাকক। সি কৈ যাব,—“কইনা ঘৰলৈ ইয়াৰ পৰা ওচৰ কাৰণে বিয়াখন ইয়াৰ পৰাই পতা হ'ল। বিয়ালৈ মা, ককাইদেউ, নবৌহঁত সকলো আহিছে, কাইলৈ-পৰহিলৈ সকলো গুচি যাব ; আৰু তাৰ পাছত এইখন ঘৰত আমি দুটা থাকিম,—এইখন ঘৰত আমাৰ সংসাৰ আৰম্ভ হ'ব।—” সুকুমাৰে সহজভাৱে কথাখিনি কৈ যাবলৈ চেষ্টা কৰা সত্ত্বেও তাৰ শেষ কথাষাৰত এটা গভীৰ সুৰ, এটা অসহায়, উপায়হীন ভাব প্ৰচ্ছন্ন হৈ থাকিব ; কেই মুহূৰ্তমানৰ কাৰণে ক'ব নোৱৰাকৈয়ে সি বোধহয় অন্য-মনস্ক হৈ যাব ; আৰু চন্দ্ৰা,—চন্দ্ৰাও বোধহয় এবাৰ ভিতৰি-ভিতৰি জিকাৰ খাই উঠিব ; সুকুমাৰে যদি কথা কোৱা বন্ধ কৰি সুবিধা দিয়ে, তেনেহলে তায়ো হয়তো অন্যমনস্ক হৈ যাব, আৰু লাহে-লাহে তাইৰ নিজৰ চিন্তাৰ গভীৰলৈ, আৰু গভীৰলৈ ডুবি গৈ থাকিব। শেষৰ ফালে তাইৰ দৃষ্টি ভৰিৰ ওচৰৰ মাটিত স্থিৰ হৈ ৰৈ যাব ; তাইৰ চকুৰ টিপ নপৰিব ;

তাইৰ নিশ্চল চকুৰ পতা বৰষুণ হৈ নামি আহোঁ আহোঁ কৰা দুচপৰা ভৰপূৰ স্তব্ধ ডাৱৰৰ নিচিনা হৈ যাব। কিন্তু চন্দ্ৰাৰ অসুবিধা একো নহয়, আজি নিশাটোত তাইৰ মুখৰ ভাব-ভংগী যেনেকুৱাই নহওক, সকলো নতুন কইনা বুলি তল পৰি যাব। ফুলশয্যাৰ কোঠালিত এজনী নতুন কইনাৰ বহুত সুবিধা ; গোটেই নিশাটো নিৰ্বাক-নিস্পন্দ-নিষ্ক্ৰিয় হৈ কটাই দিলেও অস্বাভাৱিক বুলিবলৈ একো নাই, আপত্তি কৰাৰ উপায় নাই। নিৰ্বাক-নিস্পন্দ হৈ কি ভাবিছে ধৰিব নোৱাৰি ; অলপ পাছতে এজন পুৰুষক আঁকোৱালি লৈ নিবিড়ভাৱে আপোন হৈ যোৱাৰ মধুৰ চিন্তাত মগ্ন হৈ গলে যেনেকুৱা দেখি, আধা-ঘণ্টাৰ ভিতৰতে মেজৰ পানী এগিলাছত বিষ মিহলাই দিয়াৰ কথা ভাবি থাকিলেও তেনেকুৱাই দেখি। আজি ৰাতিৰ এই মৌনতা নিষ্ঠুৰ, মধুৰ, মমতাময়, ছলনাময়, —যি কোনো ধৰণৰ হ'ব পাৰে ; বুজিবৰ কোনো উপায় নাই।

কিন্তু সুকুমাৰৰ অকণমান বেছি সময়ো অন্যমনস্ক হৈ থকাৰ উপায় নাই। টোপনিয়াই থকা, ভাবি চিন্তি থকা, যাৰ যি ইচ্ছা কৰি থকা এজাক বিচিত্ৰ যাত্ৰীৰে ভৰা চলন্ত বাছ এখনৰ ড্ৰাইভাৰৰ নিচিনাকৈ সি মুহূৰ্তে-মুহূৰ্তে নিজৰ দায়িত্বলৈ উভতি আহিব লাগিব। সেইকাৰণে যিবোৰ কথাই তাক অন্যমনস্ক কৰিব পাৰে, সেইবোৰ কথা আজি ৰাতি মনলৈ নানিবলৈ ঠিক কৰি সি চকীখনত এবাৰ লৰি-চৰি বহি লব, তাৰ পাছত সি জোৰকৈ এনেকুৱা কিছুমান কথা ক'ব, যিবোৰ শুনি-শুনি চাগৈ ইতিমধ্যে চন্দ্ৰাৰ কাণ ঘোলা হৈ আহিছে। সি চন্দ্ৰাক বুজাব,—সিহঁত ভাই-ককাই দুটাৰ মাজত শেষলৈকে মিলা-প্ৰীতি থকাটো সি বাঞ্ছা কৰে ; নথকাৰ কোনো কথা নাই, তথাপি, মানে কথাটো হ'ব কি, বিয়াৰ পাছত ভাই-ককাইবোৰৰ মনবোৰ বেয়া হৈ যোৱাত বোৱাৰীবিলাকে বৰকৈ সহায় কৰে বুলি দুৰৈৰ পৰা অবুজ মানুহবিলাকে ফৎকৈ বদনাম দিব পাৰেতো,—সেইকাৰণে সি কথাটো উলিয়াইছে! তাৰ পাছত থাকিল মাকৰ কথা। সুকুমাৰৰ মাকৰ এই বিয়াখনলৈ বহুত দিনৰে পৰা বৰ হেঁপাহ আছিল। তেখেত হয়তো আৰু বেছি দিন জীয়াই নাথাকিবও পাৰে ; থকা দিন কেইটাৰ ভিতৰতে তেখেতে লগত নিবলৈ—'ল'ৰা-

দুটাৰ শান্তি হৈছে' বোলা ধাৰণা এটাৰ ব্যৱস্থা কৰি দিব পাৰিলে ভাল হয়।

"ধৰি লোৱা", সুকুমাৰে ক'ব, "আজি আমি শোওঁতে ভালেমান পলম হ'ব ; কাইলৈ পুৱা দহবজাত শোৱাৰ পৰা উঠিলেও আমাৰ টোপনি পূৰ হবনে নহয় সন্দেহ। কিন্তু পুৱা ছয় বজাত মাই যদি উঠি দেখে যে তুমি উঠি দুৱাৰ-খিৰিকিবোৰ খুলি দিছা, শুই থকা বাকীবোৰ মানুহক জগাইছা, তেনেহলে সেইটো ধাৰণাকে লৈ আনন্দ মনেৰে মা পৰহিলৈ গুচি যাব। তুমি হয়তো দুপৰীয়া আকৌ তিনি ঘণ্টা শুই থাকিবা, সেইটো ডাঙৰ কথা নহয় ; তুমি যে পুৱা ছয় বজাৰ আগতে উঠি কামত হাত দিছিলা, মাৰ কাৰণে সেইটোহে ডাঙৰ কথা হৈ ৰ'ব।"

ইতিমধ্যে ৰাতি ভালেমান হ'ব। নিজে বিশ্বাস কৰা আৰু ভাল পোৱা কথা কিছুমান কেৱল মাকক ভাল লগোৱাৰ উপায় হিচাপে শিকাই দিয়াৰ কাৰণে সুকুমাৰে নিজকে বেয়া পাব। তাৰ শুবৰ মন যাব। এই সময়তে সি গোটেই মানুহটো এবাৰ কঁপি উঠিব। তাৰ বুকুখন কিবা এটা যন্ত্ৰণাত কোঁচ খাই যোৱা যেন লাগিব। তথাপিও দেহৰ সকলো শক্তি মুখলৈ আনি সি ক'ব, "বাৰু, এইবোৰ বহুত কথা, লাহে লাহে হৈ থাকিব। ৰাতি বহুত হ'ল ; নোশোৱা জানো ?"

সুকুমাৰ বহাৰ পৰা উঠাৰ লগে লগে চন্দ্ৰায়ো বিছনাৰ পৰা উঠি তাক বিছনাত উঠাৰ সুবিধা কৰি দিব। সেই যে উঠিব, তাৰ পাছত চন্দ্ৰা সহজে বিছনাৰ ওচৰ নাচাপিব। কোঠালিটোৰ অ'ত-ত'ত থিয় দি, ইটো-সিটো চোৱাৰ ছলেৰে তাই সময় নিয়াব। বিছনাৰ পৰা সুকুমাৰে আকৌ কেইবাবাৰো তাইক মাতিব ; ডাঙৰ লাইটটো নুমুৱাই নীলা লাইটটো জ্বলাবনে কি, নে নীলা লাইটটোও নুমুৱাব লাগিব সেই কথাষাৰ সোধাটো যেন চিৰাচৰিত প্ৰথা, তেনেকৈ ধৰি লৈ সি নিস্পৃহ সুৰত সুধিব। শেষত চন্দ্ৰাৰ বিছনালৈ অহাৰ কোনো লক্ষণ নেদেখি সি শুবলৈ চেষ্টা কৰিব, কিন্তু তাৰ টোপনি নাহিব। এসময়ত চন্দ্ৰা আহি বিছনাখনৰ আগৰ বহা ঠাইতে বহিব ; বহুত পৰ তাই বহিয়েই থাকিব ; তাৰ পাছত তাই লাহেকৈ গাৰুত মূৰ থব।

অলপ পাছতে সুকুমাৰে চিলমিলিয়া টোপনিৰ পৰা সাৰ পোৱাৰ নিচিনা কৰিব। ইতিমধ্যে তাৰ নিজৰ ভিতৰতে অইন এটা মানুহৰ লগত যুঁজি-যুঁজি সি ক্লান্ত হৈ পৰিব; সি ঘামিব। অস্থিৰ হাতৰে সি চন্দ্ৰাক চুব, লাহে লাহে তাইক মৰম কৰিব; শেষত আৰু ঘনিষ্ঠভাৱে মৰম কৰিব খুজি সি গম পাব,—চন্দ্ৰাৰ দুয়োখন গাল চকুপানীৰে উপচি গৈছে; চন্দ্ৰাই কান্দিছে। চকুৰ পানীতে সি গম পাব, তাই এতিয়া কান্দিবলৈ আৰম্ভ কৰা নাই, বহুত পৰৰ পৰা কান্দি আছে।

সুকুমাৰৰ হাত দুখন শিথিল হৈ যাব, গোটেই মানুহটো অৱশ হৈ যাব। লগে লগে আঁতৰাই নিব নোৱাৰি কাৰণে তাৰ হাত দুখনে নিষ্প্ৰাণভাৱে চন্দ্ৰাক চুই থাকিব, কিন্তু এক অসহ্য যন্ত্ৰণাই সুকুমাৰক তাইৰ পৰা বহুত দূৰলৈ ঠেলি দিয়া যেন লাগিব।

চন্দ্ৰাই কান্দিব। এটোপাল-দুটোপাল আনন্দৰ চকুপানী উলিয়াই নহয়, যন্ত্ৰণাৰ চকুপানীৰে দুগাল তিয়াই কান্দিব। কিয়? সুকুমাৰে বিশ্বাস কৰে চন্দ্ৰাৰ তাক ভাল নালাগিব; বৰষুণ আহিলে যাৰে-তাৰে বাৰান্দালৈ সোমাই যোৱা বাটৰুৱাৰ নিচিনাকৈ চন্দ্ৰা তাৰ ঘৰলৈ আহিছে, আৰু সি জানে—এয়া চন্দ্ৰাৰ কাৰণে জীৱনজোৱা বৰষুণ। সি আশা কৰে—উছৰ্গাৰ ফুলৰ নিচিনাকৈ চন্দ্ৰা তাৰ শোৱনী কোঠাত ম্লান হৈ পৰি থাকিব। কিন্তু তথাপি চন্দ্ৰাৰ কান্দোনে তাৰ মনৰ সকলো যুক্তি চেৰাই গৈ তাক নিষ্ঠুৰভাৱে আঘাত কৰিব। তাৰ মাত্ৰ এটা ধাৰণা হ'ব, —চন্দ্ৰাই তাক ঘিণ কৰিছে: সি তাইৰ গাত হাত দিয়াৰ লগে লগে তাইৰ অন্তৰাত্মাই ছি ছি কৰি উঠিছে!

ছি ছি ছি! সুকুমাৰ অস্থিৰ হৈ উঠিল। হয়, একমাত্ৰ তীব্ৰ ঘৃণাত উপায়ান্তৰ হৈ চন্দ্ৰাই কান্দি পেলাব। ঠিক চন্দ্ৰাৰ নিচিনা অইন এজনী ছোৱালী—পূৰ্ণিমাই এদিন তাক কৈছিল,—"ছিঃ, মই নোৱাৰিম, মই কেতিয়াও নোৱাৰিম; অইন এটা মানুহ মোৰ ওচৰ চাপি আহিব, অইন এটা মানুহে মোক চুব, মই সহ্য কৰিব নোৱাৰিম, মোৰ ঘিণ লাগিব,—ছিঃ!"

সুকুমাৰ চকীখনৰ পৰা উঠিল। কোঠালিটোৰ ভিতৰতে সি

দুবাৰমান ইফালে-সিফালে অহা-যোৱা কৰিলে : মেজখনৰ সম্মুখত থিয় হৈ ভাবিলে এগিলাছ পানী খাব নে কি ? কিন্তু তাৰ পুৰ হৈ থকা আয়নাৰ বাচনটোৰ পৰা পানী কমাবলৈ মন নগ'ল। দুৱাৰখন খুলি সি এবাৰ বাহিৰলৈ ওলাল। পাগঘৰৰ লাইট এতিয়াও নুমুৱা নাই ; দুজনীমানে খুটুং-খাটাংকৈ কিবা কৰি আছে ; বাকীবোৰ ভিতৰ সোমাইছেগৈ। চন্দ্ৰাও নিশ্চয় ভিতৰত সিহঁতৰ মাজতে আছে। তাই আহিবলৈ এতিয়াও অন্ততঃ এঘণ্টা ? হ'ব পাৰে। সুকুমাৰ উভতি আহিল। তাৰ গাৰুত মূৰটো থবৰ মন গ'ল, কিন্তু বিছনাখনৰ ফালে এবাৰ চায়েই সি থমকি ৰ'ল। এক বাণ্ডিল ধূপৰ ধোঁৱাই কোঠালিটো লাহে লাহে ভৰাই পেলাইছে ; খিৰিকি এখন খুলি দিয়াৰ কথা সি এবাৰ ভাবিলে, কিন্তু একো নকৰিলে। আকৌ চকীখনতে বহি বিছনাখনৰ ফুল আৰু পাহিবোৰলৈ চাই ৰ'ল। লগে লগে তাৰ অইন এখন বিছনাৰ কথা মনত পৰিল ;—পূৰ্ণিমাহঁতৰ ফুলশয্যাৰ বিছনাখনৰ কথা।

পূৰ্ণিমাৰ বিয়াৰ দুদিনৰ পাছত কোনোবা এটা নেদেখা কোঠালিৰ এখন ফুলশয্যাৰ বিছনাৰ কথা ভাবি ভাবি গোটেই নিশা সুকুমাৰে তাৰ বিছনাখনত ইকাটি-সিকাটি কৰি কটাই দিছিল। আজি, এই মুহূৰ্ত্তত, কোনোবা এটা কোঠালিত, সিহঁতৰ বিছনাখনত পৰি পূৰ্ণিমাই এইখন ফুলশয্যাৰ বিছনাৰ কথা ভাবিছেনে চাগৈ ! ওচৰতে শুই থকা মানুহ-টোৰ কাৰণে বাহিৰা কথা ভাবিবলৈ তাই সুবিধাই পোৱা নাইনে কি বাৰু ? নে এতিয়ামানে তাই ক্লান্ত হৈ শুই পৰিছে ! নহয় নহয়, অন্ততঃ আজি যদি পূৰ্ণিমাই এইখন বিছনাৰ কথা ভাবি কষ্ট নাপায়, তেনেহলে সুকুমাৰে বৰ দুখ পাব, নিজকে দিবলৈ তাৰ একো সান্ত্বনা নাথাকিব। ইমান সোনকালে পূৰ্ণিমা এনেকুৱা হৈ যাব নোৱাৰে।

পূৰ্ণিমা। এজনী ছোৱালীৰ কাৰণে সুকুমাৰে কৃষ্ণপক্ষৰ জোনৰ নিচিনাকৈ তিল তিলকৈ তাৰ মনটো ক্ষয় কৰিলে,—সেইজনী ছোৱালীৰ নাম পূৰ্ণিমা। আজিৰ দিনটোত সেইজনী ছোৱালীৰ কথা মনলৈ নহাকৈ থকাটো সম্ভৱ হোৱা হলে সুকুমাৰে বহুত স্বস্তি অনুভৱ কৰিলেহেঁতেন, কিন্তু তাৰ সৰ্লান প্ৰথম দেখা পোৱা দিনৰে পৰা, শেষত এদিন নেদেখা

হৈ যোৱালৈকে, এই এটাইখিনি দিনৰ পূৰ্ণিমাৰ কথা তাৰ মনলৈ আহিল। এদিন সি আৰু পূৰ্ণিমাই মুখামুখিকৈ বহি অস্ফুট মাতেৰে কোৱা-কুই কৰিছিল,—সিহঁতৰ প্ৰথম দেখাদেখি হোৱা মুহূৰ্তটোৰ নিচিনা অপূৰ্ব শুভক্ষণ সিহঁতৰ জীৱনলৈ আৰু কেতিয়াও নাহিব ; আজি সুকুমাৰে ভাবিলে, তেনেকুৱা এটা কুক্ষণ তাৰ জীৱনলৈ যদি কেতিয়াও নাহিল-হেঁতেন !

পূৰ্ণিমাৰ লগত তাৰ প্ৰথম দেখা-দেখি হৈছিল পূৰ্ণিমাহঁতৰ ঘৰৰ আগফালৰ বাৰান্দাত। এইখন চহৰলৈ অহাৰ পাছৰে পৰা সুকুমাৰে তাৰ ককায়েকৰ পৰা তিনিখন চিঠিত হুকুম পাইছিল মানবেন্দ্ৰ খুৰাৰ লগত দেখা কৰিব লাগে। সম্পৰ্কত একো নলগা মানুহজনক সুকুমাৰৰ ককায়েকে খুৰাদেউ বুলি মাতে, কিন্তু মানুহজনে তেওঁক নিজৰ ল'ৰা বুলি ভাবে। চাৰিবছৰ সুকুমাৰৰ ককায়েকে মানবেন্দ্ৰ চৌধুৰীৰ তলত চাকৰি কৰিছিল, আৰু প্ৰথম দুমাহৰ ভিতৰতে তেখেতসকলৰ মাজত অফিছৰ বৰমূৰীয়া-তলতীয়া ভাব নাইকিয়া হৈ গৈছিল। পাছৰ চাৰি-বছৰত মানবেন্দ্ৰ চৌধুৰীয়ে সুকুমাৰৰ ককায়েকক যি মৰম কৰিলে তাৰ তুলনা নাই। বদলি হৈ নিজৰ চহৰলৈ গুচি অহাৰ পাছতো চৌধুৰীয়ে বহুত লিখা-লিখি কৰি সুকুমাৰৰ ককায়েকৰ প্ৰমোছনটোৰ ব্যৱস্থা কৰিলে। সেইজন মানুহৰে একেখন চহৰতে এতিয়া সুকুমাৰ আছে, সি যেন মানুহজনৰ লগত ভাল সম্পৰ্কটো ৰাখে, মানুহজনক যেন সি নিজৰ দেউতাকৰ নিচিনাকৈ শ্ৰদ্ধা কৰে।

নতুন চাকৰিটোৰ আৰম্ভণিৰ জঞ্জালবোৰৰ কাৰণে, আৰু মন যোৱা নাছিল কাৰণে সুকুমাৰে ভালেমান দিনলৈ ককায়েকৰ চিঠি তিনিখনৰ কথা ৰাখিব পৰা নাছিল ; পাছত এদিন মানুহঘৰলৈ গৈ দেখিলে—ককায়েকৰ কথাবোৰ আখৰে-আখৰে সঁচা। ককায়েকৰ কথা আৰু আগতে নৰখাৰ কাৰণে তাৰ বেয়া লাগিল। সি ভাবিলে, গধূলি অফিছৰ পৰা উভতি গৈ কোম্পানিয়ে কিছুদিনৰ কাৰণে থাকিবলৈ দিয়া ঘৰটোত সোমাই, কি কৰোঁ, কি নকৰোঁ, কেনিবা ওলায়েই যাওঁনে কি,—ভাগৰো লাগিছে,—ইত্যাদি কৰি থকাটো তাৰ ভুল হৈছিল। প্ৰথম দিনা চিনাকি

দিয়াৰ লগে লগে মানবেন্দ্ৰ চৌধুৰীয়ে তাক কেৱল লাজতহে সাবট মাৰি নধৰিলে, বাকী সকলো কৰিলে। চৌধুৰী-পত্নী মনোৰমাই প্ৰথমতে বিস্ময় প্ৰকাশ কৰিলে, "ইয়াত থকা তোমাৰ দুমাহ হ'ল?" তাৰ পাছত তেখেতে কলে, "ইমান সোনকালে কেনৈ আহিলা? দুমাহ নহাকৈ থাকিব পাৰিলা যেতিয়া আৰু কেইমাহমানৰ পাছত অহা হলেও হলহেঁতেন।"

আচল কথাটো হ'ল, চৌধুৰী পৰিয়ালে তিনিমাহ মানৰ আগতে সুকুমাৰ ইয়ালৈ অহা খবৰটো চিঠি এখনত ককায়েকৰ পৰা পাইছিল; আৰু তেতিয়াৰ পৰাই তেখেতসকলে সুকুমাৰক আশা কৰি আছিল; কিন্তু নহা দেখি ধৰি লৈছিল সি বোধহয় ইয়ালৈ অহাটো কিবা কাৰণত নহ'ল।

সুকুমাৰে জীৱনত বহুত মানুহৰ বহুত ধৰণৰ অতিথিপৰায়ণতা দেখিছে। এনেকুৱা ঘৰতো সি ভাত খাইছে য'ত নকৰিলে মৰমটো ফুটি নোলায় কাৰণে গৃহিণীয়ে কিবা এটা বস্তুৰ আৰু অকণমান খাবলৈ তাক জোৰ কৰে, কিন্তু নাখালে বেয়া নাপায়, কাৰণ ইতিমধ্যে মৰম দেখুউৱা হৈ গৈছে। এনেকুৱা ঘৰলৈও তাৰ যাবলগীয়া হৈছে, য'ৰ পৰা ওলাই আহিবৰ সময়ত পিছে-পিছে বাৰান্দালৈ আহি কোনোবা এগৰাকীয়ে কোৱা —"সময় পালে আহিবাচোন, নাহাই দেখোন"—বোলা কথাষাৰ পিছলৈ তাব "সময় পালেও নাহিবাচোন, আহিয়েই থাকা দেখোন"—যেন লাগে।

চৌধুৰী পৰিয়ালক চিনি পাওঁতে কিন্তু সুকুমাৰৰ বেছি দিন নালাগিল। খোৱাৰ পাতত চৌধুৰীয়ে যদি "এ তুমি ৰ'লাই দেখোন," বুলি দুষাৰমান কিবা কয়, মনোৰমাই মুখ পাতি লয়, "নাখাওঁ বুলিছে যেতিয়া নালাগে, আপুনিনো কিয় জোৰ কৰি আছে? বুইছা সুকুমাৰ, মই নিজৰ গাতে পাইছোঁ নহয়, কেতিয়াবা যদি জোৰকৈ কিবা এটা বেছিকৈ খাওঁ, পাছত গোটেই দিনটো অশান্তি লাগি থাকে।"

মনোৰমাই সুকুমাৰক বুজাই দিলে,—কাম-বন নথকা সময়ত সি তাৰ অকলশৰীয়া ঘৰটোত সোমাই থকাটো ভাল কথা নহয়। গা-মন দুয়োটাৰে কাৰণে এইটো বেয়া কথা। তেখেতৰ ডাঙৰ ল'ৰা অৰুপে এবাৰ চিমলাৰ পৰা লিখিছিল—অকলে-অকলে কেতিয়াবা বৰ আমনি লাগে বুলি।

তালৈকো মনোৰমাই লিখিছিল—ভিতৰতে সোমাই নাথাকিবি। ইমান-দিনে যি পঢ়িলি পঢ়িলি, এতিয়াও ভিতৰতে সোমাই কিতাপসোপা খামোচ মাৰি ধৰি নাথাকিবি ; সময় পালেই ফুৰা-চকা কৰিবি ; ভাল মানুহ দুজন-এজন আপোন কৰি লবি। সুকুমাৰো যেন সময় পালেই ইয়ালৈ গুচি আহে, তেখেতসকলৰো কথা-বতৰা পাতি ফুৰ্তি কৰি থাকিবলৈ লগ এটা হয়।

সুকুমাৰে কথাবোৰ বুজিছিল : কিন্তু এদিন মানুহ ঘৰলৈ নোযোৱাকৈ থাকিলেই যে তাৰ বহুত দিন নোযোৱা যেন লাগিব, আগতে খবৰ নিদিয়াকৈ কিবা লেঠাত পৰি হঠাতে এদিন যাব নোৱাৰিলে যে পাছদিনা ঠিক চাৰে দহ বজাত মনোৰমাই নিজে অফিছলৈ টেলিফোন কৰি তাৰ কি হৈছিল খবৰ ল'ব. ইমানবোৰ কথা সি অনুমান কৰিব পৰা নাছিল। সুকুমাৰৰ ধাৰণা হ'ল—চৌধুৰী পৰিয়ালে তাক আদৰি লৈ তেখেতসকলৰ দুৰত থকা ল'ৰা দুটাৰ অভাৱ পূৰ কৰিছে। তেখেত-সকলৰ দুয়োটা লবাই স্কুলীয়া বয়সতে ঘৰ এৰিলে। বহু দুৰৈত সিহঁত দুটা ডাঙৰ হোৱা কথাটোৱে মাক-দেউতাক হালৰ মনটো পূৰ কৰি ৰাখে, কিন্তু সন্মুখৰ এই ঘৰখন কোন কাহানিয়েই যে খালী হ'ল, খালী হৈয়েই থাকিল। তাৰ পাছত বহুত দিনৰ মুৰত ঘৰখনলৈ আহিল ঠিক অৰূপৰ নিচিনাই ল'ৰা সুকুমাৰ।

চৌধুৰী পৰিয়ালৰ তৃতীয় প্ৰাণী, তেখেতসকলৰ শেষ আৰু তৃতীয় সন্তান পূৰ্ণিমা।

পূৰ্ণিমা। প্ৰথম দিনাই তাইলৈ চাই সুকুমাৰে ভাবিছিল পূৰ্ণিমাতকৈ ভাল নাম এটা তাইৰ হ'ব নোৱাৰিলেহেঁতেন। অইন একো নালাগে, কেৱল ভবিব পৰা মুৰলৈকে ছোৱালীজনীক চায়েই কৈ দিব পাৰি—কিহৰ জোৰত তাইৰ এটা ককায়েক আই. এ.এছ. অফিছাৰ আৰু আনটো এয়াৰ ফ'ৰ্চৰ উজ্জ্বল সম্ভাৱনাপূৰ্ণ চাকৰিয়াল হ'ব পাৰিছে। ওখ, লাহী গাটোত পূৰ্ণিমাই যেন যৌৱনক থাকিবলৈ জুখি-জুখি ঠাই এৰি দিছে। গাটোৰ প্ৰতি অংগতে যেন স্বাস্থ্য আৰু যৌৱনে অস্ফুট কণ্ঠেৰে কথা পাতি থাকে। গাৰ বগা ৰংটোত আজন্ম সুখ আৰু মৰম মিহলি

হৈ কোমল আৰু উজ্জ্বল হৈ আছে। সেই ব'গা ৰঙৰ ঠিক তলতে, গোটেই মুখখনতে, কিছুমান সেন্দুৰে অকণমান লাজ, অকণমান উত্তেজনাৰ হাত বাউল পালেই ওলাই আহিবলৈ বুলি বাট চাই থাকে। ছোৱালীজনীয়ে লাহে লাহে, মোহ লগাকৈ কথা কয়; যেন প্ৰতিষাৰ কথাই এজনী ওখ, লাহী গাৰ গাভৰু হৈ পিচল বাটত খোজ কাঢ়ে। কথাৰ মাজে মাজে তাই মনৰ তলি উদঙাই হাঁহে: হাঁহিটো প্ৰথমতে তাইৰ গোটেই মুখখনত বিয়পে, তাৰ পাছত গোটেই কোঠালিটোতে বিয়পে। মুখখনৰ লগে লগে হাঁহে তাইৰ বহল চকু দুটাই। এই চকু দুটাৰ কাৰণেই প্ৰথম কেইদিনমান সুকুমাৰৰ বৰ অস্বস্তি লাগিছিল; ছোৱালী-জনীৰ দৃষ্টিৰ সম্মুখত তাৰ নিজকে নিলাজীৰন যেন লাগিছিল।

অলপ দিনৰ ভিতৰতে সুকুমাৰে অনুভৱ কৰিলে, পূৰ্ণিমাৰ লগত তাৰ এটা নিবিড় সম্বন্ধ হৈ গলে তাৰ ভাল লাগিব। কোনো পাতনি মেলাৰ কথা সি নাভাবিলে, এখোজ-এখোজকৈ তাইৰ মনৰ কোঠালিলৈ আগবঢ়াৰ কৌশল তাৰ ভাল নালাগিল, আনকি পূৰ্ণিমাৰ তাৰ মনৰ ওচৰলৈ আগবাঢ়ি অহাৰ প্ৰস্তুতি আছেনে নাই, সেই কথাটোৰ উমান লোৱাৰ ধৈৰ্যকণৰো সি অভাৱ অনুভৱ কৰিলে। তাৰ মন গ'ল—সি পূৰ্ণিমাক এদিন পোনে পোনে কৈ দিব, "তোমাক মই আপোন কৰি লব খুজিছোঁ।"

আৰু আচৰিত কথা, পূৰ্ণিমায়ো ঠিক তাকে ভাবি আছিল। তাই আশা কৰি আছিল—হঠাতে এদিন সুকুমাৰে তাইৰ মনৰ কথা এষাৰকে কৈ তাইক বোবা কৰি দিয়ক, কেইদিনমানলৈ তাইৰ মুখৰ বগা ৰংটো সেন্দুৰে আৱৰি থাকক, মনৰ কোঠালিৰ অস্ফুট গুণগুণনিত তাই অস্থিৰ হৈ উঠক, অৱশ আৰু ক্লান্ত হৈ পৰক, আৰু সেই মধুৰ ক্লান্তিকে আলফুলকৈ গাত জাপি লৈ তাই কেইদিনমান বিছনাত পৰি থাকক! এনেকৈ আশা কৰাৰ বাহিৰে পূৰ্ণিমাই আৰু যিবোৰ কাম কৰিছিল, সেইবোৰৰ ওপৰত তাইৰ নিজৰে আস্থা নাছিল। সুকুমাৰ সন্ধিয়া পাঁচমিনিট পলমকৈ আহিলে পিচৰ পোন্ধৰ মিনিট পলমকৈ অহাৰ কাৰণটোকে লৈ তৰ্ক কৰা; যি ৰাতি সুকুমাৰে সিহঁতৰ ঘৰত

ভাত খায়, সেই ৰাতি এঘাৰ বজাত মেল শেষ কৰি সুকুমাৰ যাবলৈ ওলালে পূৰ্ণিমাই ওচৰত কোনো নথকাৰ সুবিধা লৈ "চাওঁ আপোনাৰ ঘড়িটো দিয়কচোন, ওভোটাই পকাই চাবে ন বজাই থওঁ" বুলি কৈ হঁহা ; সুকুমাৰৰ চোলাৰ পিছফালে অকণমান চুলি এডাল পৰি থাকিলে প্ৰথমতে ইতস্ততঃ, তাৰ পাছত সাহ কৰি গুচাই দিয়া,—এইবোৰৰ মাজত পূৰ্ণিমাই একো প্ৰতিশ্ৰুতি বা সম্ভাৱনা নেদেখিলে ; বৰঞ্চ তাই বিৰক্ত হ'ল। এইবোৰে তাইক ভিতৰি ভিতৰি বেচি অস্থিৰ কৰি তুলিলে। মাজে-মাজে তাইৰ ধাৰণা হ'ল—এইবোৰ সৰু ছোৱালীৰ কাম। পাঁচ মিনিট—ডেৰ ঘণ্টাৰ কথা নহয়, তাই ভাবে জীৱনজোৰা সুদীৰ্ঘ সময়ৰ গভীৰতাত ডুবি যোৱাৰ কথা ; কেৱল এডাল চুলি নহয়, তাইক লাগে তাইৰ মনৰ নিঃসংগতাখিনি গুচাই দিবলৈ, এতিয়াই, এই মুহূৰ্ত্তে।

পাছত এদিন, পূৰ্ণিমা আৰু সুকুমাৰে কোনো পাতনি নেমেলাকৈ যিমান পোনে পোনে কিবা এষাৰ কৈ, কিবা এটা কৰি পেলোৱাৰ কথা ভাবি আছিল, তাতকৈ বেছি সহজ আৰু পৰিষ্কাৰকৈ কথাটো ওলাই গ'ল। মানবেন্দ্ৰ চৌধুৰীয়ে এদিন কথাৰ মাজতে সুধিলে, "কিহে, তোমাৰ ঘৰৰ কথা কি হ'ল ?"

সুকুমাৰে কলে, "নাই, সোনকালে একো সুবিধা নহব যেন পাওঁ। অফিছৰ ফালৰ পৰা অইন ঘৰৰ কোনো আশা নাই। মই নিজে আগতে দুই এঠাইত ভাল ঘৰৰ খবৰ কৰিছিলোঁ, এতিয়া বাদ দিলোঁ। পাৰ্মানেণ্ট বন্দবস্ত এটা নোহোৱালৈকে সেইটো ঘৰতে কোনোমতে থাকিব লাগিব।

সুকুমাৰৰ পাৰ্মানেণ্ট বন্দবস্তৰ কথা চৌধুৰীয়ে আগতে শুনিছে। সুকুমাৰে এটুকুৰা মাটি কিনিছে, ঘৰ সাজিবৰ কাৰণে টকা ধাৰলৈ পাইছে, এবছৰ মানৰ ভিতৰতে তাৰ নিজৰ ঘৰত থাকিব পৰা হৈ যাব। পাতল সুৰেৰে "পাৰ্মানেণ্ট বন্দবস্ত নোহোৱালৈকে এই কেইটা দিনৰ কাৰণে আমাৰ ইয়ালৈকে গুচি আহা নহলে। কি কোৱা ?"—বুলি হাঁহি-হাঁহি চৌধুৰী কোঠালিটোৰ পৰা ওলাই গ'ল।

খোলা মনৰ চৌধুৰীয়ে এনেকুৱা পাতল কথা মন গলেই কয়, আৰু কোৱাৰ পাছতে কথাবোৰ তল পৰে। কিন্তু এইষাৰ কথায়েই সুকুমাৰৰ

মনৰ ভিতৰত কেইবাবাৰো উঠা-নমা কৰিলে ; কেই মুহূৰ্তমানলৈ চৌধুৰীৰ লগতে হ'হা হাঁহিটো তাৰ ওঁঠত লাগি ৰ'ল ; তাৰ পাছত সি আকৌ ভালকৈ হাঁহি ক'লে, "দেখিছা, খুড়াদেৱে কেনেকৈ ঘৰ লগাব খুজিছে ?"

পূৰ্ণিমাই দেউতাক উঠি যোৱাৰ পাছত চোফাখনৰ সৰু সৰু, গোল গাৰু কেইটা ঠিক ঠাইত সজাই থোৱা কামত ধৰিছিল ; আগৰে পৰা সাজু হৈ থকাৰ নিচিনাকৈ তাই লগে লগে উত্তৰ দিলে, "লগাব খুজিছে যদি লাগি যাওক।"

কথাষাৰৰ পাছত সিহঁত দুইটাই দুইটাৰ চকুলৈ চালে। কেইটামান অবাক মুহূৰ্ত পাৰ হৈ গ'ল, কোঠালিটো অদ্ভুত ধৰণে নিস্তব্ধ হৈ গ'ল, আৰু সেই নিস্তব্ধতাৰ সুবিধা লৈয়েই যেন সিহঁতৰ চকুৱে বহুত মুখেৰে ফুটাব নোৱৰা কথা ক'বলৈ আৰম্ভ কৰিলে। সেই কথাৰ আঁৰত সুকুমাৰৰ হাঁহিটো লুকাই গল। পূৰ্ণিমালৈ চাই সি লাহে লাহে ক'লে, "লাগি যাবতো পাৰোঁৱেই, কিন্তু পাছত এৰিবৰ সময়ত যদি টান লাগে, যদি কষ্ট হয়।"

পূৰ্ণিমাৰ যেন সাহসৰ অন্ত নাই। তাইৰ ডিঙিত এটা নিভীৰ্ক, নিশ্চিত সুৰ ফুটি উঠিল ; তাই ক'লে,—"এৰিবৰ কথানো কিয় ভাবিব লাগিছে ? নেৰিলেই হ'ল।" একমুহূৰ্ত উজ্জ্বল আৰু হাঁহি মিহলি দৃষ্টিৰে তাই সুকুমাৰলৈ চালে, তাৰ পাছত লাহেকৈ সুধিলে, "কি, আগতে এৰাৰ কথাটোহে ভাবিছে নে কি ?"

"নাই নাই নাই"—সুকুমাৰৰ যেন থকা-মকা লাগিল ; সিয়ে এৰাৰ কথা একেবাৰে ভবা নাই, সেই কথাটো পূৰ্ণিমাক জনাই দিবলৈ তাৰ মনটো ধৰফৰাই উঠিল। সি অস্থিৰভাৱে কেইবাবাৰো নাই নাই কৰিবলৈ ধৰিলে। এক অপূৰ্ব তৃপ্তিত ডুবি গৈ তাৰ মাতটো পূৰ্ণিমাৰ কাৰণে বৰ মোহময় হৈ উঠিল। স্থিৰ দৃষ্টিৰে পূৰ্ণিমাৰ চকুলৈ চাই সি আকৌ কলে, "এৰাৰ কথা মই একেবাৰে ভবা নাই।"

আৰু একোৱে প্ৰয়োজন নহল। দুটা মন ওচৰ চাপি আহিবলৈ কোনো পাতনি, কোনো বুদ্ধি, কোনো কৌশলৰ প্ৰয়োজন নহল ;

আৰু এই পাতনি নোহোৱা কিতাপখনৰ পিছৰ পাতবিলাকো যেন বৰ লৰালৰিকৈ লুটি খাই গ'ল। যোগ্যতাৰ পম খেদি জীৱনৰ সুদীৰ্ঘ কাল দেশে-বিদেশে ঘূৰি ফুৰা সুকুমাৰৰ ক্লান্ত, নিষ্কলুষ আৰু অক্ষত মন কোনোবা সেউজী ঘাটত লগা নাৱৰ নিচিনাকৈ শান্ত আৰু সুস্থিৰ হৈ গ'ল। আৰু পূৰ্ণিমাৰ নিৰ্জন মনৰ ঘাট যেন বহু দিনৰ আকাংক্ষাৰ অতিথিৰ ভৰিৰ খোজ পাই হাজাৰ-হাজাৰ মুকুতা ঠেকা-ঠেকি লগাৰ শব্দেৰে মুখৰিত হৈ উঠিল। পূৰ্ণিমাই নিজকে সকলোতকৈ ভাগ্যৱতী ছোৱালী বুলি ধৰি ললে; মধুৰ তৃপ্তিৰে তাই নিজকে বোলাই ৰাখিলে। সুকুমাৰে এই ভাগ্য তাৰ জীৱনৰ ক'ত থব তাকে লৈ মাজে মাজে অকলে চিন্তা কৰিবলৈ ললে। কিন্তু প্ৰতিবাৰেই সি ঠিক কৰিলে ভৱিষ্যতক সি লাহে লাহে আহিবলৈ ক'ব আৰু এতিয়াৰ এই দিনবোৰক যিমান পাৰে লাহে-লাহে যাবলৈ দিব।

সেইকাৰণেই আজিৰ পোৱা সময়ৰ প্ৰতিটো মুহূৰ্ত সুকুমাৰে পূৰ্ণিমাক দিলে আথেবেথে, আলফুলকৈ,—সোণাৰীয়ে দুগদুগীত সৰু সৰু বাখৰ বহুউৱাৰ নিচিনাকৈ। মানবেন্দ্ৰ চৌধুৰী আৰু মনোৰমাৰ অকপট স্নেহৰ ছাঁত সুকুমাৰ আৰু পূৰ্ণিমাই সময়বোৰ আপোন আৰু গোপন সম্পত্তি কৰি ললে। সেইবোৰ সময়ত সিহঁতে এটাও নিশ্চিত কথা ক'ব পৰা নাই, কিন্তু কোনোদিনেই অকণমান সময় মনে মনে থকাৰো বাঞ্ছা কৰা নাই। যদি কেতিয়াবা অকণমান সময় নিঃশব্দে পাৰ হৈছে তেনেহলে সেয়া যুদ্ধৰ নিঃশব্দতা, তীব্ৰ অভিমানত কোনেও কাৰো ওচৰত বশ নামানো বুলি মুখামুখিকৈ বহি থকাৰ নিঃশব্দতা। বাকী সময়খিনিত সিহঁতে পতা কথাৰ আদি-অন্ত নাই;— পূৰ্ণিমাৰ সুকুমাৰক তুমি বুলি মাতিবলৈ মন যায়, হাতৰ তলুৱাৰ এইখিনিতে এই পুৰণ চিনটো থকাৰ কাৰণে পূৰ্ণিমা ইমান অবুজ, সুকুমাৰ এতিয়া একেবাৰে জোখৰ হৈ আছে, ইয়াতকৈ আৰু অকণমান শকত হলেই সি দেখিবলৈ বেয়া হ'ব,—এনেকুৱা অকণ-অকণ কথাৰ পৰা আৰম্ভ কৰি, সিহঁত দুটাৰ এটা নহলে ইটোৰে কিমান অসম্পূৰ্ণ হৈ যাব, তেনেকুৱা অন্তৰংগ, গোটেই জীৱনটোক জড়িত কৰি লোৱা

প্ৰশ্নলৈকে অজস্ৰ কথাই সিহঁতক ব্যস্ত কৰি ৰাখে। এদিন পূৰ্ণিমাই সুকুমাৰক ক'লে, "বুজিছে দাদা, আপুনিয়েই একমাত্ৰ মানুহ, যিজনে মোৰ আটাইবোৰ ভালহে দেখে, আৰু আপুনিয়েই মোৰ ওপৰত খং কৰে আটাইতকৈ বেছি। কিন্তু আপুনি নিজেই বুজে, এইটো ঘৰত, বৰ সুখত, সংসাৰৰ সামান্য আচোঁৰ এটা নোখোৱাকৈ মই ডাঙৰ হৈছোঁ। মোৰ চাগে কিমান দোষ আছে! আপুনি মৰমতে মোক ভাল ভাল বুলি থকাৰ সলনি মোৰ দোষবোৰ দেখুৱাই, শুধৰাই, মোক সঁচাকৈয়ে এজনী ভাল ছোৱালী কৰি নলয় কিয়?"

নিশ্চয়, নিশ্চয়;—সুকুমাৰে ভাবিলে। সেইটো সি কৰিবই; সেইটো তাৰ এটা মধুৰ দায়িত্ব। কিন্তু ক'তা, দেখুৱাই, শুধৰাই দিবলৈ পূৰ্ণিমাৰ একো বেয়া কথাতো তাৰ চকুত পৰা নাই! কেতিয়াবা দেখিলে নিশ্চয় দেখুৱাই দিব লাগিব বুলি সুকুমাৰ বাট চাই ৰ'ল।

এদিন গধূলি সুকুমাৰে ক'লে, "মই ঠিক পাঁচ বজাতে আহিছিলোঁ; খুৰীদেৱে ক'লে,—তোমাৰ বোলে হঠাতে মিটিং এখনলৈ যাবলগীয়া হ'ল, চাৰে পাঁচ বজাত উভতি আহিবা। ছয় বজাতো তুমি নহা দেখি মোৰ বৰ বেয়া লাগিল; খুৰীদেউক অকণমান ফুৰি আহোঁ বুলি কৈ ময়ো তোমালোকৰ মিটিঙৰ ঠাই পালোঁগৈ। পিছে মই গৈ পাওঁতে মিটিং শেষ হ'ল; তোমালোক তেতিয়া ওলাই আহিছা।"

"আপুনি মোক দেখিছিল?" পূৰ্ণিমাই উৎফুল্ল হৈ সুধিলে।

"দেখিছিলোঁ।"—সুকুমাৰে ক'লে।

"আপুনি মোক লগ নধৰিলে কিয়?"

"বা—, যিজাক ছোৱালীৰ মাজত তুমি সোমাই আছিলা, মোৰ কি সাধ্য তালৈ গৈ তোমাক লগ পাওঁ! তাতে মই আছিলোঁ বহুত দূৰৈত, —ৰাস্তাত।"

এজাক সমনীয়া ছোৱালীৰ মাজত ধুনীয়া, স্বাস্থ্যবান ল'ৰা সুকুমাৰে পূৰ্ণিমাৰ লগত কথা পাতিব, সেইকণ গৰ্ব অনুভৱ কৰিবলৈ পূৰ্ণিমাই বৰ ভাল পালেহেঁতেন; কামত নলগাকৈ সুবিধাটো গুচি যোৱাৰ কাৰণে তাই মনে মনে সামান্য আহত হ'ল। অলপ শীতল সুৰেৰে তাই অইন

এটা সুখ অনুভৱ কৰাৰ চেষ্টা কৰিলে, "ইমানবিলাক ছোৱালীৰ মাজত আপুনি মোক ইমান দূৰৰ পৰা চিনি পাইছিল? আৰু তেতিয়াতো গধূলি হৈ গৈছিল—।"

"নাপাম কিয়? তুমি যিযোৰহে কাপোৰ পিন্ধি গৈছিলা! টিক-টিককৈ ৰঙা ব্লাউজ, ৰঙা পাৰিৰ চাদৰ; মই কিয়, যি কোনো মানুহে ছোৱালীজাককৈ চাই পঠিয়ালে প্ৰথমতে তোমাতে চকু পৰিব। লাইটৰ পোহৰত একেবাৰে ট ট কৈ জিলিকি আছিলা।"

পূৰ্ণিমাৰ লাজ লাগি গ'ল; "এ হয়নে কি?" বুলি তাই হাঁহি পেলালে।

সুকুমাৰে অকণমান সময় তন্ময় হৈ কিবা ভাবিলে, তাৰ পাছত সি হঠাতে ক'লে, "মই আজি প্ৰথম এটা কথা কওঁ পূৰ্ণিমা, মানে—মই বেয়া পোৱা কথা এটা; ৰাখিবানে?"

পূৰ্ণিমা উৎকণ্ঠিত হৈ উঠিল; তাই আচৰিত দৃষ্টিৰে সুকুমাৰৰ মুখলৈ চালে, যেন সি বেয়া পোৱা কথাটো কি হ'ব পাৰে, সেইটো তাৰ মুখত পঢ়িবলৈ চেষ্টা কৰিলে; তাৰ পাছত তাই লৰালৰিকৈ কলে, "ৰাখিম, নিশ্চয় ৰাখিম।" হয়তো কথাটো ৰাখিব পৰা ধৰণৰ নহবও পাৰে; পূৰ্ণিমাৰ সেইবোৰ ভাব মনলৈকে নাহিল। সুকুমাৰে যিহকে কয়, গোটেই জীৱনটো তাকে কৰি থকাৰ নিচিনা ভাগ্য যেন তাইৰ কাৰণে আৰু নাই।

সুকুমাৰে লাহে লাহে ক'লে, "মই তোমাৰ গাত ৰঙা ৰংটো বেয়া দেখোঁ, বুজিছা? কোনো কাৰণ মই বিচাৰি পোৱা নাই,—মুঠতে বেয়া পাওঁ। মই জানো,—ৰঙাটো বৰ উজ্জ্বল ৰং, সহজে ৰংটো গাত শুৱাই পৰে; সেইকাৰণে সকলো ছোৱালীয়ে চাগে এই ৰংটোলৈ হেঁপাহ কৰে। কিন্তু তুমিতো এনেয়ে উজ্জ্বল; তোমাৰ গাৰ ৰং বগা, যি কোনো ৰং তোমাৰ গাত শুৱাব। সেইকাৰণে পাৰিলে এই ৰংটো তুমি বাদ দিবানে?

"অ' আই, সেইটোনো কি কথা?" পূৰ্ণিমা যেন ভিতৰি ভিতৰি এটা কষ্টদায়ক বেজী লবলৈ সাজু হৈছিল, কিন্তু তাৰ সলনি তাইক

মুখত লৈ টপালি থাকিবলৈ এটা মিঠা বড়ি দিয়া হ'ল। "তাকে আগতেনো নকলে কিয় ? মইতো আপোনাৰ মনৰ কথা নাজানো!" পাতল সুৰেৰে তাই ক'লে।

"আগতে ভাবিছিলোঁ, কথাটো তোমাক কোৱাৰ লগে লগে তাৰ কাৰণটোও কম। এটা কাৰণ নহলে কথা এটা কৈ ভাল নালাগে।"

"আজি কাৰণটো পালে ?"

"ক'লো নহয় নাই পোৱা বুলি। কিন্তু আজি কাৰণ নোহোৱা-কৈয়ে কৈ দিবৰ মন গ'ল।" কথাষাৰ কৈ সুকুমাৰে হাঁহিলে ; হাঁহি হাঁহিয়েই সি ক'লে, "কাৰণটো বোধকৰোঁ এনেকুৱা বুইছা ;—মানে তুমিতো মোৰ কাৰণে উজ্জ্বলেই, তাৰ পাছতো তুমি যেতিয়া ৰঙা কাপোৰেৰে উজ্জ্বল হবলৈ চেষ্টা কৰা, তেতিয়া সেই উজ্জ্বলতা মোৰ কাৰণে নহয় যেন লাগে ; সেই অধিক উজ্জ্বলতা অইন ক'ৰবাত কাৰোবাৰ স্বীকৃতি পোৱাৰ কাৰণে যেন লাগে, আৰু মোৰ নিজকে বৰ ম্লান যেন লাগে।" শেষৰ বাক্যটো সুকুমাৰে ইংৰাজীতে ক'লে আৰু কৈয়েই প্ৰাণখুলি হাঁহিবলৈ ধৰিলে। পূৰ্ণিমাই ম্লান হাঁহিৰে মেজৰ ওপৰত পৰি থকা সুকুমাৰৰ হাতখনৰ আঙুলি কেইটাৰ ওপৰত হাত বুলাবলৈ ধৰিলে, যেন বুজাব খুজিলে—"তুমি কিয় ভয় কৰা ? নাপায় নহয়।"

পাছদিনাই পূৰ্ণিমাই তাইৰ ৰঙা ব্লাউজ, ৰঙা ৰং থকা চাদৰ, যিবোৰ অইন বৰণৰ ব্লাউজত নামমাত্ৰ ৰঙা সূতাৰ খেলা আছে, সেইবোৰ পৰ্যন্ত এটা বেলেগ বাকচত বন্দী কৰি থৈ দিলে, কেতিয়াবা কাৰোবাক দি দিব, এই আশাত। পাছৰ এমাহৰ ভিতৰত মাকক কৈ তাই গহনাবোৰৰ প্ৰতিটো ৰঙা বাখৰ সলোৱাই নীলা, সেউজীয়া বাখৰ বহুৱাই ললে। তাৰপাছত যেতিয়া এদিন তাই কপালৰ ৰঙা ফোঁটটো কি কৰিব, সেই কথাষাৰ নিৰুপায় আৰু অপৰাধীৰ সুৰত সুকুমাৰক সুধিলে, সেইদিনা সুকুমাৰৰ মৰমতে কান্দি পেলাবৰ মন গ'ল। সি ব্যস্ত হৈ কলে, "নহয় নহয় পূৰ্ণিমা, তুমি যদি মোৰ কথাটো এনেকৈ আখৰে-আখৰে ধৰা, তেনেহলে মই বুজিম, তুমি মোৰ ওপৰত খং কৰিছা। তুমি কপালৰ ফোঁটটোৰ ৰং সলাব নালাগে, মই বেয়া পাম।" অকণমান সময় সুকুমাৰ

আবেগত অভিভূত হৈ বহি ৰ'ল, তাৰ পাছত সি পাতল সুৰেৰে হাঁহি-হাঁহি কলে, "ভাবি চোৱাচোন, তুমি যদি কথাটো এনেকৈ পালিবলৈ লোৱা, এদিন মই তোমাৰ শিৰৰ কাৰণে সেউজীয়া সেন্দুৰ বিচাৰিব লাগিব !"

কথাষাৰত সিহঁত দুয়োটা যেন উচপ খাই উঠিল। সুকুমাৰৰ বুকুৰ ওপৰেদি যেন কিবা শীতল বস্তু এটা বাগৰি গ'ল ; পূৰ্ণিমাৰো।

পূৰ্ণিমাৰ গাত কপালৰ ফোঁটটোৰ বাহিৰে ৰঙা ৰং সুকুমাৰে পাছত আৰু কোনো দিনেই নেদেখিলে। মৰমৰ অহংকাৰত সুকুমাৰ ফুলি উঠিল। পূৰ্ণিমা তাৰ সম্মুখত আৰু উজ্জ্বল হৈ উঠিল। সৌভাগ্য আৰু অহংকাৰ লুকুৱাই ৰাখি ৰাখি এসময়ত সুকুমাৰ অতিষ্ঠ হৈ উঠিল। তাৰ ব্যৰে বাৰে মন গ'ল,—পূৰ্ণিমাক লগত লৈ সি যেন এই চহৰখনৰ প্ৰধান বাটেদি ধীৰে ধীৰে এপাক ঘূৰি আহিব, এটা জোন আৰু এখন আকাশ চহৰখনৰ ওপৰেদি এৰাতি পাৰ হৈ যোৱাৰ নিচিনাকৈ।

এদিন সঁচাকৈয়ে সুকুমাৰে পূৰ্ণিমাক সন্ধিয়া ফুৰিবলৈ যাবলৈ লগ ধৰিলে ; আৰু সেইদিনাই এটা ঘটনা ঘটিল। মনোৰমাই ভিতৰৰ কোঠালিত সৰু মাতেৰে পূৰ্ণিমাক বুজালে, "তেওঁতো আমাৰ একেবাৰে ঘৰৰ নিচিনা; আমাৰ নিজৰ ল'ৰাৰ নিচিনা। তহঁত দুইটা একেলগে আছ, ধেমালি কৰিছ, ঘৰখনত মানুহ থকাৰ নিচিনা লাগে, আমাৰো ভাল লাগে। ময়েই বা দেউতাৰেই কেতিয়াবা জানো তহঁতক কিবা কৈছোঁ ? কিন্তু এনেকৈ একেলগে ফুৰিবলৈ গলে বাহিৰৰ মানুহে কি বুলিব ? এইবোৰ ইমান ডাঙৰ ঠাই নহয় যে কোনেও কাকো চিনি নাপায় ! দেউতাৰ বা মই লগত গলেও এক কথা।"

পূৰ্ণিমাই মাকৰ এষাৰ কথাও গোপন নকৰিলে ; একে সুৰতে প্ৰতিটো শব্দ সুকুমাৰক কৈ দিলে। পূৰ্ণিমাৰ লগত সুকুমাৰে আগতে বহুতবাৰ অভিমান কৰিছে, বহুতবাৰ সি আহত হৈছে ; সেইবোৰ মৰমৰ দুখ ; কিন্তু সি এইখন ঘৰত প্ৰথমবাৰৰ কাৰণে আজি পূৰ্ণিমাৰ বাহিৰে অইনৰ কথাত আহত হ'ল, ক্ষুব্ধ হ'ল। নিৰৱ অভিমানেৰে সি গুলাই গ'ল, পাছৰ তিনিদিন এইখন ঘৰলৈ নাহিল। মানবেন্দ্ৰ

চৌধুৰীয়ে উৎপাত আৰম্ভ কৰিলে,—কি হ'ল ? অফিছলৈ ফোন কৰে, অফিছত সি নাই। ঘৰলৈ মানুহ পঠিয়ায়, ঘৰতো নাই। পূৰ্ণিমাৰ চকু মুখ দুদিনতে বহুত দিন টোপনি খতি কৰাৰ নিচিনা হৈছিল ; তৃতীয় দিনা আবেলি তাই সকলো কথা দেউতাকক কৈ দিলে। "ছি ছি ছি, কি কেঁচুৱা মানুহৰ নিচিনা কাৰবাৰ !"—বুলি চৌধুৰী মটৰত উঠি নিজে সুকুমাৰক বিচাৰি ওলাল। পূৰ্ণিমা, মনোৰমা আৰু সুকুমাৰ,—কাক উদ্দেশ্য কৰি চৌধুৰীয়ে কথাষাৰ ক'লে, কোনেও ধৰিব নোৱাৰিলে।

আধাঘণ্টাৰ মূৰত মটৰৰ পিছৰ দুৱাৰখন খুলি সুকুমাৰ পূৰ্ণিমা-হঁতৰ গাড়ী-বাৰান্দত নামিল। সি ওপৰলৈ মূৰ নকৰিলে ; চৌধুৰীৰ পিছে পিছে আহি মাজৰ কোঠালিৰ চোফা এখনত তলমূৰকৈ বহি ৰ'ল। চৌধুৰীয়ে কিন্তু সোমায়েই ডাঙৰ ডাঙৰকৈ মনোৰমাক চিঞৰিলে ; মনোৰমাও উধাতু খাই সোমাই আহিল। নাহিল পূৰ্ণিমা। তাইৰ লাজ লাগিছিল, অভিমান হৈছিল। কথা-বতৰাবোৰ শুনিবলৈ তাই ওচৰৰ কোঠালিটোত উৎকৰ্ণ হৈ বহি ৰ'ল। চৌধুৰীয়ে প্ৰথমতে হো হো কৈ এগাল হাঁহি ললে, তাৰ পাছত কলে, "এওঁ কি কৰিছে জানা ? এই গধুলি সময়ত লাইট-ছাইট নজ্বলোৱাকৈ, এন্ধাৰে-মুন্ধাৰে বিছনাত পৰি আছে। পগলায়েই নে কিয়েই জানো! যোৱাচোন, বেগাই চাহৰ যোগাৰ কৰা।"

মনোৰমা সোমাই গ'ল ; তাৰ পাছত চৌধুৰীয়ে বহি ললে। তেখেতে গম্ভীৰ মাতেৰে কলে, "শুনা সুকুমাৰ, মোৰ কথা শুনা। মাকে পূৰ্ণিমাৰ আগত কিবা কৈছে, কথাবোৰ তুমিও শুনিছা, ময়ো শুনিছোঁ। মই তিৰোতা মানুহৰ সেইবোৰ পেনপেনীয়া কথাৰ মাজত নাই বুজিছা। মোৰ নিজৰ ল'ৰাক দিয়াৰ নিচিনাকৈ এইখন ঘৰ তোমাক এৰি দিছোঁ। অইনৰ কথা মই নুশুনো, মই তোমাৰ কথা শুনিম। তুমি কোৱাচোন, তোমাৰ মনত কিবা অইন ভাব আছেনে ?"

সুকুমাৰ মানুহটো ভৰিৰ পৰা মূৰলৈকে কঁপি উঠিল। তাৰ মনত অইন কিবা ভাব আছেনে ? পূৰ্ণিমাক প্ৰথম দেখাৰ দিনাৰ পৰা

আজিলৈকে এই দীঘলীয়া দিনৰ মোহময় মুহূৰ্তবিলাক অকস্মাতে যেন তাৰ মনৰ ভিতৰত নিৰাশ্রয় হৈ গ'ল ; বাহৰ পৰা আচম্বিতে খেদা খোৱা মৌৰ নিচিনাকৈ সিহঁতে যেন তাৰ বুকুৰ মাজত তোলপাৰ লগাই দিলে। কাপুৰুষৰ দৃষ্টিৰে সি চৌধুৰীলৈ মূৰ তুলি চালে। সদায় দেখি থকা স্নেহময় চৌধুৰীৰ সেই একে দৃষ্টিৰে সম্মুখত আজি সুকুমাৰৰ লাজে-ভয়ে কোঁচ খাই এটা ধূলিকণা হৈ যাবৰ মন গ'ল। তাৰ এনেকুৱা লাগিল যেন প্রশ্নটোৰ উত্তৰ নিজে আনিবলৈ বুলি চৌধুৰীৰ দৃষ্টি তাৰ বুকুৰ তলিলৈকে সোমাই গৈছে।

পলম কৰিবলৈ সুকুমাৰৰ উপায় নাছিল। যিটো উত্তৰ সি এক মুহূৰ্তৰ ভিতৰতে দিব পাৰিলেহেঁতেন, সেইটো উত্তৰ তাৰ মুখলৈ নাহিল ; আৰু যিটো উত্তৰ সি গোটেই জীৱনতো দিয়াৰ কথা ভৱা নাছিল, সেই উত্তৰটো সি মন্ত্রমুগ্ধ মানুহৰ নিচিনাকৈ দি পেলালে, "নাই, নাই খুৰাদেউ।"

"নাই।"—দুগুণ জোৰেৰে শব্দটো উচ্চাৰণ কৰি চৌধুৰী একে-কোবেই থিয় হ'ল। "তোমাৰ মনত একো নাই যেতিয়া বাহিৰৰ মানুহে কি ভাবিব তাক লৈ চিন্তা নকৰোঁ। মই তোমাক বাহিৰৰ মানুহতকৈ বেছি বিশ্বাস কৰোঁ। পূর্ণিমা! পূর্ণিমা!—যোৱা, তাই ভিতৰতে আছে হবলা।" বুলি চৌধুৰী ওলাই গ'ল।

নাই! নাই? সুকুমাৰৰ মনত একো নাই? ওচৰৰ কোঠালিটোত উৎকর্ণ হৈ বহি থকা পূর্ণিমাৰো চাৰিওফাল এন্ধাৰ-এন্ধাৰ লাগিল। তাই একো শুনা নাই, নাইবা ভুলকৈ শুনিছে বুলি ভাবিবলৈ মন গ'ল। বেছি সময় তাই ধৈর্য ধৰি থাকিব নোৱাৰিলে, তাইক বিচাৰি সুকুমাৰে কোঠালিটোলৈ সোমাই অহাৰ আগতে তাই কান্দি পেলালে।

সুকুমাৰে তাইক তাইৰ খোপাটো চুই চুই বুজালে, জীৱনত কেতিয়াও নিজকে এনেকৈ প্রবঞ্চনা কৰি সি মিছা কথা কোৱা নাই। তাইৰ দেউতাকৰ গভীৰ বিশ্বাসৰ তলিত পৰি তাৰ মৰমে হাঁহাকাৰ কৰি উঠিল, তাৰ মৰম মৰি গ'ল, আৰু মৰমৰ শেষ নিশ্বাসটো কেৱল 'নাই' বোলা এটা নিষ্ঠুৰ মিছা শব্দৰ বুৰবুৰণি হৈ ওলাই গ'ল। সি পূর্ণিমাক

কাতৰভাৱে অনুৰোধ কৰিলে তাই যেন সি জীৱনত প্ৰথম বাৰৰ কাৰণে মিছা কথা কোৱা বুলি বিশ্বাস কৰে।

পূৰ্ণিমাই বুজিলে। কিন্তু সিহঁত দুইটাই ভিতৰি ভিতৰি এইটোও বুজিলে যে সিহঁতৰ জীৱন দুটাৰ মাজত ঘন কুঁৱলী পৰিছে। কাপুৰুষৰ নিচিনাকৈ এক মুহূৰ্ততে কৈ পেলোৱা 'নাই' বোলা শব্দটো কেতিয়া, কেনেকৈ কি সাহেৰে পাছত সুকুমাৰে 'আছে' কৰিব ?

পাছৰ দিনবোৰত সুকুমাৰ নিষ্প্ৰভ, ম্ৰিয়মান হৈ গ'ল। সি ভাবিলে—সি উচ্চাৰণ কৰা 'নাই' বোলা শব্দটোৱে যদি তাৰ ভৱিষ্যত জীৱনৰ ওচৰে-ওচৰে পূৰ্ণিমা নথকাটোকো বুজায়, তেনেহ'লে তাৰ এইবোৰ দিনত বহুত দায়িত্ব আছে। এবইবোৰ দিনত পূৰ্ণিমাৰ লগত থকা তাৰ অবাধ আৰু মধুৰ মিলাপ্ৰীতিয়ে আগলৈ তাইৰ জীৱনত কাঁইট হৈ দেখা দিব। মানবেন্দ্ৰ চৌধুৰীয়ে একো নাভাবিব পাৰে, কিন্তু পূৰ্ণিমাৰ জীৱনলৈ যিজন দ্বিতীয় মানুহ আহিব, তেওঁ মানবেন্দ্ৰ চৌধুৰীৰ নিচিনা নহবও পাৰে। দ্বিতীয় মানুহ! প্ৰথমবাৰৰ কাৰণে এই শব্দ দুটাই সুকুমাৰৰ বুকুখন চেপা মাৰি ধৰিলে। যন্ত্ৰণাকাতৰ সুকুমাৰ তাৰ অকলশৰীয়া ঘৰটোৰ ভিতৰত অস্থিৰ হৈ উঠিল। সি ঠিক কৰিলে পূৰ্ণিমাৰ লগত তাৰ সম্পৰ্কটো সি প্ৰত্যেকটো মানুহৰ পৰা গোপন কৰি পেলাব ; পূৰ্ণিমাক লৈ চহৰৰ প্ৰধান বাটেদি ফুৰি অহাৰ প্ৰশ্ন নাই ; বৰঞ্চ বাহিৰৰ এটা প্ৰাণীয়েও যেন তাক পূৰ্ণিমাহঁতৰ ঘৰৰ চকী এখনত সাধাৰণ আলহীতকৈ বেছি আৰামেৰে বহি থকাও নেদেখে।

এবাৰ পূৰ্ণিমাৰ মাহীয়েকৰ জীয়েক এজনী ছমাহমান সিহঁতৰ ঘৰত থাকিবলৈ অহাৰ কথা ওলাল। পূৰ্ণিমা আৰু সুকুমাৰ দুইটাই অস্বস্তিবোধ কৰিলে ; দুইটাই দুইটাৰ চকুলৈ চাই পৰস্পৰৰ অস্বস্তি-খিনিক কাতৰভাৱে সমবেদনা জনালে। সুকুমাৰে ক'লে, "ছোৱালীজনী ইয়াত থকা দিনখিনিত মই ইয়ালৈ নাহোঁ দিয়া পূৰ্ণিমা।"

পূৰ্ণিমা ব্যাকুল হৈ উঠিল, "কিয় কিয় ?"

সুকুমাৰে বেদনাৰে ঢাক খোৱা মাতেৰে কলে, "মোৰ আৰু কাকো একো জনাবলৈ ইচ্ছা নাই পূৰ্ণিমা। জনালে মোৰ অসুবিধা একো নহয়,

কিন্তু তুমি ছোৱালী, তোমাৰ বহুত অপকাৰ হ'ব। এতিয়া ঘৰখনত মই মুকুলিমুৰীয়াকৈ থাকোঁ, আলহী যদি বাহিৰৰ কোঠালিত থাকে, মই ভিতৰৰ কোঠালিত তোমাৰ ওচৰত বহি থাকোঁ। কিন্তু ভিতৰত তোমাৰ লগত এজনী ছোৱালী থাকিলে মই বাহিৰৰ কোঠালিত আলহীৰ লগত বহি থকাই ভাল, আৰু তাতকৈ নহাই ভাল।"

"কিন্তু তাই মোৰ ভনী, আপোন মাহীদেউৰ ছোৱালী।" পূৰ্ণিমাই বুজাবলৈ চেষ্টা কৰিলে।

সুকুমাৰে এটা অভিজ্ঞ, ম্লান হাঁহি মাৰিলে ; কলে, "বুইছা পূৰ্ণিমা, খুৰাদেউ আৰু খুৰীদেউৰ নিচিনা মানুহ পৰ হলে, আৰু তেনেকুৱা পৰ মানুহেৰে পৃথিৱীখন ভৰি থাকিলেও চিন্তা কৰিব লগীয়া একো নাই, কিন্তু হঠাতে তোমাৰ গাৰ মঙহ এটুকুৰা পৰ হৈ গলে কষ্ট পাবা, তোমাৰ নিজৰ আঙুলি এটাত বৰ বেয়া ঘা এটা হোৱাৰ নিচিনা লাগিব।"

"নহয়, নহয়"—পূৰ্ণিমা অধৈৰ্য হৈ উঠিল,—"আপুনি ইমান বেয়াকৈ নাভাবিব।" পূৰ্ণিমাই নিজেও বেছিকৈ নাভাবে। তাই সদায় সকলো কথাতে ভাবি আহিছে—শেষ মুহূৰ্তত কিবা এটা হৈ যাব, নাইবা ভাবিছে যি হয় হ'ব। সুকুমাৰৰ নিচিনাকৈ এটা দ্বিতীয় মানুহৰ কথা তাই কোনোদিনেই ভবা নাই, ভাবিছে—কিবা নহয় কিবা এটা উপায়েৰে সুকুমাৰেই তাইৰ প্ৰথম আৰু শেষ মানুহ হৈ যাব।

তাই সুকুমাৰক আৰু বুজালে, "আপুনি দেখিলে বুজিব,—তাই ভাল মনৰ ছোৱালী ; মই যি কওঁ তাকে তাই বিশ্বাস কৰিব। আপুনি নিশ্চিন্তমনে আহি থাকিব, মই সকলো ঠিক কৰিম।"

পূৰ্ণিমাই কৰিলেও সঁচা। সুকুমাৰ আৰু মাহীয়েকৰ ছোৱালজনীক আহি পোৱাৰ দ্বিতীয় দিনাই তাই দুইটাৰে কোনো সংকোচ থাকিব নোৱৰাকৈ চিনাকি কৰি দিলে ; কলে, "বুইছ, এখেত সুকুমাৰ দাদা। ক'ৰ মানুহ, ক'ত থাকে, কি কৰে সেইবোৰ মই তোক পাছত লাহে লাহে কম, এতিয়া এইটোকে বুজি থ—এখেত আমাৰ ঘৰৰে ফুল-টাইম মেম্বাৰ ; সদায় দেখি থাকিবি। আৰু দাদা এই হল চন্দ্ৰা, মোৰ ভনী।"

ফুল-টাইম মেম্বাৰ কথাষাৰে সুকুমাৰক তৎক্ষণাতে অন্যমনস্ক কৰি পেলাইছিল, লৰালৰিকৈ সি সুধিলে, "কি, কি নাম ?"

"চন্দ্ৰা।" পূৰ্ণিমাই দোহাৰিলে।

সুকুমাৰে ছোৱালীজনীৰ মুখলৈ চালে। পূৰ্ণিমাৰ ভনীয়েক। একে সাঁচতে গঢ়া এজনী ধুনীয়া ছোৱালী।

"চন্দ্ৰা। আৰু তোমাৰ নাম পূৰ্ণিমা। ভাল মিলিছে নাম দুটা। তুমি পূৰ্ণিমা—বৰ উজ্জ্বল হৈ এটা দিন থাকা, আৰু তুমি চন্দ্ৰা—উজ্জ্বলেই হওক অনুজ্জ্বলেই হওক সদায় থাকা,—তাৰ মাজতে এদিন তোমাৰো পূৰ্ণিমা হয়—"বুলি নিজৰ কথাত নিজেই ৰস পাই সুকুমাৰে ডাঙৰকৈ, অসংযতভাৱে হাঁহিবলৈ ধৰিলে।

সুকুমাৰে অহা বন্ধ নকৰিলে। পূৰ্ণিমা আৰু তাৰ অকলশৰীয়া সময়বোৰৰ বহুতখিনি ভাগ চন্দ্ৰাই ললে, কিন্তু সি যিমান কষ্ট আৰু অসুবিধাৰ কথা ভাবিছিল, সিমান একো নহল।

এদিন ৰাতি সুকুমাৰ যোৱাৰ পাছত চন্দ্ৰাই পূৰ্ণিমাক ক'লে, "সুকুমাৰ দাদা ইমান ভাল মানুহ! ইমান ভাল মানুহ থাকিব পাৰে বুলি নেদেখিলে, লগ নাপালে বিশ্বাস কৰিব নোৱাৰি নহয় ?

পূৰ্ণিমাই চন্দ্ৰালৈ পোন্দোৱাকৈ চালে; তাৰ পাছত সোঁহাতৰ তৰ্জনীটো এচাৰি এডালৰ নিচিনাকৈ থিয় কৰি, খঙাল পণ্ডিতৰ সুৰত কলে, "অই খবৰদাৰ, এই কেইদিনৰ ভিতৰতে কিবা এটা যদি কৰ, কথা বেয়া হ'ব; খেদি দিম, পলাবলৈ বাট নাপাবি।"

চন্দ্ৰাৰ কিন্তু ধেমালি কৰাৰ মন নগল। দীঘলকৈ নিশাহ এটা এৰি ক্লান্ত মাতেৰে তাই কলে, "একো নকৰোঁ দে অ', চিন্তা নকৰিবি।" তাৰ পাছত হঠাতে মনটো পাতল কৰি লৈ তাই সুধিলে "বাৰু, তোক মই এটা কথা সোধোঁ, বেয়া পাবি নেকি ?"

পূৰ্ণিমাই বিছনাত দীঘল দি ললে, তাৰ পাছত কলে, "নাপাওঁ নাপাওঁ, কি সোধ, সুধি যা, এফালৰ পৰা কৈ যাম।"

চন্দ্ৰাই সৰু মাতেৰে, বৰ মৰম লগাকৈ সুধিলে, "তোৰ লগত সুকুমাৰ দাদাৰ কিবা আছেনে কি অ' ?"

পূৰ্ণিমাই স্তব্ধ দৃষ্টিৰে চন্দ্ৰাৰ চকুলৈ চালে। এনেকুৱা এটা কথা সুধি চন্দ্ৰাই এদিন তাইক বিপদত পেলাব বুলি পূৰ্ণিমাই আগৰে পৰা ভয় কৰি আছিল। তাই আপ্ৰাণ চেষ্টা কৰিলে চন্দ্ৰাই যেন তাই কথাষাৰৰ অৰ্থ নুবুজিহে তেনেকৈ চাইছে বুলি বুজক। চন্দ্ৰাই জোৰ কৰিলে, "মোৰ পৰা নুলুকুৱাবি দেচোন, মোক ক'লে তোৰ একো অসুবিধা নহয়।"

এই এষাৰ কথা কৈ সময় অকণমান দিয়াৰ কাৰণেও পূৰ্ণিমাই ভাল পালে। নহলে উত্তৰ দিয়াত একমুহূৰ্ত পলম কৰাৰো অৰ্থ নাই। চন্দ্ৰাও ছোৱালী, তাতে যথেষ্ট চতুৰ, এক মুহূৰ্তৰ পলমতে তাই বহুত কথা বুজি পেলাব; অকণমান সময় মনে মনে থাকি তাৰ পাছত মহাভাৰত এখনেৰে বুজালেও চন্দ্ৰাক অইন এটা কথা বুজাবলৈ টান হ'ব। পূৰ্ণিমাই এটা বৃথা মুহূৰ্ত বঢ়াই লোৱাৰ চেষ্টা কৰিলে,—"কিবা? কিবা মানে?"

চন্দ্ৰাই হাঁহি পেলালে, "তই বুজিছ দে কিবা মানে কি! কচোন।"

এইবাৰহে যেন পূৰ্ণিমাই আচল কথাটো বুজিলে!

"নাই নাই নাই, একো নাই অ', একেবাৰে একো নাই।"—পূৰ্ণিমাই ক'লে। যিটো শব্দ মাত্ৰ এবাৰ উচ্চাৰণ কৰি সুকুমাৰে সিহঁতৰ জীৱনলৈ বহুত কুঁৱলী নিমন্ত্ৰণ কৰি থৈছে, সেইটো শব্দকে পাঁচবাৰ উচ্চাৰণ কৰি পূৰ্ণিমা ভিতৰি-ভিতৰি অৱশ হৈ গ'ল। তাইৰ নিজৰ ওপৰতে যেন ঘিণ লাগিল।

পূৰ্ণিমাৰ কথা চন্দ্ৰাই সৰলভাৱে বিশ্বাস কৰিলে। মাজে মাজে হঠাতে মৌন, গম্ভীৰ, ম্ৰিয়মান হৈ পৰাটো চন্দ্ৰাৰ কাৰণে এটা অভ্যাস হৈ গৈছে; পূৰ্ণিমাৰ কথাষাৰৰ পাছত তাই অকণমান সময় গম্ভীৰ হৈ কিবা ভাবিলে, তাৰ পাছত অনুতাপৰ সুৰত ক'লে, "তহঁতৰেই ভাল দে"—

পূৰ্ণিমা উচপ খাই উঠিল; তাই মাজতে সুধিলে, "কিয়? কিহৰ কথা কৈছ?"

চন্দ্ৰাই একে সুৰতে কৈ গ'ল, "তহঁতৰ একো নাই, সেইকাৰণে

তহঁতৰ একো কষ্টও নাই। কিমান সুখী তহঁত। মোৰো যদি তহঁতৰ নিচিনাকৈ একো জঞ্জাল নাথাকিলহেঁতেন!"

জঞ্জাল মানে চন্দ্ৰাই নিজে ঠিক কৰি লোৱা মানুহ এটাক গোপনে মৰম কৰাৰ কথা বুজালে। মৰমত পৰি দুৰ্দশাগ্ৰস্ত হোৱা প্ৰত্যেকজনী ছোৱালীয়েই জীৱনত এবাৰ ভাবে—তাই যদি এইবোৰ একো নকৰিলেহেঁতেন! পূৰ্ণিমাক নিৰ্জঞ্জাল বুলি ধৰি লৈ চন্দ্ৰায়ো ঠিক তেনেকৈ বৰ অনুতাপ কৰিলে। সিহঁত দুজনীৰ বিছনা বেলেগ-বেলেগ, তথাপি বহুত ৰাতিলৈকে সিহঁত দুয়োজনী একেখন বিছনাতে থাকিল। পূৰ্ণিমাই চন্দ্ৰাৰ কথা বহুত জানে, বহুত নাজানে; আৰু সেই নজনাখিনিকে কৈ কৈ শেষত প্ৰায় মাজ নিশা, চন্দ্ৰাই কান্দি পেলালে। পূৰ্ণিমাই তাইক একো সান্ত্বনা দিব নোৱাৰিলে; তাইৰো মাত বন্ধ হৈ গৈছিল, চকু সেমেকি গৈছিল।

পাছদিনা পূৰ্ণিমাৰ সুকুমাৰক কথাবোৰ কৈ দিবৰ মন গ'ল। তাই আৰম্ভ কৰিলে, "চন্দ্ৰা আমাৰ ঘৰলৈ কিয় আহিছে জানে দাদা? আচলতে তাই অহা নাই, তাইক ঘৰৰ মানুহবোৰে জোৰকৈ পঠিয়াই দিছে।"

"জোৰকৈ পঠিয়াই দিছে?"—সুকুমাৰ উৎসুক হ'ল।

"ওঁ। তাই বোলে ঘৰত বৰ উৎপাত কৰিছিল।" পূৰ্ণিমাই যেন চন্দ্ৰাৰ মাক আৰু দেউতাকৰ ওপৰত বিৰক্তি প্ৰকাশ কৰিলে।

সুকুমাৰে এইবাৰ আচৰিত হৈ সুধিলে, "কথাটো কি?"

কথাটো হ'ল, দুবছৰমানৰ আগতে এটা ল'ৰাক চন্দ্ৰাই মৰম কৰিবলৈ আৰম্ভ কৰিলে। তাৰ নাম নিৰ্মল, দেখিবলৈ ধুনীয়া, শান্ত; সি ভাল চাকৰি কৰে; চন্দ্ৰাৰ মতে তাৰ সমান মৰমিয়াল ল'ৰা বৰ কম আছে। দুবছৰৰ ভিতৰত চন্দ্ৰাই তাক বহুত মৰম দিলে আৰু তাৰ পৰা বহুত মৰম ললে। ইমানকৈ লৈও তাইৰ বুকুখন খালীয়েই থাকি গ'ল, আৰু দিওঁতেও তাইৰ অফুৰন্ত মৰমৰ একো দিয়া যেনেই নালাগিল। নিৰ্মলৰ মৰমত ডুব গৈ থাকোঁতে মাকে যেতিয়া তাইক বিয়াৰ কথা কয়, তেতিয়া তাই অসহ্য যন্ত্ৰণাত ছাটিফুটি কৰে; ৰাতিপুৱাৰ প্ৰথম ৰ'দৰ

পোহৰ দোঁথ খেলিবলৈ আৰম্ভ কৰা মাছ পাৰলৈ তুলি আনিলে যেনেকুৱা হয়, চন্দ্ৰাৰো তেনেকুৱা লাগে। কিন্তু চন্দ্ৰা ডাঙৰ ছোৱালী, তাইৰ মাক-দেউতাকৰ, বিশেষকৈ দেউতাকৰ, ভাববোৰ অলপ পুৰণি ধৰণৰ ; ছোৱালীক সোনকালে বিয়া দিবলৈ তেখেত বৰ ব্যস্ত। নিৰুপায় হৈ, ভৱিষ্যতৰ অন্ধকাৰৰ ভয়ত এবাৰ চন্দ্ৰাই মাকক পৰিষ্কাৰকৈ নিৰ্ম্মলৰ কথা কৈ দিলে। লগে লগে গৰ্জ্জি উঠিল তাইৰ দেউতাক। তেওঁৰ বংশত এনেকুৱা কাণ্ড কেতিয়াও হ'ব নোৱাৰে। নিৰ্ম্মল ধুনীয়া, স্বাস্থ্যবান ল'ৰা হ'ব পাৰে, সি ভাল চাকৰি কৰিব পাৰে, তথাপিও সি চন্দ্ৰাৰ ওচৰ চাপিব নোৱাৰে। চন্দ্ৰাহঁত তাতকৈ ওপৰত, সকলো ফালৰ পৰা। চন্দ্ৰাৰ কাৰণে দেউতাকে আৰু ওপৰৰ ল'ৰা পাব। কিন্তু এইবোৰ ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল—সিহঁতে প্ৰেম কৰিব কিয় ?

কিন্তু চন্দ্ৰাই ইমান সোনকালে তাইৰ মৰম জলাঞ্জলি দিব নুখুজিলে। ভিতৰি-ভিতৰি তাই ব্যাকুল হৈ উঠিল আৰু বাহিৰত উদাসীন, নিৰৱ আৰু গম্ভীৰ হৈ পৰিল। অলপতে তাই দুবাৰমান বুদ্ধি-ফন্দি কৰি নিৰ্ম্মলক লগ পোৱাৰ বাতৰি তাইৰ দেউতাকৰ কাণত পৰিল আৰু সেইকাৰণে তাইক তেখেতে আঁতৰাই পঠিয়াই দিছে,—নিৰ্ম্মলৰ পৰা আঁতৰত থাকি ভাল হ'বলৈ।

সুকুমাৰে তলমূৰ কৰি কথাবোৰ শুনি গৈছিল ; অলপ সময় সি তলমূৰকৈয়ে থাকিল ; তাৰ পাছত লাহে লাহে সুধিলে, "তেওঁ কি কৰিব বুলি ভাবিছে বাৰু ?"

"তাই কৈছে, হয় তাই মৰিব, নহলে ক'ৰবালৈ গুচি যাব।" পূৰ্ণিমাই দুখেৰে কলে।

"ক'ৰবালৈ মানে ?"

"বিলাতলৈ। পঢ়াৰ নামত।"

"তুমি কিবা ভাবিছানে তেওঁক কি পৰামৰ্শ দিবা ?" কথাষাৰ সুধি সুকুমাৰে পূৰ্ণিমালৈ চাই ৰ'ল।

পূৰ্ণিমাই কলে, "নাই, একো ভবা নাই।"

সুকুমাৰে ম্লান হাঁহি এটা মাৰি কলে, "তুমিতো এইবোৰ কথা একো নাভাবাই, নহয় জানো ?"

পূৰ্ণিমাৰ মন তৎক্ষণাত চন্দ্ৰাৰ কথাৰ পৰা নিজৰ কথালৈ উভতি আহিল। তাই ভীত, সন্ত্ৰস্ত হৈ উঠিল। তাই লগে লগে কলে, "ভাবোঁ, এক ছেকেণ্ডৰ খতি নোহোৱাকৈ ভাবোঁ, আৰু সেইকাৰণেই মই একো ঠিক কৰিব নোৱাৰোঁ।"

সুকুমাৰে বোধহয় পূৰ্ণিমাৰ কথালৈ কাণ নিদিলে; খিৰিকিৰে একদৃষ্টিৰে বহুত দূৰলৈ চাই থাকি সি কলে, "বুইছা পূৰ্ণিমা, ময়ো বিলাতলৈকে গুচি যাম—"

ঠিক এনে সময়তে মনোৰমা আৰু পিছে পিছে চন্দ্ৰা কোঠালিটোলৈ সোমাই আহিল। মনোৰমাই তেখেতৰ অভ্যস্ত সুৰত ডাঙৰ-ডাঙৰকৈ ক'লে, "আমি মেল শেষ কৰিলোঁ, এতিয়া তোমালোকৰ মেলৰ ভাগ লবলৈ আহিছোঁ। কোৱাচোন, কিহৰ কথা পাতিছা।"

পূৰ্ণিমাই লৰালৰিকৈ মনটো পাতল কৰি ললে; ক'লে, "বুইছ মা, কালি চন্দ্ৰাই কৈছে, তাই বোলে বিলাতলৈ যায়; এতিয়া দাদাই কৈছে, তেখেতো বোলে বিলাতলৈ যায়; এটাইখন গলে মইনো কেনেকৈ থাকিম ? সেইকাৰণে কৈছোঁ, ময়ো যাম।"

মনোৰমাই মুখতে ধৰিলে, "যাবি ৰহ বিলাতলৈ ! এজনী এজনীকৈ তহঁত দুইজনীকে বিদায় কৰিব লাগিব। মাৰহঁতৰ ঘৰৰ ভাতকেইটা আগতে শেষ কৰ, তাৰ পাছত নিজৰ কপালৰ জোৰত বিলাতলৈ যাব, জাপানলৈ যাব গৈ থাক।"

পূৰ্ণিমাৰ বিয়াৰ কথা প্ৰথমতে ঠিক এনেকৈ ধেমালিৰ মাজতে ওলাইছিল, কিন্তু সেই ধেমালিয়ে পূৰ্ণিমা আৰু সুকুমাৰৰ চকুৰ আগতে এদিন এনেকুৱা ৰূপ ললে যে সেই ৰূপ দেখি সিহঁত দুয়োটাৰ দেহ-মন জঠৰ হৈ গ'ল।

এদিন আবেলি সুকুমাৰ সোমোৱাৰ লগে লগে চৌধুৰীয়ে লৰালৰিকৈ তাক তেখেতৰ পঢ়া-কোঠালিলৈ মাতি লৈ গ'ল। মেজৰ পৰা খবৰ কাগজ এখন তুলি লৈ তেখেতে পাতবোৰ দুবাৰমান ইফালে-সিফালে

লুটিয়ালে, তাৰ পাছত এটা পৃষ্ঠা সুকুমাৰৰ সমুখত দাঙি ধৰি কলে, "এই ল'ৰাটো চিনি পোৱানে ? নাম শৰত, তোমালোকৰে সমসাময়িক হ'ব—।"

সুকুমাৰে ছবিখন চালে, তলত থকা কথাখিনি পঢ়িলে, এইবাৰৰ পৰীক্ষাত চৰকাৰৰ উচ্চ বিষয়াৰ কাৰণে মনোনীত হৈছে। সুকুমাৰৰ বুকুৱে ইতিমধ্যে আশংকাত ধৰফৰ কৰিবলৈ আৰম্ভ কৰিছিল ; সি লাহেকৈ কলে, "নাই, মোৰ দেখা মনত নপৰে।"

"অ'—" বুলি হঠাতে চৌধুৰীয়ে এটা শব্দ কৰিলে ; তেখেতৰ কিবা এটা মনত পৰিল। "আচল মানুহজনৰ কথাকে পাহৰি গৈছিলোঁ। বহাচোন বহাঁ। তোমাৰ ককাইদেউৱায়েই দেখোন খবৰ দিব পাৰে। তোমাক' কথাটো ভাঙি কোৱাত আপত্তি নাই। আৰু কিবা এটা হ'লে তোমালোকৰ সহায় নহ'লে মই অকলে কিমান কৰিম ? কথাটো হ'ল—এই ল'ৰাজনৰ ককায়েকৰ লগত এবাৰ এখন কনফাৰেন্সত মোৰ দুই-এষাৰ কথাৰে চিনাকি হৈছিল। আজি অলপ দিনৰ আগতে তেওঁৰ পৰা এখন চিঠি পাইছিলোঁ : তেওঁ ভায়েকৰ কথা লিখিছে আৰু লিখিছে, তেওঁলোকে আমাৰ লগত সম্বন্ধ কৰিব খোজে।" চৌধুৰী অলপ সময় ৰ'ল, তাৰ পাছত তেওঁ কলে, "মই কথাটো বেয়া দেখা নাই ; তথাপি এবাৰ ঘৰখন চাই লোৱা ভাল। পাছত অৱশ্যে আমি নিজে চাবই লাগিব, কিন্তু এই বিষয়ে প্ৰাথমিক খবৰখিনি ভিতৰুৱাকৈ তোমাৰ ককাইদেউৰাৰ পৰা পাম বুলি আশা কৰিছোঁ।"

তাৰ পাছত চৌধুৰীয়ে সুকুমাৰক বুজাই দিলে, শৰত বোলা ল'ৰাজনৰ আচল ঘৰ বৰ্তমানে সুকুমাৰৰ ককায়েক থকা ঠাইৰ পৰা মাত্ৰ দুমাইলমান আঁতৰত। চৌধুৰীয়ে নিজে লিখিব, সুকুমাৰেও যেন এই বিষয়ে খা-খবৰ কৰে। শেষত চৌধুৰীয়ে কলে, কিবা এটা খাটাং নোহোৱালৈকে কথাটো যেন সুকুমাৰে গোপনে ৰাখে।

কি ধৈৰ্যৰে সুকুমাৰে চৌধুৰীৰ কথা শেষলৈকে শুনিলে, সি নিজেই নাজানিলে। আপ্ৰাণ চেষ্টাৰে সি চৌধুৰীৰ আগত নিজকে সংযত কৰি ৰাখিলে আৰু এসময়ত নিচাই ধৰা মানুহে যেনেকৈ

গুৰুজনৰ আগত ঠিকমতে ভাবি পেলাই খোজ কাঢ়িবলৈ চেষ্টা কৰে, তেনেকৈ খোজ পেলাই কোঠালিটোৰ পৰা ওলাই গ'ল। তাৰ মূৰ ঘূৰাই গৈছিল। তাৰ এনেকুৱা লাগিল—চৌধুৰীয়ে যেন তাক ক'লে, "তোমাক মাৰিবৰ ব্যৱস্থা কৰিছোঁ; চিতাখনৰ কাৰণে খৰি-খেৰ কি ক'ত লাগে তুমি নিজে খা-খবৰ কৰিবাচোন!"

অলপ দিনৰ ভিতৰতে শৰত বোলা ল'ৰাজন পূৰ্ণিমাৰ বহুত ওচৰ চাপি আহিল। সুকুমাৰে নিজ হাতেৰে শৰত ওচৰ চাপি অহা ৰথৰ ৰছী টানিলে, তিল-তিলকৈ সি পূৰ্ণিমা আঁতৰি যোৱাটো অনুভৱ কৰিলে, কিন্তু সি এষাৰ,—এষাৰ কথা কোৱাবো সুবিধা নাপালে। ইমান বিশ্বাস—ইমান বিশ্বাস কৰিলে তাক এই মানুহ ঘৰে যে সেই বিশ্বাসৰ তলিত চেপা খাই তাৰ মৰমৰ ভৱিষ্যতটো উশাহ বন্ধ হৈ মৰি গ'ল। মানুহৰ মৰম আৰু বিশ্বাসৰ এই নিষ্ঠুৰ, নিৰ্মম ৰূপটো দেখি সি বলিয়াৰ নিচনা হৈ গ'ল।

সুকুমাৰে বহুত কথা ভাবি থৈছিল। সি জানিছিল—চৰকাৰৰ ওখ খাপৰ বিষয়া, দুটা উজ্জ্বল ল'ৰাৰ সম্ভ্ৰান্ত, আঢ্যৱন্ত মাক-দেউতাকে তেখেতসকলৰ লগত খাপ খোৱা ঘৰৰ উজ্জ্বল ল'ৰা নিশ্চয় বিচাৰিব, কিন্তু তাৰ ককায়েকো তাৰ কাৰণে এজনী ছোৱালীৰ কথা ভাবি চৌধুৰী পৰিয়ালৰ বৰ বেছি তললৈ নানামিলহেঁতেন। সেইটো বিশ্বাস, ক্ষীণ হলেও, তাৰ আছিল। চৌধুৰীৰ সম্মুখত তাৰ মুখ এটা শব্দৰেই বন্ধ হৈ গৈছিল, কিন্তু শেষত, একেবাৰে নিৰুপায় অৱস্থাত, সি তাৰ ককায়েকৰ শৰণাপন্ন হোৱাৰ কথা ভাবিছিল। ভাবিছিল, মুখেৰে হয়তো ককায়েকক এইবোৰ কথা সি কব নোৱাৰিব, সেইকাৰণে সি এখন চিঠি লিখিব—

চিঠি এখন সি লিখিলে,—যিখন চিঠিৰ উত্তৰত ককায়েকে লিখিলে,—শৰত লৰাটোও ভাল, ঘৰখনো ভাল, খুৰাদেও নিশ্চিন্তমনে আগবাঢ়িব পাৰে।

কোনো কোনো মুহূৰ্তত সুকুমাৰে ভাবিলে—ইচ্ছা কৰিলে সি বহুত কিবাকিবি কৰিব পাৰে। একে ৰাতিৰ ভিতৰতে সি আৰু

পূৰ্ণিমাই বুকুত দুৰ্জয় সাহস গোটাই লব পাৰে, সেই সাহসৰ সন্মুখত মানবেন্দ্ৰ চৌধুৰী আৰু মনোৰমাক নিৰ্বাক দৰ্শক কৰি পেলাব পাৰে, ক'ৰবাত এটা নিৰ্জন কোণত এখন আটোম-টোকাৰি সংসাৰ পাতি লব পাৰে। কিন্তু শান্তি সিহঁতে কিমান পাব? কিমান দিনলৈ পাব? তাৰ ককায়েকৰ দিনতে গঢ় লোৱা চৌধুৰী পৰিয়ালৰ অপৰিসীম বিশ্বাস আৰু স্নেহৰ ছাঁত সি ইমান দিনে আলফুলীয়া মুহূৰ্তবোৰ কটাই আহিল; সেই বিশ্বাস ভাঙি সিহঁতে জীৱনত কি শান্তি পাব? এদিন হয়তো একমাত্ৰ জীয়েক বুলি পূৰ্ণিমাক, আৰু জীয়েকৰ গিৰিয়েক বুলি তাকো চৌধুৰী পৰিয়ালে ওচৰ চপাই লব, কিন্তু মানুহবিলাকৰ মনৰ ডাৱৰ আঁতৰিবনে? তাৰ, পূৰ্ণিমাৰ, মানবেন্দ্ৰ চৌধুৰীৰ, মনোৰমাৰ, তাৰ ককায়েকৰ,—প্ৰত্যেকটো মানুহৰ মনত যদি একোটা জীৱনজোৰা আক্ষেপ থাকি যায়? নহয় নহয়, এনেকুৱা কাম সি নকৰে; সি নিজেও সহ্য কৰিব, পূৰ্ণিমাকো বুকুৰ মৰম উজাৰ কৰি শিকাব সহ্য কৰিবলৈ।

পূৰ্ণিমাক সুকুমাৰে আগতে কৈছিল—তাই একো কৰিব নালাগে। তাই বিশ্বাস কৰা উচিত—যদি কিবা কৰাৰ উপায় থাকে তেনেহ'লে তাইতকৈ সি বেছি ভালকৈ কৰিব। শেষ মুহূৰ্তলৈকে সি উপায় বিচাৰিব। পাছত যিদিনা সুকুমাৰে শেষবাৰৰ কাৰণে কলে যে সি নিৰুপায়, একেবাৰে নিৰুপায়, সেইদিনা পূৰ্ণিমা মৰিবলৈ ওলাল। ভৱিষ্যতৰ এখন নিষ্ঠুৰ পংকিল, ক্লেশময় সংসাৰৰ ছবি কল্পনা কৰি তাই শিয়ৰি উঠিল। সুকুমাৰৰ হাত এখনৰ ওপৰত কপালখন মোহাৰি-মোহাৰি তাই ক'লে "ছিঃ মই নোৱাৰিম, মই কেতিয়াও নোৱাৰিম; অইন এটা মানুহ মোৰ ওচৰ চাপি আহিব, অইন এটা মানুহে মোক চুব, মই সহ্য কৰিব নোৱাৰিম, মোৰ ঘিণ লাগিব,—ছিঃ!"

পূৰ্ণিমাৰ চকুপানীৰে সুকুমাৰৰ হাত তিতি গ'ল। তিতা হাতখন ফুৰাই সুকুমাৰে তাইৰ গোটেই মুখখন তিয়াই দিলে। পূৰ্ণিমাৰ এই চকুপানী সুকুমাৰে মচিব নোৱাৰে, শুকুৱাব নোৱাৰে। এদিন সি তাইক আশ্বাস দিছিল, আজি আশ্বাস আৰু সান্ত্বনাৰ নামত তাৰ জিভা কোঁচ খাই গ'ল। পূৰ্ণিমাই অদ্ভুত মাতেৰে আকৌ ক'লে, "মই নোৱাৰিম

দাদা, প্ৰথম ৰাতিয়েই মানুহটোৱে মোক খেদি দিব ; গোটেই জীৱনৰ কাৰণে কলংক আৰু দুৰ্ভাগ্য কপালত লৈ মই আকৌ এইখন ঘৰতে সোমাবহি লাগিব।" অসহায় কান্দোনত এইবাৰ পূৰ্ণিমাৰ পিঠিখন লৰিবলৈ ধৰিলে।

বিয়াৰ দিনা দোকমোকালি পৰত এইখন ঘৰৰ পদূলি পাৰ হৈ ওলাই নোযোৱালৈকে পূৰ্ণিমাৰ সেই কান্দোন বন্ধ হোৱা নাছিল। ছোৱালীৰ এটা সুবিধা আছে, বিয়াঘৰৰ শ শ মানুহৰ আগত সিহঁতে ইচ্ছামতে কান্দি থাকিব পাৰে ; মানুহে ভাবে সিহঁতে মাক-দেউতাকৰ বুকুৰ পৰা আঁতৰি যোৱাৰ দুখত কান্দিছে। বিয়াৰ তিনিদিনত সুকুমাৰৰ কিন্তু সামান্য দুৰ্বল হোৱাবো উপায় নাছিল। ৰভাতলিত সি হাঁহিমুখে অভ্যাগতক হাত জোকাৰি অভ্যৰ্থনা জনাবলগীয়া হ'ল। অকণমান সময় এঠাইত থিয় হৈ কিবা এটা ভাবিবলৈও তাৰ ভয় লাগিল,—যেন এটাইবোৰ মানুহে তাৰ সকলো কথা জানে, আৰু সেইকাৰণে সকলোৱে আঁৰ চকুৰে তাৰ আচাৰ-ব্যৱহাৰ, গতি-বিধি লক্ষ্য কৰি আছে। এবাৰ সি ভাবিলে, কোনেও গম নোপোৱাকৈ আঁতৰি গৈ কোনোবা এঠাইত দিনটো পলাই থাকি এই যন্ত্ৰণাৰ পৰা ৰেহাই পোৱাৰ চেষ্টাৰ কৰিব ; কিন্তু সেইটো সি নকৰিলে পূৰ্ণিমাৰ কাৰণে। শেষ সম্ভৱ মুহূৰ্তলৈকে সি পূৰ্ণিমাৰ ওচৰে-পাজৰে থাকিব খুজিলে। দুৰ্ভাগাৰ এই চূড়ান্ত মুহূৰ্তত, এতিয়াও, সি নিজকে পূৰ্ণিমাৰ একমাত্ৰ সাৰথি বুলি ভাবিলে। অথচ এই শেষৰ দিনকেইটাত সি পূৰ্ণিমাক অইনফালে চাই কন্দাৰ বাহিৰে একো কৰা নেদেখিলে।

হঠাতে সুকুমাৰৰ এবাৰ চিন্তা হ'ল, পূৰ্ণিমাই যে ইমান কান্দিছে, তাৰ ভিতৰত বাৰু তাৰ কাৰণে কিমান কান্দিছে ? গোটেই খিনি ? নহয় নহয়, মাক-দেউতাকৰ কাৰণেও নিশ্চয় কান্দিছে। কিজানি তাই গোটেইখিনি মাক-দেউতাকৰ কাৰণেই কান্দিছে। সুকুমাৰৰ লগত বিয়া হোৱা হ'লে পূৰ্ণিমাই যিখিনি কান্দিলেহেঁতেন, সেইখিনি নিঃসন্দেহে এই ঘৰখন, মাক-দেউতাকৰ কাৰণে বুলি বুজা গলহেঁতেন। এতিয়া বুজিবৰ উপায় নাই। স্বাৰ্থপৰৰ নিচিনাকৈ সুকুমাৰে পূৰ্ণিমাই

গোটেইখিনি কেৱল তাৰ কাৰণেই কান্দিছে বুলি ধৰি লৈ শান্তি পালে। আজি যেন তাৰ সেয়েই একমাত্ৰ লাভ।

এবাৰ সুকুমাৰে দূৰৰ পৰা কইনা সাজৰ পূৰ্ণিমাক চালে। সেউজীয়া গুণাকৰা কাপোৰেৰে পূৰ্ণিমা গোটেই মানুহজনী যেন সেউজীয়া হৈ পৰিছে। কপাল আৰু শিৰৰ সেন্দুৰৰ বাহিৰে গাৰ ক'তো ৰঙা ৰঙৰ বিন্দু এটা নাই। সুকুমাৰৰ এদিনৰ কথা পূৰ্ণিমাই আজিও ৰাখিবলৈ চেষ্টা কৰাৰ এই মধুৰ আনন্দকণ সুকুমাৰৰ অসহনীয় যন্ত্ৰণা যেন লাগিল।

দোকমোকালি পৰত মাক-দেউতাক, উপস্থিত গুৰুজন সকলোকে সেৱা কৰি, সুকুমাৰৰ ভৰিত চকুপানী আৰু কপালৰ সেন্দুৰ সানি পূৰ্ণিমা শৰতৰ লগত গুচি গ'ল।

সেইদিনা আবেলিয়েই সুকুমাৰেও চহৰ এৰিলে। পাঁচদিনৰ আগৰ পৰাই তাৰ অফিছৰ ডেৰমাহৰ ছুটি আৰম্ভ হৈছিল। মানবেন্দ্ৰ চৌধুৰী আৰু মনোৰমাই ঘৰখন একেবাৰে উৰুঙা উৰুঙা হৈ যোৱাৰ ভয়ত তাক দুদিনমান পাছত যাবলৈ অনুৰোধ কৰোঁতে সি বৰ বিৰক্ত হ'ল। ভনীয়েকৰ বিয়া বুলি এমাহ-এমাহৰ ছুটি লৈ তেখেতসকলৰ উজ্জ্বল ল'ৰা দুটা ঘৰলৈ আহিছে, তেওঁলোক থাকোঁতে ঘৰখন উৰুঙা হ'বনে? ম্লান হাঁহিৰে তাকে বুজাই সুকুমাৰ গুচি গ'ল।

দুদিনৰ পাছত, বহুত দূৰৰ এখন হোটেলৰ বিছনাত বাগৰি সুকুমাৰে গোটেই ৰাতিটো এক টিপ টোপনি নোহোৱাকৈ কটাই দিলে। ৰাতিটোৰ ভিতৰত সি কেইবাবাৰো নিঃশব্দে কান্দিলে, বহুতবাৰ নিজকে সান্ত্বনা দিয়াৰ চেষ্টা কৰিলে। বহুত দূৰৰ, সি কেতিয়াও নেদেখা কোঠালি এটাত আজি পূৰ্ণিমাৰ কাৰণে এখন নতুন, কোমল বিছনা ফুলেৰে সজোৱা হৈছে;—ফুলখিনিৰ বাহিৰে সেইখন বিছনাৰ এটাইবোৰ বস্তু সি পূৰ্ণিমাৰ বিয়াৰ ৰভাতলিত দেখিছে। পূৰ্ণিমাই এতিয়া কি কৰিছে চাগৈ? কান্দিছে? শৰত বোলা ল'ৰাটোক ঘিণ কৰিছে? "ভৰিত ধৰিছোঁ, আপুনি মোক নুচুব"—বুলি কৰুণ কাকুতি

কৰিছে? তাই সঁচাকৈয়ে ৰাতিপুৱাই ঘৰলৈ গুচি আহিবনে কি? তাই যে কৈছিল— !

নাহিল। সুকুমাৰৰ ডেৰমাহৰ ছুটি শেষ হোৱাৰ আগতে পূৰ্ণিমা আৰু শৰত দুয়োটা আহিছিল; এসপ্তাহ আছিল; তাৰ পাছত গুচি গ'ল। এই শূন্য চহৰখনত এতিয়া কি কৰা যায়—সুকুমাৰে ভাবিলে। ভাবি ঠিক কৰিলে,—এইবাৰ সি ঘৰটো সজোৱাৰ কামত লাগিব।

তাৰ পাছত ইটা-ছিমেণ্ট-বালি-লোহা-টিনপাত-চূণ আদি মিহলি হৈ থকা, ব্যৱসায়-গন্ধী, নিজীৱ মাহ কিছুমান সুকুমাৰৰ ওপৰেদি বাগৰি গ'ল। ঘৰটো শেষ হৈ উঠাৰ কিছুদিনৰ আগৰ পৰাই সি ককায়েক, নবৌৱেকৰ পৰা সঘনে চিঠি পাবলৈ ধৰিলে,—মাকৰ স্বাস্থ্য বৰ বেছি বেয়ালৈ গৈছে, কোনদিনা কি হয় ঠিক নাই, সুকুমাৰে যদি তেখেত থাকোঁতেই বিয়াখন নাপাতে, তেনেহলে জীৱনৰ বৰ ডাঙৰ হেঁপাহ এটা বুকুত বান্ধি তেখেত গুচি যাব লাগিব— ।

সুকুমাৰে এবাৰ ভাবিলে, বিলাতলৈকে গুচি যাব নে কি? কিন্তু কিয় যাব? পলাই থাকিবলৈ? নহয় নহয়, পলাই যাবলগীয়া দুৰ্ভাগ্য-খিনিক যদি সি স্বীকাৰ কৰি লয়, তেনেহ'লে পলাই গৈও সি শান্তি নাপাব; দুৰ্ভাগ্য তাৰ লগে লগে যাব।

সুকুমাৰৰ এনেকুৱা দিগভ্ৰান্ত দিনবোৰৰ ভিতৰতে এদিন এটা নতুন ঘটনা ঘটিল। সি পূৰ্ণিমাৰ পৰা এখন চিঠি পালে। পূৰ্ণিমাই লিখিছে, সি যদি তাইক অকণমানো মৰম কৰিছিল, তেনেহলে সি যেন বিয়া কৰে। তীব্ৰ যন্ত্ৰণাৰ পৰা তাইক যদি অকণমানো ৰেহাই দিয়াৰ কথা সুকুমাৰে ভাবিছে, তেনেহলে সি যেন বিয়া কৰে। তাৰ বিয়াখনক পূৰ্ণিমাই তাইৰ প্ৰতি সুকুমাৰৰ আৰু অকণমান মৰম বুলি ধৰিব— । চিঠিখনৰ উত্তৰ পূৰ্ণিমাক নালাগে; চিঠিখন তাই গোপনে লিখিছে; সুকুমাৰৰ বিয়া,—এই খবৰটোৱেই তাইৰ একমাত্ৰ কাম্য।

কেইদিনমানলৈ সুকুমাৰ স্তব্ধ হৈ গ'ল। অকলে অকলে বহি কথাবোৰ ভাবি থাকোঁতে বাৰে বাৰে অভিমানত তাৰ নাকৰ পাহি ফুলি

উঠিল। এদিন সি পূৰ্ণিমাক এজনী দ্বিতীয় ছোৱালীৰ কথা সি ভবা নাই বুলি কৈছিল, সেইকাৰণে পূৰ্ণিমাই এতিয়া ভয় খাইছে নে কি? তাই নিজকে এতিয়া অপৰাধী বুলি ভাবিছেনে কি? সুকুমাৰ বিভ্ৰান্ত হৈ গ'ল।

সাত দিন সাত ৰাতি সি চিন্তা কৰিলে; তাৰ পাছত এদিন গোটেই জীৱনৰ, গোটেই দেহাৰ শক্তি সোঁহাতখনত থূপ খুৱাই সি ককায়েকলৈ এখন চুটি চিঠি লিখিলে। সি বিয়া কৰাব। এজনী ছোৱালী তাৰ ভাল লাগিছে; তাইৰ নাম চন্দ্ৰা। সম্পৰ্কত ছোৱালীজনী পূৰ্ণিমাৰ ভনীয়েক হয়।

চন্দ্ৰাৰ মাক-দেউতাকে সুকুমাৰৰ ককায়েকৰ চিঠিখন হাতেৰে চুকি পোৱা স্বৰ্গ এখন যেন পালে। তেখেতসকলে এবাৰ ঘৰ-দুৱাৰ চাবলৈ কোন আহে—মাতি পঠিয়ালে। সুকুমাৰে ককায়েকলৈ লিখিলে,—আপোনালোক কোন যায় যাব, মই নিজেও এবাৰ যাম।

চন্দ্ৰাহঁতৰ চহৰখনত সুকুমাৰৰ বহুত চিনাকি মানুহ আছে; সকলোৰে ভিতৰত সুকুমাৰে বাছি উলিয়ালে জ্যোতিৰ্ময়ক। বহুত দিনৰ মূৰত তাক লগ পাই জ্যোতিৰ্ময়ে বৰ আনন্দ পালে; সুধিলে, 'আহিলি কলৈ?"

সুকুমাৰে লাহেকৈ হাঁহি কলে, "বিয়া পাতিছোঁ। ছোৱালী চাবলৈ আহিছোঁ।"

"হয়?" জ্যোতিৰ্ময় জপিয়াই উঠিল। ছোৱালী কোন? নাম কি?"

"নাম চন্দ্ৰা!"

"চন্দ্ৰা?" জ্যোতিৰ্ময়ে সুকুমাৰ মুখলৈ প্ৰশ্নমিহলি দৃষ্টিৰে চালে।

"মই জানো, তই চিনি পাৱ?" সুকুমাৰে নিৰ্লিপ্ত মাতেৰে কলে।

"পাওঁ মানে—ভালকৈ পাওঁ, বেছি ভালকৈ পাওঁ। সেইকাৰণেই—"

"সেই কাৰণেই এইখন চহৰত তোকে মই প্ৰথমে লগ ধৰিছোঁ। মই খবৰ লৈ জানিছোঁ—নিৰ্মল তোৰ কলিগ, তহঁত দুটাই ওচৰা-ওচৰি অফিছতে কাম কৰ।"

সুকুমাৰ অকণমান সময় ৰ'ল; বোধহয় সি এটা ওলাই আহিব খোজা

দীঘল নিশাহ হেঁচা মাৰি বন্ধ কৰিলে। তাৰ পাছত সি সুধিলে, "তই কচোন জ্যোতিৰ্ময়, নিৰ্মলে সাংঘাতিক কিবা এটা কাণ্ড কৰি, মানে চন্দ্ৰাৰ মাক-দেউতাকক উলাই কৰি—চন্দ্ৰাক পোৱাৰ কথা ভাবিছেনে কি ?"

জ্যোতিৰ্ময়ে অবাক দৃষ্টিৰে সুকুমাৰৰ মুখলৈ চাই তাৰ কথা শুনি আছিল ; সি অলপ পৰ ভাবি গধুৰ মাতেৰে কলে, "নাই ভবা সুকুমাৰ, তেনেকুৱা কাম সি নকৰে। সি মোৰ দিনটোৰ প্ৰায় আঠ ঘণ্টাৰ লগৰীয়া, তাক মই বৰ ভালকৈ জানো। সি কয়, মৰম কৰাৰ বাহিৰে বোলে সি আৰু একো নকৰে। এষাৰ ডাঙৰ কথা, এটোপাল চকুপানীও সি খৰচ নকৰে। চকুপানীৰ লগত বোলে মৰমো নিগৰি আহে, অপব্যয় হয়। সি নিৰৱে তাৰ ভাগ্যক স্বীকাৰ কৰি লৈছে। আজি বহুত দিন সি দুখ কৰিছে, কিন্তু উগ্ৰাৱল হৈ কিবা এটা কৰাৰ কথা ভবা নাই। তাক দেখিলে মৰমখিনিকে আথেবেথে উৰ্মান দি থকা অসহায় চৰাই এজনী যেন লাগে— ।"

সুকুমাৰৰ নিৰ্মলক এবাৰ লগ পাবলৈ মন গ'ল। চহৰৰ এখন ডাঙৰ চাহৰ দোকানৰ এচুকত পৰাপক্ষত একেখন মেজতে, গধূলি গধূলি বহি থকা নিৰ্মলৰ অভ্যাস। লগতে প্ৰায়েই বহে জ্যোতিৰ্ময়। এদিন গধূলি জ্যোতিৰ্ময়ে সুকুমাৰকো লগত লৈ গ'ল। সুকুমাৰ তাৰ বন্ধু, —ইয়াৰ বাহিৰে কোনো পৰিচয় জ্যোতিৰ্ময়ে নিৰ্মলক নিদিলে। কথাৰ মাজে মাজে সুকুমাৰে নিৰ্মললৈ একেথৰে চাই ৰ'ল। জ্যোতিৰ্ময়ে কোৱাই সঁচা। মৰমখিনিকে উৰ্মানি দি থকা এটা অসহায়, নিৰুত্তাপ, শান্ত প্ৰাণী। এক মুহূৰ্ততে যদি হোটেলৰ মেনেজাৰে তাৰ ওচৰলৈ আহি কোনো কাৰণ নোহোৱাকৈ, হোটেলত বহি থকা সকলোৰে শুনাকৈ কয়, "আপুনি মোৰ দোকানৰ পৰা ওলাই যাওক", সি লাহেকৈ উঠিব, অবাক আৰু কাতৰ দৃষ্টিৰে এবাৰ মেনেজাৰৰ মুখলৈ চাব, আৰু চাহৰ দামখিনি মেজত থৈ লাহে লাহে ওলাই যাব :—নিৰ্মলৰ মুখলৈ চাই সুকুমাৰৰ তেনেকুৱা লাগিল।

পাছদিনা জ্যোতিৰ্ময়ে একান্ত শুভাকাংক্ষী হিচাপে সুকুমাৰক সুধিলে, "সুকুমাৰ, কি ভাবি কি কৰিবলৈ ওলাইছ, মই একো বুজা

নাই ; তই যদি কেতিয়াবা বুজাই কৰ বুজিম। কিন্তু এটা কথা মোক ক, চন্দ্ৰাক তই কিয় বিয়া কৰাবলৈ ওলাইছ ?'' সুকুমাৰে কলে, "নিৰ্মলৰ বাহিৰে অইন কোনোবাই বিয়া কৰায় বুলি !'' জ্যোতিৰ্ময়ে লগে লগে কলে, "বহ, ধেমালি নকৰিবি। তই ভাবি চাচোন, চন্দ্ৰাক বিয়া কৰাই তই জানো শান্তি পাবি ?''

সুকুমাৰে তললৈ চাই, আধাভগা মাতেৰে কলে, "শান্তি ? যিমান শান্তি মোৰ প্ৰাপ্য, সিমানখিনি পাম চাগে !''

জ্যোতিৰ্ময়ক একো নোকোৱাকৈয়ে সুকুমাৰ গুচি আহিল। হিতাকাংক্ষী বন্ধু হিচাপে জ্যোতিৰ্ময়ে চাগে ভাবিছিল, - এজনী মনৰ আউল নথকা, নিৰ্মেঘ, নতুনকৈ ফুলা ফুলৰ নিচিনা সতেজ ছোৱালী চপাই ললে সুকুমাৰে শান্তি পাব ! কিন্তু কৃষ্ণপক্ষৰ জোনৰ নিচিনাকৈ তিলতিলকৈ ক্ষয় কৰা মন এটা লৈ তেনেকুৱা অক্ষত ছোৱালী এজনীক জীৱনলৈ মাতি অনাৰ তাৰ কি অধিকাৰ আছে ? এজনী নিৰ্মল ছোৱালীক সি কিয় তিলতিলকৈ প্ৰবঞ্চনা কৰিব ? এজনী নতুনকৈ ফুলা ফুলৰ নিচিনা সতেজ মনৰ ছোৱালীয়ে তাৰ পৰা কথাই কথাই বৰ হেঁপাহেৰে নতুনত্ব বিচাৰিব, কিন্তু সুকুমাৰৰ কি নতুনত্ব আছে ? এবাৰ ব্যৱহাৰ কৰি ক্ষয় কৰা মৰমকে বং-চং ঘঁহি নতুন বুলি এজনী নতুনৰ আকাংক্ষাত উন্মুখ হৈ থকা ছোৱালীক যাচিব ? নহয় নহয়, ইমান ফাঁকি ইমান মিছাৰ মাজলৈ নামিব পৰা নীচ সি নহয়। সি এনেকুৱা এজনী ছোৱালী বিয়া কৰিব যিজনী ছোৱালীয়ে তাৰ নিচিনাকৈয়ে বুকুৰ মৰম ব্যৱহাৰ কৰি পুৰণি কৰিছে বুলি সি জানে।

সি চন্দ্ৰাক বিয়া কৰিব। কোনোবা দুৰ্বল মুহূৰ্তত সিহঁত দুয়োটাই যদি পুৰণি স্মৃতিৰ পাৰত বহি থাকেগৈ, তথাপিও কাৰো অভিযোগ নাথাকিব। সিহঁতে যি পায়—দুইটাই সমানে সমানে পাব, যি হেৰুৱায়—দুইটাই হেৰুৱাব।

আৰু—পূৰ্ণিমাই তাক বিয়া কৰাবলৈ অনুৰোধ কৰিছে ; তায়ো বুজক—জানি শুনি সুকুমাৰে কাক বিয়া কৰিলে, কিয় কৰিলে ! তাই বুজক, অইন এজনী ছোৱালী বিয়া কৰি সি পূৰ্ণিমাক হেৰুৱাব খোজা

নাই ; বৰঞ্চ প্ৰতিমুহূৰ্তে তাৰ মনত তাইক জীয়াই ৰখাৰ ব্যৱস্থা কৰিছে। তাই আৰু বুজক, কিমান সুখী হবৰ কাৰণে সুকুমাৰে বিয়া কৰিলে।

সুকুমাৰে আৰু এটা অবুজ আশা মনত পুহি ৰাখিলে ;—চন্দ্ৰা আৰু পূৰ্ণিমা বাই-ভনী, চন্দ্ৰাৰ কাৰণেই যদি পূৰ্ণিমাৰ লগত এটা সম্পৰ্ক ৰখাৰ সুবিধা হয় ! অইন একো সম্পৰ্ক নহয়, কেৱল মাজে-মাজে দেখা, এষাৰ কথা পতা, কেতিয়াবা কেনেবাকৈ সুবিধা হলে, সিহঁতৰ প্ৰথম দেখা হোৱা দিনটোৰ কথা মুখামুখিকৈ বহি ভবা !—

তাৰ পাছত—পৰহি সুকুমাৰৰ বিয়া হৈ গৈছে,—চন্দ্ৰাৰ লগত। ফুলশয্যাৰ ৰাতি এইটো কোঠালিলৈ আহিবলৈ এজাক বোৱাৰী-জীয়ৰীৰ মাজত সোমাই চন্দ্ৰা মনে মনে চাগৈ সাজু হৈছে। আৰু আধাঘণ্টাৰ ভিতৰতে তাই সোমাই আহিব। নাহিব নে কি বাৰু ? সুকুমাৰক তাই একেবাৰে সহ্য নকৰিব নে কি বাৰু ? তায়ো এদিন নিৰ্মলক কৈছিল নে কি—"মই মৰি যাম, মানুহটোক মই ওচৰ চাপিবলৈকে নিদিওঁ,—পাছদিনাই কিজানি মই ঘৰলৈ গুচি আহিব লাগিব—" বুলি ?

আজি ৰাতি চন্দ্ৰাই কান্দিলে সুকুমাৰ বিভ্ৰান্ত হৈ যাব। প্ৰথম নিশাৰ ভয়, উত্তেজনা, নতুন জীৱনটোৰ অজস্ৰ ভাল-বেয়া সম্ভাৱনাৰ চিন্তা, এখন এৰি অহা ঘৰৰ স্মৃতি,—এইবোৰ বহুত কাৰণত এজনী ছোৱালীয়ে ফুলশয্যাৰ বিচনাত কন্দাৰ সুবিধা আছে,—অবাস্তৱ একো নহয়। লাজ কৰি তাই তাৰ ফালে পিঠি দি শুই থকাৰো যুক্তি আছে। কিন্তু সুকুমাৰৰ যে একো যুক্তি নাই ! তাৰ বৰঞ্চ দায়িত্ব আছে ; সি সক্ৰিয় হ'ব লাগিব, প্ৰতিটো কথাৰ কাৰণে সি নিজে আগবাঢ়ি যাব লাগিব, আনকি ছোৱালীজনীৰ কপালৰ চুলি আলফুলীয়া হাতেৰে আঁতৰাই দি মৰমেৰে সুধিব লাগিব, "কিয় কান্দিছা ?"

কি কৰিব সুকুমাৰে ? সি এবাৰ মনটো দৃঢ় কৰি লৈ ভাবিলে— কান্দক চন্দ্ৰাই। প্ৰথম প্ৰেমৰ কাৰণে কন্দা দুৰ্বাৰ কান্দোনৰ মাজৰ পৰা উদ্ধাৰ কৰি আনি সি তাইক হঁহুৱাব, তাৰ পুৰুষত্বৰ জয় অনুভৱ কৰিব, পোৱা সোণ পোৱাৰ গৌৰৱ অনুভৱ কৰিব।

কিন্তু ;—সুকুমাৰৰ মনটো আকৌ শীতল হৈ গ'ল। পূৰ্ণিমাও ঠিক এনেকুৱা পুৰুষত্বৰ ওচৰত পৰাজিত হৈ গ'ল নে কি? এনেকুৱা পুৰুষত্বৰ জুইতে পুৰি পূৰ্ণিমা উজ্জ্বল আৰু সি ছাই হৈ গ'ল নেকি? সুকুমাৰে বাঁও হাতৰ আঙুলিৰে কপালখন মোহাৰিলে। তাৰ মৰমৰ অস্তিত্ব ইমান ক্ষণস্থায়ী হ'ব নোৱাৰে, ইমান ডাঙৰ লোকচান তাৰ হ'ব নোৱাৰে।

কিন্তু হ'ব পাৰে। সকলো হ'ব পাৰে। পূৰ্ণিমাই কিজানি নাকান্দিলেই! অকণমান কুটকুটাই দিলেই পূৰ্ণিমাৰ হাঁহি উঠে; তাই কিজানি মাজে মাজে হাঁহিছিল!

সুকুমাৰ আকৌ থিয় হ'ল। তাৰ মন গ'ল, এতিয়াই যেন গৈ সি পূৰ্ণিমাক সুধি আহিব,—তাই কান্দিছিলনে নাই, তাৰ কথা তাইৰ মনত পৰিছিল নে নাই, দ্বিতীয় মানুহটোলৈ সঁচাকৈয়ে তাইৰ ঘিণ লাগিছিল নে নাই!

ৰাতি বাৰ বাজিবলৈ কেইমিনিটমান থাকোঁতে চন্দ্ৰা সোমাই আহিল। সুকুমাৰে স্থিৰ দৃষ্টিৰে তাইলৈ চালে। পূৰ্ণিমাৰ ভনীয়েক, একে সাঁচতে গঢ়া ধুনীয়া ছোৱালী। দুমাহৰ চিনাকি ছোৱালী।

চন্দ্ৰাই সঁচাকৈয়ে কান্দিলে। আৰু লগে লগে কি হ'ল সুকুমাৰে নিজেই ধৰিব নোৱাৰিলে ;—সি চন্দ্ৰাক বৰ মৰম কৰিলে ; ঠিক যেন ভয়-উত্তেজনাত কাতৰ হোৱা নিজৰ পত্নীক নিৰ্ভয় দান কৰিবলৈ নহয়, তাইৰ বুকুৰ কঁপনিত তাৰ নিজৰ দুৰ্ভাগ্যৰ স্পন্দন অনুভৱ কৰি, দুটা দুৰ্ভগীয়া প্ৰাণীৰ বেদনাত কাতৰ হৈ।

পাছৰ দিনবিলাক সুকুমাৰে ভবাতকৈ বহুত সহজ হ'ল। চন্দ্ৰাক সি পাৰেমানে মৰম কৰিলে ; যেতিয়াই যি লাগে, যিমান পাৰে দিলে,—অসুখৰ পৰা উঠা মানুহৰ প্ৰত্যেকটো সুখ-সুবিধালৈ লক্ষ্য ৰখাৰ নিচিনাকৈ।

আৰু তাৰ নিজৰ অসুখৰ খবৰ কোনেও নাজানে! বহুত দূৰত

থকা প্ৰাণীটোৰ কথা ভাবি সুকুমাৰ প্ৰায়েই অন্যমনস্ক হৈ পৰে, চেষ্টা কৰিও সি নিজকে বাধা দিব নোৱাৰে।

চন্দ্ৰায়ো মাজে মাজে বহুত দূৰৰ ক'ৰবালৈ চাই ৰ লাগি ভাবি থাকে। তাইক তেনেকৈ থকা দেখিলে সুকুমাৰৰ এখন ডাঙৰ হোটেলৰ এটা চুকত বহি থকা নিৰ্মলৰ মৰহা মুখখনলৈ মনত পৰে। এটা গভীৰ বেদনাই তাৰ মনটোক চেপা মাৰি ধৰে।

বহাগত সুকুমাৰহঁতৰ বিয়া হ'ল, ঘূৰি বহাগত চন্দ্ৰাৰ এটা ল'ৰা হ'ল; বগা, ধুনীয়া নাক-মুখেৰে, বয়োবৃদ্ধাসকলৰ মতে ডাঙৰ হ'লে দেখিবলৈ সুকুমাৰ নিচিনা হোৱাৰ প্ৰতিশ্ৰুতিৰে, এটি পবিত্ৰ শিশু।

সুকুমাৰৰ ভাল লাগিল; কিবা নতুন নতুন লাগিল। তাৰ মনৰ চাৰিওফালে আৰু এডাল লেজুৰে পকাই ধৰা যেন লাগিল; এইডাল লেজুৰে যেন তাৰ মনক আৰু স্থিৰতা দিব! কেঁচুৱাটোক বুকুত লৈ শুই থকা চন্দ্ৰাৰ মুখখনলৈ চাই কেতিয়াবা সি ভাবে,—তাইৰ বাৰু এতিয়া কেনেকুৱা লাগিছে? এটি সুন্দৰ শিশুৰে ইয়াতকৈও এখন বেছি মধুৰ সংসাৰ হ'ব পাৰিলেহেঁতেন বুলি তাই কেতিয়াবা নিৰৱে আক্ষেপ কৰেনে কি বাৰু? নে নিৰ্মল নামৰ সেই শান্ত, কোমল ল'ৰাটো একেবাৰে হেৰাই গ'ল?

আৰু সি নিজে? বহুত দূৰত থকা পূৰ্ণিমাৰ মনত সিও হেৰাই গ'ল নে কি?

কিন্তু এদিন সুকুমাৰ আচৰিত হৈ গ'ল। সি খোজকাঢ়ি অফিছৰ পৰা আহিছিল; এখন ডাঙৰ হোটেলৰ দুৱাৰেদি বাটৰ পৰাই ভিতৰত বহি থকা মানুহবোৰলৈ চাই সি থমক খাই ৰ'ল। নিৰ্মল? সুকুমাৰ দুৱাৰখন পাৰ হৈ গৈছিল, আকৌ দুখোজমান পিছুৱাই আহিল। হয়, নিৰ্মল। সেই একেটা ল'ৰা, একে নিজৰ ভংগী; সি অকলে বহি এপিয়লা চাহ খাইছে। সুকুমাৰ আঁতৰি আহিল।

কেইবাদিনলৈ সুকুমাৰে চিন্তা কৰিলে। এদিন খবৰ কৰি সি জানিব পাৰিলে নিৰ্মল ইয়ালৈ বদলি হৈ আহিছে। তাৰ পাছত আকৌ কেইবাদিনো চিন্তা। সুকুমাৰে জানে, চন্দ্ৰাই নিৰ্মল এইখন চহৰলৈ

অহাৰ কথা গম পোৱা নাই। নিৰ্মলেও চন্দ্ৰাক লগ পোৱাৰ কথা নিশ্চয় চিন্তা কৰা নাই। সুকুমাৰৰ বিশ্বাস আছে, চন্দ্ৰাক লগ পাবলৈ আশা কৰাৰ নিচিনা উত্তেজনা নিৰ্মলৰ নাই। এইখন চহৰলৈ তাক বদলি কৰিছে. সি মনে মনে গুচি আহিছে ; গোটেই ঘটনাটোৰ ভিতৰতেই ইয়াতকৈ বেছি উত্তেজনা আৰু নাই।

কিন্তু সুকুমাৰৰ এটা অদ্ভুত কথা মনলৈ আহিল। তাৰ মনটো বহল কৰি লবৰ মন গ'ল। গধূলি চাহৰ দোকানত অকলে অকলে বহি থকাৰ বেদনাদায়ক দৃশ্যটোৰ পৰা তাৰ নিৰ্মলক উলিয়াই আনিবৰ মন গ'ল।

নিৰ্মলৰ লগত তাৰ এদিনৰ হ'লেও চিনাকি আছে ; সেই সূত্ৰকে ধৰি সি তাক সিহঁতৰ ঘৰলৈ মাতিব। এদিন যদি পূৰ্ণিমা এইখন চহৰলৈ আহে, সুকুমাৰৰোতো মন যাব—তাইৰ লগত এটা সন্ধিয়া কটাবলৈ !

এদিন গধূলি সুকুমাৰ হোটেলখনলৈ গ'ল। নিৰ্মল আছিল। কেৱল চিনাকি, তাৰ বাহিৰে আৰু একো নাই, এনেকুৱা ভাবত সুকুমাৰে তাৰ লগত কথা পাতিলে। তাক দেখি অবাক হোৱা, চিন্তাগ্ৰস্ত হোৱা, মুখ শেঁতা পৰি যোৱা,—নিৰ্মলক এইবোৰ একোৰে সুবিধা নিদি সুকুমাৰে পাতল সুৰেৰে অনৰ্গল কথা কৈ গ'ল ; অফিছৰ কথা, হঠাতে বদলি হ'লে হোৱা অসুবিধাবোৰৰ কথা, নিৰ্মলে এইখন চহৰলৈ অহাৰ কাৰণে সি ভাল পোৱাৰ কথা। শেষত, বন্ধুবান্ধৱ নোহোৱা নতুন ঠাইত নিৰ্মলে গধূলি সময়খিনি অকলে চাহৰ দোকানত কটোৱাতকৈ সুকুমাৰহঁতৰ ঘৰলৈকে আহিবলৈ সুকুমাৰে তাক আন্তৰিকতাৰে অনুৰোধ কৰিলে, কেইবাবাৰো।

নিৰ্মলে তাৰ সহজাত ম্লান হাঁহিটোৰে "ভাল বাৰু" বুলি ক'লে।

সেইদিনা ঘৰলৈ আহিয়েই সুকুমাৰে—'অমুকৰ দোকানত ভাল টেবুললেম্প আহিছে'ৰ নিচিনা সাধাৰণ খবৰ দিয়াৰ নিচিনাকৈ চন্দ্ৰাক নিৰ্মলৰ খবৰটো দিলে। চোলাৰ বুতাম খুলি, চন্দ্ৰাৰ ফালে পিঠি দি সি কাপোৰ থোৱা আলমাৰিৰ দুৱাৰখন খুলিলে। এই মুহূৰ্তত চন্দ্ৰাৰ মুখলৈ চোৱাৰ সাহ তাৰ নহ'ল। সি বৰ বেছি পাতল সুৰেৰে

গোটেই কথাটো পাতল কৰাৰ চেষ্টা কৰিলে। সুধিলে, "তোমাক চাবলৈ যাওঁতে এদিন অলপ সময়ৰ কাৰণে লগ পাইছিলোঁ—সেয়েই চিনাকি। মই আমাৰ ঘৰলৈ মাতি আহিছোঁ। তুমি পোৱানে চিনি ?"

চন্দ্ৰায়ো একেধৰণেই কথাটো গুৰুত্বহীন কৰিবলৈ গোটেই গাত শক্তি বিচাৰি হাঁহাকাৰ কৰিছিল ; তাই লাহেকৈ কলে, "পাওঁ।"

কিন্তু দহদিনমান গল, নিৰ্মল নাহিল। সুকুমাৰে সন্দেহ কৰিলে, সি নাহিবই নে কি ? ঘৰলৈ মাতি সি তাক নিষ্ঠুৰভাৱে কষ্ট দিয়া হ'ল বুলি তাৰ অনুতাপো হ'ল। কিন্তু সি নিজে জানে, নিৰ্মল বা চন্দ্ৰাক কষ্ট দিয়াৰ তাৰ তিলমানো ইচ্ছা নাছিল ; পূৰ্ণিমা এইখন চহৰলৈ আহিলে সি যি কৰিবলৈ ইচ্ছা কৰিলেহেঁতেন, সিহঁত দুটাকো সি তাকে কৰিবলৈ দিয়াৰ বাহিৰে অইন একো তাৰ মনত নাই ; এয়া তাৰ মনৰ সৰল কথা।

দুসপ্তাহমান পাছত এদিন নিৰ্মল আহিল। সিহঁত তিনিওটাই মুখামুখিকৈ বহি চহৰৰ বাটপথবোৰৰ ইমান ধুলি কিয়, হোটেলত চাহখোৱা ভালনে বেয়া, ইত্যাদি বহুত কথা পাতিলে। মাজতে এবাৰ ভিতৰত কেঁচুৱাটোৱে কান্দিলে, চন্দ্ৰাই লৰচৰ কৰিবলৈ নাপাওঁতেই সুকুমাৰ উঠি ভিতৰলৈ গ'ল।

তাৰ পাছত নিৰ্মল মাজে মাজে আহে। সি অহাৰ সময়ত ঘৰত কেতিয়াবা সুকুমাৰ থাকে, কেতিয়াবা নাথাকে। ঘৰত থাকিলে সুকুমাৰে আলহ-উদহকৈ তাক বহুৱায়, কথা পাতে। কেতিয়াবা সি নিজেই বৰ তৃপ্তি পায়। কেতিয়াবা গোটেই ঘটনাটো বৰ নিৰ্মম হৈছে বুলি কষ্ট পায়। সি মাজে মাজে ভাবে,—চন্দ্ৰাৰ বাৰু কেনেকুৱা লাগিছে ? এই কথাটোৰ অকণমান উমান পাবলৈ তাৰ মনটোৱে উচপিচাই থাকে।

কিন্তু এদিন চন্দ্ৰাৰ মনৰ উমান পাই সুকুমাৰ স্তম্ভিত হৈ গ'ল। নিৰ্মল এমাহমান অহা নাই। এদিন গধূলি সি চন্দ্ৰাক সুধিলে, "তেখেত নহা হ'ল কিয় ? আকৌ হোটেলতে খাব ললেনে কি ? ব'বা কাইলৈ হোটেলতে ওলাবলৈ লাগিব।"

চন্দ্ৰাই লগে লগে ক'লে, "নালাগে, নালাগে, আপুনি নালাগে যাব।"

"কিয় ?" সুকুমাৰ আচৰিত হ'ল। চন্দ্ৰাই অইনফালে মুখ ঘুৰাই মনে মনে ৰ'ল। সুকুমাৰে আকৌ সুধিলে, "কিয় ? কোৱাচোন।"

চন্দ্ৰা আকৌ অকণমান সময় নিমাত হৈ ৰ'ল ; এবাৰ ভয়-ভয় আৰু কৰুণ দৃষ্টিৰে সুকুমাৰলৈ চালে, তাৰ পাছত তাই ক'লে, "মই তেখেতক আহিবলৈ মানা কৰিছোঁ।"

"কিয় ?" চেষ্টা নকৰাকৈয়ে প্ৰশ্নটো সুকুমাৰৰ মুখৰ পৰা ওলাই গ'ল।

চন্দ্ৰাই এটা দীঘল উশাহ লৈ বুকুখন ফুলাই ললে, তাৰ পাছত ক্ষীণ মাতেৰে কলে, "মই আপোনাক এটা নকবলগীয়া কথা কওঁ ; আপুনি বেয়া নাপাব। মই জানো, মই দোষ কৰিলেও আপুনি মোক ক্ষমা কৰিব।" চন্দ্ৰা এবাৰ ৰ'ল, তাৰ পাছত তাই ক'লে, "নিৰ্মল ককাইদেউক মই বহুত দিনৰ আগৰে পৰা চিনি পাওঁ ; চিনি পাওঁ মানে—এসময়ত আমাৰ মাজত এটা ভাল সম্বন্ধ আছিল ; সুবিধা পোৱা হ'লে সেই সম্বন্ধই বহুত দূৰ পাবগৈ পাৰিলেহেঁতেন। পিছে সেই সুবিধা নাহিল। নিৰ্মল ককাইদেৱে বিয়া কৰোৱা নাই ; তেখেতৰ মনত কি আছে মই কব নোৱাৰোঁ ; কিন্তু মই এখন সংসাৰ পাতিছোঁ : মোৰ এটা ল'ৰা আছে, আপুনি আছে ; এতিয়া মই এইখন সংসাৰকে লৈ জীয়াই থাকিব খোজোঁ। নিৰ্মল ককাইদেউ আৰু আহিব নালাগে।"

চন্দ্ৰাৰ মাত সৰু হৈ নাইকিয়া হৈ গ'ল। শ শ বাদ্যযন্ত্ৰত একে লগে এটা অচিনাকি সুৰ বাজি থাকি হঠাতে বন্ধ হৈ যোৱাৰ নিচিনাকৈ কোঠালিটো নিস্তব্ধ হৈ গ'ল।

চন্দ্ৰাই কান্দিব খুজিছিল, সুকুমাৰে তাইক অভয় দিলে। পাছত কথাবোৰে লাহে লাহে সুকুমাৰক বিভ্ৰান্ত কৰি দিলে। এবাৰ সি চন্দ্ৰাক একান্তভাৱে নিজৰ কৰি লব পৰা পুৰুষত্বৰ গৌৰৱত গৰ্বিত হৈ উঠিল, এবাৰ নিৰ্মমভাৱে অৱহেলিত হৈ ধূলিৰ লগত মিলি যোৱা প্ৰথম প্ৰেমৰ দুৰ্ভগীয়া চেহেৰা দেখি যন্ত্ৰণাত শিয়ৰি উঠিল। এয়া চন্দ্ৰাৰ কথা ? তাই নিজমুখে নিৰ্মলক আঁতৰাই দিব পাৰিলে ? আৰু তাকে কৰোঁতে তাই নিজৰ স্বামীৰ আগত তাইৰ জীৱনৰ গোপনতম অধ্যায়টোও

মুকলি কৰি দিব পাৰিলে? ইয়াৰ ফল কিমান বিষময় হ'ব পাৰিলে-হেঁতেন, সেইটো তাই ভাবি নাচালে? সুকুমাৰে বুজিলে, তাৰ ওপৰত চন্দ্ৰাৰ গভীৰ বিশ্বাস হ'ল, আস্থা হ'ল, ভাৰসা হ'ল। এইখন সংসাৰৰ মায়াই তাইক লৰিব নোৱৰাকৈ আৱৰি ধৰিলে। নিৰ্মলৰ পৰা বহুত দূৰলৈ আঁতৰি, এইখন সংসাৰত নিৰ্জঞ্জালভাৱে ডুবি যাবলৈ চন্দ্ৰাই বাঞ্ছা কৰিলে, আৰু তাৰ ব্যৱস্থা কৰিবলৈ যাওঁতে বিষময় পৰিণামৰ সম্ভাৱনা-লৈকো তাই ভয় নকৰিলে।

তেনেহলে পূৰ্ণিমা? পূৰ্ণিমাৰো এদিনৰ সেই ব্যাকুল অন্তৰ গভীৰ শান্তিত শীতল হৈ গ'লনে কি? তাইৰ শান্ত মনৰ তলিত সুকুমাৰ এটা শিল হৈ পৰি ৰ'ল নে কি? নে তাইৰ মনত সি একেবাৰে হেৰাই গ'ল?

বহুত দিনলৈ সুকুমাৰে মাজে মাজে মনৰ যন্ত্ৰণা এটাৰ লগত যুঁজি থাকিবলগীয়া হ'ল। একোবাৰ তাৰ ইচ্ছা হ'ল—সি নিৰ্মলৰ ওচৰলৈ গৈ তাক সাৱটি ধৰি কান্দিব। আৰু বেছিকৈ তাৰ ইচ্ছা হ'ল—এদিন, মাত্ৰ এদিন পূৰ্ণিমাক লগ পাবলৈ; সি এতিয়া ক'ত আছে পূৰ্ণিমাৰ ভিতৰত বিচাৰি চাবলৈ।

তাৰ পাছত এদিন সি পূৰ্ণিমাক দেখিলে।

মনোৰমাৰ পৰা সুকুমাৰে খবৰ পালে, পূৰ্ণিমাহঁত—মানে পূৰ্ণিমা, শৰত আৰু সিহঁতৰ কেঁচুৱা ছোৱালীজনী আহিব; মঙলবাৰে দুপৰীয়া এৰোড্ৰোমত সিঁহত নামিবহি।

খবৰটো পোৱা মুহূৰ্তৰ পৰাই সুকুমাৰ অস্থিৰ হ'ল। কেতিয়া সি পূৰ্ণিমাক লগ পাব? মঙলবাৰে আবেলি? নহয়, ইমান আতুৰ হৈ সি দৌৰি নাযায়। দুদিনমান পূৰ্ণিমাহঁতক জিৰণি লৈ চিজিল লাগিবলৈ দিব। কিন্তু দুদিনো বৰ দীঘলীয়া সময়। পূৰ্ণিমাক লগ পোৱাটো বৰ ডাঙৰ প্ৰয়োজন, সেইটো বাৰু পাছতো হব, কিন্তু তাইক অন্ততঃ এবাৰ দেখা পাবলৈ সুকুমাৰ অধৈৰ্য হ'ল। সি ঠিক কৰিলে, কাৰো চকুত নপৰাকৈ সি এৰোড্ৰোমলৈ যাব, কোনোবা এঠাইত লুকাই থাকি, দূৰৰ পৰা পূৰ্ণিমাক চাব।

মঙলবাৰে দুপৰীয়া এৰোড্ৰোমৰ ঘৰ এটাৰ দ্বিতীয় মহলাৰ খিৰিকি এখনৰ কাষত সুকুমাৰ অধীৰ থিয় হৈ ৰ'ল। একো-একোখন উৰাজাহাজ উৰিল, নামিল,—সুকুমাৰৰ বুকুত যেন একো একোবাৰ চাঞ্চল্যৰ ধুমুহা বৈ গ'ল।

ঠিক সময়ত প্ৰয়োজনীয় উৰাজাহাজখন নামিল। এজন-এজনকৈ বহুত যাত্ৰী নামিল। সুকুমাৰে যেন চকুৰ টিপ নামাৰিলে; সি যেন উশাহ লবলৈ পাহৰি গ'ল; এক দৃষ্টিৰে সি উৰাজাহাজৰ দুৱাৰখনলৈ চাই ৰ'ল।

সেয়া শৰত? হয়, শৰত চিৰিৰটোৰেদি নামি আহিল; মাটিত ভৰি দি সি উভতি চালে। আয়াজাতীয় ছোৱালী এজনী কেঁচুৱা এটা লৈ লাহে লাহে নামিল। তাৰ পাছত উৰাজাহাজৰ দুৱাৰ-মুখত দেখা দিলে পূৰ্ণিমাই। দুৱাৰ-মুখত এক মুহূৰ্ত থিয় হৈ পূৰ্ণিমাই বহি থাকোঁতে ইফাল সিফাল হোৱা গাৰ কাপোৰ ঠিককৈ ললে।

সুকুমাৰৰ মূৰ দোঁ খাই গ'ল। সি দ্বিতীয়বাৰ পূৰ্ণিমাৰ ফালে নাচালে। বিচাৰকৰ নিৰ্মম ৰায় শুনা অপৰাধীৰ নিচিনাকৈ সি খিৰিকি-খনৰ মুখত নিৰৱে থিয় হৈ ৰ'ল।

পূৰ্ণিমাই এটা টিকটিককৈ ৰঙা ব্লাউজ পিন্ধিছে, বহল ৰঙা পাৰিৰ এখন শাৰী পিন্ধিছে, গাৰ কাপোৰৰ লগত মিলি যোৱা ৰঙৰ ভেনিটি বেগটো তাইৰ আঙুলিৰ পৰা নৃশংসভাৱে হত্যা কৰি বেচিবলৈ আঁৰি থোৱা ছাগলীৰ নিচিনাকৈ ওলমি আছে!

ঘৰলৈ উভতি আহি সুকুমাৰে দেখিলে—চন্দ্ৰা শুই আছে। তাৰ চিন্তা হ'ল,—সি এতিয়া কি কৰে। অলপ সময় থিয় হৈ থাকি সি বনকৰা ছোৱালীজনীৰ হাতৰ পৰা তাৰ ল'ৰাটো কোলালৈ ললে; ল'ৰাটোক সি মৰম কৰিলে; তাৰ পাছত এবাৰ সি ক'ব নোৱৰাকৈয়ে ল'ৰাটোৰ অকণমান হাতখন জোৰেৰে মুঠি মাৰি ধৰিলে।

# দংশন

ব্ৰজগোপালক সাপে খুঁটিলে। সি বাবুলালহঁতৰ চুবুৰিলৈ এখন কাজিয়া ভাঙিবলৈ গৈছিল। কাজিয়াত দোষী প্ৰমাণিত হোৱা সন্তোষক ভৱিষ্যতলৈ তেনেকুৱা কৰিলে লাঠীৰ কোবত হাড় গুড়া কৰি দিব বুলি সাৱধান কৰি দি, আৰু প্ৰতিপক্ষৰ মুৰব্বী প্ৰহ্লাদ নিৰ্দোষি হ'লেও ষে বৰ চিধা মানুহ নহয় আৰু সেই কাৰণেই সিও যে চুপ-চাপ ভিতৰ সোমাই থকা উচিত, সেই সম্পৰ্কে দুটামান গৰ্জন তুলি ব্ৰজগোপাল ঘৰলৈ উভতি-ছিল। মদন আৰু বাবুলালে তাক আগবঢ়াই দিবলৈ বুলি অলপ দূৰ লগে-লগে আহিছিল। বহল ৰাস্তাটোত উঠাৰ পাছত সি সিহঁত দুটাক কৈছিল—"তহঁত যা। মই অহাৰ পাছত সিহঁত দুটাই যদি আকৌ বাহিৰলৈ ওলাই তৰ্কাতৰ্কি কৰিছে, তেনেহলে মোক খবৰ দিবি।"

মদন আৰু বাবুলাল গলিটোৰ মুখৰপৰা উভতি গৈছিল। ব্ৰজগোপালে অলপ দূৰ বহল ৰাস্তাটোৰেদি আগুৱাই এবাৰ তাৰ ভৰিৰ খোজ মন্থৰ কৰিছিল। এইটো বাটেদি সিহঁতৰ নিজৰ চুবুৰিটোলৈ বেচ দূৰ হয়। ৰাতিও যথেষ্ট হৈছিল। এনেয়ে কিন্তু ৰাতিৰ এইখিনি সময় তাৰ কাৰণে ফুট-গধূলিৰ নিচিনাই। এনেকুৱা সময়ত সি কেতিয়াবা ঘৰৰপৰা ওলায়হে। কিন্তু এই মায়াৰাণী অহাৰ পাছৰ পৰা সি পৰাপক্ষত, আৰু মনটো ভাল লাগিলে, সোনকালে ঘৰলৈ ওভতে। মায়াৰাণীয়ে তাক কয়,—"ইমান ৰাতিলৈকে বাহিৰত ঘূৰি ফুৰাৰ কি দৰকাৰ?"

ব্ৰজগোপালে সোধে, "কিয়? তোৰ ভয় লাগে নে কি?" কথাষাৰ সুধি সি নিঃশব্দে ওঁঠ দুখন দীঘল কৰে। সি হাঁহে।

ভয়? প্ৰশ্নটো শুনিয়েই মায়াৰাণীৰ মনটো কোঁচ খাই যায়। ব্ৰজগোপালে বা কোনবিধ ভয়ৰ কথা কৈছে! তাই ঘৰত অকলে থকাৰ ভয় নে ব্ৰজগোপাল বাহিৰত বহু ৰাতিলৈকে লগে-ভাগে থকাৰ ভয়? মায়াৰাণীয়ে এইটো প্ৰশ্নৰ উত্তৰত হঁা-না একো কব নোৱাৰে। কাৰণ

তাই এই দুবিধৰ এবিধ ভয় কৰাৰো উপায় নাই বুলি যে ব্ৰজগোপালে জানে, সেইটো কথা তায়ো জানে। তৎক্ষণাত নিজকে প্ৰস্তুত কৰি লৈ তাই পাতল সুৰেৰে কয়, "ভয়ৰ কথা কোৱা নাই, ঘৰৰ মানুহ সোনকালে ঘৰলৈ আহিলে ভাল আৰু ; সেই কাৰণে কৈছোঁ"

জপোৱা ওঁঠ দুখন দুয়ো কাষলৈ দীঘল কৰি মৰা হাঁহিটো ব্ৰজগোপালৰ মুখত তেতিয়াও লাগি থাকে।

কিন্তু মায়াৰাণী অহাৰ পাছত, পৰাপক্ষত ব্ৰজগোপালে সোনকালে ঘৰলৈ ওভতাৰ চেষ্টা কৰিছে। আজিও মায়াৰাণীয়ে তাক কৈছিল, "সেইবিলাক মানুহৰ কাজিয়াৰ মাজত বেছি সময় নাথাকিব। সোনকালে গুচি আহিব।"

বহল ৰাস্তাটোৰেদি অলপ দূৰ আগুৱাই যোৱাৰ পাছত, সন্তোষ আৰু প্ৰহ্লাদৰ কথাৰ মাজতে মায়াৰাণীৰ কথাষাৰো ব্ৰজগোপালৰ মনলৈ আহিল। খোজৰ গতি মন্থৰ কৰি সি সোঁফালৰ অন্ধকাৰ অঞ্চলটোলৈ চালে। ৰায়বাহাদুৰ চিত্তৰঞ্জন চৌধুৰীৰ পৰিত্যক্ত, জৰাজীৰ্ণ বাসভৱনটো সেই অন্ধকাৰত ডুবি আছিল। বংশ উছন হৈ যোৱা ৰায়বাহাদুৰৰ এই দালানটোৰ ঠায়ে-ঠায়ে ইটাৰ ফাঁকেদি আঁহত গছে মূৰ তুলি উঠিছিল। এসময়ত চীনা-হাঁহ আৰু ৰৌমাছ পুহিবলৈ খনোৱা পিছফালৰ বিৰাট পুখুৰীটোৰ পাৰ আৰু পানী বিভিন্ন প্ৰকাৰৰ চিনাকি-অচিনাকি উদ্ভিদে ছাটি ধৰিছিল। মাত্ৰ দুমাহমানৰ আগতে এক আঢ্যৱন্ত লোহালক্কৰৰ ব্যৱসায় কৰা প্ৰতিষ্ঠানে এই চৌহদটোত নিজস্ব ঘৰ সজাৰ কাম হাতত লৈছিল আৰু কামৰ প্ৰথম পৰ্যায় হিচাপে এদল বনুৱাই ৰায়বাহাদুৰৰ দালানৰ ইটাবোৰ এঠাইত দ'মাবলৈ আৰম্ভ কৰিছিল। কাম বৰ বেছি আগবঢ়া নাছিল, কিন্তু উল্লেখযোগ্য উন্নতিৰ ভিতৰত বনুৱাহঁতৰ প্ৰয়োজনৰ তাগিদাত চৌহদৰ ভিতৰেদি সীমাতে থকা মানুহ কেইঘৰৰ সম্মুখেদি পুখুৰীটোৰ পাৰে-পাৰে এইটো ৰাস্তাৰপৰা সিটো ডাঙৰ ৰাস্তালৈ যোৱা এটা সুৰসুৰীয়া ৰাস্তাৰ সৃষ্টি হৈছিল। এই ৰাস্তাটোৰেদি গ'লে মদন, বাবুলাল, প্ৰহ্লাদহঁতৰ চুবুৰিৰপৰা ব্ৰজগোপালহঁতৰ চুবুৰিটোলৈ বাট বহুত চমু হয়।

মায়াৰাণীৰ কথাষাৰ মনত পৰাৰ পাছত বহল ৰাস্তাটোত খোজ মন্থৰ কৰি ব্ৰজগোপালে অন্ধকাৰ অঞ্চলটোলৈ চালে, আৰু এক মুহূৰ্ত সময় চিন্তা কৰি সুৰসুৰীয়া বাটটোৰেদি সোমাই আহিল। বহল ৰাস্তাটোৰপৰা আঁতৰি অহাৰ লগে-লগে পোহৰৰ পৰিমাণো দ্ৰুতগতিৰে কমি আহিছিল। মাটিতকৈ তৰা থকা আকাশখন ব্ৰজগোপালৰ বেছি পোহৰ-পোহৰ লাগিছিল। ৰাস্তাটোৰপৰা অলপ দূৰে-দূৰে থকা ঘৰবোৰৰ ক'ৰবাত দুই-এখন খিৰিকিহে পোহৰ হৈ আছিল। এটা ঘৰৰ দুমহলাৰ কোঠালি এটাত এজনী ছোৱালীয়ে খিৰিকি খুলি পৰ্দাখন একাষে কোঁচাই থৈ কিতাপ পঢ়িছিল। তাই দূৰৰ অন্ধকাৰলৈ চাই-চাই গুণ-গুণকৈ কিতাপৰ কথাবোৰ মুখস্থ মাতিছিল। কিবা এটা পাহৰি গলেহে চাওঁ-নাচাওঁকৈ কিতাপৰ পাতলৈ চকু নমাইছিল। ইমান ৰাতি, অন্ধকাৰৰ মাজত এখন উজ্জ্বল খিৰিকি, এজনী গাভৰু ছোৱালীয়ে অকলে-অকলে পঢ়িছে : দৃশ্যটো দেখি ব্ৰজগোপালৰ মনলৈ এটা মৃদু অচিনাকি আমোদৰ ভাব আহিছিল। অৰ্থহীন, উদাস-উদাস দৃষ্টিৰে ছোৱালীজনীলৈ চাই-চাই সি আগ বাঢ়িছিল। এটা ভগা ইটাৰ দ'ম পাৰ হৈ গৈছে, এনেতে সি সোঁ-ভৰিৰ পতাৰ ওপৰফালে আচম্বিতে এটা আঘাত অনুভৱ কৰিলে। লগে-লগে এক মুহূৰ্তৰ কাৰণে ভৰিত এটা চেঁচা দেহৰ স্পৰ্শ আৰু ওচৰৰে মাটিত এটা চেপা মৰা অথচ তীক্ষ্ম ভয়াল শব্দ। ইচ্ছা আৰু চেষ্টা নকৰাকৈয়ে ব্ৰজগোপালৰ ডিঙিয়েদি এটা আৰ্তনাদ ওলাই গ'ল।

খিৰিকিৰ কাষত বহি পঢ়ি থকা ছোৱালীজনীয়েও এটা ভয়াৰ্ত চিঞৰ মাৰি চকীখনৰপৰা জাঁপ মাৰি উঠিল। পাছ মুহূৰ্ততে সেই ঘৰটোৰ কেইবাখনো খিৰিকি দপ-দপকৈ উজ্জ্বল হৈ উঠিল। অলপ পাছতে এখন খিৰিকিৰপৰা অহা টৰ্চলাইটৰ তীব্ৰ পোহৰে আন্ধাৰবোৰ চিৰাচিৰ কৰিবলৈ ধৰিলে। ব্ৰজগোপালে বহি লৈ ভৰিখনৰ সৰু গাঁঠিটো দুই হাতেৰে খামোচ মাৰি ধৰিছিল আৰু মানুহৰ সহায় বিচাৰি চিঞৰিছিল।

অলপ সময়ৰ ভিতৰতে ওচৰত থকা প্ৰায় আঠাইকেইটা ঘৰৰে

আগফালৰ বাৰান্দাৰ লাইট জ্বলি উঠিল। এজাক মানুহে ব্ৰজগোপালক বেৰি ধৰিলে। সিহঁতৰ ভিতৰত কোনোবাই চিনি পালে—এইটো মানুহ সেইটো পাৰাত থাকে; অইন এটা মানুহে ওভোতা ফালে, মদন-মতিলালহঁতৰ ঘৰৰ ফালে দেখুৱাই ক'লে,—নহয় ই সেইফালৰ বস্তিটোত থাকে।

ব্ৰজগোপালে যন্ত্ৰণাকাতৰ কণ্ঠেৰে তাৰ নামটো উচ্চাৰণ কৰিলে, হাতেৰে সিহঁতৰ চুবুৰিটো কোনফালে তাৰ ইংগিত দিলে আৰু বাবু-লালৰ নাম উচ্চাৰণ কৰি ইটো চুবুৰিৰফালেও হাতখন ঘূৰালে। দুখন ছাইকেলত উঠি চাৰিটা চেমনীয়া ল'ৰা বহল ৰাস্তাইদি চুবুৰিৰ দুটাত খবৰ দিবলৈ গ'ল। কোনোবাই ব্ৰজগোপালৰ সৰু গাঁঠিৰ ওচৰত ৰুমাল এখনেৰে টানকৈ গাঁঠি এটা দিলে। এজন মানুহে তাৰ ভৰিৰ পতাৰ ঘা ডোখৰৰ ওচৰত চেপি-চেপি যিমান পাৰে তেজ উলিয়াবলৈ চেষ্টা কৰিলে। দুজনে দুটা টৰ্চ লাইটৰ পোহৰ স্হিৰভাৱে ভৰিখনৰ ওপৰত পেলাই থলে আৰু দুজনমানে উদ্বিগ্নভাৱে কোনোবা ডাক্তৰক খবৰ দিয়াৰ বিষয়ে আলোচনা কৰি থাকিল।

ঠাইডোখৰৰপৰা বাবুলালহঁতৰ চুবুৰিটোলৈ ওচৰ আছিল, সেই কাৰণে প্ৰথমতে সিহঁতৰ মানুহবোৰেই ওলালহি। প্ৰহলাদ, সন্তোষ, অনন্ত, মদন, বাবুলাল বিনোদবিহাৰী, এজাক মানুহ। সিহঁত উদ্বাউল হৈ দৌৰি আহিছিল। আহিয়েই যেন সিহঁত ব্ৰজগোপালৰ গাত উবুৰি খাই পৰিল। প্ৰহলাদ আৰু মদনে হস্পিটেললৈ নিবলৈ বুলি তাক কান্ধত তুলি লোৱাৰ আয়োজন কৰিলে; কিন্তু ব্ৰজগোপাল ছফুট ওখ, হৃষ্টপুষ্ট মানুহ; সিহঁত দুটাই উত্তেজনা অনুসৰি তাক দাঙিব নোৱাৰিলে। গতিকে সন্তোষেও সিহঁত দুটাৰ মাজত সোমাই তাক ওপৰলৈ দাঙি ধৰিলে। সিহঁতে হস্পিটেললৈ বুলি খোজ লব, এনেতে ব্ৰজগোপালে অসম্মতি সূচাই ইফালে-সিফালে মূৰটো লৰালে। অস্ফুট কণ্ঠেৰে সি মা আৰু বাবা—এই শব্দ দুটা উচ্চাৰণ কৰিলে।

বিনোদবিহাৰীয়ে লগে-লগে ক'লে, "ঠিক আছে তহঁতে তাক ঘৰলৈ লৈ যা, মই ৰতন ডাক্তৰক লৈ তৎক্ষণাত হাজিৰ হমগৈ।" কথাখিনি

কৈয়েই সি দৌৰিবলৈ আৰম্ভ কৰিলে। বাকীজাক মানুহো ব্ৰজগোপালক লৈ তাৰ ঘৰৰ ফালে আগ বাঢ়িল। প্ৰথমতে গোট খোৱা মানুহকেইজনে ইফালে-সিফালে টৰ্চ লাইটৰ পোহৰ পেলাই-পেলাই ঠাই ডোখৰৰ পৰা আঁতৰি আহিল আৰু নিজ-নিজ ঘৰ সোমোৱাৰ আগতে এঠাইত জুম পাতি ইটাৰ দ'ম, পৰিত্যক্ত দালান, হাবিময় পুখুৰী, এইবোৰ বস্তুৰ লগত বিষাক্ত সাপৰ সম্বন্ধৰ ঘনিষ্ঠতা সম্পৰ্কে আলোচনা কৰিলে। শেষৰফালে, এজনৰ মোমায়েকৰ ভ'ৰাল ঘৰত যে এযোৰ প্ৰকাণ্ড ফেঁটীসাপ বহু বছৰ ধৰি আছিল, সাপযোৰ যে কোনেও মাৰিবৰ চেষ্টা নকৰিছিল আৰু সাপযোৰেও যে কাৰো একো অপকাৰ নকৰিছিল সেইটো কথা ওলাল। পঢ়ি থকা ছোৱালীজনীয়ে ইতিমধ্যে মাকৰ হতুৱাই খিৰিকিখন বন্ধ কৰোৱাইছিল। খিৰিকিখন মাৰিবলৈ বাহিৰলৈ হাত উলিয়াবলৈ তাইৰ ভয় লাগিছিল।

প্ৰহ্লাদহঁত অলপ দূৰ আগবঢ়াৰ পাছত ব্ৰজগোপালহঁতৰ চুবুৰিৰ মানুহ এজাকো সিফালৰপৰা আহি লগ লাগিলহি। সিহঁতৰ প্ৰত্যেকেই ব্ৰজগোপালক দাঙি নিয়াত সহায় কৰাৰ চেষ্টা কৰিলে; হায় হায়, কি হ'ল ব্ৰজগোপাল ভাই—বুলি অস্থিৰতা প্ৰকাশ কৰিলে। বাপেক বাসুদেউ বুঢ়া আৰু মাক সুশীলা বুঢ়ী ব্ৰজগোপালৰ কাৰণে বহু দূৰ আগবাঢ়ি আহি এঠাইত বাটৰ ওপৰতে বহি আছিলহি। তেওঁলোকৰ অলপ পাছতে মায়াৰাণীও মূৰ্তিৰ নিচিনাকৈ অলৰ-অচৰভাৱে থিয় হৈ আছিল। ভাত-পানী খাই আজৰি হৈ চোতালত বহি মেল মাৰি থকা এজাক তিৰোতা আৰু ল'ৰা-ছোৱালীয়েও মায়াৰাণীৰ পিছত জুম পাতিছিলহি। এবাৰ দূৰৰপৰা এজাক মানুহৰ কোলাহল ওচৰ চাপি অহা শুনি বুঢ়া-বুঢ়ী হাল বহাৰপৰা উঠি আতুৰভাৱে আৰু কিছুদূৰ আগুৱাই গ'ল আৰু মানুহজাক ওচৰ পোৱাৰ আগৰ পৰাই তেওঁলোকে কান্দিবলৈ আৰম্ভ কৰিলে।

বিনোদবিহাৰীয়ে ডাক্তৰৰ যোগাৰ ঠিকমতে কৰিছিল। ব্ৰজগোপালক ঘৰৰ বিছনাত শুৱাই দিয়াৰ প্ৰায় লগে-লগেই বেক ছিটত বিনোদবিহাৰীক লৈ মটৰ ছাইকেল চলাই ৰতন ডাক্তৰ উপস্থিত হ'লহি।

বুঢ়া-বুঢ়ীয়ে একেলগে ডাক্তৰৰ ভৰিত সাবট মাৰি ধৰিব খুজিলে। আকুল কণ্ঠেৰে তেওঁলোকে ডাক্তৰক কাকুতি কৰিলে—তেওঁলোকৰ একমাত্ৰ সন্তান, এই পৃথিৱীখনত আশ্ৰয়, আশা-ভাৰসাৰ একমাত্ৰ প্ৰাণী ব্ৰজ-গোপালক ভাল কৰি দিব লাগে। সি সুন্দৰ ডেকা মানুহ, গধূলি-পৰলৈকে সি চুবুৰিটোত হাঁহি-মাতি ঘূৰি ফুৰিছিল। সোনকালে আহি সি মাক-বাপেকৰে একেলগে ভাত খোৱাৰ কথা আছিল। সেই কাৰণে তেওঁলোক কোনেও ভাত খোৱা নাছিল। সৌৱা, ভাত-তৰকাৰী চব হৈ আছে ; তেওঁলোকে তাৰ কাৰণে বাট চাই বহি আছিল—

সন্তোষে বুঢ়া-বুঢ়ী দুয়োকে দুই হাতেৰে অলপ আঁতৰলৈ ঠেলি নি ক'লে, "তহঁত ৰহি থাকচোন। ডাক্তৰ বাবুৱে যি কৰিব লাগে কৰিব নহয় !"

বুঢ়া-বুঢ়ীয়ে এটা চুকত বহি কুঁ-কুঁকৈ কান্দি থাকিল। সন্তোষ ব্ৰজগোপালৰ ওচৰ চাপি গ'ল। সি তাৰ মুৰৰ ফালে মাটিতে বহিল।

ব্ৰজগোপাল ইতিমধ্যে প্ৰায় নিশ্চল হৈ আহিছিল। তাৰ বুকুৰ ওচৰতে মাটিত বহি মায়াৰাণীয়ে শাৰীৰ আঁচলেৰে চকু আৰু নাক মচি উঠিছে, বুকুৰপৰা অহা এটা দুখে শব্দৰ ৰূপ লৈ তাইৰ ডিঙি পাৰ হ'ব খুজিছে, এনেতে তাইৰ সন্তোষৰ চকুৰে-চকুৰে পৰিল। মুহূৰ্তৰ ভিতৰতে তাই ব্ৰজগোপালৰ বুকুখনৰ ফালে দৃষ্টি ঘূৰালে আৰু ডিঙিৰ ওচৰ পোৱা কান্দোনৰ শব্দটো উলিয়াই আনিব নে হেঁচা মাৰি ভিতৰলৈ পঠিয়াই দিব তাকে লৈ যেন তাই অত্যন্ত বিব্ৰত হ'ল।

ব্ৰজগোপালৰ লগত মায়াৰাণীৰ বিয়া হোৱা তিনি মাহ হৈছে।

মায়াৰাণী ডাঙৰ হৈছে সন্তোষ, বাবুলাল, প্ৰহ্লাদহঁতৰ চুবুৰিত। তাইৰ বাপেক মিলিটেৰি আছিল—এবৈছ বছৰৰ আগতে। তাইৰ বয়স মাত্ৰ এবছৰ হওঁতে, বাপেক কোনোবা যুদ্ধলৈ গ'ল। ইমান দিনে মানুহটোও উভতি অহা নাই, মৰিল বুলিও খাটাং খবৰো অহা নাই। তিনি বছৰ ধৰি চলা যুদ্ধখন শেষ হোৱাৰ পাঁচ বছৰৰ পাছত মায়াৰাণীৰ মাকৰ মনত এটা প্ৰশ্নই বাহ ললে,—তাই সধবা নে বিধবা ? বাহটোৰ

কাৰণে খেৰ-কুটা কঢ়িয়াই দিছিল—ডাক বঙলাত খানচামা কাম কৰা মতিলাল নামৰ মানুহ এটাই। এদিন সেই মতিলালেই প্ৰশ্নটোৰ উত্তৰৰ ব্যৱস্থা কৰি দিবলৈও ওলাল। সি তাইক লগ ধৰিলে ৰাজধানীলৈ যাবলৈ। "ব'ল, গৱৰ্ণমেণ্টে তোক কাগজপত্ৰ চব দেখুৱাওক, টকা-পইচা কি তোৰ পাওনা আছে তাৰ হিচাপ কৰক। ব'ল, মই চব ঠিক কৰি দিম। ধেমালি নে কি?"

মতিলালৰ লগত মাক যেতিয়া ৰাজধানীত সধবা-বিধবাৰ হিচাপ লবলৈ যায় মায়াৰাণীৰ বয়স তেতিয়া ন বছৰ। তাই থাকিল বুঢ়ী-মাক বুঢ়া-বাপেকৰ লগত। বহুদিন পাৰ হৈ গ'ল, মাক কিন্তু ৰাজধানীৰপৰা উভতি নাহিল। তিনি বছৰমানৰ মূৰত খবৰ আহিল এলাহাবাদৰ কোনোবা এখন হোটেলত মতিলালে ৰান্ধনিৰ কাম কৰে; মায়াৰাণীৰ মাকেও সেইখন হোটেলতে কাঁহী বাটি ধোৱে। নিজৰ দেহ আৰু মন নমৰিলে অইন কাৰো মৃত্যুৱে মানুহক বিধবা কৰিব নোৱাৰে। মতিলালে মায়াৰাণীৰ মাকক বিধবা হ'বলৈ নিদিলে।

বহুতৰ মুখে-মুখে বাগৰি এইবোৰ খবৰ যেতিয়া প্ৰহ্লাদহঁতৰ চুবুৰিটো পায়হি, সেই সময়ত মায়াৰাণীয়ে চকুত ডাঠকৈ চুৰমা লৈ, চেলাউৰি আঁকি, চুটি ফ্ৰক এটা পিন্ধি চুবুৰিটোৰ ঘৰে-ঘৰে ফুৰিবলৈ আৰম্ভ কৰিছে। তাইৰ বুঢ়া বাপেকে ঠিকা বন্দবস্তত এটা বিড়ি ফেক্টৰিৰ কাম কৰে। বিড়ি বনোৱা কাম—যিমান বেছি বিড়ি বনাব পাৰে তেওঁ সিমানে বেছি পইচা পায়। গতিকে তেওঁ বুঢ়ীকো কাম শিকাই লৈছে। ফেক্টৰিৰ পৰা তেওঁ বুঢ়িলৈ বুলি বস্তু-বাহানি লৈ আহে। ঘৰৰ কাম-বন কৰি উঠি বুঢ়ীয়ে আগফালৰ ছালিখনৰ খুটা এটাত আউজি বহি লয়। সম্মুখৰ ডলাখনত জোখমতে কটা বিড়িপাত, চাধাৰ মছলা আদি থাকে। বুঢ়ীয়ে আকাশ-পাতাল ভাবি চুবুৰিটোৰ যিমান দূৰলৈ যি য'ত দেখি সকলো চাই থাকে, কিন্তু তেওঁৰ হাত দুখনে যন্ত্ৰৰ নিচিনাকৈ ক্ষিপ্ৰ গতিৰে কাম কৰি যায়—ঠিক জোখৰ মছলা আঙুলিৰ টিপাত উঠে, বিড়িপাত টুকুৰা ঠিকমতে পাক খায়, সুতাডালৰ পাকটো ঠিক ঠাইতে ঠিকমতে পৰে। প্ৰথম অৱস্থাত মায়াৰাণীয়ে বুঢ়ীৰ

সম্মুখতে বহি "ময়ো বনাও দে'' বুলি এটাৰ পিছত এটাকৈ বিড়িপাত নষ্ট কৰিছিল ; বুঢ়ীয়ে "থৈ দে অ' ! নাজান, মিছামিছিকৈ পাতবোৰ নষ্ট কৰিছ কিয় ? গণ্তিৰ পাত আছে, হিচাপ মতে বিড়ি নোলালে পইচা কাটিব'' বুলি ধমকি দিছিল। পাছলৈ কিন্তু মায়াৰাণীৰ বিড়ি বনোৱাৰ চখ নাথাকিল। এদিন তাই বুঢ়ীক ক'লে—তাই হেনো বিড়ি এটা খাই চাব। বুঢ়ীয়ে হেই হেই কৈ চিঞৰি উঠিল ; কিন্তু লাভ একো নহ'ল। মায়াবাণীয়ে ডলাৰপৰা নেসেকা কেঁচা-বিড়ি এটা তুলি ললে। পাগঘৰৰ-পৰা দিয়াচলাইটো উলিয়াই আনিলে আৰু পিৰালিত ভৰি ওলোমাই বহি অভ্যস্ত মানুহৰ কায়দাৰে বিড়িটো জ্বলাই হুঁপিবলৈ ললে। কিন্তু দুটা হোঁপা মৰাৰ পাছতেই তাইৰ হাতৰপৰা বিড়ি আৰু দিয়াচলাই ছিটিকি পৰিল। সম্মুখৰ চোতালখনলৈ নামি গৈ তাই কাহি-কাহি ঘূৰি ফুৰিবলৈ ধৰিলে। কাহটো যেতিয়া অলপ কমিল তেতিয়া তাই জুপুৰিবোৰৰ মাজৰ ঠেক অকোৱা-পকোৱা ৰাস্তাইদি দৌৰ মাৰিলে লগৰ ল'ৰা-ছোৱালীবোৰক খবৰ দিবলৈ। তাইৰ এটা নতুন অভিজ্ঞতা হ'ল ; তাই বিড়ি খালে।

এইটো তাইৰ ঘৰ। কিন্তু দিনৰ ভাগত ঘৰটোৰ লগত তাইৰ সম্পৰ্ক প্ৰায় নাই বুলিলেই হয়। কোনোবা এটা মুহূৰ্তত ক'ৰবাৰপৰা ভমককৈ ওলায়হি, কিবা এটা চোবালে, বুঢ়ীক কিবা এটা খুজিলে, বিড়ি পকাই থকা মানুহজনীক ডিঙিত পিছফালৰপৰা গবা মাৰি ধৰি মৰমতে বগৰাই দিব খুজিলে, আকৌ দৌৰ মাৰিলে, তাৰ পাছত হয়তো কেই-ঘণ্টা মানলৈ তাইৰ দেখা-দেখিয়েই নাই। বুঢ়াতো দিনটো ঘৰত নাথাকেই। বুঢ়ীয়ে বহাৰপৰাই যিকণ পাৰে খবৰ ৰাখে ; কিন্তু মায়াৰাণীৰ বেছি খবৰ পায় চুবুৰিৰ মানুহবোৰে। ৰুক্মিণীহঁতৰ ঘৰৰ খাটিয়া এখনত পৰি থাকোঁতে সেইফালেই তাইৰ দুঘণ্টাসে টোপনি যায়। কলৰ পানীত পিঠি পাতি কাণ্টু আৰু ভোলাই গা ধুইছে, তায়ো ফ্ৰকেৰে সৈতেই টেপৰ তলত দিলে পিঠি পাতি ; তাৰ পাছত চন্দ্ৰাৰ ফটা শাৰী এখন গাত মেৰিয়াই গুচি আহিল ঘৰলৈ। তাইৰ তিতা ফ্ৰক ওলমি থাকিল চন্দ্ৰাহঁতৰ বেৰত।

চন্দ্ৰাৰ শাৰী এখনকে অ'ত খোঁচ দি ত'ত খোচ দি কোনোমতে পিন্ধি এদিন মায়াবাণীয়ে বুঢ়ীমাকক ক'লে, "মোক পইচা দে। এক টকা।"

"এক টকা? এক টকা পইচাৰে তই কি কৰিবি?" বুঢ়ীয়ে সুধিলে।

"মই চুৰমা কিনিম।"

"চুৰমা?"

"ওঁ। চন্দ্ৰাই মোক চুৰমা-পাউডাৰ দি সজাই দিম বুলিছে।"

"তোৰ এতিয়া চুৰমা-পাউডাৰ লবৰ সময় হৈছে নে কি?"

"হৈছে।"

"কোনে কৈছে?" বুঢ়ীয়ে অবাক হৈ সুধিলে।

"চন্দ্ৰাই কৈছে।"

বুঢ়ীৰ চন্দ্ৰাৰ ওপৰত পেটে-পেটে খং উঠিল। চন্দ্ৰাৰ গিৰিয়েকৰ ছিনেমা হলৰ ওচৰত পাণৰ দোকান আছে। তাই প্ৰায়েই আবেলি পৰত সাজি-কাছি চুৰমা-পাউডাৰেৰ চকু-মুখ বোলাই দোকানলৈ যায় আৰু গিৰিয়েকৰ ওচৰতে বহি তামোল কাটি থাকে। ছিনেমা হলৰ গেটকিপাৰ কেইটামানে চন্দ্ৰাহঁতৰ দোকানৰপৰা বিনা পইচাই পাণ খায়। আৰু চন্দ্ৰাই ইচ্ছা কৰিলেই সিহঁতে তাইক ছেকেণ্ড ক্লাছত বহুৱাই ছিনেমা দেখুৱায়। গিৰিয়েকে আপত্তি কৰা যেন দেখিলে চন্দ্ৰাই গ্ৰাহকৰ আগতে তাক চকু পকাই ধৰে।

মায়াৰাণীৰ বুঢ়ীমাকে চন্দ্ৰাৰ আদব-কায়দাবোৰ এনেয়ে ভাল নাপায়, এতিয়া মায়াৰাণীৰ কথা শুনি বুঢ়ীৰ পেটে-পেটে খং উঠিল। তাইৰ যি ইচ্ছা কৰি থাকক, কিন্তু মায়াৰাণীয়ে কেতিয়া কি ঘঁহিব লাগে, সেইবোৰৰ দিহা দিবলৈ তাই কোন?

বুঢ়ীৰ খং উঠিল হয়, কিন্তু খংটো প্ৰকাশ কৰিবলৈ তেওঁৰ সাহ নহ'ল। বুঢ়ীয়ে কিবা এষাৰ কওক, মায়াৰাণীয়ে তাকে গৈ চন্দ্ৰাক কওক, তাই খাওঁ-খাওঁ মূৰ্তিৰে খেদি আহি বুঢ়ীক গোটেই চুবুৰিটোৱেই শুনাকৈ গালি পাৰক! কাজিয়া-পেঁচাল বুঢ়ীয়ে একেবাৰে সহ্য কৰিব

নোৱাৰে। তেওঁ তলমূৰ কৰি বিড়ি পকাই ক'লে, "ঠিক আছে বাবা। মই বৰ-বজাৰৰপৰা ভাল চুৰমা অনাই দিম।"

মায়াৰাণীয়ে মুখ জোকাৰি ক'লে, "হুই নালাগে, মোক এতিয়াই লাগিব। দৌলতৰ দোকানত চুৰমা আছে, মই তাৰপৰা আনিম।"

বুঢ়ীয়ে পিন্ধি থকা চোলাটোৰ ভিতৰফালে তলত এটা জেপ থাকে। তাৰপৰা তেওঁ টকা এটা উলিয়াই ওচৰৰ মাটিতে থলে আৰু মায়াৰাণীয়ে বুজিব নোৱৰাকৈ কিবা-কিবি ভোৰভোৰালে। টকাটো তৎক্ষণাত তুলি লৈ মায়াৰাণীয়ে দৌলতৰ দোকানলৈ লৰ মাৰিলে।

তেতিয়া দুইমান বাজিছিল। চুবুৰিৰ গলিবোৰত আৰু বহল ৰাস্তাটোতো মানুহৰ সংখ্যা বৰ কম আছিল। যিবোৰ মানুহ দুপৰীয়া ভাত খাবলৈ ঘৰলৈ আহে, সিহঁত ভাত খাই আকৌ কামলৈ উভতি গৈছিল। চুবুৰিটোৰপৰা বহল ৰাস্তালৈ ওলোৱা বাটকেইটাৰ মুখে-মুখে থকা দোকানকেইখনৰ জাপবোৰ আধা নমাই থোৱা আছিল। এই সময়ত গ্ৰাহক অহাৰ কোনো প্ৰশ্নই নাই। গতিকে প্ৰায় এটাইকেইটা দোকানীয়ে জিৰণি লৈছিল। দৌলতৰ দোকান হ'ল বিচিত্ৰ সামগ্ৰীৰ দোকান। চুবুৰিৰ মানুহে আজি যিটো বস্তু বিচাৰে, কাইলৈ সি তাৰে অলপমান কিনি আনি দোকানত ৰাখে। পিয়াঁজ, ফুলস্কেপ কাগজ, গজাল, বিস্কুট, কঁকালত মৰা পেটি আদিৰ সি কি বেচে, কি নেবেচে তাৰ একো ঠিক নাই। চন্দ্ৰাৰ নিচিনা দুজনীমানৰ কথা ভাবিয়েই সি চুৰমা কিনি আনিছিল আৰু এদিন চন্দ্ৰাক কৈছিল, "অ'ই লক্ষ্মী বি চুৰমা আনিছোঁ। এক নম্বৰ। লাগে যদি নিবি।"

পইচা থোৱা বাকচটোৰ ওপৰতে মূৰ থৈ দৌলত চকু মুদি পৰি আছিল। এনেতে মায়াৰাণীয়ে আধা নমাই থোৱা জাপখনৰ তলেদি মূৰটো সুমুৱাই সুধিলে, "দৌলত কাকা শুই আছ নে কি ?"

দৌলতে চকু মেলি মূৰ দাঙিলে। সি একো কবলৈ নাপাওঁতেই মায়াৰাণী দোকানৰ ভিতৰলৈ সোমাই গ'ল। তাই ক'লে, "চাওঁ, দে, মোক চুৰমা দে এক বটল।"

অলস চিন্তাৰে বিলাস কৰি থকা মুহূৰ্ত্ততে মায়াৰাণীৰ আবিৰ্ভাৱটো

দৌলতৰ বৰ ভাল লাগিল। খাটখনত ভৰি ওলোমাই বহি লৈ সি সুধিলে, "চুৰমা কাৰ কাৰণে লাগে ?"

"কাৰ কাৰণে লাগিব আকৌ! মোৰ কাৰণে লাগে।"—বুলি মায়াৰাণীয়ে দৌলতৰ চকুলৈ চালে। দৌলতে যেন হঠাতে মন কৰিলে—হয়, মায়াৰাণীৰ চকুৰে চুৰমা লওঁ-লওঁ কৰি আছে। তাইৰ ডাঙৰ, দীঘল, উজ্জ্বল চকু দুটাত এক বিচিত্ৰ ৰস গোট খাইছে। সেই ৰস জমা কৰি ৰাখিবলৈ এই মুহূৰ্ত্ততে তাইৰ চকুৰ পাৰকেইটা চুৰমাৰে বান্ধি দিয়া দৰকাৰ।

দৌলতে সুধিলে, "তই যে অকল চুৰমা নিবলৈ আহিছ, তোৰ স্নো, পাউডাৰ,—এইবোৰ আছে জানো ?"

মায়াৰাণীয়ে ক'লে, "সেইবোৰ চব চন্দ্ৰাই ঠিক কৰি দিব।"

"কোনে ? চন্দ্ৰাই ? বাৰু হ'ল তেনেহ'লে। তাই তোক স্নো-পাউডাৰ দিব ? মই ক'লোঁ চাবি,—তোৰ চুৰমাও তাই লৈ-লৈয়েই শেষ কৰি দিব। মই কওঁ শুন ;—তই পইচা কিমান আনিছ চাওঁ।"

মায়াৰাণীয়ে হাতৰ মুঠিটো খুলি দেখুৱালে।

"ঠিক আছে। মই বাৰু তোক এটেমা পাউডাৰো দিম। তই খালী চন্দ্ৰাহঁতক একো নকবি বুইছ ?"

"পইচা ?" মায়াৰাণীয়ে অলপ আচৰিত আৰু উৎফুল্ল হৈ সুধিলে।

"পইচা বাৰু তই যেতিয়া পাৰ তেতিয়া দিবি। আৰু তই যদি মোৰ কথা শুন, তেনেহ'লে পইচা নিদিলেও হ'ব। চাঁচোন, সেয়া কেইবা ৰকমৰো পাউডাৰ আছে, কোনটো তোৰ ভাল লাগে তই নিজে চা।"

এঢলীয়া হৈ থকা তক্তা এছলাৰ ওপৰত কেইবা ৰকমৰো মানে—ওপৰত বেলেগ-বেলেগ ছবি থকা তিনিটা পাউডাৰৰ টেমা আছিল। মায়াৰাণী টেমা তিনিটাৰ ওচৰ চাপি গ'ল। দৌলতে পিছফালৰপৰা তাইলৈ চাই ৰ'ল। তাই পিন্ধি থকা ফ্ৰকটো অলপ জধলা, প্ৰয়োজনতকৈ অলপ ঢিলা, দীঘল। বুঢ়া বাপেকটোৱে যে তাইক এইবোৰ কি বে-ছাইজৰ ফ্ৰক কিনি দিয়ে! ফ্ৰকটো আৰু এক ছাইজ সৰু হোৱা হ'লে! আৰু এক চাইজ,—আৰু এক চাইজ— !

"তই এইটোকে ল বুজিছ ?"—দৌলত মায়াৰাণীৰ ওচৰলৈ গ'ল। "এইটো বৰ বঢ়িয়া পাউডাৰ। ছবিখন দেখিছনে নাই ?" টেমাটোৰ ওপৰত, গাত অকণমান কাপোৰ মেৰিয়াই লোৱা, এখন হাত ওপৰলৈ তুলি ইখন হাতেৰে পাউডাৰৰ টেমা এটা দাঙি ধৰি থকা মানুহ এজনীৰ এখন আছিল।

"গোন্ধটো কিমান বঢ়িয়া চাবি ?"—বুলি দৌলতে টেমাটোৰ মুখৰ ঢাকোনখন খুলিলে, বাঁও হাতেৰে ধৰি টেমাটো সোঁহাতৰ তলুৱাৰ ওপৰত উবুৰিয়াই দিলে। জোকাৰ নমৰাকৈয়ে, কেৱল উবুৰিয়াই দিওঁতেই, দুটা ফুটাৰে বুন্ধ নিশ্বাসৰ নিচিনাকৈ পাউডাৰ অলপমান ওলাই আহিল। "চাচোন" বুলি দৌলতে মায়াৰাণীৰ নাকৰ ওচৰত তাৰ সোঁহাতখন দাঙি ধৰিলে। মায়াৰাণীয়ে অতি আগ্ৰহেৰে গোন্ধটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিলে। কিন্তু তাই গোন্ধ লোৱা শেষ কৰি মুৰটো পোন কৰিবলৈ নাপাওঁতেই দৌলতে তাইৰ গালত পাউডাৰখিনি সানি দিলে।

ফুৰ্তি আৰু অস্বস্তিৰে "ওঁহ" বুলি শব্দ এটা কৰি মায়াৰাণীয়ে মুখখন আঁতৰাই নিলে। অলপ দূৰলৈ গৈ তাই বাঁও হাতখন গালখনৰ ওপৰেদি চোঁচোৰাই পাউডাৰখিনি গুচাবলৈ চেষ্টা কৰিলে। হাতৰ তলুৱাখনলৈ চাই গালত আৰু পাউডাৰ থাকি গ'ল বুলি তাইৰ সন্দেহ হ'ল, সেই কাৰণে তাই সামান্য কুঁজা হৈ, ফ্ৰকটোৰ তলৰ কাপোৰখিনি লুটিয়াই আনি তাৰে গালখন মচিবলৈ ধৰিলে। এক মুহূৰ্ত স্তব্ধ হৈ থাকি দৌলতে কিবা এটা ভাবিলে। তাৰ পাছত সি জাপখনৰ তললৈ গৈ মূৰ চপৰাই ৰাস্তাটোলৈ চালে। আকৌ মায়াৰাণীৰ ওচৰলৈ উভতি আহি সি কলে, "পাউডাৰ ঘঁহিলে তোক দেখেবলৈ বৰ ধুনীয়া লাগিব বুইছ ? ৰবি মই তোক বঢ়িয়াকৈ পাউডাৰ সানি দিওঁ।"

"ইস্ নালাগে, মই পাছত নিজে-নিজে সানিম।" বুলি মায়াৰাণীয়ে হাঁহি-হাঁহি আপত্তি কৰিলে।

"পাছত বাৰু নিজে-নিজে সানিবি। আজি মই সানি শিকাই দিওঁ ব'ল। সৌ তালৈ ব'ল, তাতে আয়না আছে।" দৌলতে বেৰখনৰ

সিফালে থকা কোঠালিটোলৈ দেখুৱালে। সি নিজে আগবাঢ়িল আৰু দুৱাৰডলিটোত থিয় হৈ মাতিলে, "আহ"।

আপত্তিসূচক শব্দ এটা উচ্চাৰণ কৰি মায়াৰাণী লাহে-লাহে আগবাঢ়ি গ'ল। খাটিয়া এখনৰ ওচৰত থিয় হৈ দৌলতে আলফুলকৈ তাইৰ গাল-মুখত পাউডাৰ ঘঁহিবলৈ ধৰিলে। এবাৰ মায়াৰাণীয়ে ক'লে "হ'ব দে"।

"ৰবি আকৌ! এইজনী মানুহে কেনেকৈ পাউডাৰ ঘঁহিছে দেখা নাই?"—বুলি দৌলতে আকৌ টেমাটোৰ ওপৰৰ মানুহজনী দেখুৱালে।

দৌলতে পাউডাৰৰ বন্ধ টেমাৰ আদান-প্ৰদান কৰি পাইছে, কিন্তু এনেকৈ খোলা পাউডাৰৰ স্পৰ্শ সি কেতিয়াও পোৱা নাই। পাউডাৰৰ গোন্ধটোৱে তাক বিহ্বল কৰিছিল। লাহে-লাহে তাৰ পাউডাৰৰ গোন্ধটো মায়াৰাণীৰ গাৰ গোন্ধ যেন লাগি আহিল। ইতিমধ্যে পাউডাৰৰ পাতল প্ৰলেপ পৰি মায়াৰাণীৰ মুখখনো সি ইমান দিনে দেখি অহাৰ ভিতৰত আটাইতকৈ সুন্দৰ হৈ উঠিছিল। এবাৰ সি কলে, "বাঃ! বৰ ধুনীয়া লাগিছে।" তাৰ পাছত সি খাটিয়াখনত বহিল। মায়াৰাণীৰ বাঁও হাতখনত ধৰিলে আৰু অনুচচ কণ্ঠেৰে কলে, "বহচোন।"

চুৰমা আৰু পাউডাৰৰ টেমা হাতত লৈ মায়াৰাণী এসময়ত প্ৰায় দৌৰ মাৰিয়েই দৌলতৰ দোকানৰপৰা ওলাই গ'ল,—আৰু দৌলতৰ কিবা এটা কথাৰ উত্তৰত "বাৰু"—বুলি চিঞৰ মাৰি কৈ গ'ল।

তেতিয়া ৰাস্তাটোৰ সিপাৰে প্ৰহ্লাদে চিলাই কলটোৰ কাঠছটাৰ মুকলি ঠাইডোখৰত কিলাকুটি থৈ এক দৃষ্টিৰে দৌলতৰ দোকানৰ আধা বন্ধ জাপখনলৈ চাই আছিল।

মায়াৰাণী দোকানখনলৈ সোমাই যোৱাৰ সময়ত সি পাটী পৰা তক্তাপোছখনতে দীঘল দি পৰি আছিল। বহুত সময় তেনেকৈ পৰি থাকিয়েই সি দৌলতৰ দোকানখনলৈ চাই আছিল। কিন্তু ইমান পৰৰ পাছতো মায়াৰাণী ওলাই নহা দেখি সি বহিল। দোকানখনলৈ চাই থাকোঁতে সি মাজে-মাজে বিৰক্ত হ'ল, অস্থিৰ হ'ল, অধৈৰ্য হ'ল,

উৎকণ্ঠিত হ'ল আৰু শেষলৈ তাৰ খং উঠিল। এবাৰ সি ভাবিলে—বিড়ি বিচাৰি দোকানখনলৈ সোমাই যাব নেকি! তাৰ সাহ নহ'ল। শেষত যেতিয়া মায়াৰাণী ওলাই গ'ল, তেতিয়া সি এটা অবুজ খঙত তলৰ ওঁঠখন কামোৰ মাৰি ধৰি অলপ সময় বহি থাকিল আৰু বিৰবিৰকৈ দুটামান শব্দ উচ্চাৰণ কৰি চিলাই থোৱা পায়জামা এটাৰ ওলাই থকা সুতাবোৰ কটাৰ আয়োজন কৰিলে।

হাতত চুৰমা আৰু পাউডাৰৰ টেমা লৈ গলিৰ মাজেৰে মায়াৰাণীয়ে সেইদিনা বিড়ি খোৱাৰ অভিজ্ঞতাৰ কথা লগৰ ল'ৰা-ছোৱালীক কবলৈ দৌৰাৰ নিচিনাকৈয়ে দৌৰিবলৈ আৰম্ভ কৰিছিল, কিন্তু অলপ দূৰ যোৱাৰ পাছতে তাইৰ ভৰিৰ গতি মন্থৰ হ'ল। অলপ পাছতে এটা ঘৰৰ চুকত তাই ৰৈ গ'ল। আঙুলি এটা কামোৰ মাৰি ধৰি তাই যিফালে দৌলতৰ দোকান আছে, সেইফাললৈ উভতি চালে। তাইৰ অলপ গৰম লগা যেন লাগিল। গোটেই গাটো অলপ-অলপ ঘমা যেন লাগিল, আৰু লাহে-লাহে তাইৰ এটা আচৰিত ধৰণৰ লাজ লাগি আহিল। অইন কাৰো ওচৰলৈ নগৈ তাই তলমূৰকৈ, আঙুলিটো কামুৰি থাকিয়েই লাহে-লাহে নিজৰ ঘৰলৈ উভতি আহিল।

ভোলা আৰু কান্টুৱে চহৰৰ বিভিন্ন বেৰত, খুটাত, কালভাৰ্টৰ পকাত ছিনেমাৰ প'ষ্টাৰ মাৰি ফুৰে। সিহঁত দুয়োটাৰে ঘৰত নানান ধৰণৰ প'ষ্টাৰ থাকে। আবেলি পৰত ভোলাৰপৰা এক ছিনেমাৰ নায়িকাৰ ডাঙৰ ছবি থকা ৰঙীন প'ষ্টাৰ এখন লৈ মায়াৰাণী চন্দ্ৰাৰ ওচৰ পালেগৈ। পাউডাৰ আৰু চুৰমাৰ টেমা সম্মুখত থৈ তাই চন্দ্ৰাক ক'লে, —"দে, ঠিক এনেকুৱা কৰি দে।"

"ধুৰ, এনেকুৱা কৰিব পাৰি নেকি? এনেকুৱা কৰিবলৈ কিমান বস্তু লাগে জান? এয়া চা, তোৰ চেলাউৰি এনেকৈ কিহেৰে আঁকিবি?" চন্দ্ৰাই প'ষ্টাৰৰ নায়িকাৰ চেলাউৰিত আঙুলি থলে। অলপ পাছত মায়াৰাণীক সজাবলৈ লওঁতে তাই তাইৰ নিজৰ জ্ঞানেৰে ছোৱালীৰ মুখখন সজাবলৈ কি কি বস্তু লাগে, তাৰ বৰ্ণনা এটা দি গ'ল। পাউডাৰৰ গোন্ধ নাকত লগাৰ লগে-লগে কিন্তু মায়াৰাণীৰ দৌলতলৈ

মনত পৰিল। চন্দ্ৰাৰ পাছৰ কথাবোৰ তাইৰ কাণত নোসোমাল। কৰ নোৰবাতে সোঁহাতৰ আঙুলি এটা তাইৰ দাঁতৰ মাজলৈ সোমাই গ'ল।

চুৰমাৰ আবেষ্টনীৰ মাজত মায়াৰাণীৰ চকুযোৰ এক নতুন উজ্জ্বলতাৰে তিৰবিৰাই উঠিল। আয়নাত মুখখন দেখি তাইৰ নিজৰেই আচৰিত-আচৰিত লাগিল। গধূলিৰ আগে-আগে তাই চুচুক-চামাককৈ বহল ৰাস্তাটোলৈ ওলাই আহিল।

দৌলতে পাছবেলাটো বৰ চিন্তাত কটাইছিল। তাৰ ওচৰৰপৰা গৈ মায়াৰাণীয়ে বা কাক কি কলেগৈ, সেই কথা ভাবি সি শংকিত হৈ আছিল। পাগলীহেন ছোৱালী, তাইৰতো একো ঠিক নাই। সদায় গধূলি পৰত তাই দোকানবিলাকৰ ওচৰলৈ ওলাই আহে। আজি তাই আহে নে নাহে তালৈকে দৌলতৰ শংকাটোৰে অধীৰ আগ্ৰহেৰে বাট চাই আছিল। শেষত গলিৰ মুখত তাইক দেখাৰ লগে-লগে তাৰ মনটো এবাৰ উচাপ খাই উঠিল। দোকানত এটা গ্ৰাহক আছিল: তাক লৰালৰিকৈ বিদায় দি সি মায়াৰাণীলৈ চালে। তাইৰ মুখ আৰু চকুৰ ৰূপ দেখি সি অকণমান সময় স্তব্ধ হৈ ৰ'ল। তাৰ পাছত এবাৰ চকুৰে-চকুৰে পৰোঁতে সি তাইক ইচাৰাৰে ওচৰলৈ মাতিলে। ইচাৰাটো পোৱাৰ পাছত যিকণ সময় মায়াৰাণীৰ ভৰিয়ে লৰচৰ কৰা নাছিল, সেইকণ সময় দৌলতে তীব্ৰ উৎকন্ঠাত কটাবলগীয়া হ'ল। তাই এইকণ দূৰ আগবাঢ়ি অহা-নহাৰ ওপৰতে যেন দৌলতৰ বহুত লাভ-লোকচান নিৰ্ভৰ কৰিছিল।

মায়াৰাণী আহিল। পোনে-পোনে দৌলতৰ মুখলৈ চাবলৈ তাইৰ লাজ লাগিছিল। দোকানৰ বাঁহৰ খুটা এটাৰ আঁৰতে তাই মুখখন লুকুৱাবলৈ চেষ্টা কৰিলে। দৌলতে সৰু মাতেৰে সুধিলে, "কাইলৈ আহিবি ?

মুখখনৰ যিকণ দৌলতে দেখি আছিল মায়াৰাণীযে সেইকণো লুকুৱাবলৈ বৃথা চেষ্টা কৰি খুটাটোত গালখন ঘঁহালে। তাইৰ মুখখনে হাহোঁ-হাহোঁ কৰিলে। দৌলতৰ মগজৰপৰা তৎক্ষণাত এটা দুশ্চিন্তাৰ যন্ত্ৰণা ওলাই গুচি গ'ল। তাৰ চকুৰ দৃষ্টি আৰু ওঁঠৰ

চুকত গোটেই গাৰ উত্তাপ আহি গোট খালে। সি ক'লে, "আজি যিমান সময়ত আহিছিলি, ঠিক সিমান সময়তে আহিবি।"

কেইদিনমানৰ ভিতৰতে চন্দাই কোৱা বস্তুখিনিতকৈ বহুত বেছি বস্তু মায়াৰাণীৰ হাতত গোট খালে। তাইৰ মুখ আৰু মনত বহুত ৰং আৰু ৰসৰ বিচিত্ৰ খেলা চলিল। দৌলত দিনে দিনে উচ্ছৃংখল আনন্দত উদ্বাউল হৈ উঠিল।

এদিন আবেলি তিনিমান বজাত মায়াৰাণী দৌলতৰ দোকানৰপৰা ওলাই চুবুৰিৰ গলিত অদৃশ্য হৈছে, দৌলতে তাৰ পইচাৰ বাকচটোৰ ওপৰত মূৰ থৈ বিছনাখনত দীঘল দিছে, এনেতে ধীৰ-গম্ভীৰ খোজেৰে প্ৰহ্লাদ তাৰ দোকানলৈ সোমাই গ'ল। কোনো পাতনি নেমেলাকৈ প্ৰহ্লাদে সুধিলে, "তাই সদায় তোৰ দোকানলৈ কিয় আহে ?"

প্ৰহ্লাদৰ মুখৰ ভাব আৰু তাৰ কথাৰ সুৰটো ভালকৈ লক্ষ্য কৰি দৌলতে সুধিলে, "কোন ?"

প্ৰহ্লাদে কঠিন স্বৰেৰে সুধিলে, "বুজা নাই কাৰ কথা কৈছোঁ ?"

দৌলতে জোৰকৈ মনৰপৰা ভয় আৰু শংকা আঁতৰাই লৈ সুধিলে, "তাই আহিল তোৰ কি হ'ল ?"

প্ৰহ্লাদৰ মগজত যেন দপকৈ জুই জ্বলি উঠিল। এক মুহূৰ্তৰ ভিতৰতে সি দৌলতৰ ওচৰলৈ গৈ তাৰ চুলিকোঁচাত বাঁও হাতেৰে খামোচ মাৰি ধৰিলে। লগে-লগে সি গৰ্জন তুলিলে, "আজিৰপৰা তাইক আকৌ মাতিবি ?"

দৌলতে প্ৰহ্লাদৰ বুকুত জোৰেৰে ঠেলা এটা মাৰিলে। প্ৰলাদ যেন বলিয়া হৈ গ'ল। তাৰ শক্তিশালী হাতৰ প্ৰচণ্ড আৰু নিষ্ঠুৰ ঘোঁচা কেইটামান দৌলতৰ মূৰ, গাল, বাহুত ওপৰা-উপৰিকৈ পৰিল। দৌলতৰ দুৰ্বল বাধাই তাক অলপো দমাব নোৱাৰিলে। দৌলতে নিজে তাৰ ওচৰৰপৰা আঁতৰি গৈ খাটখনৰ এটা চুকত থিয় দি ৰ'ল।

নিজৰ চুলিখিনি পিছলৈ ওভোতাই-ওভোতাই প্ৰহলাদে ঘন-ঘনকৈ উশাহ লৈ ক'লে "আজিৰপৰা যদি এক দিন তাইক ইয়াত দেখোঁ, মই তোৰ দোকানত জুই লগাই দিম। মই তোৰ জান শেষ কৰি দিম।"

দুৱাৰেদি নোলাই প্ৰহ্লাদ আধা নমাই থোৱা জাপখনৰ তলেদি ওলাই আহিল। মূৰ তল কৰাৰ সলনি সি বাঁও হাতেৰে জাপখন ওপৰলৈ তুলিলে। বাঁহৰ খুটিটো এৰাই পৰিল আৰু সি বাহিৰ ওলাই এৰি দিয়া জাপখন ডাঙৰ শব্দ এটা কৰি বন্ধ হৈ গ'ল।

দৌলতৰ দোকানত জুই লগাই দিয়াৰ কথাটো আগতেও এবাৰ ওলাইছিল। দৌলত থাকে ব্ৰজগোপালহঁতৰ চুবুৰিত। প্ৰহ্লাদ থাকে মায়াবাণীহঁতৰ চুবুৰিত। গতিকে গলিৰ মুখত, সিহঁতৰ নিজৰ ফালে প্ৰহ্লাদৰ দোকানখন হ'লে ভাল হয়। এই কথাটো প্ৰহ্লাদে বহু দিনৰপৰা কৈ আহিছে। কিন্তু প্ৰহ্লাদে নিজৰ দোকান আৰম্ভ কৰিছে দৌলততকৈ বহুত পাছত। দৌলতে যেতিয়া দোকান আৰম্ভ কৰে, তেতিয়া প্ৰহ্লাদে বৰ-বজাৰত অইন দৰ্জিৰ লগত বুতামৰ কাজ কৰিবলৈ শিকিছেহে। এই অঞ্চলৰ দোকান-পোহাৰৰ ঘৰবোৰৰ ব্যৱস্থা কৰে ব্ৰজগোপালে। দৌলতে ব্ৰজগোপালক ঘৰত লগ ধৰি কৈছিল, "চাচোন গোপাল ভাই, প্ৰহ্লাদে মোক দোকানৰ ঘৰটো এৰি ৰাস্তাৰ ইপাৰলৈ আহিবলৈ কৈছে। মই বোলে বাহিৰা মানুহ :—ৰাস্তাৰ ইপাৰে থাকিব লাগে।" ব্ৰজগোপালে সেই দিনাই আহি প্ৰহ্লাদক সুধিছিল, "কি কৈছিলি তই ?"

"নাই, একো কোৱা নাই গোপাল ভাই। মই তাৰ লগত ধেমালি কৰিছিলো। তয়ে কচোন বাবু, একেডোখৰ ঠাই, ইয়াত ৰাস্তাৰ ইপাৰ-সিপাৰ বুলি কিবা কথা আছে নেকি ? ধেমালি কৰিছিলো, তাকে সি সঁচা বুলি ভাবিছে।"

ব্ৰজগোপাল যোৱাৰ পাছত প্ৰহলাদে অকলে-অকলে গৰ্জিছিল,— "ৰাতি জুই লগাই দিম বাপেকে, কিবা খং উঠিব !"

দৌলতে সেইদিনা আৰু দোকান নুখুলিলে। বহুত সময় সি খাটখনৰ চুকতে বহি ৰ'ল। লাহে-লাহে তাৰ বাঁওফালৰ হনুৰ ওপৰ চোৰা ফুলি আহিছিল। এসময়ত দোকান বন্ধ কৰি সি ঘৰলৈ আহিল।

ঘৰতো সি অকলশৰীয়া। তাৰ মাক-বাপেক সকলো 'দেশ'ত থাকে। বাল্টিবপৰা পানী এমগ লৈ সি মুখখন ধুব খুজিলে। হাত লাগোঁতেই গালৰ ফুলি অহাডোখৰ সিৰিককৈ বিষাই উঠিল। ৰঙা দুৰীয়া গামোচা এখনেৰে সি লাহে-লাহে মুখখন মচিলে। গামোচাখনে পানীবোৰ আঁতৰাই নিলে, কিন্তু লগে-লগে তাৰ গাল দুখন আকৌ তিতি আহিল। তাৰ ধাৰাসাৰে চকুপানী ওলাইছিল। অলপ পাছত সি চহৰৰ মাজলৈ বুলি ওলাই গ'ল। তাৰ এটা চিনাকি কবিৰাজ আছে, তাৰ ওচৰলৈ।

প্ৰহলাদে সেইদিনা দোকানৰ কাম একো নকৰিলে। কেঁচি, বেজি, মেছিন, একো চুবলৈ তাৰ মন নগ'ল। সোনকালে দোকান বন্ধ কৰি সি ঘৰত সোমাই থাকিলহি। গধূলিৰ আগে-আগে সি গলিলৈ ওলাল। এই সময়তে মায়াৰাণী ঘৰলৈ ওভতে। তাইক লগ পাবৰ কাৰণে সি ঘূৰা-পকা কৰি ফুৰিলে। এসময়ত সি তাইক লগ পালে।

"শুন মায়াৰাণী।"—প্ৰহলাদে তাইক অকণমান আওহতীয়া ঠাইলৈ মাতি নিলে। "মই দৌলতক আচ্ছা শিক্ষা দিছোঁ আজি।"

"কেনেকৈ?" মায়াৰাণীয়ে উচাপ খাই উঠি সুধিলে।

"ভালকৈ ঘুচিয়াই দিছোঁ। বেছি গণ্ডগোল কৰা হ'লে তাৰ মই জানেই শেষ কৰি দিলোহেঁতেন।"

"তই তাক মাৰিলিনে কি?"

"ওঁ।"

"কিয়?"

"শুন মায়াৰাণী। মই চব দেখি আছোঁ।"

"কি?"

"তই ভয় খাব নালাগে। মই জানো, তোৰ একো দোষ নাই। সি মাতে কাৰণেহে তই যাৱ। মই তাক খবৰদাৰ কৰি দিছোঁ,—আজিৰপৰা যেন সি তোক নামাতে। আৰু তোকো কৈছোঁ—তাৰ ওচৰলৈ নাযাবি। বুজিছ?"

"ওঁ।"

"কি ? তাক মৰাৰ কাৰণে তই বেয়া পাইছনে কি ?"—প্ৰহলাদে মাতটো কোমল কৰি সুধিলে।

"নাই পোৱা। মই কিয় বেয়া পাম।" মায়াৰাণীয়ে নিৰ্বিকাৰ সুৰত ক'লে।

"তোক যদি কিবা লাগে, মোক কবি। মই আছোঁ নহয়। বুইছ ? যি লাগে, তই খালী ক'লেই হ'ল।"

মায়াৰাণীয়ে পৰিষ্কাৰ দৃষ্টিৰে প্ৰহলাদৰ চকুলৈ চালে। গধূলিৰ ক্ষীণ পোহৰত তাইৰ চুৰমা বোলোৱা চকুযোৰ দেখি প্ৰহলাদ মুহূৰ্তৰ কাৰণে অবাক হৈ গ'ল। ইমান ওচৰৰপৰা তাইৰ চকুযোৰ সি—একেটা চুবুৰিতে থাকিও কেতিয়াও দেখা নাই। তাইৰ চকুৰ এনেকুৱা তিৰবিৰণি হৈছে বুলি সি কেতিয়াও ভবা নাছিল। অকণমান সময় চকুযোৰ চাই থাকি প্ৰহলাদে আৰু কোমল মাতেৰে সুধিলে, "সচাকৈ ক, তই বেয়া পোৱা নাইতো ?"

"উঁহোঁ।"—মায়াৰাণীয়ে মূৰ জোকাৰিলে।

"যা তেনেহ'লে। এতিয়া ঘৰলৈহে যাবি ?"

"উঁ।"

"যা তেনেহ'লে।"

মায়াৰাণী আঁতৰি গ'ল। প্ৰহলাদে পিছ ফালৰপৰা তাইক চাই ৰ'ল। তাই অলপ দূৰ যোৱাৰ পাছতে পানীকলৰ পাৰৰ চৰকাৰী লাইটটো দপকৈ জ্বলি উঠিল। মায়াৰাণীয়ে তলমূৰ কৰি, অতি লাহে-লাহে খোজ কাঢ়িছিল। প্ৰহলাদৰ হঠাতে ধাৰণা হ'ল—মায়াৰাণীৰ ফ্ৰকটো অলপ জধলা হৈছে। ক'কালৰ ঘেৰটো অন্ততঃ চাৰি গিৰা কম হ'ব লাগে। ফ্ৰকটো চুটি হ'ব লাগে। সেই সিমানখিনিলৈকে,—নহয় আৰু অলপ ওপৰলৈ—ঠিক সেইখিনিলৈকে—। প্ৰহলাদে খোজ কাঢ়ি থকা মায়াৰাণীৰ আঁঠুৰ ভাঁজটোৰ পৰা তিনি গিৰামান ওপৰলৈকে চকুৰে জোখ ল'লে।

দৌলতৰ সোঁফালৰ হনুৰ ওপৰ ডোখৰত এচমকা ক'লা দাগ

পৰিছিল। ব্ৰজগোপালে সোধোঁতে সি দোকানৰ খুটাত খুন্দা খোৱা বুলি কৈছিল। কেইবাদিনো সি দোকান খোলা নাছিল। এদিন আহি জাপখন আধা তুলি সি নিঃশব্দে বহি ৰ'ল। পাচিত থকা পিঁয়াজখিনিৰ কেইটামান গেলিছিল। দোকান আৰু পিছফালৰ কোঠালিটো গেলা পিঁয়াজৰ গোন্ধেৰে ভৰি গৈছিল। সম্মুখেদি অহা-যোৱা কৰা চুবুৰিৰ মানুহবোৰৰ মুখবোৰলৈ লুকাই লুকাই চাই সি আন্দাজ কৰিবৰ চেষ্টা কৰিছিল—তাৰ কথা চুবুৰিটোত ওলাইছে নেকি? নাই ওলোৱা বুলি অনুমান কৰিব পাৰি সি সকাহ পাইছিল। দুই এটা মানুহে আধা তোলা জাপখন দেখি "দৌলত আছ নেকি অ'?"—বুলি মাত লগাইছিল; সি একো উত্তৰ দিয়া নাছিল। শব্দৰ ভিতৰত তাৰ কাণে যেন কেৱল ৰাস্তাৰ সিপাৰৰ প্ৰহলাদৰ চিলাই মেচিনৰ ঘৰঘৰণিটোহে গ্ৰহণ কৰিছিল।

দৌলতে দোকানখন আৰু কোনোদিনেই নুখুলিলে। চহৰৰ সিমুৰে চামৰা গুদামৰ ওচৰৰ চুবুৰিটোত সি এটা গুমটি পালে। এদিন ঘোঁৰা-গাড়ী এখনত বস্তুবাহানি তুলি সি তালৈ গুচি গ'ল। থকাৰ ব্যৱস্থা অৱশ্যে সি ব্ৰজগোপালৰ চুবুৰিতে ৰাখিলে। মন গ'লে শুবলৈ আহিব, নহ'লে দোকানতে শুব;

কথাটো প্ৰথম ওলাওঁতেই প্ৰহলাদ ব্ৰজগোপালৰ ওচৰলৈ দৌৰিছিল। দৌলতৰ দোকানঘৰটো খালী হ'লে সি তাৰ দোকানখন তালৈ আনিব। ব্ৰজগোপালে আপত্তি নকৰিলে।

দৌলত যোৱাৰ পাছদিনাৰে পৰা প্ৰহলাদে তাৰ নতুন দোকান সজোৱাৰ কাম আৰম্ভ কৰিলে। আবেলি পৰত সি মায়াৰাণীক ক'লে, "অই, তই এনেয়েহে আছ, আহচোন অলপ সহায় কৰি দে।"

মায়াৰাণীয়ে সহায় কৰিলে। তাই শোটা এটা লৈ ঘৰটোৰ বেৰ আৰু এসময়ত দৌলতে পাউডাৰ-চুৰমা থোৱা তক্তাখন, এটাইবোৰ চাফা কৰাত লাগিল। পিছফালৰ খাটিয়াখন থকা কোঠালিটোও চাফাকৈ সাৰি দিলে।

কেইদিনমানৰ ভিতৰতে প্ৰহলাদৰ দোকানত বিভিন্ন ধৰণৰ ৰঙীন-ৰঙীন কাপোৰৰ টুকুৰাৰ ভিৰ হ'ল। কেইদিনমানৰ ভিতৰতে মায়াৰাণীৰ

গাতো বিচিত্র ৰঙৰ সমাবেশ ঘটিল। প্ৰহলাদে কিছু কাপোৰ কিনিলে, গ্ৰাহকৰ টুকুৰা কাপোৰ কিছুমান আত্মসাৎ কৰিলে ; আৰু লাহে-লাহে টুকুৰা-টুকুৰি ৰঙেৰে মায়াবাণীক ৰঙীন কৰি তুলিলে। এসময়ত মায়াবাণীয়ে ৰাতি শোওঁতেও আগৰ জধলা ফ্ৰক দুটা নিপিন্ধা হ'ল। প্ৰহলাদে লাহে-লাহে ৰঙীন কাপোৰ মায়াবাণীৰ গাৰ ছালৰ ওচৰ চপাই নিলে আৰু কৰবাত যদি অকণমান ঢিলা, কোঁচ খোৱা আছিলো, মায়াবাণীৰ গাটোৰে দিনে-দিনে সেইবোৰ কমাই আনিলে।

দিনটোৰ বহুখিনি সময় মায়াবাণীয়ে প্ৰহলাদৰ দোকানৰ পাটীপৰা তক্তাপোছখনত বহি কাপোৰৰ টুকুৰা লিৰিকি-বিদাৰি থাকে। ভোলা, কালটু ৰুকিণী, চন্দ্ৰাহঁতৰ লগতো তাই বহু সময় থাকে ; কিন্তু সেই-খিনি সময় তাইৰ বাৰে-বাৰে প্ৰহলাদৰ দোকানখনলৈ মনত পৰি থাকে। এতিয়া চুলি তাই নিজে আঁচুৰিব পাৰে, চাৰি-পাঁচবিধ বস্তুৰে মুখখন নিজে সজাব পাৰে। সেইবোৰৰ সকলো বস্তু তাই আজিকালি চন্দ্ৰাক নেদেখুৱায়েই। চন্দ্ৰাই আধা-আধি বস্তু তাইৰ নিজৰ মুখত খৰচ কৰি পেলায়। প্ৰহলাদৰ পইচা হ'লেও এনেকৈ আধাখিনি নষ্ট কৰিবলৈ মায়াবাণীয়ে বেয়া পায়।

প্ৰহলাদে চিলাই দিয়া চুটি ফ্ৰক পিন্ধি, চকুত ডাঠকৈ চুৰমা লৈ চুবুৰিত ঘূৰি ফুৰা সময়তে এদিন মায়াবাণীলৈ খবৰ আহিল—তাইৰ মাক আৰু নাহে। মাকে মতিলালৰ লগত ঘৰ কৰিছে। সেইদিনা মায়াবাণী সিহঁতৰ ঘৰৰ ভেঁটিত ভৰি ওলোমাই অলপ সময় বহি থাকিল। তাই দোকানলৈ নোযোৱা দেখি আবেলি পৰত প্ৰহলাদ আহিল। সি বুঢ়াৰপৰা ঘটনাটো শুনিলে আৰু মন ভাল লগাবলৈ বুলি মায়াবাণীক ছিনেমা দেখুৱাবলৈ লৈ গ'ল।

দোকানৰ পিছফালে থকা কেঠালিটোত থবলৈ প্ৰহলাদেও এখন তক্তাপোছৰ যোগাৰ কৰিছিল। সেইখন তক্তাপোছত বহি এদিন মায়া-বাণীয়ে তাক সুধিলে, "তই যেনেকৈ দৌলতক মাৰিছিলি তোকো যদি কোনোবাই মাৰে ?''

"ধ্ৰুৱ, তই সেইটো চিন্তা নকৰিবি। ইয়াত মোৰ গাত হাত দিবলৈ কোনটোৰ তাগজ আছে অ' ?"

তাৰ পাছদিনাই সি মায়াৰাণীৰ বুঢ়া-বাপেকৰ কাৰণে লংক্লথৰ হাত দীঘল গেঞ্জি এটা চিলালে আৰু বুঢ়ীমাকৰ কাৰণে শাৰী এখন কিনিলে।

কিছুদিনৰ পাছত কিন্তু প্ৰহলাদৰ অইন এটা চিন্তা হ'ল। মায়া-ৰাণীৰ ফ্ৰকবোৰ চুটি কৰি আনি সি এটা অদ্ভুত তৃপ্তি পাইছিল ; কিন্তু এতিয়া তাৰ ধাৰণা হ'ল যে সেই তৃপ্তি তাৰ বাহিৰেও ৰাস্তাৰ প্ৰত্যেকটো মানুহে পাইছে। মায়াৰাণী যেতিয়া তাৰ দোকানৰপৰা ওলাই গলিটোত সোমায়, তেতিয়া ৰাস্তাইদি যোৱা মানুহবোৰে স্হিৰ দৃষ্টিৰে গলিটোলৈ চায়। সিহঁতৰ কাৰোবাৰ ভৰিয়ে অলপ চুচুক-চামাকো কৰে। সিহঁতৰ ফালে চাই থাকোঁতে প্ৰহলাদৰ মুৰটো অলপ গৰম-গৰম লাগি আছে। এদিন সি অনুভৱ কৰিলে, মায়াৰাণীক আকৌ ঢাকি অনা দৰকাৰ। আগতে এবাৰ মায়াৰাণীয়ে তাক কৈছিল, বুঢ়ীমাকে কৈছে, চন্দ্ৰায়ো কৈছে —তাই বোলে এতিয়া শাৰী পিন্ধিব লাগে। প্ৰহলাদে সেইদিনা ধুৰ-ধুৰকৈ কথাটো উৰুৱাই দিছিল। ৰাস্তাৰ মানুহৰ চকুবিলাকে কিন্তু লাহে-লাহে প্ৰহলাদক গম্ভীৰ কৰি আনিলে।

যিদিনাখন প্ৰথম শাৰীখন চন্দ্ৰাই মায়াৰাণীক বেচ টানিটুনি পিন্ধাই দিলে, সেইদিনা মায়াৰাণীয়ে ঘৰটোৰপৰা ওলাই আহিবলৈকে লাজ কৰিছিল। প্ৰহলাদে তাইলৈ অবাক হৈ চাই থাকি সুধিলে, "তই ইমান ডাঙৰ হৈছিলি ?"

মায়াৰাণীয়ে হাঁহিলে।

অলপ সময় কিবা চিন্তা কৰি প্ৰহলাদে লাহে-লাহে ক'লে, "তই যে এতিয়া দোকানত বহিব নোৱাৰিবি ! নহয়, তইতো দোকানলৈ আহিবই নোৱাৰিবি।"

মায়াৰাণীও অলপ গম্ভীৰ হ'ল। চকুত প্ৰশ্ন লৈ তাই প্ৰহলাদলৈ চালে। তেনেহ'লে ?

তেনেহ'লে অইন উপায়। প্ৰহলাদে বহুত উপায় উলিয়ালে। পাছৰ

ছটা বছৰ অসংখ্য উপায়েৰে সি মায়াৰাণীক শান্ত, সুন্দৰ, আত্মহাৰা, উদ্বাউল কৰি তুলিলে। চহৰখনত সি অসংখ্য অন্ধকাৰ ঠাই আৱিষ্কাৰ কৰিলে, আৰু প্ৰত্যেকডোখৰ ঠাইকে সিহঁত দুয়োটা মিলি গোপন সাক্ষী কৰি তুলিলে। এবাৰ সিহঁতৰ চুবুৰিৰ এটা জুপুৰি খালী হ'ল। যি কেইদিন খালী হৈ ৰ'ল, সেই কেইদিন সিহঁতে ঘৰটো দুপৰ নিশা, শেষ নিশা পৰিপূৰ্ণ কৰি তুলিলে।

সেই ঘৰটো কিন্তু বেছি দিন খালী হৈ নাথাকিল। সন্তোষ নামৰ এটা ডেকা ল'ৰাই এদিন সেই ঘৰটোত থাকিবলৈ ললে। ব্ৰজগোপালে কথাটোৰ ব্যৱস্থা কৰি দিলে। প্ৰহলাদৰ সেইদিনা ব্ৰজগোপালৰ ওপৰত খং উঠিছিল।

সন্তোষে এখন ষ্টেছন ৱাগন চলায়। চহৰখনক কেন্দ্ৰ কৰি চাৰিওফালে বিছ মাইলমান দূৰলৈ ভাৰাৰ পেছেঞ্জাৰ কঢ়িওৱা ষ্টেছন ৱাগন। গাড়ী মহাজনৰ, সন্তোষ ড্ৰাইভাৰ। মহাজনটো ভাল মানুহ; সন্তোষক তেওঁ বিশ্বাস কৰে। গাড়ীখন ৰাতি মহাজনৰ ঘৰত থাকিব লাগে; কিন্তু সন্তোষে যদি চুবুৰিলৈ লৈয়ো আহে, মহাজনে আপত্তি নকৰে।

এদিন সন্তোষ দুপৰীয়া গাড়ীখন লৈ ঘৰলৈ আহিল। তাৰ গাটো বেয়া লাগিছিল। মূৰ কামুৰিছিল। পোন্ধৰ মাইল দূৰত এখন সাদিনীয়া মেলা বহিছে; গোটেই নিশা আৰু আজি পুৱাবেলা সেই মেলালৈ পেছেঞ্জাৰ কঢ়িয়াই-কঢ়িয়াই সি ভাগৰি পৰিছিল। হোটেলত ভাত খাই উঠাৰ পাছত সি ভালকৈ এঘুমটি শোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল।

গলিটোৰেদি তাৰ ঘৰটোলৈ আগবাঢ়ি থাকোঁতে বাৰাণ্ডাৰপৰা মায়াৰাণীয়ে সুধিলে, "আহিলি সন্তোষকা ?"

"আহিলোঁ দে। বৰ মূৰ কামুৰিছে।" সন্তোষে ক্লান্ত কণ্ঠেৰে ক'লে।

"ভাত খালি ?"

"খালো।" সন্তোষে খোজ বন্ধ কৰিলে।

"মুৰ যে কামুৰিছে কি হ'ব এতিয়া ?"

"কি হ'ব আৰু ! শুই থাকোঁগৈ। একাপ গৰম চাহ হোৱা হ'লে ভাল আছিল। হোটেলতে খাই আহিম বুলি ভাবিছিলো, বৰষুণ দিয়া লাগিল কাৰণে গুচি আহিলো। চাওঁচোন, শুলে ভাল লাগে নেকি !"

সন্তোষ আগ বাঢ়িল। তাৰ ঘৰটোৰ ভিতৰত শুদা পানীৰ বাহিৰে অইন একোৰে ব্যৱস্থা নাই। মায়াৰাণীয়ে সেইটো কথা জানে। তাকে ভাবি-ভাবি তাই ঘৰৰ ভেঁটিত ভৰি ওলোমাই বহি ৰ'ল। তাইৰ কাম একো নাছিল। নিঃসংগ দুপৰীয়াটো তাইৰ আমনি লাগিছিল।

প্ৰহ্লাদ তাৰ নিগাজী ঘৰলৈ গৈছে। মাক-বাপেকৰ লগত অত্যন্ত জৰুৰী কথা পাতিবলৈ। কিছু দিনৰ আগতে মায়াৰাণীৰ বুঢ়ীমাকে তাক কৈছিল, "চা প্ৰহ্লাদ, তোৰ হাতত ইমান দিন ছোৱালীজনীক এৰি দিছোঁ। তয়েই নিজৰ নিচিনাকৈ তাইক চোৱা-চিতা কৰিছ। এতিয়াতো তাই বহুত ডাঙৰ হ'ল। এতিয়া তাইৰ ঘৰ-সংসাৰৰ কথা ভাবিব লাগে। আমাৰ অৱস্থাতো দেখিছই। কিবা এটা কৰ।" অলপ পৰ ৰৈ বুঢ়ীয়ে কৈছিল, "আৰু তই যদি তাইক বিয়া কৰ, তেনেহ'লে তাকে কৰি পেলা।"

প্ৰহ্লাদে পাতল সুৰেৰে চিঞৰি উঠিছিল, "কোনে কৈছে অ' তাই বহুত ডাঙৰ হ'ল বুলি ? ধুৰ ! মই নাজানো নেকি তাই কিমান ডাঙৰ ছোৱালী ? ঠিক আছে, তহঁতে চিন্তা নকৰিবি।"

চিন্তা প্ৰহ্লাদে কৰিলে। সি মায়াৰাণীৰ বিয়াৰ কথা আগতে চিন্তা কৰা নাছিল ; কিন্তু তাৰ নিজৰ বিয়াৰ কথাৰে মাক-বাপেকে কেইবাখনো চিঠি লিখিছিল। সেই কেইখন চিঠি পঢ়ি একোবাৰ প্ৰহ্লাদে ভাবিছিল, মায়াৰাণীক বিয়া কৰালে সিহঁত দুয়োটা অনবৰত একেলগে থাকিব পাৰিব, মায়াৰাণীয়ে ৰান্ধি-বাঢ়ি দিয়া ভাত-চাহ সি খাব পাৰিব ; তাৰ বাহিৰেতো নতুন আৰু একো নহ'ব ! তথাপি, কোনো ধৰণৰ সিদ্ধান্তলৈ নহাকৈ, কথা পাতি চাবৰ কাৰণে সি এবাৰ মাক-বাপেকৰ ওচৰলৈ যাবলৈ ওলাল। মায়াৰাণীৰ বুঢ়া বাপেক আৰু বুঢ়ীমাকক সি ক'লে—সি বিয়াৰ কথা-বতৰা পাতিবলৈ ওলাইছে। মায়াৰাণীক সি বুজালে—

যাওঁতে তিনি দিন, আহোঁতে তিনি দিন, ঘৰত থাকিব বৰ বেছি এসপ্তাহ ; গতিকে চৈধ্য দিনৰ দিনা সি আকৌ মায়াৰাণীৰ ওচৰ পাবহি। কোনো চিন্তা নাই।

চৈধ্য দিন পাৰ হৈ গ'ল, প্ৰহ্লাদ অহা নাই। চৈধ্য দিনলৈকে মায়াৰাণী ঠিকেই আছিল কিন্তু পোন্ধৰ দিনৰ দিনাৰপৰা তাইৰ দিনটো ৰাতিটো বৰ উৰুঙা-উৰুঙা লাগিল।

সন্তোষ যোৱাৰ পাছত মায়াৰাণী বহুত পৰ মনে-মনে বহি ৰ'ল। তাৰ পাছত তাই সৰহকৈ চাহপাত দি এগিলাছ চাহ কৰিলে, আৰু চাহগিলাছ হাতত লৈ সন্তোষৰ ঘৰটোলৈ গ'ল।

গা-ধোৱাৰ পাছত মায়াৰাণীয়ে নতুনকৈ চুৰমা লোৱা নাছিল ; কিন্তু আগতে লোৱা চুৰমাৰ দাগে তাইৰ চকুযোৰ শান্ত, অথচ উজ্জ্বল কৰি ৰাখিছিল। শাৰীখনৰ ডাঠ ৰঙৰ ভমকা-ভমক ফুলবিলাকে তাইৰ গাটোৰ লগত লুকাভাকু খেলিছিল। কেইপাহমান ফুলে অ'ত-ত'ত চেপা খাই যেন কষ্ট পাইছিল। চাহৰ গিলাছটো হাতত লৈ সন্তোষ নিৰ্বাক হৈ বহি ৰ'ল। গৰম চাহৰ উত্তাপে তাৰ আঙুলিকেইটা পুৰিছিল ; কিন্তু তালৈ তাৰ ভ্ৰূক্ষেপ নাছিল।

"খাই দে চাহখিনি। ভাল পাবি।" মায়াৰাণীয়ে হাঁহি-হাঁহি ক'লে।

সন্তোষৰ মুখেদি আপোনা-আপুনি ওলাই আহিল, "এতিয়া বহুত ভাল লাগিছে। মুৰৰ কামোৰণিটো বহুত কমি গৈছে।"

এঢোক চাহ গিলি সন্তোষে ক'লে, "তোক বহিবলৈ দিবলৈও একো নাই নহয়। বেয়া নাপাব যদি বহ ইয়াতে।" সি ভৰি দুখন কোঁচাই বিছনাখনত ঠাই উলিয়াই দিলে। কথাষাৰ সি কব লাগে কাৰণে কৈছিল ; কিন্তু মায়াৰাণী সঁচাকৈয়ে বিছনাখনৰ চুকটোত বহিল। সন্তোষৰ গাটো সিৰসিৰাই উঠিল।

"তই যে এনেকৈ চাহ কৰি আনিবি, মই ভাবিবই পৰা নাছিলোঁ।"—চাহখিনি শেষ কৰি সন্তোষে ক'লে।

"তই বৰ ঘুৰাঘুৰি কৰিব লাগে নহয় ?" মায়াৰাণীয়ে সুধিলে।

"নকৰি দে। কেতিয়াবা দিন-ৰাতি সমান হৈ যায়। এই কেইদিন সেই মেলাখন বহিছে; বাপৰে বাপ,—কিমান মানুহ! আজি ৰাতি-পুৱা মোৰ গাড়ীৰ চালৰ ওপৰত তিনিটা মানুহ উঠি আহিছে।"

"কি মেলা অ'? কি হৈছে তাত?"

"বহুত কিবা-কিবি হৈছে। দোকান-পোহাৰ, নাচ-গান, খেল-ধেমালি, মিটিং, ৰাতি-ৰাতি ছিনেমা, থিয়েটাৰ। যাবি নেকি চাবলৈ?"

সাজি-কাচি, বেণীৰ গুৰিত প্লাষ্টিকৰ ফুল গুজি আবেলি পৰত মায়াৰাণী সন্তোষৰ সন্মুখত থিয় হ'ল। সন্তোষৰ চকুত যেন এটা চমক লাগিল। তাৰ সন্মুখত যেন এখন মেলা বহিছে।

ষ্টেছন ৰাগনৰ আগৰ ছিটত, সন্তোষৰ ওচৰত বহি মায়াৰাণী মেলা চাবলৈ গ'ল। কি বিচিত্ৰ মেলা! কত ৰং!

মেলাখন সাদিন হোৱাৰ কথা আছিল, কিন্তু সন্তোষে মেলা শেষ হ'বলৈ নিদিলে। তাতোকৈ বিচিত্ৰ, তাতোকৈ ৰঙীন মেলাৰ আয়োজন কৰিবলৈ এক তীব্ৰ উত্তেজনাত সি আপোন-পাহৰা হৈ গ'ল। মাত্ৰ কেইদিনমানৰ ভিতৰতে পৃথিৱীৰ সকলো ৰং আৰু ৰস সি তাৰ আৰু মায়াৰাণীৰ মাজত থুপ খুৱাই ল'লে। তাৰ বলিষ্ঠ দেহৰ কঠিন মাংসপেশীৰ ওপৰৰ ঘাম মচি-মচি মায়াৰাণীয়ে তাক আদৰ কৰিবলৈ ল'লে।

এদিন ৰাতি এডোখৰ নিজঞ্জাল ঠাইত ষ্টেছন ৰাগনখন ৰাখি সন্তোষে মায়াৰাণীক ক'লে, "এটা কথা সোধোঁ মায়া।"

"কি?"

সন্তোষে সুধিব খুজিছিল,—প্ৰহ্লাদ কেতিয়া আহিব? তহঁতৰ বিয়া কেতিয়া হ'ব?

"নাই, নালাগে দে।"—বুলি হঠাৎ সন্তোষে আকৌ গাড়ী চলাবলৈ আৰম্ভ কৰিলে। হঠাতে সি ঠিক কৰিলে—সেইটো প্ৰশ্নক প্ৰশ্ৰয় দিয়াৰ কি দৰকাৰ?

ঘৰত মাক-বাপেকে প্ৰহ্লাদক ক'লে—ঠিক আছে, তোৰ যি মন যায়

কৰ ; কিন্তু সোনকালে কৰ। উভতি আহোঁতে প্ৰহ্লাদে ভাবি আহিল, চব ঠিক হৈ গ'ল। এতিয়া তাৰ যি মন যায়। ইচ্ছা কৰিলে সি এতিয়া মায়াৰাণীক বিয়া কৰাবও পাৰে।

চুবুৰিত ভৰি দিয়েই সি মায়াৰাণীৰ খবৰ ললে। তাই সন্তোষৰ লগত কৰবালৈ গৈছে। বাতি ন বজালৈকে প্ৰহ্লাদে গলিৰ মুখত বাট চাই ৰ'ল মায়াৰাণীলৈ। ন বজাৰ সময়ত সন্তোষৰ ষ্টেছন ৱাগনৰপৰা মায়াৰাণী নামিল।

"আৰে? তই কেতিয়া আহিলি? ইমান দিনৰ মূৰত তোৰ চৈধ্য দিন হ'ল নহয়? বাৰু ঠিক আছে। তহঁতৰ কোনো বিশ্বাস নাই বুইছ?"

সন্তোষ অলপ সময় গাড়ীতে বহি ৰ'ল, তাৰ পাছত সি নামি ৰাস্তাটোৰ সিপাৰেদি ওভোতাফালে গুচি গ'ল।

মায়াৰাণীৰ লগে-লগে খোজ-কাঢ়ি প্ৰহ্লাদে ভয়ে-ভয়ে সুধিলে, "তই মদ খাইছ নে কি অ'?"

"মদ? ধুৰ! মাইকী মানুহে মদ খায় নেকি? যিমানখিনি মদ আছে, তহঁতকে খাবলৈ নাটে ; আমি আকৌ ক'ত মদ খাবলৈ পাম! বাৰু কচোন, তই কিয় ইমান দেৰি কৰিলি?"

প্ৰহলাদে প্ৰয়োজনতকৈ বহুত বেছিকৈ বুজাবলৈ চেষ্টা কৰিলে,—বহুত দিনৰ মূৰত ঘৰলৈ গৈছিল, মাক-বাপেকে এৰি দিবই নোখোজে। বাপেকৰ বেমাৰ হৈছিল। মাকে বিয়া কৰাবলৈ জোৰ কৰিছিল।

সিহঁত আহি পানী-কলৰ ওচৰৰ চৰকাৰী লাইটটোৰ ওচৰ পাইছিলহি। মায়াৰাণীয়ে এবাৰ স্হিৰ দৃষ্টিৰে তাৰ চকুলৈ চালে, তাৰ পাছত চকু ঘূৰাই সুধিলে, "তই কি কলি?"

ইমান বছৰৰ ভিতৰত আজি প্ৰথমবাৰৰ কাৰণে প্ৰহ্লাদৰ মায়াৰাণীৰ পৰীক্ষা লবৰ মন গ'ল। সি সুধিলে, "তই কচোন বাৰু, মই কি কব লাগিছিল?"

"জানো! মই আকৌ ভাবিছিলো, তই যদি এইবাৰ ইয়ালৈ আকৌ আহ, তেনেহ'লে ঘৈণীয়েৰক লৈহে আহিবি।" মায়াৰাণীয়ে নিৰ্বিকাৰ

সুৰত কথাখিনি কৈ-কৈ আগবাঢ়িল। হঠাতে প্ৰহ্লাদৰ মনটোৱে হাহাকাৰ কৰি উঠিল। তাৰ মন গ'ল, এতিয়াই, এই মুহূৰ্ততে সি মায়াৱাণীৰ লগত বিয়াৰ কথা পাতিবলৈ আৰম্ভ কৰিব। কিন্তু ইতিমধ্যে সিহঁত মায়াৱাণীহঁতৰ ঘৰটোৰ সম্মুখ পাইছিলহি। আগফালৰ বাৰান্দাত বুঢ়া-বুঢ়ী বহি আছিল। মায়াৱাণী ভিতৰলৈ সোমাই গ'ল।

প্ৰহ্লাদ বুঢ়া-বুঢ়ীৰ ওচৰত বহিল। বুঢ়া-বুঢ়ীয়ে এফালৰপৰা গাঁৱৰ খবৰ সুধি গ'ল ; প্ৰহ্লাদে অন্যমনস্কভাৱে উত্তৰ দি গ'ল। সি ভাবিছিল —মায়াৱাণীয়ে কাপোৰ সলাই আকৌ ওলাই আহিব ; এসময়ত বুঢ়া-বুঢ়ী শুবলৈ সোমাই যাব ; তেতিয়া সি—আগৰ নিচিনাকৈ বহি—তাইৰ লগত কথা পাতিব। আজি কেৱল কথা। হঠাতে তাৰ মনত বহুত কথা গোট খাই গ'ল।

মায়াৱাণী কিন্তু ওলাই নাহিল। তাইৰ বৰ ভাগৰ লাগি আহিছিল। তাই কাপোৰ নসলোৱাকৈয়ে বিছনাত উঠিল আৰু বেৰৰ ফালে মুখ কৰি নিশ্চল হৈ পৰি থাকিল।

পাছদিনা পুৱাই প্ৰহ্লাদে মায়াৱাণীক ক'লে, "আজি তোৰ লগত বহুত কথা আছে। অলপমান ফুৰিও আহিম। ওলাবি।"

মায়াৱাণীয়ে ক'লে "আজি? আজি মই সন্তোষকাৰ লগত এফালে যাম বুলি কৈ থৈছোঁ।"

প্ৰহ্লাদৰ গোটেই গাৰ তেজবোৰ যেন এক মুহূৰ্তৰ কাৰণে এবাৰ মূৰৈদি ঘূৰি আহিল। সি প্ৰাণপণে নিজকে সংযত কৰি লৈ শান্ত সুৰেৰে সুধিলে "কাইলৈ?"

"কাইলৈ পাৰিম।"

"ঠিক আছে"—বুলি প্ৰহ্লাদ আঁতৰি আহিল। হেৰোৱা বস্তু কাইলৈ পোৱাৰ সম্ভাৱনা দেখিলেও যি স্বস্তি অনুভৱ কৰা যায় প্ৰহ্লাদৰ মনটোৱে জোৰকৈ তেনে এক স্বস্তিৰ আশ্ৰয় ললে।

সেইদিনা মায়াৱাণী সন্তোষৰ লগত ওলাই গ'ল। ৰাতি প্ৰহ্লাদে তাৰ বিছনাৰ পৰাই শুনিলে, বিকট শব্দ কৰি কৰি এসময়ত সন্তোষৰ ষ্টেছন ৱাগনখন উভতি আহিল।

পাছদিনা মায়াৰাণীয়ে প্ৰহ্লাদক দিয়া কথা ৰাখিলে।

কিন্তু লাহে-লাহে কথাবোৰৰ খেলি-মেলি লাগি আহিল। মায়াৰাণীয়ে দুইটাকে দিয়া কথা ৰাখিবলৈ চেষ্টা কৰোঁতে কাৰো কথা ৰক্ষা নপাৰিল। পাছত এদিন প্ৰহ্লাদ আৰু সন্তোষ মুখামুখি হৈ গ'ল। অইন এদিন কান্টু, ভোলা, মদনহঁতে ব্ৰজগোপালক মাতি আনিলে। সিহঁতৰ বক্তব্য হ'ল—ইহঁত দুটাই—প্ৰহ্লাদ আৰু সন্তোষে দিনে-ৰাতিয়ে কাজিয়া কৰে। কোন দিনা কোনটো মৰে ঠিক নাই। এই চুবুৰিত অইন যি নহওক, এনেকুৱা কাজিয়া সিহঁতে ভাল নাপায়। আৰু এই সকলো কাজিয়াৰ মূল হ'ল—মায়াৰাণী। ব্ৰজগোপালে তৎক্ষণাত ইয়াৰ এটা ব্যৱস্থা কৰি দিব লাগে। নহ'লে চুবুৰিটোত ডাঙৰ ঘটনা হৈ যাব।

ব্ৰজগোপালে আটাইবিলাককে একোটা ধমকি দিলে। যা ভাগ তহঁত। চব নিজৰ-নিজৰ ঘৰত সোমাই থাক। তাৰ পাছত সি মায়াৰাণীহঁতৰ ঘৰলৈ গ'ল। বুঢ়া-বুঢ়ী ঘৰত নাছিল। দুবাৰমান মায়াৰাণীক মাতি ব্ৰজগোপাল নিজেই বাৰাণ্ডাত থকা মুঢ়া এটাত বহিল। অলপ পাছত শাৰীৰ আঁচলেৰে মুখ মচি-মচি মায়াৰাণী ওলাই আহিল। তাই এখন পাতল ৰঙৰ শাড়ী সাধাৰণভাৱে পিন্ধি আছিল। তাইৰ চকুৰ পতাবোৰ গধুৰ-গধুৰ দেখা গৈছিল ; গাল দুখন অলপ সেমেকি আছিল। এক অদ্ভুত শীতলতাই তাইৰ সৌন্দৰ্যৰ উগ্ৰতা ঢাকি ৰাখিছিল, অথচ তাইক সুন্দৰ দেখা গৈছিল। ব্ৰজগোপালে নিঃশব্দে অকণমান সময় তাইলৈ চাই ৰ'ল।

ব্ৰজগোপালে মায়াৰাণীক চিনি পায়। সি তাইৰ কথা বহুত শুনিছে। তাইক দূৰৰপৰা বহু বাৰ দেখিছে। কিন্তু সি কেতিয়াও তাইৰ বা তাইৰ লগত জড়িত ঘটনাৰ সংস্পৰ্শলৈ আহিবলগীয়া হোৱা নাই। কোনোবাই নামাতিলে সি লোকৰ ঘটনাৰ ওচৰ চাপি নাহে। আজি সি আহিল আৰু প্ৰথম বাৰৰ বাবে মায়াৰাণীক নিচেই ওচৰত পাই অকণমান সময় স্তব্ধ দৃষ্টিৰে তাইলৈ চাই থাকিবলৈ বাধ্য হ'ল।

সেইকণ সময়ৰ পাছত ব্ৰজগোপালে গম্ভীৰ সুৰেৰে সুধিলে "এইবোৰ কি হৈছে ?"

মায়াৰাণীয়েও ব্ৰজগোপালক দূৰৰপৰা দেখিছে। সকলোৰে মুখত তাৰ নাম অজস্ৰবাৰ শুনিছে। কিন্তু আজিহে তাই তাৰ মুখামুখি হ'ল। বেৰত ভৰ দি তাই অইন ফালে মুখ কৰি থিয় দি ৰ'ল। ব্ৰজগোপালে আকৌ সুধিলে "কি কৰিছ এইবোৰ ?"

মায়াৰাণী নিশ্চল হৈ ৰ'ল।

"মানুহবোৰে কি কৈছে ?"

যথেষ্ট সময় পাৰ হৈ গ'ল, মায়াৰাণীৰ সুদীৰ্ঘ দেহৰ কোনো অংগই লৰচৰ নকৰিলে। শেষত ব্ৰজগোপালে সুধিলে, "বুঢ়া-বুঢ়ী কলৈ গ'ল ?"

এইবাৰ মায়াৰাণীৰ গাটো লৰিল। সোঁহাতেৰে শাৰীৰ আঁচলটো তুলি নি তাৰে তাই চকু-মুখ ঢাকি ধৰিলে। অলপ পাছত ব্ৰজগোপাল নিঃশব্দে উঠি গুচি গ'ল। ছফুট ওখ, সুন্দৰ, সুঠাম দেহৰ অধিকাৰী ব্ৰজগোপালে সাধাৰণতে সৰু ল'ৰাৰ নিচিনাকৈ চঞ্চল গতিৰে খোজ কাঢ়ে ; সমুখত বোকা-পানী এচমকা পাৰিলে পৰা পক্ষত সি কাষেদি ঘূৰি নাযায়, জাঁপ মাৰি পাৰ হৈ যায়। আজি মায়াৰাণীহঁতৰ বাৰান্দাৰপৰা নামি যাঁওতে কিন্তু তাৰ খোজত এটা জড়তা দেখা গ'ল।

ব্ৰজগোপালৰ বয়স যেতিয়া ওঠৰ বছৰ, তেতিয়াৰেপৰা তাক এই দুটা চুবুৰিৰ মানুহে এক আচৰিত ধৰণৰ নেতা বুলি গণ্য কৰি আহিছে। কোনোবাই এটা ঘৰ সাজিব, মাটিৰ অনুমতি লব লাগিব ব্ৰজগোপালৰ পৰা। কোনোবাই সাজি লোৱা ঘৰ এৰি থৈ গুচি যাব বহু দূৰৰ নিগাজী ঘৰলৈ ; ঘৰটো দি যাব ব্ৰজগোপালক। কোনোবাই কাৰোবাৰ লগত এখন কাজিয়া কৰিব, তাৰ আগতে সি বহুবাৰ ব্ৰজগোপালৰ কথা চিন্তা কৰি লব ; কোনোবাই এটা নতুন ব্যৱসায় আৰম্ভ কৰিব, দিহা-পৰামৰ্শৰ কাৰণে সি ব্ৰজগোপালৰ ওচৰলৈ আহিবলৈ বাধ্য। ঠিক কেতিয়া, কেনেকৈ ব্ৰজগোপালৰ গালৈ এই গুৰুত্ব আহিল সেইটো কথা চুবুৰি দুটাৰ মানুহেও নাজানে, ব্ৰজগোপালে নিজেও নাজানে।

ব্ৰজগোপালে এনেয়ে কম কথা কয় ; একোটা ঘটনা, একোটা সমস্যা লৈ বেছি সময় চিন্তা নকৰে। অতি কম সময়ৰ ভিতৰতে সি কথাবোৰ জুকিয়াই লয়, আৰু গম্ভীৰ কণ্ঠৰ দুআষাৰমান কথাৰে ঘটনাটোৰ

নিষ্পত্তি কৰে। কিন্তু মায়াৰাণীৰ ওচৰৰপৰা অহাৰ পাছত সি দুদিন-মানলৈ বহু সময় ধৰি বহু কথা চিন্তা কৰিলে। তাৰ পাছত এদিন সি আকৌ মায়াৰাণীহঁতৰ ঘৰলৈ গ'ল।

এইবাৰ বুঢ়া-বুঢ়ীক সি আগফালৰ বাৰান্দাতে পালে। তাক দেখি বুঢ়া-বুঢ়ীয়ে উথপথপ লগালে,—কি কৰিব ক'ত বহিবলৈ দিব! ব্ৰজগোপালে "ঠিক আছে ঠিক আছে" বুলি নিজে মূঢ়াটো টানি লৈ বহিল, তাৰ পাছত সুধিলে, "তহঁতৰ ছোৱালীয়ে কি কৰিছে অ' ?"

বুঢ়া-বুঢ়ী দুয়োৰে ডিঙিত লগে-লগে কলকলনি উঠিল। সিহঁতে কৈ গ'ল—তাই কি কৰিছে ভগৱানেহে জানে। মাক নাই, বাপেক নাই, আমি হ'লো বুঢ়া মানুহ ;—এই বয়সতো নিজে ৰোজগাৰ কৰি খাব লগা হৈছে।

বুঢ়াই তেওঁৰ শীৰ্ণ হাত দুখন আগবঢ়াই ধৰিলে,—"এয়া চা বাবা, মোৰ হাত কেনেকৈ কঁপে। বুঢ়ীয়ে বিড়ি নবনালেতো আমাৰ ৰোজ-গাৰেই বন্ধ হৈ গ'লহেঁতেন।"

বুঢ়ীয়ে ক'লে,—"তাইৰ এটা ব্যৱস্থা কৰাৰ কাৰণে আমাৰ কোনো উপায় নাই। সেই কাৰণে লোকৰ মানুহৰ ওপৰত ভাৰসা কৰোঁ। কিন্তু যাৰ ওপৰত ভাৰসা কৰোঁ সিহঁতেই যদি বেইমানী কৰে তেন্তে আমি বাৰু কি কৰিব পাৰোঁ কচোন বাবা ?"

মায়াৰাণী কেইবা দিনৰপৰা ভিতৰতে সোমাই আছে ; তাই ব্ৰজ-গোপালৰ আগলৈ নোলাল।

ব্ৰজগোপালে চুবুৰিত সন্তোষক বিচাৰিলে। সি আজি-কালি বেছি ভাগ সময় বাহিৰতে থাকে। ব্ৰজগোপালে কোনোবা এটাক কৈ গ'ল—"তাক মই মাতিছোঁ বুলি কবি।"

সেইদিনা ৰাতিয়েই সন্তোষ ব্ৰজগোপালৰ ঘৰত হাজিৰ হ'লগৈ।—"তই মোক কিয় বিচাৰিছিলি গোপাল ভাই ?"

"তই মায়াৰাণীক বিয়া কৰাবি ?"

"মায়াৰাণীক ?" সন্তোষৰ চকু-মুখ-ডিঙিত বিস্ময় ফুটি উঠিল। —"নাই নাই, গোপাল ভাই, মানুহে এইবোৰ কথা তোক মিছাকৈ কৈছে।

তাই অকলে-অকলে মন মাৰি থাকে, সেই কাৰণে মই সময় পালে অলপ ফুৰাবলৈ লৈ যাওঁ।"

সি কথা শেষ কৰিবলৈ নাপালে ; ব্ৰজগোপালে সুধিলে, "তই বোলে মানুহৰ আগত কৈছ—ত্ৰিছ বছৰ নোহোৱালৈকে বিয়া নকৰাৰ, খালী ফুৰ্তি কৰিবি ?"

"নহয় মানে—"

"সেই কাৰণে ফুৰ্তি কৰিছ ?"

"নহয় গোপাল ভাই, তই কথাটো।"—

"যা। হ'ল যা। তাকে সুধিবলৈ মাতিছিলো।"

তাৰ পাছত ব্ৰজগোপালে প্ৰহ্লাদক লগ ধৰিলে। সি সুধিলে, "তই মায়াৰাণীক বিয়া কৰাবি ?"

দোকানৰ খাটখনত ব্ৰজগোপালক বহিবলৈ দি প্ৰহ্লাদ নিজে থিয় হৈ আছিল। সি তলমূৰ কৰি বল। ব্ৰজগোপালে আকৌ সুধিলে, "হুঁ ? কৰাবি বিয়া ?"

তাৰ এইবাৰৰ প্ৰশ্নৰ সুৰত প্ৰহ্লাদৰ মনে-মনে থকাৰ উপায় নাথাকিল। সি তলৈলৈ চায়েই ক'লে, "এসময়ত মই সেইটো কথা ভাবিছিলো গোপাল ভাই। কিন্তু আজি-কালি আৰু নাভাবোঁ।"

"তই নকৰাৰ বিয়া ?"

"ওঁহো।"

"কিয় ?"

অলপ সময় ৰাস্তাৰফালে চাই থাকি প্ৰহ্লাদে অতি ধীৰ কণ্ঠেৰে ক'লে, "তাই য'তে থাকে ত'তে সুখেৰে থাকিব লাগে। মোৰপৰা তাই আৰু সুখ নাপাব। সেই কাৰণে।"

ব্ৰজগোপাল অলপ সময় থৰ লাগি ৰ'ল। তাৰ পাছত সি সাউৎকৈ উঠি গুচি গ'ল।

পাছৰ পাঁচ দিনমান ব্ৰজগোপালক এই চুবুৰিত কোনেও দেখা

নাছিল ; কিন্তু এদিন সি হঠাতে মায়াৰাণীহঁতৰ ঘৰত উপস্থিত হ'ল। সি বুঢ়া-বুঢ়ীক সুধিলে, "মায়াৰাণীক বিয়া দিবি ?"

বিয়া নিদি আৰু কি কৰিম ? তাকেতো তহঁত সকলোকে কৈ আছোঁ। তহঁতেই যদি ওচৰ-চুবৰীয়া বুলি তাইৰ এটা গতি লগাই নিদিয়—ইত্যাদি কথাবোৰ বুঢ়া-বুঢ়ীয়ে ওপৰা-উপৰিকৈ কবলৈ আৰম্ভ কৰিলে।

"মোলৈ বিয়া দিবি ?"—ব্ৰজগোপালে শান্ত মাতেৰে সুধিলে।

বুঢ়া-বুঢ়ীয়ে বিস্ফাৰিত চকুৰে ব্ৰজগোপালৰ চকুলৈ চাই ৰল। বুঢ়াই কিবা এটা কবলৈ বুলি প্ৰথমে হাতখন দাঙিলে ; কিন্তু কথাবোৰ তেওঁৰ ডিঙিত সোপা লাগি ৰৈ গ'ল।

চুবুৰি দুটাৰ প্ৰত্যেকটো মানুহকে হতবাক কৰি ব্ৰজগোপালে মায়া-ৰাণীক বিয়া কৰাই ঘৰলৈ লৈ আহিল। তাৰ মাকে মায়াৰাণীক মূৰৰ বেনাৰসী শাৰীৰ দীঘল ওৰণিখন গুচাই, এটুকুৰা 'চন্দেছ' খুৱাই ঘৰৰ বোৱাৰী কৰি ললে।

মায়াৰাণীয়ে ব্ৰজগোপালৰ ঘৰত স্বপ্নাবিষ্টৰ নিচিনাকৈ জীৱন আৰম্ভ কৰিলে। ঘটনাবোৰ মাজে-মাজে তাইৰ ছাঁয়াছবি যেন লাগিল। তাই নিজকে এজনী বিবাহিতা তিৰোতা বুলি উপলব্ধি কৰিবলৈ প্ৰতি মুহূৰ্তে চেষ্টা কৰিবলৈ ধৰিলে। ঘৰৰ ভিতৰত অকলে থকা সময়খিনি তাই ওৰণি লৈ বহি থকা কৰিলে। ব্ৰজগোপালে তাইক বৰ মৰম কৰে। এদিন সি সুধিলে, "মই বিয়া কৰোৱাৰ কাৰণে তই বেয়া পালি নে কি ?"

মায়াৰাণীয়ে লগে লগে জোৰেৰে মূৰ জোকাৰিলে। তাই বেয়া পাব ?

ব্ৰজগোপালে তাৰ পাছত ক'লে, "মই আকৌ তোক একেবাৰে ধৰি-বান্ধি, লাগাম লগাই, ঘৰতে সুমুৱাই থম বুলি নাভাবিবি। মই সেই-বোৰ কথা ভাল নাপাওঁ। তই মোৰ ঘৈণী—বাচ। তোৰ যেনেকৈ ভাল লাগে, তেনেকৈ থাকিবি।"

এইখিনি কথাতহে মায়াৰাণীৰ মনটোৰ কোনোবা এটা চুকে অকণমান বেয়া পালে।

চুবুৰি দুটাত ব্ৰজগোপালৰ বিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনা লাহে-লাহে নাইকিয়া হৈ গ'ল। দৌলত এইটো চুবুৰিতে আছিল। সি বিয়া কৰাইছিল। বৰ্তমানে তাৰ দুটা ল'ৰা-ছোৱালী আছে। ব্ৰজ-গোপালৰ বিয়াৰ খবৰটো ওলোৱাৰ লগে-লগে সি ল'ৰা-ছোৱালী-ঘৈণীয়েক সকলোকে লৈ, তাৰ দোকান থকা চুবুৰিটোৰ ঘৰ এটালৈ উঠি গ'ল। সন্তোষ আৰু প্ৰহ্লাদ কিছুদিন তাপ মাৰি থাকিল। কিন্তু পাছত সিহঁত দুটাই অইন কাৰণত কাজিয়া কৰিবলৈ ললে। সন্তোষে ষ্টেছন ৱাগনখন ৰাস্তাত প্ৰহ্লাদৰ দোকানৰ আগতে থৈ দিয়ে, ক'লা-ক'লা তেল পৰি দোকানৰ আগৰ ঠাইডোখৰ নষ্ট হয়, সেইটো এটা কাৰণ। প্ৰহ্লাদৰ দোকানৰপৰা ওলাই যোৱা মানুহে সন্তোষৰ গাড়ীৰ মাডগাৰ্ডত আঙুলিৰ আগৰ চুণখিনি ঘঁহি থৈ যায়, সেইটো এটা কাৰণ। কাৰণবোৰ এনেকুৱাই। পাছত এদিন ৰাতি সিহঁত দুটাই ডাঙৰ কাজিয়া লগোৱাৰ উপক্ৰম কৰিলে। ভয় খাই কেইটামানে ব্ৰজগোপালক খবৰ দিলেগৈ। ব্ৰজগোপাল আহিল, আৰু কাজিয়া ভাঙি উভতি আহোঁতে বাটত তাক সাপে খুটিলে।

মায়াৰাণীয়ে এটা নতুন জীৱনৰ লগত পৰিচিত হ'বলৈ আৰম্ভ কৰি-ছিল। জীৱনটোৰ আধা তাই চিনি পাইছিল, বাকী আধা চিনি পাবলৈ চেষ্টা কৰিছিল। ব্ৰজগোপালক বুজিবলৈ তাৰ বিশাল মনটোৰ এচুকত তাই খামোচ মাৰি ধৰিছিল। জীৱনৰ বিভ্ৰান্তি এই আঁতৰি যায় যায়, এটা প্ৰশান্তিয়ে তাইৰ ওপৰত এই ডেউকা মেলে মেলে,—ঠিক এনে সময়তে ব্ৰজগোপালক সাপে খুটিলে। এয়া তাৰ বিবৰ্ণ দেহ নিশ্চল হৈ বিছনাত পৰি আছে।

অলপ সময় ব্ৰজগোপালক পৰীক্ষা কৰি বতন ডাক্তৰ আকৌ মটৰ ছাইকেলত উঠি তীব্ৰ গতিৰে চহৰৰ ফালে গ'ল। কিছু সময়ৰ পাছত তেওঁ এজন ডাঙৰ ডাক্তৰ লগত লৈ টেক্সিৰে উভতি আহিল। মটৰ

ছাইকেল তেওঁ কৰবাতে এৰিলে। তেওঁ কম্পাউণ্ডাৰৰপৰা হোৱা ডাক্তৰ। বহুদিন ধৰি তেওঁ এই চুবুৰিৰ মানুহৰ চিকিৎসা কৰিছে; ব্ৰজগোপালৰ এই অৱস্থাত তেওঁৰ "মই ডাক্তৰীৰ একো নাজানো" বুলি চিঞৰি-চিঞৰি কবৰ মন গ'ল।

ডাঙৰ ডাক্তৰ বহু সময় ধৰি ব্ৰজগোপালৰ লগত ব্যস্ত হৈ ৰ'ল। ৰতন ডাক্তৰে চলচলীয়া চকুৰে কম্পাউণ্ডাৰৰ কাম কৰি গ'ল। বাহিৰত অগণন মানুহৰ ভিৰ হৈছিল। সিহঁতৰ ভিতৰত কোনোবা-কোনোবাই কান্দিছিল। ঘৰটোৰ এটা চুকত ব্ৰজগোপালৰ মাক-বাপেকে হুঁ-হুঁ কৈ কান্দি আছিল। এটা বেদনা কান্দোনৰ ৰূপ লৈ মায়াৰাণীৰ ডিঙিৰেদি বাৰে-বাৰে ওলাই আহিব খোজে, কিন্তু বাৰে-বাৰে তাইৰ সন্তোষ আৰু প্ৰহ্লাদৰ চকুৰে-চকুৰে পৰে, আৰু বাৰে-বাৰে কান্দোনটো তাইৰ ডিঙিৰ কোনোবা এঠাইত বন্দী হৈ যায়। ইহঁত দুটাৰ আগত কান্দিব পাৰিবনে নোৱাৰি তাকে লৈ যেন তাই বিব্ৰত অনুভৱ কৰিলে। ইহঁত দুটাৰ আগত কান্দিবলৈও, এই চৰম মুহূৰ্ততো, তাই এক প্ৰচণ্ড সাহসৰ প্ৰয়োজন বোধ কৰিলে।

এসময়ত ডাঙৰ ডাক্তৰজনে শান্ত নিৰুপায় দৃষ্টিৰে ৰতন ডাক্তৰৰ চকুলৈ চালে। ৰতন ডাক্তৰে বেদনা জড়িত কণ্ঠেৰে সুধিলে, "বেজৰ ব্যৱস্থা কৰিম নেকি?"

"কৰিব পাৰা। চোৱাচোন চেষ্টা কৰি।" বস্তু-বাহানি সামৰি লৈ ডাঙৰ ডাক্তৰ বাহিৰলৈ ওলাল আৰু মানুহৰ মাজে-মাজে গুচি গ'ল। ডাক্তৰৰ মতে ব্ৰজগোপাল মৰিল।

এইবাৰ মায়াৰাণীয়ে কান্দিব খুজিলে। কিন্তু ওচৰৰ মানুহবিলাকে লগে-লগে বেজ-বেজ বুলি চিঞৰ-বাখৰ আৰম্ভ কৰিলে। সিহঁতৰ ভিতৰত বহুতে জোৰ দি কলে—সাপে কামোৰা মানুহৰ লগত ডাক্তৰৰ কোনো কাম নাই। ইমানখিনি সময় নষ্ট নকৰা হ'লেই ভাল আছিল। অমুকত অমুকক অমুকে জাৰি-জাৰি সাতদিনৰ মূৰত ভাল কৰিলে; অমুক ঠাইৰ অমুক বেজে এতিয়ালৈকে ইমান মানুহ ভাল কৰিছে।

প্ৰহ্লাদ এটা চুকত মনে-মনে বহি আছিল। হঠাতে সি থিয় হৈ ক'লে, "আনিব লাগে—বেজ আনিব লাগে। এতিয়াই, এতিয়াই মানুহ যাব লাগে।"

অলপ সময় আলোচনাৰ ভিতৰতে চহৰৰ ত্ৰিছ-চল্লিছ মাইলৰ ভিতৰত থকা দুজন বিখ্যাত বেজৰ নাম ওলাল। ঠিক হ'ল দুয়োজনকে বিচাৰি একেলগে দুটা মানুহ দুফালে ওলাই যাব লাগে। যাব কোন? এটাই-খনে সন্তোষক ধৰিলে—সি এতিয়াই ষ্টেছন ৱাগন লৈ এটা বেজ বিচাৰি যাওক। ৰাতিপুৱাৰ লগে-লগে বেজক লগত লৈ সি এইখিনি পাবহি পাৰিব। সন্তোষ যাবলৈ ওলাল। বাহিৰলৈ ওলাই অহাৰ আগতে সি মায়াৰাণীক ক'লে, "কোনো ভয় নাই, তই মিছাতে চিন্তা নকৰিবি, আমি আছোঁ নহয়।"

ভোলা আৰু কাল্টু গ'ল ইটো বেজ বিচাৰি। সিহঁতক প্ৰহ্লাদে এটা টেক্সি ড্ৰাইভাৰৰ নাম-ঠিকনা দিছিল। টেক্সি ড্ৰাইভাৰটো ব্ৰজ-গোপালৰ পৰম বন্ধু। প্ৰহ্লাদে সেইটো কথা জানে। ভোলা আৰু কাল্টুৰ মুখত ঘটনাটো শুনি টেক্সি ড্ৰাইভাৰটো পিন্ধি থকা পায়জামা আৰু গেঞ্জিৰেই একে জাপে টেক্সিত বহিলগৈ।

ৰাতিটোৰ বহুত সময় প্ৰহ্লাদে ব্ৰজগোপালহঁতৰ চুবুৰিৰ ওচৰৰ ডাঙৰ ৰাস্তাটোত ইফাল-সিফাল কৰি থাকিল। অতি সোনকালে এটা বেজ আহি পোৱাটো অত্যন্ত প্ৰয়োজনীয়। শেষ ৰাতি ৰাস্তাত দুই-এখন ট্ৰাকৰ চলাচল আছিল। দূৰত গাড়ীৰ হেডলাইট দেখিলেই প্ৰহ্লাদ কেইখোজমান আগুৱাই গৈছিল। সি অস্থিৰ হৈ উঠিছিল। সি ধৰি লৈছিল—ভোলা আৰু কাল্টুৱে বিচাৰি যোৱা বেজটোহে আহিব। সন্তোষো বেজ বিচাৰি গৈছে বুলি প্ৰহ্লাদে জানে, কিন্তু সেইটো বেজ আহিবনে নাহে, আহিলে সি কেনেকুৱা বেজ হ'ব সেই বিষয়ে তাৰ সন্দেহ হৈছিল। কিন্তু প্ৰহ্লাদক এটা ভাল বেজ লাগে। এই মুহূৰ্ততে। ব্ৰজগোপালক যেনে-তেনে, ভাল কৰিব লাগে।

একোবাৰ ব্ৰজগোপালৰ ওচৰত থিয় হৈ থাকি, একোবাৰ ৰাস্তাত অহা-যোৱা কৰি প্ৰহ্লাদে গভীৰভাৱে ভৱিষ্যতৰ কথা কিছুমান চিন্তা

কৰিবলৈ ধৰিলে। ব্ৰজগোপাল যদি সঁচাকৈয়ে মৰি যায়, তেনেহ'লে মায়াবাণীৰ কি হ'ব? বাৰে-বাৰে তাৰ সমুখত সন্তোষৰ বলিষ্ঠ দেহটো আৰু মুখখন বীভৎস ৰূপত ভাঁহি উঠিল। নহয় নহয়, সেইটো কেতিয়াও হ'বলৈ দিব নোৱাৰি। ব্ৰজগোপাল ভাল হৈ উঠিবই লাগিব। ভোলা আৰু কাল্টুৱে এটা ভাল বেজ আনিবই লাগিব।

দোকমোকালি পৰত টেক্সিখন আহিল। টেক্সিৰপৰা ভোলা আৰু কাল্টুৰ লগতে এটা ডাঙৰ মোনা লৈ বেজজন নামিল। বেজক যি য'ত লাগে তাৰ সকলো ব্যৱস্থা প্ৰহ্লাদে নিজে অতি লৰালৰিকৈ কৰি দিলে। ব্ৰজগোপালৰ ঘৰৰ কাষৰ নিম গছ এজোপাৰ গুৰিৰ ঠাইডোখৰ পৰিষ্কাৰ কৰা হ'ল; পানীৰে ঠাইডোখৰ মচা হ'ল; তাত এখন বিছনা পৰা হ'ল আৰু সেই বিছনাতে ব্ৰজগোপালক লৈ অহা হ'ল। চাৰিটা খুঁটি পোতা হ'ল। সেই খুটিত কাপোৰ আঁৰি ব্ৰজগোপালক আঁৰ কৰা হ'ল। বেজে ক'লে,—এতিয়া আৰু কাপোৰৰ বেৰৰ ভিতৰলৈ কোনো আহিব নালাগে। এতিয়া তেওঁ জাৰিবলৈ আৰম্ভ কৰিব। এঘণ্টা, দুঘণ্টা,—দৰকাৰ হ'লে এদিন, দুদিন তেওঁ জাৰিয়েই থাকিব।

গোটেই নিশা উজাগৰে কটোৱা মানুহবোৰ ৰাতিপুৱা ঘৰলৈ গ'ল। নতুনকৈ খবৰ পোৱা মানুহবোৰ আহি বুঢ়া-বুঢ়ী আৰু মায়াবাণীক বেৰি ধৰি বহি থাকিল। নতুনকৈ অহাবিলাকৰ ভিতৰত উধাতু খাই আহিল দৌলত, তাৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী দুটা। দৌলতৰ ঘৈণীয়েক বৰ কাতৰ হৈ পৰিছিল। তাই ব্ৰজগোপালক বৰ ভাল পাইছিল। ব্ৰজগোপালেই দৌলতৰ নিচিনা সুন্দৰ মানুহ এটাৰ লগত তাইৰ সংসাৰ পাতি দিছিল।

সন্তোষে ষ্টেছন ৱাগনখন তীব্ৰ গতিৰে চলাই গাঁৱৰ ফালে আগুৱাই গৈছিল। পোন্ধৰ মাইলমান যোৱাৰ পাছত সি এঠাইত গাড়ীখন ৰখালে। তাৰ ৰাস্তাত পাৰ হোৱা প্ৰতিটো মুহূৰ্ত'তে বহুত খেলি-মেলি চিন্তাই মগজটোক বেৰি আছিল। ছিগাৰেট এটা জলোৱাৰ পাছত

তাৰ অলপ সময় ছিটতে ভালকৈ আউজি, ভবি দুখন পোনকৈ মেলি, চিন্তাবোৰ জুকিয়াই লবৰ মন গ'ল।

বেজে জাৰি সাপে খোটা মানুহ ভাল কৰিব পাৰেনে? ঠিক নাই, পাৰিবও পাৰে। কিন্তু ব্ৰজগোপাল আকৌ ভাল হৈ উঠাটো দৰকাৰীনে? এইখন গাড়ী, এইটো ছিট, মায়াৰাণী! নুঠিলেই যেনিবা ব্ৰজগোপাল ভাল হৈ।

সৰহকৈ এসোপা ধোঁৱা উলিয়াই দি হঠাতে সন্তোষে ঠিক কৰিলে, নাযায় সি বেজ বিচাৰি। বহুত পলমকৈ উভতি গৈ সি ক'ব,—বাটত তাৰ গাড়ী বেয়া হ'ল; বহুত কষ্টৰ মূৰত এখন ট্ৰাকেৰে টনাই সি গাড়ীখন চহৰলৈ ওভোতাই আনিছে।

সি গাড়ীৰ ইঞ্জিন ষ্টাৰ্ট কৰিলে, আৰু গাড়ীখন ঘূৰোৱা ঠাই এডোখৰ বিচাৰি লাহে-লাহে আগুৱাই গ'ল। সি পাছত এৰি থৈ অহা এখন গাঁৱৰ ভিতৰলৈ সোমাই যাব আৰু তাতে দহ ঘণ্টামান সময় কটাই দিব। মায়াৰাণী আকৌ অকলশৰীয়া হ'ব। মন গলেই সন্তোষে আকৌ তাইক কাষত পাব। তাই নাহিবনে চাগৈ? নিশ্চয় আহিব। সন্তোষক তাই উপেক্ষা কৰিব নোৱাৰিব। তাই কাষ চাপি আহিবলৈ বাধ্য। তাই সন্তোষৰ কাষ চাপিবই।

মূল ৰাস্তাটোৰপৰা এটা সৰু ৰাস্তা গাঁৱলৈ সোমাই গৈছে। সন্তোষে গাড়ীখন পিছুৱাই সেই ৰাস্তাটোত সুমুৱালে। যি ফালৰপৰা গৈছিল, সি সেইফালেই উভতি আহিব। কিন্তু সন্তোষে গাড়ীখনৰ গতি বন্ধ কৰিলে।

কিন্তু মায়াৰাণীয়ে যদি বৰ বেছিকৈ তাৰ কাষ চাপি আহিবলৈ বিচাৰে। তাই যদি একেবাৰে তাৰ ওচৰলৈ গুচি আহিবলৈ বিচাৰে! কেইমাহমানৰ বিবাহিত জীৱনৰ নিচাত থকা মানুহ মায়াৰাণী;—সেই নিচাই যদি তাইক ধৰিয়েই থাকে! কেইমাহমানৰ বিবাহিত জীৱনৰ নিচা, কেইমাহমানৰ বিবাহিত জীৱন,—মায়াৰাণীৰ বিয়া হৈছিল, সুবিধা পালে মায়াৰাণীয়ে সন্তোষক ঠিক তেনেকৈ—অনবৰত ওচৰত থাকিব পৰাকৈ বিচাৰিব পাৰে।

হঠাতে সন্তোষৰ মনটো কোঁচ খাই গ'ল। ঠেক ৰাস্তাটোৰ ওপৰতে গাড়ীখন ৰাখি সি ষ্টিয়েৰিঙত হাত থৈ অলপ সময় নিশ্চল হৈ বহি ৰ'ল। তাৰ পাছত সি গাড়ীখন চলালে। মূল ৰাস্তাত যিফালে যাবলৈ আহিছিল, সি আকৌ সেইফালেই গাড়ী ঘূৰালে। সি নুভতিল। বেজটো তাক লাগে, যেনে-তেনে, অতি সোনকালে। গাড়ীখনৰ গতি আকৌ দুৰন্ত হৈ উঠিল।

অসংখ্য মানুহেৰে গোটেই দিনটো ব্ৰজগোপালহঁতৰ ঘৰ, চোতাল— কৰবলৈ গ'লে গোটেই চুবুৰিটোৰেই ঠাহ খাই থাকিল। ব্ৰজগোপালক মৰম কৰা অসংখ্য মানুহে হায়-হায় কৰি থাকিল। বহুতে সিহঁতক বাধা দিলে; আশ্বাস দিলে;—ভাল হৈ যাব; এইটো বৰ নাম কৰা বেজ; সময় লাগিব পাৰে, কিন্তু গোপালভাই ভাল হৈ যাব।

যাবতো? নিমগছজোপাৰ তলৰপৰা ভিতৰলৈ যোৱা প্ৰত্যেকটো মানুহৰ মুখলৈ উৎকণ্ঠিত দৃষ্টিৰে চাই-চাই মায়াবাণী গোটেই দিনটো এঠাইত, বেৰত আউজি বহি ৰ'ল। তাইৰ সাপৰ নিচিনা দীঘল চুলিকোঁচা আউল-বাউল হৈ আছিল; চকুৰ গুৰিবোৰ ক'লা পৰিছিল; —কাজলসনা চকুৰ পানী অসাৱধানভাৱে মোহাৰিলে চকুৰ চাৰিওকাষ যেনেকুৱা হয় তেনেকুৱা হৈছিল। কালি আবেলিয়েই পিন্ধা শাৰীখন লাহে-লাহে জধলা হৈ আহিছিল। তাই ভৰপূৰ গাটোৰ প্ৰতি অনামনস্ক হৈ পৰিছিল। কেৱল অভ্যস্ত হাতে মাজে-মাজে বুকুৰ ওচৰৰ শাৰীৰ পাৰিটো চুইছিল। ব্ৰজগোপাল ভাল হৈ যাবতো? যদি নাযায়, তেনেহলে তাই ক'ত কেনেকৈ থিয় হ'ব? সময়ত তাইৰ আশ্ৰয়ৰ অভাৱ নাছিল। ইচ্ছা কৰিলেই থকা আশ্ৰয়ো আঁতৰাই পেলাব পাৰিছিল। প্ৰহলাদে এদিন আশ্ৰয়ৰ প্ৰতিশ্ৰুতিৰে তাইক এটা আঙঠি পিন্ধিবলৈ দিছিল। পাছত এদিন তাৰ লগত কাজিয়া কৰি তাই আঙঠিটো দলি মাৰি দিছিল আৰু নিজকে মুক্ত বুলি ভাবিছিল। আজি যদি ব্ৰজগোপাল মৰি যায়, তেনেহ'লে কি দলিয়াই দিলে তাই মুক্ত হৈ যাব? নোৱাৰে, তাই আৰু মুক্ত হ'ব নোৱাৰে। মাত্ৰ কেইটামান মাহৰ

এটা জীৱন ; অথচ এইকেইটা মাহেই তাইৰ গোটেই জীৱনটো জুৰি পেলাব।

বুঢ়া-বুঢ়ীহালে সময়ে-সময়ে মনত পৰিলেই হুঁ-হুঁকৈ কান্দি থাকে। মায়াৰাণীৰ বুঢ়াবাপেক আৰু বুঢ়ীমাকো আহি ৰাতিপুৱাৰপৰা ইয়াতে আছে। ৰাতি খবৰ পোৱাৰ লগে-লগে আহিবলৈ তেওঁলোকৰ শক্তি নাছিল। এইবোৰ বুঢ়া-বুঢ়ী সকলো অলপতে মৰি যাব। ব্ৰজগোপালো যদি নাবাচে? সন্তোষে ৰাতি কৈছিল—তই চিন্তা নকৰিবি, আমি আছোঁ নহয়। আমি মানে কোন? সি আৰু প্ৰহলাদ? সিহঁত থাকিব মানে কেনেকৈ থাকিব ?

বহুদিনৰ মুৰত আজি মায়াৰাণীৰ কেইবাবাৰো মাকলৈ মনত পৰিল। বাপেকলৈ মনত পৰিল। ক'লৈ গ'ল বাৰু তাইৰ বাপেকটো? মৰিল চাগৈ কৰবাত জংগলত। তেওঁকো কিজানি জংগলত সাপেই খুঁটিলে।

দুপৰীয়াৰ অলপ পাছত নিমগছৰ তলৰপৰা এটা ভাল খবৰ আহিল। কিন্তু সন্ধিয়াৰ আগে-আগে ক্লান্ত, পৰিশ্ৰান্ত বেজটো নিজে কাপোৰৰ আঁৰৰপৰা ওলাই আহিল। তাৰ মুখখন গম্ভীৰ আৰু দৃষ্টি উদাস আছিল। সি মানুহবোৰক বুজাই কলে,—নহ'ল ; তাৰ শক্তিৰে সি আৰু নোৱাৰিলে।

ইতিমধ্যে সন্তোষৰ বেজটো আহি—"মোৰ হাতত পৰিলেই ঠিক হৈ যাব''—মুখত এনেকুৱা এটা ভাব লৈ বহি আছিল। মানুহবোৰে লগে-লগে তাক নিমগছৰ তললৈ লৈ গ'ল। নতুন বেজে নতুন আয়োজন আৰম্ভ কৰিলে। আগৰ বেজটোৱে মানুহবোৰক ক'লে, যিটো সাপে ব্ৰজগোপালক খুঁটিলে সেই সাপটো পোৱা হ'লে কোনো চিন্তা নাছিল।

প্ৰহলাদ এবাৰ মায়াৰাণীৰ সমুখত অকণমান সময়ৰ কাৰণে বহিল। তাৰ মুখখন মলিন হৈ আছিল। মায়াৰাণীয়ে এবাৰ তাৰ চকুলৈ চালে। প্ৰহলাদৰ চকুৰ নিৰাশ দৃষ্টিটো দেখি তাইৰ বুকুখন মোচোকা খাই উঠিল। হঠাৎ তাইৰ এবাৰ সন্দেহ হ'ল—প্ৰহলাদহঁতে ব্ৰজগোপালক ভাল কৰিবলৈ চেষ্টা কৰা নাই নেকি? নকৰিবও পাৰে। সিহঁতে

তাইক ইমান মৰম কৰিছিল! এই চিন্তাটো অহাৰ লগে-লগে মায়াৰাণীৰ মনটো এক মুহূৰ্তৰ কাৰণে পাতল লাগি গ'ল।

সন্তোষৰ বেজে, কি কাৰণে সিহে জানে,—ঘৰৰ অতি নিকট আত্মীয় কেইজনক এবাৰ ব্ৰজগোপালক চাই লবলৈ ক'লে। কথাটো শুনিয়েই বুঢ়া-বুঢ়ীহাল প্ৰায় দৌৰ মাৰিয়েই নিমগছৰ তল পালেগৈ। মানুহ-হালৰ চিঞৰবোৰ গছজোপাৰ তলৰপৰা গোটেই চুবুৰিটোত বিয়পি পৰিল।

প্ৰহলাদে মায়াৰাণীক কলে, "বল, বেজে চাই আহিবলৈ কৈছে নহয়।"

মায়াৰাণী যন্ত্ৰই চলোৱা মূৰ্তিৰ নিচিনাকৈ ঘৰটোৰপৰা ওলাই আহিল।

ব্ৰজগোপালৰ গাত কংকালৰ অকণমান ঠাইৰ বাহিৰে কাপোৰ নাছিল। তাৰ গাৰ ৰং দেখি মায়াৰাণী শিয়ৰি উঠিল। দুয়োখন হাতেৰে মুখ ঢাকি তাই ওলাই আহিব খোজা এটা চিঞৰ বন্ধ কৰি ৰাখিলে।

মানুহৰ মাজে-মাজে আৰু এটা মানুহ অস্থিৰ অধৈৰ্য হৈ ঘূৰি ফুৰিছিল। সেইটো দৌলত। মায়াৰাণী আৰু ব্ৰজগোপালৰ ওচৰে-পাজৰে প্ৰহলাদক দেখি তাৰ খং উঠিছিল। বেজটোৱে যে দিনটো জাৰি ব্ৰজগোপালক একো কৰিব নোৱাৰিলে, বৰঞ্চ সময়খিনি নষ্ট কৰিলে, সেই কথাটোক সি প্ৰহলাদৰ ষড়যন্ত্ৰ বুলি বিশ্বাস কৰিছিল। সি বিশ্বাস কৰিছিল—এতিয়া এই দুৰ্যোগৰ মুহূৰ্ততো সি মায়াৰাণীক কেন্দ্ৰ কৰি ঘূৰি আছে। যিকোনো প্ৰকাৰে ব্ৰজগোপালক বচাবই লাগিব। মায়াৰাণী তাৰ সংসাৰত বন্ধ হৈ থাকিবই লাগিব। প্ৰহলাদে তাৰ নিজৰ দোকানত বেজিৰ খোঁচ খাই-খাই গোটেই জীৱনটো কটাবই লাগিব। কিন্তু,—দৌলতে বৰ অসহায় অনুভৱ কৰিলে। কি কৰে সি এতিয়া? বেজ—আৰু ডাঙৰ বেজ বিচাৰি যাব? কিন্তু বেজৰ ওপৰত তাৰ বৰ বিশ্বাস নাই। ডাক্তৰবোৰে একো কৰিব নোৱাৰেনে? ডাক্তৰৰ মতে ব্ৰজগোপাল মৰিয়েই গ'ল নেকি? কথাটো ভালকৈ জানিবলৈ আৰু নতুন উপায় শুধিবলৈ দৌলত ৰতন ডাক্তৰক বিচাৰি গ'ল। দৰকাৰ হলে দৌলতে

তাৰ হাতত গোটখোৱা প্ৰত্যেকটো পইচা খৰচ কৰিব, টৌক্সিৰে য'ৰেপৰা যিজন ডাক্তৰকে লাগে, আনি দিব।

সন্তোষৰ বেজে গোটেই নিশা ব্ৰজগোপালক জাৰি থাকিল। কিছু সময়ৰ মূৰে-মূৰে মানুহটোৱে একোটা বিকট চিঞৰ মাৰিলে; মাজে-মাজে কোনোবা অশৰীৰী প্ৰাণীৰ লগত অবোধ ভাষাৰে কথা পাতিলে। মানুহবিলাক লাহে-লাহে নিমাত হৈ আহিছিল। সিহঁতৰ প্ৰত্যেকৰে ভাগৰ লাগিছিল, গা-মনবোৰ বেয়া লাগিছিল। চোতালত আৰু গলিটোত জুম বান্ধাৰ সলনি সিহঁতৰ প্ৰায়বোৰেই নিজ-নিজ জুপুৰিত সোমাই গুণগুণকৈ কথা পাতিবলৈ ধৰিলে। দূৰৰ মানুহবোৰ ৰাতি দহ-এঘাৰ বজাত নিজ-নিজ ঘৰলৈ উভতি গ'ল। মাজ নিশাৰ পাছত এই চুবুৰিৰ মানুহবোৰৰো ছেগা-চোৰোকাকৈ টোপনি আহিল। মানুহৰ হাতে-হাতে অহা লেমবোৰ সিহঁতৰ হাতে-হাতে উভতি গৈছিল; গতিকে এসময়ত ব্ৰজগোপালৰ ঘৰৰ ওচৰ-পাজৰৰ অঞ্চলটো আন্ধাৰ হৈ গ'ল, নিজম পৰি গ'ল। বুঢ়া-বুঢ়ী আৰু মায়াৰাণীক ৰখিবলৈ অহা তিৰোতা মানুহ কেইজনীয়ে থাকি-থাকি মাটিতে গাৰ কাপোৰৰ আঁচল পাৰি বাগৰ দিলে আৰু সেইফালেই সিহঁতৰ টোপনি গ'ল।

মাজ নিশাৰ পাছত মায়াৰাণী লাহে-লাহে বাহিৰলৈ ওলাই আহিল। চোতালৰ একাষে থকা ডাঙৰ কাঠ এডালৰ ওপৰত সন্তোষ বহি আছিল। সি সুধিলে, "তই কলৈ আহিছ? অকণমান শুই লগে যা।"

মায়াৰাণীয়ে বাহিৰত ইমান ৰাতিলৈকে সন্তোষ থাকিব বুলি মুঠেই আশা কৰা নাছিল। তাই এঠাইত নিঃশব্দে থিয় হৈ ৰ'ল। অলপ পৰৰ পাছত সন্তোষে ক'লে, "আহ তেনেহলে, বহহি ইয়াতে।"

মায়াৰাণী তাৰ পাছতো কিছু-সময় থৰ লাগি থাকিল আৰু শেষত শংকিত খোজেৰে সন্তোষৰ ওচৰ চাপি আহিল। বহুত পৰ মনে-মনে থকাৰ পাছত সন্তোষে ক'লে, "কি যে ঘটনাটো হ'ল!" মায়াৰাণীৰ লগে-লগে মনলৈ আহিল—সন্তোষে "যি হ'ল ভালেই হ'ল দে"—বুলি কৈ দিব নেকি?

সন্তোষ আকৌ বহুত পৰ মনে-মনে থাকিল। এবাৰ সি নিজকে কোৱাৰ নিচিনাকৈ কবলৈ ধৰিলে, "আমিযে এদিন ৰাতি ৰায়বাহাদুৰৰ দালানটোত সোমাইছিলো ? তইযে কৈছিলি—এইটো নিশ্চয় ৰায়বাহাদুৰৰ শোৱনি কোঠালি আছিল, আজি এইটো আমাৰ কোঠালি—মনত আছে ? এতিয়া ভাবিলেও ভয় লাগে। সেইদিনা যদি আমাকো সাপে খুটিলে-হেঁতেন ! এইডাল সাপতো সেইটো ঘৰতে আছিল !"

ৰায়বাহাদুৰৰ পৰিত্যক্ত দালানটোৰ নিৰ্জনতা প্ৰথমে আবিষ্কাৰ কৰিছিল প্ৰহ্লাদে। পাছত মায়াৰাণীয়ে জানিও নজনা ভাও ধৰি সন্তোষক সেই ঘৰটোৰ কথা কৈছিল। সন্তোষে ঘৰটোৰ নিৰ্জনতা আৰু গোপনীয়তা দেখি পুলকিত হৈছিল।

সন্তোষৰ কথা শুনি মায়াৰাণীৰ মনটো উচাপ খাই উঠিল। ৰায়-বাহাদুৰৰ দালানৰ শোৱনি কোঠালিটো মুহূৰ্তৰ কাৰণে তাইৰ চকুৰ আগত ভাহি উঠিল। কিন্তু সন্তোষে এতিয়া এই পৰিবেশত সেই শোৱনি কোঠালিৰ কথা উল্লেখ কৰিলে কিয় ? সেইবোৰ দিনৰ কথা সি এনেকৈয়ে মনত ৰাখিব নে ? সি যে কালি কৈছিল—আমি আছোঁ বুলি, সেই কথাটোও মায়াৰাণীৰ মনৰ মাজত এইমাত্ৰ সি কোৱা কথাখিনিৰ লগত জোঁট খাই গ'ল।

নিম গছৰ তলত বেঙটোৱে এটা বিকট চিঞৰ মাৰিলে, তাৰ পাছতে সি কথা কবলৈ আৰম্ভ কৰিলে আৰু শেষৰ ফালে সি ভুনভুনাবলৈ ধৰিলে। তাৰ চিঞৰ, পাছৰ কথা আৰু ভুনভুননি—ৰাতিৰ আকাশত এটা ধুম-কেতুৰ মুৰ আৰু নেজৰ নিচিনা লাগিল।

মায়াৰাণীয়ে চিঞৰটোত উচাপ খাই প্ৰশ্নসূচক দৃষ্টিৰে সন্তোষলৈ চালে। তাই সুধিলে, "কি হ'ব বাবু ? ভাল হ'বনে ?"

এইটো প্ৰশ্নৰ উত্তৰ সন্তোষৰ জনা নাছিল, গতিকে সি মনে-মনে থাকিল। মায়াৰাণীৰ আকৌ সেই একেটা সন্দেহেই হ'ল,—সন্তোষে ব্ৰজগোপালক বচাবলৈ ভালকৈ চেষ্টা কৰা নাই।

পাছদিনা পুৱাই ব্ৰজগোপালৰ বাপেকে চকু পানী মচি-মচি, হাতত

লাঠী এডাল লৈ ৰায়বাহাদুৰৰ দালানটোৰ ফালে গ'ল, সাপডাল বিচাৰি। বেজটোৱে কৈছিল, সাপডাল পোৱা হ'লে!—

মানুহবোৰে কোৱা-কুই কৰিলে, কিমান দিনলৈকে আশা থাকে? বহুতে বহুত ৰকমৰ উত্তৰ দিলে, কমেও পাঁচ-ছদিন, পোন্ধৰ দিন বিছ দিনৰ কথাও শুনা যায়। সতী বেহুলা—

সতী বেহুলাৰ নাম লোৱা মানুহটোক অইন এটা মানুহে ধমকি দিলে,—"মনে মনে থাক।"

যিমানে সময় গ'ল, বেজটোৰ কথাৰ গতি সিমানে দ্ৰুত হৈ গ'ল। দুপৰীয়াৰ পাছৰপৰা মানুহটোৱে ব্ৰজগোপালৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে, ব্ৰজগোপালৰ গাটোত একোটা চাপৰ মাৰিবলৈ আৰম্ভ কৰিলে। এবাৰ সি ভাং বিচাৰিলে। লগে-লগে ভাং আহিল। অলপ পাছতে মানুহটোৰ উজাগৰী চকু দুটা ৰঙা হৈ উঠিল। সি প্ৰায় বলিয়াৰ নিচিনাকৈ চিএৱৰ-বাখৰ কৰি, জঁপিয়াই ব্ৰজগোপালক জাৰিবলৈ ধৰিলে।

ৰতন ডাক্তৰক লগ পোৱাৰ পাছত দৌলত আৰু বেছি অস্থিৰ হৈছিল। সি তাৰ দোকানত কাম কৰিবলৈ ৰখা ল'ৰাটোক বাছৰ ভাৰা দি আৰু এটা বিখ্যাত বেজৰ ওচৰলৈ পঠিয়াই দৌৰি-দৌৰি ব্ৰজগোপালৰ ঘৰলৈ আহিল। মানুহৰ মাজত প্ৰহ্লাদ আৰু সন্তোষক দেখি তাৰ আকৌ খং উঠিল। অলপ সময় ইফালে-সিফালে অস্থিৰভাৱে ঘূৰা-পকা কৰাৰ পাছত দৌলতে তাৰ মনক আৰু সংযত কৰি ৰাখিব নোৱাৰিলে। সি প্ৰহ্লাদ আৰু সন্তোষ দুইটাকে একাষলৈ মাতি আনিলে। সি ক'লে, "তহঁতে কি ভাবিছ কব নোৱাৰোঁ; গোপালভাইক কিন্তু বচাবই লাগিব। যেনেকৈ হওক।" তাৰ পাছত সি আতুৰ কণ্ঠেৰে ৰতন ডাক্তৰৰপৰা জনা কথাৰ সাৰাংশখিনি ক'লে। মায়াৰাণীৰ কেঁচুৱা হ'ব। ব্ৰজগোপালে ৰতন ডাক্তৰৰ লগত পৰামৰ্শ কৰিছিল—কাঠ, বাঁহ আৰু খেৰৰ ব্যৱসায়ৰ কামত সি বহুত দিন হাবিয়ে-জংগলে ঘূৰা-পকা কৰিব লাগিব; পুহ মাহৰপৰা সিফালে দুমাহ সি কলৈকো নোযোৱাকৈ ঘৰত থাকিব পাৰিব। গতিকে কেঁচুৱাটোৰ জন্ম মাঘ মাহমানত হ'লে ভাল হয়। মাত্ৰ কেইদিন মানৰ আগতে ব্ৰজগোপালে ৰতন ডাক্তৰক হাঁহি-হাঁহি

কৈছিল—হ'ব ডাক্তৰ হ'ব। আহক, আপুনি ভাল মানুহ, আপোনাকে আজি চাহ-মিঠাই খুৱাই পূজা দি লওঁ।

প্ৰহ্লাদ আৰু সন্তোষ দুয়োটা কেইমুহূৰ্তমান স্তব্ধ হৈ ৰ'ল। সেইকেইটা মুহূৰ্তৰ ভিতৰতে যেন সিহঁতৰ দেহ-মন-কণ্ঠৰ জড়তা আৰু দ্বিধা নাইকিয়া হৈ গ'ল। ব্ৰজগোপাল বাচি উঠিব লাগে নে নালাগে—সেই সম্পৰ্কে এইবাৰহে যেন সিহঁত নিশ্চিত হ'ল। সিহঁত দুয়োটাই ওপৰা-উপৰিকৈ দৌলতক ক'লে, "আমি যিমান যি কৰিব লাগে, সকলো কৰিম ; যি দিব লাগে সকলো দিম, গোপালভাইক বচোৱাৰ কাৰণে যদি মৰিব লাগে—।" সিহঁত দুয়ো দৌলতৰ বাহুত ধৰিলে।

হঠাতে দৌলতৰ মনটো বৰ পাতল হৈ গ'ল। সি লৰালৰিকৈ মায়াৰাণীক বিচাৰি গ'ল। বহুত বছৰ সি মায়াৰাণীৰ মুখামুখি হোৱা নাই। আজি সি এটা বৰ ডাঙৰ খবৰ অনাৰ উত্তেজনাৰে মায়াৰাণীৰ সম্মুখত থিয় হ'ল। মায়াৰাণীয়ে নিষ্পলক দৃষ্টিৰে দৌলতৰ চকুলৈ চাই ৰ'ল। দৌলতেও মায়াৰাণীৰ চকুলৈ চালে। সেই চকু। চুৰমাৰ বেৰ নিদিলে পানী বাগৰি আহিব খোজা টলমল কৰি থকা চকু।

দৌলতে গভীৰ আত্মবিশ্বাসৰ সুৰত ক'লে, "তই চিন্তা নকৰিবি ; আমি—সন্তোষ, প্ৰহ্লাদ, মই,—আমি চবেই খুব চেষ্টা কৰিছোঁ,—জান-প্ৰাণ দি চেষ্টা কৰিছোঁ—গোপালভাইক বচাবলৈ। তাক বচাবই লাগিব। নহ'লে তোৰ বৰ কষ্ট হ'ব।"

মায়াৰাণীয়ে থৰ লাগি অকণমান সময় দৌলতৰ মুখলৈ চালে, তাৰ পাছত—এই প্ৰথম বাৰৰ কাৰণে, তাই এটা চিঞৰৰ মাৰি কান্দিবলৈ আৰম্ভ কৰিলে। লাহে-লাহে সেই কান্দোনৰ তীব্ৰতা বাঢ়ি গ'ল আৰু অলপ পাছতে তাই মাটিত বাগৰি পৰিল।

দুটা ল'ৰা-ছোৱালীৰ মাক, দৌলতৰ ঘৈণীয়েক ওচৰতে আছিল। তাই আজলী মানুহ। অলপতে তাই বৌছ ভয় খায়। তাই মায়াৰাণীক পোন কৰি বহুৱাবলৈ চেষ্টা কৰি কাণে-কাণে ক'লে, "তই এনেকুৱা নকৰিবি। বাচ্চাটোৰ কাৰণে বেয়া। উঠ।..."

মায়াৰাণী তৎক্ষণাৎ বহিল, আৰু ভুতুনীৰ চকুলৈ চোৱাদি দৌলতৰ ঘৈণীয়েকৰ চকুলৈ চালে। এটা আৰু তীব্ৰ চিঞৰৰ মাৰি তাই আকৌ বাগৰি পৰিল। যেন এই মাত্ৰহে ব্ৰজগোপালক, তাইৰ সম্মুখতে সাপে খুঁটিলে।

# চিৰ-সাক্ষী

এই চুবুৰিটোৰ খবৰ চহৰখনৰ প্ৰায় কোনেও নাৰাখে বুলিলেই হয়। চুবুৰিটো যে আছে, এই কথাটোকে বহুতে নাজানে। কিন্তু বৰ ডাঙৰ কিবা এটা আৱিষ্কাৰ কৰাৰ উদ্দেশ্যেৰে নহ'লেও, সময় সুবিধা পালে কেতিয়াবা চিচু গছজোপাৰ তলত থিয় হৈ চুবুৰিটোলৈ চাই থাকিলে, সম্ভৱ হ'লে দুই-এঘৰত এপাক সোমাই আহিলে ভাল লাগি যাব পাৰে।

চহৰৰপৰা গাঁৱলৈ ওলাই যোৱা বাটৰ দুয়োকাষে মুঠতে দুকুৰিমান ঘৰ। ঘৰবিলাক সৰু-সৰু, খেৰ-বাঁহৰ; কিন্তু ঘৰে-ঘৰে এপাল-এপাল ল'ৰা-ছোৱালী। আজি ৰাতি কি ছিনেমা হ'ব, সেই খবৰটো দিয়া মটৰ গাড়ীখন চলি যোৱাৰ পাছত, তাৰ পিছে-পিছে দৌৰি যোৱা ল'ৰা-ছোৱালী গণি শেষ কৰিব নোৱাৰি। ইমানবোৰ ঘৰৰ এটাৰ সন্মুখতো এজোপা ফুলগছ দেখিবলৈ নাই, কিন্তু পদুলিয়ে-পদুলিয়ে কুকুৰ; কাৰোবাৰ পদুলিত বহি বুঢ়া ফপৰীয়া কুকুৰে গাৰ ফাপৰ চেলেকি থাকে; কাৰোবাৰ দুৱাৰ-মুখত নোদোকা-নোদোকা পোৱালি কুকুৰে আনন্দত কামোৰা-কামুৰি, বাগৰা-বাগৰি কৰে। কেতিয়াবা,—দুপৰ নিশা পহৰা দিয়া পুলিছে চুবুৰিটোৰ এমূৰত থিয় হৈ চুটি-চুটিকৈ হুইছেল বজায়, নাইবা দূৰলৈ যোৱা গৰুগাড়ী এখনৰ তলে-তলে কুকুৰ এটা যায়;—আৰু তাৰ লগে-লগে কিমান কুকুৰে ভুকে, অনুমান কৰা টান। চুবুৰিটোৰ মাজেৰে পুলিছ দুটা নাইবা বিদেশী কুকুৰটো পাৰ হৈ নোযোৱালৈকে, ৰাতিৰ এন্ধাৰ চিৰাচিৰ কৰি পেলোৱা এই ভুকনিয়ে এই চুবুৰিৰ সকলোকে জগুৱাই দূৰৰ দুই-তিনিটা চুবুৰিৰ মানুহৰ টোপনি ভাঙে। সেই কেইটা চুবুৰিৰ ল'ৰা-ছোৱালী আবেলি পৰত "ফুৰিবলৈ যাওঁ" বুলি ঘৰৰপৰা ওলালে মাকহঁতে কয়, "সেইফালে নাযাবি, বলিয়া কুকুৰ আছে।"

নাহে। ল'ৰা-ছোৱালী কিয়, ডাঙৰ মানুহো এইফালে বৰকৈ নাহে। কোনোবা দেওবাৰে কেইটামান ডেকা লৰাই বিলৰ হাঁহ মাৰিবলৈ ছাইকেল

মাৰি এই বাটেদি যায়। সিহঁতৰ দুটামানৰ কান্ধত বন্দুক থাকে। কেৱল এটা পদুলিত সিহঁতৰ ছাইকেলৰ গতি অলপ কমে। ডম্বৰুহঁতৰ বাৰীত এবিধ লতা আছে, কিবা ঔষধত লাগে, তাকে নিবলৈ মাজে-মাজে কবিৰাজ এটা আহে।—এইফালে এনেকৈয়ে কেতিয়াবা কোনোবা আহে, বৰকৈ কোনো নাহে। স্বাস্হ্য টনকিয়াল কৰি ৰাখিবলৈ ৰাতিপুৱা নিয়মীয়াভাৱে দুমাইলমান খোজ কঢ়া বুঢ়া চন্দ্ৰ শৰ্মা আৰু যোগেশ হাজৰিকা—নৈৰ পাৰৰ ৰাস্তাটো আমনি লাগিলে কেতিয়াবা এইফালে আহে। হাতৰ লাখুটিৰ লগত বাটৰ শিলগুটিৰ খুন্দা লাগি খটখটকৈ বাহি কাপোৰেৰে শব্দ হয়। গিৰীশৰ মাকে বাহি কাপোৰেৰে চোতাল সাৰি-সাৰি পদুলিমুখ পায়হি, মানুহ অহাৰ গম পাই তেওঁ গাৰ কাপোৰ ইফালে-সিফালে টনাটনি কৰি লৰালৰিকৈ ভিতৰলৈ সোমাই যায়। চন্দ্ৰ শৰ্মা বুঢ়াই ইফালে-সিফালে ঘৰবোৰলৈ চাই, হাজৰিকা বুঢ়াক কয়, "এইবোৰ ঠায়ো এসময়ত ভাল হ'বগৈ।"

"হ'বগৈ হ'বগৈ, নহ'ব কিয় ? চাই থাকোঁতেই কি ঠাই কি হৈ গ'ল! মই ক'বৰ হ'লে এতিয়াই এই অঞ্চলত মাটি এটুকুৰা কিনি ৰাখিলে, সময়ত কাম দিব। টাউনখন এতিয়া এইফালেই বাঢ়ি আহিছে।"

টাউনখন বাঢ়ি আহিছে মানে চূণ দিয়া বেৰৰ ঘৰ বাঢ়ি আহিছে। আচলতে চুবুৰিটো চহৰৰ ভিতৰতে। মিউনিছিপালিটিয়ে নিয়মীয়াকৈ টেক্স নিয়ে ; কিন্তু সেই অনুপাতে বিশেষ একো দিব পৰা নাই। এটা পানী-কল আছে, ৰাতিপুৱা গধূলি ধীৰ, মন্হৰ, ক্লান্ত গতিৰে পানী ওলায়। এটা লেম আছে। গধূলি পৰত পশ্চিমীয়া মানুহ কান্ধত জখলা আৰু হাতত কেৰাছিন তেলৰ টিন এটা লৈ আহে। লেমৰ খুটাটোৰ গাত জখলা লগাই মানুহটো লেমটো নমাই আনিবলৈ উঠি গলে, গোটেই দিনটো ৰাস্তাত লৰি-ঢাপৰি ধূলিয়ে-মাকতিয়ে পোত খোৱা চুবুৰিটোৰ এজাক ল'ৰা-ছোৱালীয়ে খুটাটোৰ গুৰিটো আগুৰি ধৰে। তাৰে দুটামানে চিঞৰে, "আই লেম-আলা, কেৰাছিন তেল অকমান দিবা ?" শুনি-শুনি অভ্যস্ত হোৱা মানুহটোৱে একো নামাতে। খুটাটোৰ গুৰিত বহি লৈ সি কাপোৰ এটুকুৰাৰে চিমনিটো মচে, তাৰ পাছত

টিনৰপৰা লেমটোত তেল ভৰায়, আকৌ ওপৰলৈ উঠি গৈ জ্বলায় থৈ নামি আহে। মিউনিছিপালিটিৰ নিয়মমতে লেমটোত আধাসেৰ তেল ভৰাব লাগে, কিন্তু মানুহটোৱে নভৰায় হ'বলা। কাৰণ ৰাতি বাৰ বাজোঁতে নৌবাজোঁতেই লেমটোৱে ঢিমিক-ঢামাক কৰি, চুবুৰিটোৰ চেহেৰাটো বৰ দৰিদ্ৰ কৰি তোলে। অলপ সময় ম্ৰিয়মান হৈ থাকি তাৰ পাছত লেমটো নুমাই যায়।

লেমটো নুমুৱাৰ অলপ আগতে বা অলপ পাছতে শিলগুটিৰ বাস্তাত ঘেটেলেং-ঘেটেলেংকৈ শব্দ কৰি এখন বিক্সা আহে। বঙা লেমৰ স্থিৰ হৈ যোৱা পোহৰ আৰু মাব যোৱা শব্দৰপৰা অনুমান কৰিব পাৰি এটা পদুলিত ৰিক্সাখন ৰয়; তাৰ পাছত ঘূৰে। আৰোহী নামি যোৱাৰ পাছত খালী ৰিক্সাখনে বেছি শব্দ কৰে; মাজনিশা সোনকালে ঘৰলৈ উভঁতি যোৱাৰ ইচ্ছাৰে মানুহটোৱে জোৰেৰে চলায়।

এইখন ৰিক্সাত ছিনেমা হলৰ গে'টকিপাৰ মদন ঘৰলৈ ওভতে। তাৰ চাকৰি কৰা যিমান দিন হৈছে, সিমান দিন সি এনেকৈ ঘৰলৈ উভতিছে। প্ৰথমে কিছুদিন বিক্সাৰ কাৰণে পইচা ভৰিব লগীয়া হৈছিল, পাছলৈ নলগা হ'ল। মদনৰ সৌজন্যত মাজে-মাজে বিনা পইচাই ছিনেমা চাবলৈ পায়, আনহাতে ছিনেমা ভগাৰ পাছত আৰোহী নাপায়, এনেকুৱা বিক্সাৱালাই মদনক ঘৰত থৈ যায়। ছাইকেল এখন কিনি লবলৈ মদনৰ পইচাৰ যোগাৰ নাই; ইফালে ছিনেমা হলৰপৰা মাজৰাতি অকলে-অকলে ঘৰলৈ খোজকাঢ়ি আহোঁতে কষ্ট হয়। সেই কাৰণে সি নিজৰ চাকৰিটোৰ ক্ষমতাৰে এনেকুৱা দুই-এটা সুবিধা কৰি লয়। ঘৰত তাৰ ছাইকেল মাৰি-মাৰি খবৰ-কাগজ বিলাই অকালতে বুঢ়া আৰু ঘূণীয়া হোৱা বাপেক; এক ফাৰ্লং দূৰৰ পৰা কাষত কলহ, হাতত বাল্টিলৈ যোৱা পঁচিছ বছৰে পানী কঢ়িওৱাৰ ফলত কঁকাল বেঁকা হৈ যোৱা মাক, তিনিটা বিভিন্ন বয়সৰ ভায়েক। ভায়েক নহয় যেন একো-একোটা ডকাইত। মদন ঘৰলৈ উভতিলে এটাইখনে তাৰ মুখলৈ, হাতলৈ খাওঁ-খাওঁ মূৰ্তিৰে চাই থাকে। এনেকুৱা অৱস্থাত কোনোবাই যদি ছিনেমা হলৰ এঘাৰ অনীয়া দুৱাৰেদি, তাৰ হাতত আঠ অনা পইচা দি সোমাই

যায়, তেনেহ'লে সি বেয়া নাপায়। বৰঞ্চ সিহঁতক নিমন্ত্ৰণ কৰে; টিকট কটাৰ আগতে কোনোবা চিনাকি মানুহৰ চকুৰে-চকুৰে পৰিলে সি চকুৰে এটা ইংগিত দিয়ে। এনেকৈ পোৱা উপৰুৰা পইচা-কেইটাও সি ঘৰৰ কাৰণে চাউল-দাইলত খৰচ কৰে। পইচা ক'ৰপৰা আহিছে, সংসাৰ কেনেকৈ চলিছে, সেইবোৰ কথা ঘৰৰ কাৰো লগত সি আলোচনা নকৰে। মদনে এনেয়েও কম কথা কয়। কিন্তু যেতিয়া সি গম পায় যে ভায়েক কেইটাই বজাৰ কৰিবলৈ গৈ চাৰি অনাৰ বস্তুৰ দাম ছ অনা বুলি হিচাপ কৰিব নজনা মাকক ফাঁকি দিয়ে; খোৱা পাতত বহি সামান্য কথাতে মাকৰ ওপৰত দম্ভালি মাৰে, তেতিয়া মদনৰ অসহ্য হয়। ভাতৰ পাতৰ পৰা লাহেকৈ মূৰ তুলি সি অলপ পৰ চাই থাকে, তাৰ পাছত তীব্ৰ কণ্ঠেৰে ডবিয়াই উঠে, "চুপ থাক, বহি-বহি খাবলৈ পাইছ, ইমান ডাঙৰ কথা কিহৰ ?"

ককায়েকৰ মুখলৈ জ্বলন্ত দৃষ্টিৰে এক মুহূৰ্ত চাই থাকি ভায়েকে মুখলৈ তুলি লোৱা ভাত গৰাহ কাঁহীত ওভোতাই থৈ বহাৰপৰা উঠি গুচি যায়। ওচৰতে বৈ থকা মাকে হাঁ হাঁ কৰি উঠে।

মদনৰ বাপেক বৰ খঙাল মানুহ। মানুহে কয়, স্বাস্থ্যই টানিব নোৱৰা হৈছিল যদিও ঘৰে-ঘৰে খবৰ-কাগজ বিলোৱা তেওঁৰ চাকৰিটো আৰু কিছুদিন থাকিলহেঁতেন; কিন্তু মাহেকৰ মূৰত কাগজৰ দাম ঠিকমতে দিব নোৱৰা মানুহক তেওঁ কৰা ব্যৱহাৰেই অকালতে চাকৰিটো যোৱাৰ মূল হ'ল। সেই বাপেকে কিছু সময় ভাতৰ পাতত স্তব্ধ হৈ বহি থাকি, মদনক সোধে, "সিহঁতক কি ঘিউ-মৌ খুৱাইছ অ' তই ? কিমান উপাৰ্জন কৰিছ ? ইমান দিন কোনে খুৱাইছিল ?"

এয়েই আৰম্ভ। সৰু ভায়েকটোৱে মাত্ৰ ইটো-সিটোৰ মুখলৈ চাই ভাত চোবাই থাকে, আৰু কাৰো খোৱা নহয়। মাকৰ ভাত চৰুতে থাকে। মাকে মদনৰ পক্ষ লয়। লাহে-লাহে মাক-বাপেকৰ বাহিৰে বাকী সকলোৰে মুখ বন্ধ হৈ যায়। যিটো ভায়েকৰপৰা কাজিয়াখন আৰম্ভ হৈছিল, সি পিছফালে বহি শুদা পানীৰে ৰুমাল ধোৱাত লাগেগৈ। মাক-বাপেকৰ মাত ক্ৰমান্বয়ে ডাঙৰ হৈ গৈ থাকে। মদনৰ মাকৰ মাক-বাপেকৰ স্বভাৱ

কেনেকুৱা আছিল তাৰ পৰা আৰম্ভ কৰি, মদনৰ বাপেকে যে মাজতে কেইদিনমান কানি খাবলৈ লৈছিল, সেই সকলো কথাৰ উদ্ধাৰ হয়। দুয়োৰে তীব্ৰ মাতত গোটেই চুবুৰিটোৰ মানুহৰ কাণ ৰসেৰে ভৰপূৰ হৈ যায়। পদূলিমুখত ল'ৰা-ছোৱালীয়ে জুম বান্ধে। তাৰ ভিতৰতে কাৰোবাৰ গাত বঙা চোলা দেখিলে মদনহঁতৰ কুকুৰটোৱে ভুকে। তাৰ লগতে ইঘৰ-সিঘৰৰ কুকুৰেও যোগ দিয়ে। লাহে-লাহে মানুহ আৰু কুকুৰৰ মাত একাকাৰ হৈ পৰে। ফাষ্ট' শ্ব' ছিনেমা পোৱাকৈ মদন আবেলি যেতিয়া ওলাই যায়, তেতিয়াও মাকে পিবালীত বহি গছ-লতা, আকাশৰ চৰাই-চিৰিকতিক সম্বোধি ভোৰভোৰ কৈ বকি থাকে। কিনো লাগিছিল তাৰ ভু লবলৈ ওচৰ-চুবুৰীয়া সাধাৰণতে পাছদিনাহে আহে।

মদনৰ বৰ বিৰক্তি লাগে। ছিনেমা শেষ হোৱাৰ পাছত তাৰ তাতে, তৃতীয় শ্ৰেণীৰ বেঞ্চ এখনতে শুই থাকিবলৈ মন যায়। কিন্তু গোটেই অঞ্চলটো নিৰ্জন হৈ পৰাৰ পাছত, ধপধপকৈ চলি থকা ইলেকট্ৰিক মেছিনটো বন্ধ হৈ যোৱাৰ আগতে, পাণ-দোকানৰ আগত অপৰাধীৰ নিচিনাকৈ থিয় হৈ বাপেকে যেতিয়া ভয়ে-ভয়ে, কৰুণ দৃষ্টিৰে তালৈ চায়, তেতিয়া তাৰ মনটো কিবা লাগি যায়। মদনে বুজে সি চাকৰী নকৰি বা ঘৰলৈ উভতি নগৈ ক'ৰবালৈ গুচি যায় বুলি বাপেকে খবৰ লবলৈ আহিছে। একেখন ৰিক্সাতে উঠি বাপেক-পুতেক ঘৰলৈ গুচি আহে। গোটেই বাটটোত কোনেও এষাৰো কথা নকয়।

মাজনিশা মদন ৰিক্সাত উঠি ঘৰলৈ ওভোতাৰ অলপ আগতে বা অলপ পাছতে নিস্তব্ধ চুবুৰিটোত এটা শব্দ শুনা যায়—"খুৰী, অ খুৰী, খুৰী—"

মাধৱ ঘৰলৈ উভতিছে। ইমান ৰাতিলৈ সি সদায় ক'ত থাকে, তাৰ কোনো ঠিকনা নাই। এই অভ্যাসটো প্ৰথমে যেতিয়া সি আৰম্ভ কৰে, তেতিয়াই খুৰীয়েকে সুধি চাইছিল, সোনকালে ঘৰলৈ আহিবলৈ কৈ চাইছিল। একো লাভ নহ'ল। "তোক নো কিয় মই ক'ত থাকোঁ? তোক নো কোনে ভাতখিনি ৰাখি থাকিবলৈ কৈছে? ঢাকি শুই থাকিব নোৱাৰ?" —ইত্যাদি কথাৰে মাধৱে খুৰীয়েকৰ মাত বন্ধ কৰাৰ চেষ্টা

কৰিছিল। বৰ বেছি অতিষ্ঠ হৈ খুৰীয়েকে টানকৈ কিবা এষাৰ কলে সি উচাট মাৰি ওলাই যায়; আগফালে এন্ধাৰত বহি লৈ বাঁহী বজায়। বাঁহী বজোৱাটো মাধৱৰ খং উঠাৰ চিন, যেন সংসাৰৰ সকলো বাধ্য-বাধকতা, তুচ্ছ-বন্ধন, অশান্তিক বাঁহীৰ ফুটাৰে ফুৰাই উৰুৱাই দিয়াৰ চেষ্টা! সেই বাঁহীৰ মাত চুবুৰিৰ ইমুৰৰপৰা সিমুৰলৈকে বিয়পি যায়।

কিন্তু যিদিনা মাধৱে কলে "মা জীয়াই থকা হ'লে আজি মই ইমান কেটকেটনি শুনিব নালাগিলহেঁতেন'', সেইদিনা খুৰীয়েকৰ মনটো মৰি গ'ল। সেইদিনাৰপৰা তেওঁ আৰু এষাৰ কথাও কোৱা নাই। মাধৱৰ ভাত ঢাকি থৈ, ল'ৰা-ছোৱালীমখাৰ কাষতে তেওঁ শুই পৰে। দিনটোৰ পৰিশ্ৰমৰ প্ৰশ্ৰয় পাই টোপনি যেন মুৰ-শিতানতে ৰৈ থাকেহি। অলপ সময়ৰ ভিতৰতে তেওঁৰ সাৰ-সুৰ নোহোৱা হয়। মাজনিশা মাধৱে দুৱাৰখন লাহেকৈ ঠেলি-ঠেলি মাতে,—"খুৰী, অ খুৰী, খুৰী—।'' খুৰীয়েকে দুৱাৰ খুলি দিয়ে।

তাৰ পাছত ঘৰটোৰপৰা এটা মানুহে ভাত খোৱা কাঁহী-বাটিৰ খুটুং-খাটাং শব্দ ওলায়, সেয়ে শেষ। ইয়াৰ পাছত চুবুৰিটোত আৰু হাই-উৰুমি নাই বুলিলেই হয়। কেতিয়াবা কোনোবা এটা ঘৰৰপৰা মাকৰ বুকুৰ কেঁচুৱাই কন্দা শব্দ আহে; হঠাতে ইকৰাৰ বেৰৰ মাজেদি পোহৰ সৰকি আহে; বোধহয় কোনোবাই দিয়াচলাই কাঠী মাৰি চাকিটো জ্বলায় নাইবা লেমটো বঢ়াই দিয়ে। কেঁচুৱাৰ মাক-বাপেকে গুণগুণকৈ কথা পতাৰ শব্দটোও বহুত দুৰৰপৰা শুনি। তাৰ পাছত কেৰকেৰকৈ বাঁহৰ দুৱাৰখন মেল খোৱাৰপৰা বুজিব পাৰি,—কোনোবা বাহিৰলৈ ওলাই গ'ল, দ্বিতীয় বাৰৰ শব্দৰপৰা গম পায়,—তেওঁ উভতি আহি দুৱাৰ মাৰিলে।

বিহু-পূজা-ঈদৰ সময়ত উমাকান্ত দৰ্জিৰ ঘৰৰপৰা বহুত ৰাতিলৈকে চিলাই কলৰ শব্দ আহে। উমাকান্তই মাবোৱাৰীৰ বাৰান্দাত চিলাই কাম কৰে। এই সময়ত কামৰ বৰ ভিৰ। গধুলি ৰিক্সাত কলটো ঘৰলৈ লৈ আহি কেতিয়াবা সি গোটেই নিশা কল চলায়; পাকৈত ঘৈণীয়েকে ওচৰতে বহি বুতামৰ ফুটাৰ কিনাৰবোৰ চিলাই কৰে আৰু মাজে-মাজে চাহ বহায়।

বহু দূৰৰ বাট যাবলগীয়া বাটৰুৱাই কোনোবা আঁহত গছৰ তলত বহি লোৱা জিৰণিৰ নিচিনা চুবুৰিটোৰ এইকণ জিৰণি। তামোলগছৰ পাতৰ মাজৰপৰা কাউৰীয়ে চিঞৰাৰ আগৰেপৰা কেইবাঘৰতো কেইবাজনো বুঢ়াই বিছনাৰ পৰাই কাহি থাকে। বহুত ধৰণৰ চৰাইৰ চিঁ-চিঁ শব্দৰ লগত কেইবাজনীও জীয়ৰী-বোৱাৰীৰ বাঢ়নীৰ শব্দ মিলি যায়। ৰ'দ ওলালে চকু-মুখ মোহাৰি মোহাৰি ল'ৰা-ছোৱালীবোৰ দুৱাৰ মুখত বহেহি। সিহঁতে ৰ'দ লয়। প্ৰথমতে নিজৰ নিজৰ দুৱাৰ মুখৰপৰাই সিহঁতে কথা পাতে ; লাহে-লাহে এটা-দুটাকৈ উঠি আহি এঠাইত গোট খায় ; কোনে কেতিয়া মাটিত ঘৰ-ঘৰকৈ দাগ দি শেষ কৰে তাৰ গমেই ধৰিব নোৱাৰি, কেৱল অলপ পাছত খেল আৰম্ভ হৈ যায়। সিহঁতৰ পানী এটোপা নপৰা পেটৰপৰা ডাঙৰ-ডাঙৰ মাত ওলায়—"নেখেলোঁ যা ভাই, ইমান বেইমানী কৰে !—"

হঠাতে সিহঁতক খেল বন্ধ কৰি যেয়ে যি ফালে পাবে লৰ মৰা দেখা যায়—যেতিয়া ৰাস্তাত এইফালে আহি থকা প্ৰাণনাথ বুঢ়াক সিহঁতৰ মাজৰে কোনাবা এটাই দেখা পায়। ল'ৰা-ছোৱালীৰ কাৰণে প্ৰাণনাথ বুঢ়া সাক্ষাৎ বাঘ। "ৰাতি পুৱাই যে খেলাত লাগিলিহি, তহঁতৰ পঢ়া-শুনা নাই ?" —বুলি বুঢ়াই যিটো গৰ্জন তোলে, সেইটো সহ্য কৰিব পৰাৰ সমান কলিজা সিহঁতৰ কাৰো হোৱাই নাই।

ল'ৰা-ছোৱালীহঁতৰ পঢ়া-শুনা নথকা নহয়, আছে। ৰেলখনৰ শব্দটো সময়ৰ জোখ। ৰেলখন যোৱাৰ পাছতে চিলঠ, বহী, কিতাপ, দোৱাত ইত্যাদি নানাপ্ৰকাৰৰ সামগ্ৰী লৈ এজাক স্কুললৈ বুলি ওলাই যায়, চুবুৰিৰ জীৱটো ধৰি ৰাখিবলৈ এজাক ঘৰতে থাকি যায়। যিবিলাক যায়, সিহঁতে ক'ত পঢ়ে, কি পঢ়ে সেইবোৰ বহুত কথা। কিছুমান মুখ-চকু শুকুৱাই ঠিক সময়মতে ঘৰলৈ উভতি আহে, কিছুমানৰ শিলিখা-আমলখি তলেদি ঘূৰি আহোঁতে পলম হয়। হঠাতে পেট আৰু মূৰৰ বিষৰ দ্বাৰা আক্ৰান্ত হৈ কিছুমান দুপৰীয়াই ওভতে। যাওঁতে অৱশ্যে সকলো দল পাতি-পাতি যায়—ঠিক ৰেলখন যোৱাৰ পাছত।

ৰেলখন যোৱাৰ আগতে বাটৰ কাষৰ, চিচু গছজোপাৰ গুৰিত

নৰেশ্বৰ বহেহি। এদিন-দুদিন নহয়, নৰেশ্বৰক প্ৰায় সদায় ইয়াত বহি থকা দেখা যায়। কিছুদিনৰ আগতে এইখিনিতে শম্ভুৰে এখন বিড়ি-দিয়াচলাই-লজেন-বিস্কুটৰ দোকান দিছিল। দোকান নচলিল ; উঠি গ'ল। শম্ভুৰ দোকানত দুপইচাৰ বিড়ি পাঁচটা, দুখোজ আগুৱাই চহৰৰ ভিতৰলৈ গলেই ডাঙৰ দোকানত ছটা। এইকণ খোজ কাঢ়িবলৈ ভাৰ সকলোৰে আছে, গতিকেই দোকান নচলিল। আৰু লজেন-বিস্কুট? সেইবোৰে ল'ৰা-ছোৱালীহঁতৰ চকুক যন্ত্ৰণা দিয়ে, সিহঁতৰ মুখবিলাকে লপলপ কৰে, কিন্তু বস্তুবোৰ সিহঁতৰ পেটৰ কাৰণে নিতান্ত অশোভনীয়। যিখন মেজত শম্ভুয়ে বস্তু-বাহানি সজাইছিল, সেইখন সি লৈ গ'ল। বহিবৰ কাৰণে সি বাঁহেৰে যিখন বেঞ্চ সাজি লৈছিল, সেইখন থাকি গ'ল। তাতে নৰেশ্বৰ বহেহি। নৰেশ্বৰৰ ভৰিৰ আঙুলিৰ ফাকে-ফাকে কিবা আছে ; প্ৰথমে সি বাৰিষাৰ পানীয়ে-দুনীয়ে জপং-জপংকৈ ফুৰাৰ কাৰণে পানীয়ে খাইছে বুলি ভাবিছিল, পাছলৈ দেখিলে বাৰিষা-খবৰ খবৰ নাই, খজুতিটো আছেই। কেৰাছিন তেল লগাই চালে, চুণ ঘঁহি চালে, ক'লা কচুৰ এঠা লগাই চালে ; দুদিন-এদিন থাকি-থাকি খজুতিটো আকৌ উঠে। এই বেঞ্চখনত বহি লৈ নৰেশ্বৰে একান্ত মনেৰে ভৰিৰ আঙুলিৰ মাজবোৰ চিকুটি থাকে, চেপি-চেপি কেতিয়াবা ফোঁহাবিলাকৰপৰা একোটোপাল পানী উলিয়াই পায়জামাটোত মচি থৈ দিয়ে। বৰকৈ চেপি দিয়াৰ কাৰণে চেকচেকনি উঠিলে সি হাতেৰে লবালবিকৈ মোহাৰে আৰু মুখখন বিকটাই স্কুললৈ যোৱা ল'ৰা-ছোৱালীবোৰৰ মুখলৈ চায়, ৰাস্তাটোয়েদি দূৰলৈ চাই পঠিয়ায়, যেন তাৰ ওপৰত এই খজুতি আৰু চেকচেকনি জাপি দিয়া প্ৰাণীটো আৱিষ্কাৰ কৰাৰ চেষ্টা কৰে। দেখা পায় মাধৱক।

মাধৱে ট্ৰাংক ফেক্টৰীত ৰং দিয়া কাম কৰে। চাই থাকোঁতেই সি টিনৰ চুটকেচৰ ওপৰত ধুনীয়া-ধুনীয়া ৰং-বিৰঙৰ ফুল আঁকি পেলাব পাৰে। বেলখনেই তাৰো কামলৈ যোৱাৰ সময়ৰ হিচাপ। গছজোপাৰ তলত সি নৰেশ্বৰক কয়, "এনেয়ে বহিহে আছ, আমাৰ দোকানৰ ফালৰপৰা এপাক ফুৰি আহিবি আহ।"

নৰেশ্বৰ নাযায়। এইখিনি সময়ত তাৰ ক'লৈকো যোৱাৰ ইচ্ছা নাই।

মাধৱ কামলৈ ওলাই যোৱাৰ পাছত ৰাস্তাটো অকণমান সময়ৰ কাৰণে নিৰ্জন হৈ পৰে। তাৰ পাছত হঠাতে ৰাস্তাটো চঞ্চল হৈ উঠে। এইখিনি সময়ত ৰাস্তাটোক এই চুবুৰিৰ ৰাস্তা যেন নালাগে। স্থিৰ, বন্ধ বতাহত যেন এটা উত্তেজনা আৰু উষ্ণতা বিয়পি পৰে।

ৰমলা স্কুললৈ বুলি ওলাই আহে।

ৰমলা এজনী ছোৱালী যোনে একমুহূৰ্তৰ কাৰণে হ'লেও নিজৰ চেহেৰাৰে চুবুৰিটোৰ চেহেৰা ঢাকি পেলাব পাৰে। তাইৰ চেহেৰাই এই চুবুৰিটোৰ ভিতৰতে আবদ্ধ নাথাকি শ শ চুবুৰিৰ উজ্জ্বল ৰাস্তাত সদম্ভে ঘূৰি ফুৰিব খোজে। ৰমলা স্কুললৈ যায়, কিন্তু তাইৰ চেহেৰাই স্কুল-কলেজৰ সীমা পাৰ হৈ এনেকুৱা ঠাইত উপস্থিত হ'ব খোজে, য'ত অলেখ তৃষ্ণাতুৰ চকু আৰু অদম্য আলোড়নৰ বাহিৰে একো নাই। কিতাপ-বহী ঠিক কৰা, গা ধোৱা, ভাত খোৱা, চুলি বন্ধা এইখিনি কাম কৰি স্কুললৈ বুলি পদুলিমুখত থিয় হওঁতেই তাইৰ মুখত তেজ বিৰিঙি উঠিব খোজে; খোজ কাঢ়ি-কাঢ়ি স্কুল পাওঁতে তাইৰ মুখখন কেনেকুৱা হয় তাক কেৱল ছোৱালীবোৰেহে দেখে। দেওবাৰে বিলত হাঁহ মাৰিবলৈ যোৱা ডেকা ল'ৰাকেইটাই যিটো পদুলিত ছাইকেলৰ গতি কমায়, সেইটো ৰমলাহঁতৰ পদুলি।

ৰমলাৰ দহ বছৰমান বয়সত ওচৰ-চুবুৰীয়াই কৈছিল, "এইজনী এজনী হ'ব।" কিন্তু তেওঁলোকৰ ভৱিষ্যত-বাণী ইমান আখৰে-আখৰে, ইমান নিৰ্মমভাৱে ফলিয়াব বুলি জনা হ'লে এনেকুৱা ৰসিকতা তেওঁলোকে নকৰিলেহেঁতেন। এতিয়া জীয়াৰী-বোৱাৰী-বুঢ়ীহঁতে—ৰমলাক কেতিয়া কোন ডেকা ল'ৰাৰ লগত হলি-গলি কৰা দেখিছিল, তাকে আবিষ্কাৰ কৰি-কৰি বাচি আছে, মন শীতল কৰি ৰাখিছে। ৰমলাৰ জন্ম ৰহস্যটোও তেওঁলোকৰ কাৰণে শান্তিদায়ক।

মাক-বাপেকে এমহীয়া কেঁচুৱা ৰমলাক লৈ হেনো মটৰত উঠি ক'ৰবালৈ গৈছিল। আধা বাটতে এটাইমখা যাত্ৰীৰে বাছখন খাল এটাত সোমাল। মাক-বাপেক তেতিয়াই তাতে ঢুকাল। কেঁচুৱা ৰমলাই কান্দি

আছিল, তাইক দাঙী ধৰিবলৈ কোনো গৰাকী নাছিল। বাছখনৰ মহাজন অৰবিন্দ দাসে নিজৰ ঘৰত তাইক নি ৰাখিছিল। বহুত দিনৰ মুৰত এই মোমায়েক অনন্তই তাইক লৈ আহিল। তেতিয়াৰপৰা অনন্তৰ ঘৰত, এই চুবুৰিতে তাই ডাঙৰ হৈছে; আজিকালি চুবুৰিৰ বুঢ়ীহঁতে কয়, "থ থ, সেইবোৰ জোৰা-তাপলি দিয়া কথা আমাৰ আগত নকবি।" তেওঁলোকৰ মতে আচল কথা কৰ বাত।

ৰমলাই হাতত সৰু ছাতি এটা লৈ ওলায়। এই বয়সৰ ছোৱালীক বাটত ওলাবলৈ হ'লে লগত বা হাতত কিবা এটা লাগে। সমনীয়া নহ'লেও অন্ততঃ অকণমান ছোৱালী এজনী হ'লেও হয়। কোনোৱা দুৰ্বৃত্তই যদি বাটত ছোৱালীজনীক কিবা কয়, অকণমানজনীয়ে একো সহায় কৰিব নোৱাৰিব, দুৰ্বৃত্তৰ ফালে ভয়ে-ভয়ে চাই সুধিব, "কি কৈছে বাইদেউ?" "জানো, নাচাবি, গুচি আহ।"—বুলি বাইদেৱেকে হয়তো বেগ দিব। তথাপি অকণমান ছোৱালী এজনী লগত থাকিলে ভাল। যদি তায়ো নাথাকে, তেনেহলে অন্ততঃ ছাতি এটা।

ৰমল্যৰ লগত অকনমান ছোৱালী এজনী আছিল। কিছুদিন স্কুলৰ বাহিৰেও ইফালে-সিফালে লগত লৈ গৈ তাইৰ লগত এটা বুজা-পৰা কৰি লৈছিল। "তই এইখিনিতে অকণমান ৰবি, মই এতিয়াই আহিম" বুলি তাইক এঠাইত থিয় কৰি থৈ ৰমলা দোকান এখনৰ পিছফালে সোমাই গলেও তাই আমনি নকৰিছিল। কিন্তু এদিন তাইক লৈ ফুৰিবলৈ গৈ উভতি আহোঁতে ৰমলাৰ পলম হ'ল। পলম হ'ল মানে সাঁজ লাগিল, ভাগিল, ৰাতি খোৱাবোৱাৰ সময় হ'ল। ছোৱালীজনীয়ে বোলে এবাৰ ভয়তে কান্দি পেলাইছিল। ৰাতি মাক-বাপেকে তাইক ডাবিয়াওঁতে তাই আকৌ কান্দিলে। তাৰ পাছলৈ বহুত দিন চুবুৰিটোত বু-বু বা-বা লাগিছিল। বহুত নাক কোঁচ খোৱা, মুখৰোচক তথ্যৰ উম্ঘাটন হৈছিল। বাপেকে ছোৱালীজনীক ডাবিয়াইছিল, "খবৰদাৰ আজিৰপৰা যেন তাইৰ লগত নাযাৱ।"

ৰমলাই বুজিছিল, ছোৱালীজনীৰ ওপৰত তাই বেছি ভাৰসা কৰিছিল।

তাৰ পাছত ৰমলাৰ লগত কোনো নাথাকিল; হাতত ছাতিটো থাকিল। পদ্‌্লিমূখত একমূহূৰ্ত্তে বৈ তাই ছাতিটো মেলি লয়; যেন অকল ৰ'দৰপৰাই নহয়, আকাশৰ দেৱতা গন্ধৰ্ব সকলোৰেপৰা নিজকে আঁৰ কৰি লয়। কেৱল বাঁহৰ বেঞ্চত বহি থকা নৰেশ্বৰে এতিয়া তাইৰ মূখখন ভালকৈ দেখে। আঙ্‌্লিৰ মাজবোৰ চিকুটিবলৈ বুলি তুলি লোৱা ভৰিখন নমাই সি পোন হৈ বহে।

ৰমলাৰ প্ৰত্যেক খোজত তাইৰ দেহৰ প্ৰতি অংগই যেন বিদ্ৰোহ ঘোষণা কৰে। ছিন্‌কৰ শাৰীখনে মূহূৰ্ত্তে মূহূৰ্ত্তে তাইৰ উচ্ছল যৌৱনক ঢাকি ৰাখিব নোৱাৰোঁ বুলি অসামৰ্থ্য প্ৰকাশ কৰিব খোজে। শাৰীখনৰ ভমকাভমক ফুলবোৰে তাইৰ গাটোৰ ওপৰত নিজ-নিজ ঠাই বাছি লবলৈ যেন লৰাঢপৰা কৰি থাকে। বুকুখনৰ ওপৰত এজাক ফুলে জুম পাতে।

নৰেশ্বৰৰ ওচৰ পোৱাৰ কিছু আগৰেপৰা ৰমলাই মিচিকিয়াই হাঁহে। ওচৰ পাই তাই লাহেকৈ সোধে "কি কৰিছা?" সোঁ-ভৰিৰ আঙ্‌্লিৰ মাজৰ খজুৱতিটো মৰা নাছিল; বাঁও-ভৰিৰ আঙ্‌্লিৰে সোঁ-ভৰিৰ আঙ্‌্লিকেইটা হেঁচা মাৰি ধৰি নৰেশ্বৰে কয়, "এনেয়ে বহি আছোঁ, একো কৰা নাই।"

আচলতে নৰেশ্বৰে একো কৰা নাই। মানে—আজিকালি একো কৰা নাই। কিন্তু আজিলৈকে সি কি কৰা নাই, সেইটোহে ডাঙৰ কথা। একেবাৰে সৰু কালতে সি এটা ডাঙৰ কাম কৰিলে,—স্কুললৈ যাবলৈ এৰি দিলে। একে লগৰ ল'ৰা মদন আৰু মাধৱৰ লগত সিও চিলঠ-পেনছিল লৈ কেইদিনমান অহা-যোৱা কৰিছিল, পাছলৈ ভাল নলগা হ'ল। সি ককায়েকহঁতৰ সংসাৰত থাকে; স্কুললৈ যোৱা-নোযোৱা সম্পৰ্কে তেওঁলোকৰপৰাও বৰ হকা-বধা নাপালে;—গতিকে এৰি দিলে।

সেই বয়সতেই সি চিলাই কাম শিকিবলৈ চাবেদালী দৰ্জিৰ লগ লাগিল। বন্দবস্ত আছিল—কাম শিকা, ইখন-সিখন কৰিব পৰা হ'লে মাহে-মাহে যি পাৰে চাবেদালীয়ে দিব। বহুত দিনৰ পাছত খবৰ ওলাল, চাবেদালীয়ে নৰেশ্বৰক চিলাই কাম শিকোৱাৰ সলনি বজাৰ কৰা, কাপোৰ ধোৱা, আনকি কাঁহী-বাটি ধোৱা কামত পৰ্যন্ত লগায়। এই খবৰে

কৰ্কায়েকহঁতৰ সম্মানত বিন্ধিলে। নৰেশ্বৰৰ চিলাই কাম শিকা নহ'ল।

তাৰ পাছত নৰেশ্বৰে দিনটো টলৌ-টলৌকৈ অ'ত-ত'ত ঘূৰি ফুৰে আৰু মদন-মাধৱহঁত স্কুলৰপৰা উভতি অহালৈ অধীৰ আগ্রহেৰে বাট চাই থাকে। সিহঁত আহিলেই ৰাস্তাৰ ওপৰতে টেঙা বল খেলা আৰম্ভ হয়। গছৰ ডাল আৰু একো চপৰা ইটাৰে গল-পষ্ট সজা হয়। কোনোবাই গাৰ চোলাগেঞ্জি খুলিও তাতে থৈ দিয়ে। নৰেশ্বৰে কোনো দিনেই গ'লকিপাৰৰ বাহিৰে আন ঠাইত খেলা নাই। গোটেই খেলাখনৰ ভিতৰত দুবাৰ-তিনিবাৰমান সি হাতেৰে টেঙাটো চুবলৈ পায়। অথচ বহুত কষ্ট কৰি টেঙাটো সিয়েই যোগাৰ কৰি ৰাখে। প্রথমতে প্ৰাণনাথ বুঢ়াৰ সৰু ল'ৰাটোক ফুচুলাই সি বাৰীৰ ববাব টেঙা দুটামান সৰকাইছিল; কিন্তু যিদিনা বুঢ়াই গম পালে, সেইদিনা হুলস্থুল কাণ্ড হৈছিল। দুদিনমান খেলা বন্ধ আছিল। তাব পাছত আন ঠাইৰ পৰা টেঙা যোগাৰ কবা হ'ল। তথাপিও এদিন খেলাৰ মাজতে সকলোৰে ভৰি হঠাতে অচল হৈ গৈছিল। প্ৰাণনাথ বুঢ়া এখোজ দুখোজকৈ আহি দুই গ'ল-প'ষ্টৰ মাজত, চেণ্টাৰত থিয় হ'ল। সকলো খেলুৱৈ নিশ্চল হৈ পৰাব পাছত টেঙাটো নিজে-নিজে বাগৰি আহি এঠাইত ৰৈ গ'ল। টেঙাটো বুঢ়াই ওচৰ চাপি হাতেৰে তুলি ললে; তাৰ পাছত সুধিলে, "টেঙা ক'ত পালি?"

সকলোৱে নৰেশ্বৰৰ মুখলৈ চালে।

নৰেশ্বৰে কলে, "ৰেলৰ আলিৰ সিপাৰৰ ৰমজান মিঞাৰ বাৰীৰপৰা আনিছোঁ।" ৰমজান মিঞাৰ বাৰী ইয়াৰপৰা দেড় মাইলমান দূৰত। কিন্তু কথাটো সঁচা। প্ৰাণনাথ বুঢ়ায়ো হাতত লৈয়েই বুজিছে, এইটো তেওঁৰ বাৰীৰ টেঙা নহয়; এইটো অলপ দীঘলীয়া, তেওঁৰ বাৰীৰ টেঙা গোল। কিন্তু ল'ৰাখনৰ মাজত সোমাই একো নোকোবাকৈ গুচি আহিবলৈ তেওঁৰ ভাল নালাগিল; তেওঁ কলে, "যাৰেই বাৰীৰ নহওক, ৰমজানৰ টেঙা হ'বলা টেঙা নহয়? হেৰৌ ডাঙৰ হ'লেতো তহঁতেই খাবি।" মাটিত টেঙাটো পেলাই দি বুঢ়া উভতিল, কিন্তু মনটো তেওঁৰ শান্ত নহ'ল, ল'ৰাজাকৰ লগত হাৰিল-হাৰিল লাগিল। হঠাতে উভতি

গৈ তেওঁ ওচৰতে পোৱা নৰেশ্বৰক সুধিলে, "খেলাৰ বাহিৰে তহঁতৰ আন কাম নাই ? স্কুললৈ যাব ?"—ইত্যাদি।

বুঢ়াৰ কথামতে আকৌ স্কুললৈ অহা-যোৱা কৰা হ'লেই ভাল আছিল—আজিকালি কেতিয়াবা নৰেশ্বৰে ভাবে। বহুত দিন এনেয়ে থকাৰ পাছত সি লক্ষ্মণ সিঙৰ ছাইকেলৰ দোকানত মেৰামতিৰ কামত সোমাল। পাছলৈ চাহৰ বাহিৰেও দিনে নগদ দুঅনা পইচা সি পাইছিল। কিন্তু কোনে ছাইকেলৰ পাৰ্ট চুৰ কৰিলে ঠিক নাই, লক্ষ্মণ সিঙে নৰেশ্বৰক কামৰপৰা খেদি দিলে। তাৰ পাছত কোনো ছাইকেলৰ দোকানত সি আৰু কাম নাপালে। কিছু কাম সি শিকিছিল, লাহে-লাহে পাহৰি গ'ল।

মদন আৰু মাধৱে তেতিয়া হাইস্কুললৈ অহা-যোৱা কৰিছে। নৰেশ্বৰৰ সময় নাযায়-নুপুৱায়। সিহঁতে আগতে টেঙাবল খেলোঁতে যিবিলাক সৰু-সৰু ল'ৰাই ওচৰত থিয় হৈ চাই থাকে আৰু খালত বল পৰিলে তুলি আনি দিয়ে, সেইবোৰ ল'ৰাৰ লগত নৰেশ্বৰে খেলাধুলা কৰাত লাগিল। এই সময়তে তাৰ ককায়েকৰ চিনাকি এক মহাজনে চৰকাৰৰপৰা এখন বিল ডাকি ললে। নৰেশ্বৰে এটা চাকৰি পালে :—বিলৰ পাৰে-পাৰে চাই ফুৰিব লাগে, কোনোবাই চুৰকৈ মাছ ধৰিলে মহাজনক খবৰ দিবহি লাগে।

মহাজনৰ বিল প্ৰায় দহ বছৰ আছিল ; নৰেশ্বৰৰ চাকৰিও সিমান দিন থাকিল। দহবছৰৰ মূৰত সি যেতিয়া চুবুৰিত থিয় হলহি, মদন-মাধৱহঁতে তেতিয়া পঢ়া-শুনা সাং কৰি চাকৰিত ধৰিছে। মদন ওখ-পাখ,. পালোৱানটো হোৱাদি হ'ল ; মাধৱ আগতকৈ বহুত বগা হ'ল ; সি অলপ দীঘলকৈ চুলি ৰাখিছে, দেখিবলৈ বৰ ধুনীয়াটো হৈ পৰিছে। মাধৱ সৰুতেও ধুনীয়া আছিল। নৰেশ্বৰ বৰ ওখ হোৱা নাছিল, শকতো হোৱা নাছিল, বিলৰ পাৰে-পাৰে ঘূৰোঁতে-ঘূৰোঁতে বহুত ক'লা পৰিছিল।

মদনৰ সৰু ভায়েকহঁতে হুচৰি গাই পোৱা পইচাৰে এটা ভোজ পাতিছিল ;—নৰেশ্বৰে আহিয়েই ভোজটো পালেহি। টৌ-বাতিৰপৰা আৰম্ভ কৰি খৰিলৈকে সকলো সিয়েই যোগাৰ কৰি দিলে। তাৰ পাছত,

ল'ৰাবিলাক স্কুলৰপৰা আহিলে যিখিনি সময় পোৱা যায়, নৰেশ্বৰে সেইখিনি সময় সিহঁতৰ লগতেই ধেমালি-ধ্ৰুমলা কৰি কটাই দিয়ে। এবাৰ মাজতে কনক মিস্ত্ৰিৰ লগত যোগালি হৈ যোৱাৰ চেষ্টা কৰি চালে, কিন্তু কনকৰ মুখখন বৰ চোকা, পইচাপাতি দিয়াৰ নামকে নকৰে। বিৰক্ত হৈ নৰেশ্বৰ আঁতৰি গুচি আহিল।

তাৰ পাছত চুবুৰিৰ ৰাস্তা আৰু শম্ভুয়ে সাজি থৈ যোৱা এই বাঁহৰ বেওখন। বেওত বহি থাকোঁতেই কেতিয়াবা এজনী বোৱাৰীয়ে পদুলিত থিয় হৈ নৰেশ্বৰক মাতে, "চাওঁ, অকণমান এইফালে আহচোন।"

নৰেশ্বৰ গলে বোৱাৰীয়ে কয়, "তেখেতৰ আজি বৰ লৰালৰি হ'ল, গুচি গ'ল ; ঘৰখনত এচলা খৰিও নাই, সেই কাঠডালৰপৰা দুচলা খৰি এৰুৱাই দিব পাৰিবি নে ?"

নৰেশ্বৰ আধাফলা কাঠডালৰ ওচৰ চাপি যায়, কাঠৰ গাতে আউজাই থোৱা কুঠাৰখন তুলি লয়। বোৱাৰীয়ে "হ'ব হ'ব" বুলিকৈ থকা সত্ত্বেও এসময়ত কাঠডাল শেষ হয়।

পাঠশালা স্কুলত পঢ়া বিমলাই এদিন স্কুললৈ যাওঁতে নৰেশ্বৰক কৈ যায়, "তোক যাদৱ ককাইদেৱে নবৌৱে দুপৰীয়া পৰত মাতিছে।" চুবুৰিৰ প্ৰায় সকলোৱে নৰেশ্বৰক তই তই বুলি মাতে।

যাদৱে বিয়া কৰোৱা আঠ-ন মাহমান হৈছে। যাদৱো নৰেশ্বৰৰ প্ৰায় সমনীয়াই ; সৰুৰেপৰা যাদৱে ভালকৈ পঢ়ি-শুনি এতিয়া ভাল চাকৰি কৰিছে, নৰেশ্বৰহঁতৰ লগত কৰবাত অমিল এটা থাকি গ'ল। ন-বোৱাৰীয়ে এতিয়াও আগফালে বৰকৈ ওলোৱা-সোমোৱা নকৰে। দুপৰীয়া নৰেশ্বৰ যোৱাৰ পাছত যাদৱৰ ঘৈণীয়েক প্ৰতিভাই তাক অকলশৰে এফালে মাতি নিলে ; সুধিলে, "মোক বস্তু এটা আনি দিব পাৰিবা ?" পাৰিবা শব্দটো শুনিয়েই নৰেশ্বৰৰ লাজ লাগি গল ; সি লাহেকৈ কলে, "পাৰিম। কি ?"

প্ৰতিভাই চৰতীয়া এটা তাৰ হাতত দি কলে—"চাৰি পইচাৰ বাদাম আনি দিব লাগে। কাকো নকবা কিন্তু।"

মুৰ জোকাৰি নৰেশ্বৰ ওলাই আহিল। বাদাম নি দিওঁতে প্ৰতিভাই

কেইটামান তাকো দিলে ; সি নলৈছিল, জোৰ কৰোঁতে ললে। ঘৰলৈ উভতি আহি এঠাইত ভালকৈ বহি লৈ সি মনে-মনে বাদাম কেইটা খাই থলে। যেন চুৰ কৰা বস্তুহে !

তাৰ পাছত প্ৰতিভাৰ বাদাম আনি দিয়া কামটো নৰেশ্বৰে নিয়মিত-ভাৱে কৰিবলৈ ধৰিলে। এদিন প্ৰতিভাই বাদাম এটা দুই দাঁতৰ মাজত ধৰি তাক সুধিলে, "তুমি বিয়া নকৰোৱা কিয় নৰেশ্বৰ ?"

নৰেশ্বৰৰ মুখখন এনেকুৱা হ'ল যেন প্ৰতিভাই নিজেই তাক বিয়া কৰাবলৈ ওলাইছে।—আমালৈ ছোৱালী কোনে দিব ? বিয়া কৰাই মৰিবলৈ দিছেনে ?—এই জাতীয় বহুল-প্ৰচলিত উত্তৰ নৰেশ্বৰৰ মুখলৈ অহাটো সম্ভৱ নহয় ঃ সি কেৱল—এ—নাই নাই—এনেকুৱা শব্দ কৰিবলৈ ধৰিলে। তাৰ পাছত প্ৰতিভাই সদায় তাক কবলৈ ধৰিলে—প্ৰতিভাই তালৈ ছোৱালী ঠিক কৰি দিব, সি বিয়া কৰিব লাগিব।

এদিন দুপৰীয়া প্ৰতিভা শুই আছিল ; নৰেশ্বৰক দেখি তাই কলে, "আজি মোৰ দুবাৰ বমি হৈছে নৰেশ্বৰ, মই বাদাম আজি নাখাওঁ দিয়া।" নৰেশ্বৰ উভতি আহি বেঞ্চখনত বহি থাকিল। মনটো তাৰ বেয়া লাগিছিল।

কিন্তু সেই দিনাই আবেলি স্কুলৰপৰা উভতি আহোঁতে ৰমলাই তাক সুধিলে, "আমাৰ তালৈ অলপ পাছত আহিব পাৰিবা নে ? কথা এটা আছে।" ৰমলাই নৰেশ্বৰক তুমি বুলি কয়।

নৰেশ্বৰ গ'ল। ৰমলাৰ কিবা বস্তু এটা কিনিব লগীয়া আছে ; নিজে দোকানলৈ নগলে নহয়, কিন্তু অকলে যাবলৈ বেয়া লাগে। নৰেশ্বৰ যদি লগত যায় বৰ ভাল হয়।

ৰমলাই জোতা এজোৰ কিনিব। তাইৰ লগে লগে নৰেশ্বৰে বহুত জোতাৰ দোকান দেখিলে। শেষত অৱশ্যে ৰমলাই জোতা নিকিনিলে ; চিঠি লিখা কাগজৰ বহী এখন কিনি ঘৰলৈ উভতিবৰ সময়ত বাট-পথ এন্ধাৰ হ'ল। ৰমলা ৰিক্সা এখনত উঠি বহিল। তাই নৰেশ্বৰকো উঠিবলৈ কওঁতে সি প্ৰথমতে হতভম্ব হৈ গৈছিল ; কিন্তু যেতিয়া বুজিলে যে ৰমলাই সঁচাকৈয়ে তাক উঠিবলৈ কৈছে, তেতিয়া সি উঠিল।

কাপোৰত দাগ লাগিব বুলি নতুনকৈ ৰং দিয়া বেৰৰ ওচৰত মানুহ যেনেকৈ থিয় হয়, নৰেশ্বৰে তেনেকৈ সাৱধান হ'বলৈ চেষ্টা কৰি কোঁচ-মোচ খাই বহিল। কিন্তু ৰমলাৰ দেহা যেন অকণমান ফাঁক পালেই ফুলি উঠিব খোজে ; নৰেশ্বৰৰ বাহুত তাইৰ বাহু ঘঁহনি খাবলৈ ধৰিলে।

বিলত কাম কৰোঁতে, ঠেক নাৱত, মাছমৰীয়া মানুহৰ লগত গাত গা লগাই বহি থকা নৰেশ্বৰৰ মনত আছে, কিন্তু আজিৰ অভিজ্ঞতাৰ কাৰণে সি সপোনতো কোনোদিনেই প্ৰস্তুত হোৱা নাছিল। তাৰ ডিঙি শুকাই গ'ল। ৰমলাৰ গাৰ পৰা ওলোৱা এটা অদ্ভুত ধুনীয়া গোন্ধত সি মোহাবিষ্ট হৈ পৰিল।

ৰমলায়েই প্ৰথমে কথা কলে। সুধিলে, "তুমি এতিয়া ঘৰতে থাকিবা নহয় ? নে আকৌ কৰবাত কাম কৰিবলৈ যাবা ? ঘৰত থাকি তোমাৰ কেনে লাগে ?"

এইবিলাক কথাৰ উত্তৰ নৰেশ্বৰে নাজানে। জানিলেও এই মুহূৰ্তত উত্তৰ দিব পৰা শক্তি তাৰ নাই। সি কলে, "জানো, কব নোৱাৰোঁ।" কৈ উঠিয়েই সি সেপ গিলিলে।

তাৰ পাছত ৰমলায়েই গোটেই বাটটোত কথা কৈ আহিল।—"আমাৰ চুবুৰিটো বৰ বেয়া বুইছা। অকণ অকণ ল'ৰা-ছোৱালীবোৰো যে ইমান সৰুতে ইমান দুষ্ট হ'ল—কি কবা ! কথা এষাৰ কলে নুশুনে। বুঢ়া-বুঢ়ীবিলাকেও দিনৰ-দিনটো খালী কাৰ ঘৰত কোনে কি কৰিলে সেই-বোৰকে চকু দি ঘূৰি ফুৰে। আৰু আমাৰ লগৰ ছোৱালীবিলাকৰ বুইছা —বৰ হিংসা। মই যে স্কুললৈ যাওঁ, তাকো সিহঁতে দেখিব নোৱাৰে। একো একোটা যে মিছামিছিকৈ কথা উলিয়ায়, শুনিলে কেতিয়াবা কৰবালৈ গুচি যাবলৈ মন যায়।"—ৰমলাৰ মনত বহুত দুখ, মুখত বহুত কথা। পদুলিমুখত ৰিক্সাৰপৰা নামি তাই কলে, "আহাঁ, অকণমান সময় বহিবা।"

নৰেশ্বৰক বহুৱাই ৰমলাই তাক এপিয়লা চাহ খুৱালে। আদা-ৰস দি কৰা গৰম চাহ। মোমায়েক অনন্তই মাজতে এবাৰ কলে, "এতিয়া

তই এনেয়ে থাকিবি নে? কিবা কাম-বন এটা যোগাৰ কৰিম।"
ৰমলাই পাছদিনা গধূলি নৰেশ্বৰক আকৌ আহিবলৈ কলে।

পাছদিনা দুপৰীয়া প্ৰতিভাই বাদাম চোবাই চোবাই নৰেশ্বৰক সুধিলে, "কি হ'ল, তোমাৰ বিয়াৰ কি ঠিক কৰিলা? আমি কিন্তু তোমালৈ ছোৱালী চাইছোঁ।" প্ৰতিভাই হাঁহিলে।

আজি নৰেশ্বৰৰ হঠাতে সুধিবৰ মন গ'ল—ক'ত চাইছে ছোৱালী। ওচৰে-পাজৰে নে কি?—কিন্তু সুধিব নোৱাৰিলে; কেৱল কলে, "বাৰু বাৰু।" হঠাতে তাৰ কালি ৰিক্সাৰ ভিতৰত পোৱা গোন্ধটো মনত পৰি গ'ল। যোৱা গোটেই নিশা গোন্ধটো তাৰ নাকত লাগি আছিল।

গধূলি ৰমলাই নৰেশ্বৰক তাইৰ পঢ়া মেজৰ ওচৰত বহুৱাই ললে; বুৰঞ্জীখন মেলি লৈ কোনোবা পগলা-ৰজাৰ কাহিনী পঢ়ি শুনালে: ইংৰাজী সাহিত্য-কিতাপ মেলি আঙুৰ আৰু শিয়ালৰ গল্পৰ ছবি এখন দেখুৱালে। নৰেশ্বৰে এবাৰ কিতাপখনত আৰু ছবি আছে নে কি বুলি সোধাৰ লগে-লগে ৰমলাই "ৰবাচোন ৰবা" বুলি তাক মনে-মনে থাকিবলৈ কৈ কাণ থিয় কৰি কিবা শুনাৰ চেষ্টা কৰিলে।

হয়। বাঁহীৰ শব্দ আহিছে। "মাধৱ দাদাই বাঁহী বজাইছে নহয়?" ৰমলাই সুধিলে।

"হয় হ'বলা।" নৰেশ্বৰে কলে। অলপ পাছতে হঠাতে মনত পৰাৰ নিচিনাকৈ নৰেশ্বৰে কৈ পেলালে, "খুৰীয়েকৰ লগত তাৰ কিবা লাগিছে হ'বলা।"

"হয় দিয়া, মাধৱ দাদাৰ খুৰীয়েকজনী বৰ বেয়া মানুহ।" ৰমলাই বিৰক্তিৰে কলে। তাৰ পাছত কাৰো মুখত মাত নাই। ৰমলাই মেজৰ ওপৰত মূৰ থৈ নিষ্প্ৰাণ যেন হৈ পৰিল। মাজতে কেৱল আকৌ এবাৰ কলে, "মাধৱ দাদাই বৰ ধুনীয়া বাঁহী বজায় নহয়!" নৰেশ্বৰে শলাগিলে।

এদিন ৰমলাই তাক কলে, "টকী চাবলৈ যাবা?"

টকী? আজিলৈকে নৰেশ্বৰে মাত্ৰ দুদিন টকী চাইছে। কিন্তু

অকল টকী চোৱাৰ লোভতেই নহয়, ৰমলাৰ লগত সি যুদ্ধলৈও যাব— সি ৰাজী হ'ল।

টকীঘৰত উপস্থিত হোৱাৰ পাছত ৰমলা কোন ফালে ক'ত সোমাল সি গম ধৰিব নোৱাৰিলে, কিন্তু মদনে তাক বিনা পইচাই দ্বিতীয় শ্ৰেণীত সুমুৱাই দিলে। টকীৰ সি একো নুবুজিলে, কেৱল শেষৰ ফালে মানুহ এটা বহুত দূৰ চুচৰি-চুচৰি গৈ মৰি থকা দেখি তাৰ বেয়া লাগিল।

তাৰ পাছত আকৌ সেই ৰিক্সা, অদ্ভুত গোন্ধটো, ৰমলাৰ বাহুৰ ঘঁহনি আৰু অনৰ্গল কথা।

সদায় গধূলি নৰেশ্বৰে ৰমলাৰ কিতাপৰ ছবি চায়, তাইৰ কথা শুনে আৰু ৰাতি ঘৰলৈ উভতি আহি কেতিয়ানো ৰাতি পুৱায়, তাৰে চিন্তা কৰে। ৰাতিপুৱা বেঞ্চখনত বহি আঙুলি খজুৱায় আৰু মূৰ তুলি-তুলি চায়। ৰমলা আহে ; তাই তাক সোধে,—"কি কৰিছা ?"

ৰমলা স্কুললৈ গুচি যোৱাৰ পাছত সি আৰ-তাৰ ঘৰলৈ যায়, কাৰোবাৰ খৰি ফালি দিয়ে, কাৰোবাৰ ঘৰৰ আই-সকামৰ কাৰণে কলপাত কাটি আনি দিয়ে, প্ৰতিভাৰ বাদাম আনি দিয়ে।—এদিন প্ৰতিভাই আন কথা কৈ পাহৰিছিল, সি মনত পেলাই দিলে, "মোৰ বিয়াৰ কি কৰিলে ?" প্ৰতিভাই হাঁহি-হাঁহি কলে, "অ'—কৰিছোঁ নহয়, মই সকলো ঠিক কৰিছোঁ।"

নৰেশ্বৰৰ কিন্তু মনটো মুকলি নহ'ল। আচলতে প্ৰতিভাই অকলে আয়োজনটো কৰিবলৈ টান পাইছে নে কি ? সি নিজেওতো অলপ সহায় কৰিব পাৰে। কিন্তু এইবোৰ পেটৰ কথা, মুখেৰে কোৱা কথা নহয়। নৰেশ্বৰ মনে-মনে উভতি আহিল।

এদিন গধূলি ৰমলাই নৰেশ্বৰক বহুৱাই থৈ এবাৰ ওলাই চাই আহিলগৈ—মামীয়েক পাগঘৰত আছে, মোমায়েক ওলাই গৈছে ক'ৰবালৈ। উভতি আহি নৰেশ্বৰৰ তেনেই ওচৰতে বহি তাই লাহে-সাহে কলে, "তোমাক আজি এটা কথা কম। খুব গোপন কথা। তুমি কাকো নোকোৱাকৈ থাকিব পাৰিবা ?"

এইবিলাক কথা যে কাকো কৈ ফুৰা কথা নহয়, সেইটো অন্ততঃ

নৰেশ্বৰে জানে। ইমান বেঙা সি নহয়। কিন্তু তাৰ কাণ-মূৰ গৰম উঠি গ'ল। কথাষাৰ কৰলৈ ৰমলা তাৰ ইমান ওচৰ চাপি আহিছে যে সি কি কৰিব কি নকৰিব একো ভাবি পোৱা নাই। সি কলে, "পাৰিম।"

ৰমলাই কলে, "চোৱা, মই তোমাক আগতেও কৈছিলো যে এই চুবুৰিটোৰ কাকো মই বিশ্বাস নকৰোঁ। এটাইবোৰ মোৰ শত্ৰু। কেৱল তোমাকেই মই বিশ্বাস কৰোঁ।"

নৰেশ্বৰে মূৰ দুপিয়ালে ; মানে সেইটো কথা সিও গম পাইছে।

"তুমি মোৰ বিশ্বাস ৰাখিব লাগিব। মোৰ এটা কাম তুমি যেনেতেনে কৰিব লাগিব। কিন্তু কোনেও যেন চুলি এডালৰ মানো গম নাপায়। পাৰিবা ?"

কি কাম, তাকে ভাবি নৰেশ্বৰ আচৰিত হৈছিল, তথাপি সি কলে, "পাৰিম।"

ৰমলাই আকৌ এবাৰ দুৱাৰমুখলৈ আহি কোন ক'ত আছে চাই গ'লহি ; তাৰ পাছত বুকুৰ কাপোৰৰ ভিতৰৰপৰা এখন ভাঁজ কৰা কাগজ উলিয়ালে আৰু কলে, "এইখন মাধৱ দাদাক দিব লাগে। কিন্তু তোমাক শপত দিছোঁ, কাকো যেন নোকোৱা ; কলে মই মৰি যাম।"

নৰেশ্বৰে তাৰ দেহৰ সকলো সামৰ্থ্য একেলগে চকুলৈ গোটাই আনি এবাৰ ৰমলাৰ চকুলৈ চালে, তাৰ পাছত কাগজখন হাত পাতি ললে। একো নোকোৱাকৈ সি দুৱাৰমুখৰ ফালে উঠি আহিল। দুৱাৰমুখৰ আগতে ৰমলাই তাৰ হাতখনত ধৰি কলে, "আৰু এটা কথা, মাধৱ দাদাই যদি কিবা দিয়ে, তেনেহলে লৈ আহিব পাৰিবা ?"

"পাৰিম" বুলি নৰেশ্বৰ ওলাই আহিল।

এন্ধাৰে-মুন্ধাৰে সি আহি শম্ভুৰ বেঞ্চখনত বহিল। তাৰ হাতৰ মুঠিতে কাগজখন আছে ; এতিয়াই সি এবাৰ মাধৱক খবৰ কৰিব, যদি ঘৰত নাই তেনেহ'লে ৰাতিপুৱালৈ দিব। কিন্তু কি লিখিছে ৰমলাই ? জানিবলৈ তাৰ বৰ মন গ'ল। এনেকুৱা সময়তে সি ভাবে—প্ৰাণনাথ বুঢ়াৰ কথা শুনি স্কুললৈ অহা-যোৱা কৰা হ'লেই ভাল আছিল। কি লিখিছে ৰমলাই মাধৱলৈ ?

ৰাতি চুবুৰিটোৰ সকলোৱে খাই বৈ উঠাৰ পাছত সি এবাৰ মাধৱৰ খবৰ ললে ; নাই। খুৰীয়েকে অকলে অকলে বিহুৰ জলপান খুন্দিছে।

পাছদিনা চোলাৰ জেপত কাগজখন লৈ সি ঘৰৰপৰা ওলাল, কিন্তু পোনে পোনে মদনহঁতৰ ঘৰলৈ গ'ল। মদন তেতিয়া শোৱাৰপৰা উঠিছে মাত্র। সি পলমকৈ উঠে।

মদনক সি হাতখনত ধৰি কলে, "তোক কথা এটা কম, কাকো নকবি কিন্তু, শপত দিছোঁ। এই কাগজখনত কি লিখিছে, পঢ়ি দেচোন।"

চকুযোৰ মোহাৰি লৈ মদনে কাগজখন পঢ়িবলৈ ধৰিলে। মাধৱৰ চিঠি। ৰমলাই পঠাইছে। —ৰমলাই কিন্তু মাধৱে তাইৰ ওপৰত খং কৰিছে বুলিহে ভাবিছিল। তাই যদি কিবা দোষ কৰিছে, মাধৱে যেন ক্ষমা কৰে। সিয়েই যদি খং কৰে, তেনেহলে এই পৃথিৱীত কোনে তাইক—

"তই ক'ত পালি এইখন ?" —মদন গৰ্জি উঠিল।

নৰেশ্বৰে জিভা উলিয়াই পেলালে। কলে—"মনে মনে কচোন। চিঞৰিছ কিয় ? মোক ৰমলাই দিছে—মাধৱক দিবলৈ।"

পগলাৰ নিচিনাকৈ মদনে তাৰ বিছনাৰ মূৰ-শিতানত থকা টিনৰ চুটকেছ এটা টান মাৰি খুলি পেলালে ; ওপৰৰ কাপোৰ এযোৰ বিছনাৰ ওপৰলৈ দলিয়াই দিলে, তাৰ তলৰপৰা কাগজ এজাপ উলিয়াই আনিলে আৰু তীব্ৰ কণ্ঠেৰে কৈ গ'ল, "মই মাধৱৰ কলিজা খাই পেলাম। এইবোৰ দেখিছ ? যোৱা তিনি বছৰে তাই মোলৈ এইবোৰ লিখিছে। তই কিন্তু সাক্ষী থাকিব লাগিব। তাক মই খেলা দেখুৱাই দিম। কি কৰোঁ তই চাই থাক।"

মদনৰ গৰজনিৰ মাজতে নৰেশ্বৰ ওলাই গুচি আহিল।

পাছদিনা ৰাতিপুৱা ৰমলাই বাৰে-বাৰে আগফাললৈ ওলাই নৰেশ্বৰক চাইছিল। নৰেশ্বৰ বহা বেঞ্চখনেই নাই। আগৰাতি উৰুকা গ'ল। মেজি ঘৰৰ ল'ৰাহঁতে ৰমলাহঁতৰ বাৰীৰ জেওৰা, মাধৱহঁতৰ পদুলিৰ দলং—এটাইবোৰ মেজিৰ জুইত জাপি দিলে। লগতে শম্ভুৰ বেঞ্চখনো নিলে হ'বলা।

# বাদুলি

লেচুবোৰৰ ঠাৰিব ফালে বাকলিব দুই-এডাল কাইট ৰঙচুৱা হৈছে। গছজোপাত দিনত কাউৰীয়ে বহিবলৈ লৈছে। ৰাতি দুই-এটা বাদুলিয়ে ওপৰেদি পাক মাৰিছে। প্ৰতি বছৰে এনেকুৱা সময়ত লোকনাথে ভাবে —এইবাৰ আৰু ৰাতি বহি-বহি বাদুলি খেদাৰ কাৰবাৰ তেওঁ নকৰে; বেপাৰীক গছজোপা পাইকাৰী দামত বেচি দিব, বেপাৰীয়ে বাদুলি খেদে নেখেদে যি কৰে কৰিব, লোকনাথে নগদ টকাখিনি আৰু নিজে খাবলৈ আৰু ওচৰ-চুবুৰীয়া আক-তাক দিবলৈ পাঁচশ লেচু পালেই হ'ল। ত্ৰিছ-চল্লিছ দিন ধৰি ৰাতি-ৰাতি ৰখীয়া দিয়া, প্ৰত্যেক দিনেই বাছি-বাছি পকা লেচুখিনি পাৰি বজাৰত বেচিবলৈ নিয়া, —এইবোৰ বৰ জঞ্জালৰ কাম। কিন্তু প্ৰতি বছৰে দেখা যায়—লোকনাথে জীয়েকহঁতৰ লগত পাল পাতি গছজোপাৰ পৰা কাউৰী-বাদুলি খেদিছে; আগফলা দীঘল ডাৰবাৰী এডালেৰে পকা লেচুৰ থোক ছিঙিছে আৰু পিছবেলা বজাৰত এপাচি লেচু লৈ বহি আছে।

এইবাৰো পাইকাৰী বেপাৰী আহিল; —এটা, দুটা, তিনিটা। দৰ-দাম লৈ টনা-আজোৰা চলিল : গোটেই গছজোপা পাঁচশ লেচু বাদে চল্লিছ, পঞ্চল্লিছ, —বৰ বেছি পঞ্চাছ টকা। এই জোপা গছ পঞ্চাছ টকাত? হ'ব বাৰু যোৱা। তোমাক পঞ্চাছ টকাত দিয়াতকৈ দহটা চুবুৰীয়া ল'ৰা-ছোৱালী মাতি আনি এনেয়ে বিলাই দিম, ধৰ্ম হ'ব। যোৱা।

আচলতে লোকনাথে ধৰ্ম-চৰ্মৰ কথা ভাবি বেপাৰী ওভোতাই নপঠিয়ায়। সিহঁতৰ লগত কথা পাতোঁতে প্ৰতি বছৰে লোকনাথৰ মনে একেটা হিচাপেই কৰি থাকে,—অলপ কষ্ট কৰিলেই অন্ততঃ আশী টকা, বেপাৰীয়ে দিয়াতকৈ অন্ততঃ ত্ৰিছ টকা বেছি; সেই ত্ৰিছটা টকাইনো হঠাতে আহে ক'ৰ পৰা? অন্ততঃ এমাহৰ খৰচ। তাতোকৈ ডাঙৰ কথা,—বছৰে-বছৰে এই এটা মাহ টোপনি খতি কৰি লেচু ৰখীয়া দিয়াটো লোকনাথৰ কাৰণে কিবা নিচা, চখৰ নিচিনা হৈ আহিছে।

কথাটো শৰদিন্দু বাবুৰ পৰিয়ালে বছৰি ঘৰতে দুৰ্গা পূজা পতাৰ নিচিনা হৈছে ; —অৱস্থা পৰি আহিলেও, সৰুকৈ হ'লেও পূজাখন বছৰি হৈ আছে।

এই বছৰৰ কথাটো আৰু এটা কাৰণত বেলেগ হৈছে। লেচু জোপা প্ৰায় অইন বছৰৰ সমানে মলিয়াইছিল যদিও এইবাৰৰ বহাগৰ ধুমুহাই আগৰ সমান মল নসৰালে। ফলত লেচুৰ পৰিমাণ এইবাৰ বেছি হৈছে। বাদুলিৰ পৰা ৰক্ষা কৰিব পাৰিলে এইবাৰ অতি কমেও এশ টকা ?

লোকনাথে আকৌ বাঁহৰ টকা সাজিলে ; গোটেই চুবুৰি ৰজন-জনাই যোৱা শব্দ,—খেতেপ খেতেপ খেতেপ। চাৰি অনা দি এটা ফুটা টিন কিনিলে, ভিতৰত পুৰণা লোহাৰ বল্টু দুটা ওলোমাই টিনটো পুতেক ৰজনীৰ হতুৱাই গছজোপাৰ সোঁ মাজৰ ওপৰৰ ডাল এটাত ওঁৰাই দিলে ; টিনটোত বন্ধা ৰছীডালৰ ইটো মূৰ চোতালৰ ওচৰৰ বাৰণ্ডাৰ নিচিনা খেৰৰ ছালিখনৰ খুটা এটাত বান্ধি ৰাখিলে। ৰছীডাল টানিলে তিনিটা চুবুৰি পাৰ হৈ যোৱা শব্দ—ঘটং ঘটং ঘটং। পিছে আজিকালিৰ বাদুলিয়ে টকা-টিনৰ শব্দলৈ বৰ বেছি কেৰেপ নকৰে ; সিহঁতে কোনোবা এটা চলন্ত এঠাইত পৰি লয়, টকা-টিনে গৰজি থাকিলেও সিহঁতে এটা এটাকৈ পকা লেচুৰ বাকলি গুচায়। গতিকে মোক্ষম ব্যৱস্থা, —ৰজনীয়ে পুৰণা গুল্টিখন ঠিক-ঠাক কৰিলে। কেপেহা আগৰ ডালেই থাকিল, ৰফিকৰ গেৰেজৰ পৰা সি দুডাল নতুন ৰবৰ আনিলে ; গকুলহঁতৰ ঘৰৰ পৰা এপাত পুৰণা জোতা আনি তাৰ জিভাখনেৰে চামৰা টুকুৰা লগালে। লোকনাথে জানৰ পাৰৰ পৰা আলতীয়া মাটি আনি বাটলু গুটি বনাই ডলা এখনত শুকাবলৈ দিলে।

তাৰ পাছত আৰম্ভ হ'ল লেচু ৰখাৰ কাম। পিছ ৰাতি লোকনাথৰ টোপনি এনেয়ে কম হয়। গতিকে বন্দবস্ত হ'ল—পিছ ৰাতি, বাৰ বজামানৰ পৰা দোকমোকালিলৈকে লোকনাথে ৰখিব, আগ নিশা ৰজনীয়ে ৰখিব। লগৰ ল'ৰা কেইটামানে ৰাতি খাইবৈ উঠি ৰজনীৰ ওচৰলৈ আহে ; চোতালত বহি, লেমটো ওচৰত লৈ সিহঁতে লুডু খেলে। লুডু ব'ৰ্ডখনৰ ইপিঠিত সাপ লুডুৰ ব্যৱস্থাও আছে ; এপিঠি খেলি আমনি

লাগিলে সিহঁতে ইপিঠি খেলে। অকল ৰজনীয়েই নহয়, তাৰ লগৰ কেইটায়ো মাজে-মাজে টকা বজায়, টিনটোব ৰছীডাল টানে, গছজোপাত বাদুলি পৰা বুলি সন্দেহ কৰিলে আন্দাজতে গুলিটৰে বাটলু গুটি মাৰে।

ৰজনীৰ বায়েক হেমপ্ৰভাৰ গাত মুখেৰে কাম ভগোৱাৰ সময়ত তেনেকৈ বিশেষ দায়িত্ব একো নপৰে, কিন্তু প্ৰায় গোটেই নিশা সাৰে থাকিব লাগে তায়েই। ৰজনী আৰু তাৰ লগৰ ল'ৰাকেইটাই পাল পাতি ভুজিয়া আৰু ভজা বুট আনে, ৰাতি এঘাৰমান বজাত হেমপ্ৰভাই সিহঁতক ফিকা চাহ কৰি দিব লাগে। এক বজাৰ সময়ত লোকনাথ চোতাললৈ ওলাই আহে, তেতিয়া তেওঁক তাই আদা-তেজপাত দিয়া কাৰা নিমখ-চাহ এগিলাছ কৰি দিব লাগে। চাহ গিলাছ খাই উঠি লোকনাথে কয়, "যা, তই শোগৈ।" কিন্তু কৈ উঠিয়েই তেওঁ যেনেকৈ কাঠৰ চকীখনত আউজি সমুখৰ বেঞ্চখনত ভৰি দুখন মেলি দিয়ে, দেখিয়েই হেমপ্ৰভাই বুজি পায় মানুহটোৰ আৰু এঘণ্টামান ভাল টোপনি হ'লহেঁতেন। ভৰ টোপনিৰ পৰা উঠি অহা কাৰণে মানুহটোৰ কষ্ট হৈছে। ইতিমধ্যে ঝৰপকৈ গছত বাদুলি পৰাৰ শব্দ হয়; হেমপ্ৰভাই টকা বজায়, টিন বজায়, বাদুলি উৰি যোৱাৰ শব্দ নহয়, গতিকে তাই গুলিট আৰু বাটলু গুটি হাতলৈ লয়, ওচৰৰ সদাহ'তৰ ঘৰৰ টিনৰ ছালত যাতে বাটলুগুটি নপৰেগৈ সেইটো হিচাপ কৰি গুলিট মাৰে। তাৰ পাছত তাই বাপেকক কয়, "তই আৰু অকণমান শোগৈ যা। মোৰ টোপনি ধৰিলে জগাই দিম।"

বাপেকে সোধে, "তই মেখেলা-চাদৰৰ কথা কি কৈছিলি? কাপোৰকে কিনিবি নে সুতা আনি দিম?"

"এতিয়া আকৌ সেইটো কথা মনত পৰিল কিয়?"

"নহয় মানে মই ভাবিছোঁ, এই লেচুৰ পইচাকেইটা পাওঁতেই—"

"পাচোন বাৰু আগতে। আকৌ বোলে এইবাৰ ৰজনীৰ চিলাই কলটো কিন!"

এৰা! সেইটোও এটা কথা। নিজৰ চিলাই কল এটা হ'লে ৰজনীয়ে এতিয়া স্বাধীনভাৱে দুপইচা উপাৰ্জন কৰিব পাৰে। কলটো নাই

কাৰণেই ইমানকৈ কাম শিকিও সি লোকৰ যোগালি! কেচি চলোৱাৰ পৰা বুতামৰ কাজ কৰালৈকে আটাইবোৰ কাম সিয়েই কৰিব, অথচ পইচা পাবৰ সময়ত আজি আঠ অনা, কাইলৈ নাই, পৰহিলৈ চাৰি অনা! মহাজনৰ খুছি। এৰা, এইবাৰ তাৰ চিলাই কলটো—

"আকৌ বোলে এইবাৰ নতুন খেৰ কিনি গোটেই ঘৰটো ছোৱাব!"

এৰাতো। সেইটোও এটা কথা।

মুঠতে টকা-টিন, গুলিট আৰু মুখৰ কথাৰে হেমপ্ৰভাই লোকনাথক বখীয়া দিব লাগে, তেতিয়া লোকনাথে লেচু ৰখে। যি সময়ত লোকনাথৰ টোপনি যোৱাৰ কোনো সম্ভাৱনা নাথাকে, তেনেকুৱা সময়ত চকু টানি-টানি ধৰিলে হেমপ্ৰভাই বেঞ্চখনতে কাতি হৈ, ভৰি কোচাই শোৱে। লোকনাথে কয়, "তই ভিতৰত শোগৈ যা।"

ভৰিৰ পতা মেখেলাৰ পাতলিৰে ঢাকি-ঢাকি হেমপ্ৰভাই কয়, "হব দে।"

তাঁতশালৰ সৰু বেঞ্চখনত হেমপ্ৰভাৰ মঙহাল গাটো কোনোমতেহে আঁটে। কোনোবা এটা সময়ত তাইৰ গাৰ ঢোবোৰলৈ চাই লোকনাথে নিজকে কয় —ছোৱালীজনীয়ে বৰ কষ্ট পাইছে।

তিনি দিন লেচু বখীয়া দিয়া কাম হৈ গৈছে, এনেতে এদিন দূৰত এটা হুইছেলৰ দীঘলীয়া শব্দ শুনা গল—ফি-ৰি-ৰি-ত। সেই সময়ত হেমপ্ৰভাই ৰজনীহঁতক এঘাৰ বজাৰ চাহখিনি দিছিল। সিহঁত আটাই-কেইটাই প্ৰায় একেলগে সুধিলে, "কি ঐ সেইটো বাইদেউ?"

"জানো! চিপাহী হ'বলা।"

"চিপাহী এইটো ৰাস্তাত?"

চিপাহীয়েই হয়। এইটো ৰাস্তাইদি অহাটোও হয়। প্ৰথমবাৰত চিপাহীটো ৰজনীহঁতৰ ঘৰ পাৰ হৈ গুচি গল, কিন্তু অলপ পাছতে সি আকৌ উভতি আহিল। ৰজনীহঁতৰ পদুলিমুখত অলপ চুচুক-চামাক কৰি এবাৰ সি সোমায়েই আহিল। ৰজনীৰ লগৰ এটাৰ ছয় পৰিছিল, সি কোনটো গুটি ছঘৰ আগুৱালে সুবিধা হ'ব ভাবিছিল, তেনেতে খেলা

বন্ধ হ'ল। হেমপ্ৰভা ভিতৰলৈ সোমাই গল। ৰজনীয়ে চকীখন এৰি চিপাহীজনক বহিবলৈ দিলে।

"আপুনি কৰ পৰা আহিল? আমাৰ লগত কিবা কথা আছিল নেকি?

নাই নাই, একো কথা নাই। চিপাহীজনে ডিউটি কৰিছে। এই যে সিদিনা মাণিক ডাক্টৰৰ ঘৰত চুৰ হ'ল, তাৰ পাছৰ পৰা ডাক্টৰ একদম গৰম হৈ আছে। নিজে এছ-পি চাহাবৰ বঙলা ওলাইছেগৈ। যুদ্ধলৈ যোৱা মানুহতো! যুদ্ধৰ পৰা উভতি অহা তিনি বছৰ হ'ল যদিও মানুহজনৰ মেজাজটো এতিয়াও বৰ 'কাৰা' হৈ আছে। তেওঁ এছ. পি চাহাবক কি কলেগৈ সেই বিষয়ে কোনেও সঠিককৈ একো নাজানে, কিন্তু তাৰ ফলটো হল—এইটো ৰাস্তাত এতিয়া ৰাতি পুলিছৰ পহৰা চলিব। গতিকে এয়া,—চিপাহীজনৰ ডিউটি চলিছে। ডিউটি আৰু কি? এইখিনি-তনো চুৰ কৰিবলগীয়া ঘৰেই কেইটা আছে? যিটো আছিল তাততো চুৰ হৈয়েই গ'ল! এতিয়া আৰু এইখিনিত কোনটো চোৰ মৰিবলৈ আহিব?

গতিকে চিপাহীজনে ৰজনীহঁতেনো কি কৰিছে চাবলৈ আহিছে: দুআষাৰ কথা পাতি সময় কটাবলৈ আহিছে। বিনা কাৰণত ৰাস্তাত অকলে-অকলে খোজ কাঢ়ি ফুৰাটো বৰ আমনি লগা কাম।

তাৰ পাছদিনা চিপাহীজন ৰাতি বাৰমান বজাত আহিল। চলি থকা গে'মটো শেষ হোৱাৰ পাছত ৰজনীহঁতে তেওঁকো খেলিবলৈ লগ ধৰিলে। সেউজীয়া গুটি ভাগত লৈ চিপাহীজন বহি গল। দেউতাকক জগাই দিওঁতে আজি পলম হ'ল। চিপাহীজনে খেলিবলৈ লোৱাৰ কাৰণে সিহঁতে বৰ ফুৰ্তি পাইছিল: গেমটো শেষ নোহোৱালৈকে খেলিয়েই আছিল। গেমটো শেষ হোৱাৰ পাছতহে ৰজনীয়ে বাপেকক জগাই দিলে।

লোকনাথে ওলাই আহিয়েই চিপাহীজনক কলে, "আপোনাৰ কথা মোক ল'ৰাহঁতে কৈছে। বহক বহক।" তাৰ পাছত তেওঁ লেমটো লৈ এবাৰ লেচুজোপাৰ তলখন চাই আহিল, বাৰ্কলি-চাৰ্কলি—মানে বাদুলিয়ে লেচু খোৱাৰ কিবা চিন আছে নেকি। ঠিকতো নাই, ল'ৰাহতে খেলাত

মজি থাকোঁতে ইফালে বাদুলিয়ে বা কি কৰে। বাদুলিবোৰ বৰ ধূৰ্ত। লোকনাথে মন কৰিছে, কেতিয়াবা তেওঁ হেমপ্ৰভাৰ লগত কিবা এটা কথা পাতি থাকোঁতে তেওঁ আৰু হেমপ্ৰভা দুয়ো অকণমান সময়ৰ কাৰণে অন্যমনস্ক হৈ পৰিছে,—তাৰ পাছত দেখা গল কোনোবা এঠাইত দহ-বাৰটা লেচুৰ গুটি আৰু বাকলি পৰি থাকে। ছেঃ ছেঃ ছেঃ।

লেমটো চিপাহীজনৰ ওচৰত থৈ লোকনাথ ভিতৰলৈ গল। হেমপ্ৰভাই ইতিমধ্যে চাহৰ পানী বহাই দিছিল। লোকনাথে তাইক সুধিলে—চিপাহীজনকো চাহ অকণমান? গাখীৰ আছে জানো? মোৰ বাৰু নিমখৰেই হ'ব, এই সময়ত মোৰ নিমখ-চাহৰ সোৱাদটোহে ভাল লাগে; কিন্তু মানুহজনৰ কাৰণে চেনি অকণমান—।

হেমপ্ৰভাই এই মাজনিশাখন চাদৰ সলালে, মেখেলাখনৰ ফটাডোখৰ চাদৰৰ তলত পৰাকৈ ঘুৰাই পিন্ধিলে, তাৰ পাছত তাই চাহখিনি লৈ ওলাই আহিল;—লোকনাথৰ কাৰণে গিলাছত, চিপাহীজনৰ কাৰণে কাপত। বেঞ্চখনত চাহখিনি থৈ তাই লেমৰ পোহৰৰ পৰা আঁতৰি গছজোপাৰ তলত থিয় হৈ ভাবিলে—এতিয়া তাই কি কৰে। কিন্তু তাই বেছি সময় ভাবিবলগীয়া নহ'ল, চাহত সোহা এটা মাৰি লোকনাথে কলে, "তই শোগৈ যা।" হেমপ্ৰভা লগে-লগে ভিতৰলৈ সোমাই গল।

লোকনাথে বেঞ্চখনত ভৰি তুলি বহি ললে; তাৰ পাছত সুধিলে, "কওকচোন, আপুনি ক'ৰ মানুহ, কি কথা?"

চিপাহীজনৰ কথাবোৰ কিবা উৰণীয়া-উৰণীয়া। মাজে-মাজে টকা বজাই, টিনৰ ৰছি টানি, গুলিট মাৰি লোকনাথে যি বুজিলে,—চিপাহীৰ নাম মথুৰা, তাৰ আচল ঘৰৰ কোনো ঠিক নাই, এতায়েকৰ এতায়েক বোলে মাজুলীৰ ফালৰ ডাঙৰ মানুহ আছিল, মানৰ দিনত পলাই আহি এইফালে কৰবাৰ পৰ্বতৰ নামনিত থাকিবলৈ ললে। সেইবোৰ ঠাইৰ কছু-গাহৰিয়ে নুশুজিলে কাৰণে এতায়েক আহিল বৰনৈৰ পাৰলৈ, তাৰ-পৰা তেওঁলোকক খেদিলে পানীয়ে, বহিলহি ৰিজাৰ্ভৰ মাটিত, তাত আকৌ বনৰীয়া হাতীৰ লগত যুদ্ধ; গতিকে বাপেক উঠি আহিল কদমগুৰি গাঁৱলৈ। সেই কদমগুৰি গাঁৱতে মথুৰাৰ মাক-বাপেক মৰিল।

মথুৰাৰ মতে তাৰ এতায়েকৰ এতায়েক যে মাজুলীৰ ফালৰ ডাঙৰ মানুহ আছিল সেইবোৰ চব মিছা কথা, কিন্তু তাৰ মাক-বাপেক যে ভালকৈ খাবলৈ নাপাই মৰিল, সেইটো একেবাৰে সঁচা কথা সি নিজে দেখা কথা।

এতিয়া তাৰ গাৱঁৰ ঘৰত কোন-কোন আছে ?

নাই, কোনো নাই। সেইখন গাঁৱত এতিয়া তাৰ ঘৰেই নাই। অকল তাৰ ঘৰ কিয়, এতিয়া সেই গোটেই গাঁওখনেই নাইকিয়া হৈ গলে সি ভাল পায়।

কিয় ? কিয় ?

সেইবোৰ বহুত কথা। দীঘলীয়া কথা। কিন্তু চমুকৈ কথাটো হ'ল,—মথুৰাৰ মাক-বাপেকক বয়স-বেমাৰ-ভোকে মাৰিলে, সেইটো সহ্য কৰিবলৈ চেষ্টা কৰিব পাৰি ; কিন্তু তাৰ নমৰিবলগীয়া গাভৰু ভনীয়েক-জনীক গাঁওখনৰ মানুহবোৰে যেনেকৈ মাৰিলে সেইটো সহ্য কৰিবলৈ সি বৰ টান পাইছে। এদিন এটা মানুহ সিহঁতৰ ঘৰলৈ আহিল, সি প্ৰথমতে ঘৰখনক আপোন কৰি ললে, তাৰ পাছত সি মথুৰাৰ ভনীয়েক-জনীক আপোন কৰিলে, তাৰ পাছত সি তাইৰ সৰ্বনাশ কৰিলে, তাৰ পাছত এদিন সি গোটেই গাঁওখনকে আপোন কৰি ললে ; আৰু তেতিয়া তাৰ একমাত্ৰ পৰ মানুহ হ'ল মথুৰাৰ ভনীয়েকজনী। পুলিছৰ চাকৰিত সোমোৱাৰ কাৰণে এতিয়া মথুৰা বান্ধত সোমাল, নহ'লে এতিয়াও সি সেই মানুহটোৰ লগে-লগে থাকি তাক বুজালেহেঁতেন—কিমান পাপৰ কিমান ওজন।

কথাবোৰ কৈ উঠি মথুৰাই টুপীটো খুলি ওচৰৰ টুলখনত থলে আৰু তাৰ পাছত তললৈ চাই তালুখনত হাত ফুৰাবলৈ ধৰিলে। বাদুলি অহাৰ কোনো শব্দ-চব্দ হোৱা নাছিল, তথাপি লোকনাথ এবাৰ উঠি গল ; গছজোপাৰ চাৰিওফালে এপাক ঘূৰি তেওঁ মুখেৰে হাই-হাই শব্দ কৰি টকাটো বজালে। তাৰ পাছত তেওঁ এঠাইত অকণমান সময় এনেয়ে থিয় হৈ ৰ'ল। যেন ফৎকৰে মথুৰাৰ ওচৰলৈ উভতিবলৈ তেওঁৰ মন যোৱা নাছিল। অকণমানমান সময়ৰ পাছত তেওঁ আকৌ বেঞ্চখনত

বহিলহি। অলপ পৰ মনে-মনে থাকি তেওঁ সৰু মাতেৰে সুধিলে "আপুনি ঘৰ-সংসাৰ পতা নাই ?"

এজাক বাদুলি খেদিবলৈ লোকনাথে যিমান খৰকৈ হাই-হাই শব্দ কৰিলেহেঁতেন, মথুৰাই সিমান খৰকৈ এবাৰ নাই নাই শব্দ উচ্চাৰণ কৰিলে।

আকৌ অলপপৰ মনে-মনে থাকি লোকনাথে সুধিলে, "আপুনি ইয়াত থাকে ক'ত ?"

মথুৰাই কলে, "পুলিছ লাইনতে থাকোঁ। আপুনি মোক আপুনি বুলি নকব, তুমি বুলি কব।"

"বুইছা মথুৰা"—পাছদিনা ৰাতি চকীখনত আউজি বহি, টুলখনত ভৰি মেলি দি লোকনাথে কলে, "সকলোৱে একেই।"

"সকলোৰে একেই" বুলি আৰম্ভ কৰি অলপ পাছতে লোকনাথে কি কব, হেমপ্ৰভাই অনুমান কৰিব পাৰিলে। বিছনাত পৰি তাই সাৰে আছে। দেউতাক কথাত লাগি থাকোঁতে কেনেবাকৈ গছত বাদুলি পৰে বুলি তাই বিছনাতে কাণ দুখন থিয় কৰি সাৰে আছে। ঝৰপকৈ বাদুলি পৰাৰ শব্দ হ'ব, তাই তৎক্ষণাত উঠি যাব। তাৰ কাৰণে তাই সাজু হৈ আছে। দেউতাকৰ কথাৰ সুৰ শুনিয়েই তাইৰ অনুমান হ'ল,—তেওঁ সেই একেটা কথালৈকে উভতি যাবগৈ ;—ল'ৰা-ছোৱালীহাল আৰু মই আছিলো এইখন সংসাৰৰ সাক্ষী গোপালহে বুইছা ? সংসাৰখনৰ আচল মালিক আছিল সেই মানুহজনী। ডেউকাৰ তলত পোৱালি সোমাই থকাহে তোমালোকে দেখিছা, কিন্তু মোৰ নিচিনা মানুহ এটাও যে অকণমান পোৱালি এটা হৈ এজনী মানুহৰ ডেউকাৰ তলত সোমাই নিশ্চিন্ত হৈ থাকিব পাৰে, সেইটো জানো তোমালোকে দেখিছা ? সংসাৰৰ ক'ত কি হৈছে মই গমেই পোৱা নাছিলো বুইছা। শেষত কি হ'ল তাকো ধৰিব নোৱাৰিলো। কিন্তু যেতিয়া ডেউকাখন জাপ খালে, তেতিয়া দেখিলো মোৰ ছোৱালীজনী সোতৰ বছৰীয়া হ'ল, মোৰ লৰাটো চৈধ্য বছৰীয়া হ'ল। বুইছা মথুৰা, তোমাক মই সঁচাকৈ কৈছোঁ, মই মৰা

হ'লে ইহঁতৰ একো অসুবিধাই নহলহেঁতেন, ইহঁতে গমেই নাপালে-হেঁতেন, কোন আছিল, কোন গল। কিন্তু—

হেমপ্ৰভাৰ ভয় লাগিল—এই বোধহয় মানুহটোৱে আকৌ হুক-হুক কৰিবলৈ আৰম্ভ কৰিব। এনেকুৱা সময়ত মানুহটোক চম্ভালিবলৈ বৰ টান। ফুকলীয়া লৰাৰ নিচিনাকৈ বিহ্বল, কাতৰ হৈ পৰা এই মানুহটোৰ চেহেৰা দেখি হেমপ্ৰভাই সেই সোতৰ বছৰ বয়সতে নিজে স্থিৰ শান্ত হবলৈ শিকিছিল। এই মানুহটোক চম্ভালি ৰাখিবলৈ তাই মাক মৰি যোৱাটো একো ডাঙৰ কথা নহয় বুলি কবলৈ শিকিছিল। কথাটো সঁচাকৈয়ে ডাঙৰ হয়নে নহয়, সেইটো ভাবি চাবলৈ তাই সুবিধা পোৱা নাছিল। ঘটনাটো ঘটি যোৱা আজি ছবছৰ হ'ল ; এই ছবছৰৰ প্ৰতি দিনাই হেমপ্ৰভাই মাকক যিমান দূৰলৈ পাৰি ঠেলিবলৈ চেষ্টা কৰিছে, কিন্তু এয়া—, এই এনেকুৱা এটা সময়ত দেউতাকে মাকক একেবাৰে চোতালতে শুৱাই দিয়েহি।

লোকনাথে আজিকালি মানুহক কবলৈ আৰম্ভ কৰিছে, সেয়া চিপাহী-জনকো কৈছে,—"বুইছা মথুৰা, এতিয়া মোৰ ছোৱালীজনীয়েই মোৰ মুৰৰ ওপৰত ডেউকা মেলিছে, কিন্তু মই বাপেকটো হৈ সেইখন ডেউকাৰ ছাঁ লব পায়নে ?"

এনেকুৱা কথাত হেমপ্ৰভাৰ বৰ বিৰক্তি জন্মে। দেউতাকে চাগৈ ভাবিছে হেমপ্ৰভা শুই আছে।

হেমপ্ৰভা লৰালৰিকৈ বিছনাৰ পৰা উঠিল। আজি তাই অলপ ভাল কাপোৰ পিন্ধিয়েই আছে। তাই চোতাললৈ ওলাই আহিল।

লোকনাথে শুধিলে, "কি হ'ল হেম ? তই শোৱা নাই ?"

"শুইছিলো। তোৰ কেনেবাকৈ টোপনি আহিল নে কি চাবলৈ আহিছিলো। বাদুলি অহাৰ নিচিনা শব্দ শুনিছিলো।"

"নহয়, মই সাৰে আছোঁ। মই মন কৰি আছোঁ, তই শোগৈ যা।"

হেমপ্ৰভা আকৌ সোমাই গল। অন্ততঃ দেউতাকৰ কথাৰ সোঁতটো তাই সলাই দি আহিল।

এনেকুৱা কথাত হেমপ্ৰভাৰ বৰ বিৰক্তি জন্মে। হঠাতে কেতিয়াবা মানুহটোৱে একোটা আগ-গুৰি নোহোৱা কথা কৈ পেলায়, একোটা নতুন-নতুন কাণ্ড কৰিব খোজে। এদিন হঠাতে সুধিব, "হেৰি নহয় হেম, ই মনোমোহন যে আহিছিল; তই বোলে তাৰ লগত ভালকৈ কথা-বতৰা নাপাতিলি ?"

"তোকনো সেইবোৰ কথা কোনে কলে ?"

"শুনিলো।"

"কথা পাতিবলৈ আহিলে মানুহে কথা পাতে, খিকিন্দালি কৰিবলৈ আহিলে মানুহে কথা পাতে নে কি ? তই এইবোৰ কথাৰ মাজত নোসোমাবি।"

লোকনাথে সেইফালেই তাপ মাৰে।

কোনোবা এদিন ৰাতি ভাত-পানী খাই উঠাৰ পাছত লোকনাথে কয়, "চাওঁ বহচোন। কথা এটা কওঁ। আজি মদনৰ মাকে খবৰ এটা দিলে। মই ভাবিছোঁ খবৰটো লোৱাই ভাল নেকি ?"

হেমপ্ৰভা ছাঁৎকৈ বহাৰ পৰা উঠে—"মোক এইবোৰ কথা কৈ দিগদাৰি কৰি নাথাকিবি বুলি কৈছো নহয়।"

"শুনচোন শুন। মই এটা ভাল কথাহে চিন্তা—"

ইতিমধ্যে হেমপ্ৰভা ভিতৰলৈ সোমোৱা দুৱাৰখনৰ মুখ পায়গৈয়ে। ভিতৰ সোমাবৰ সময়ত দেউতাকৰ ফালে পিঠি দিয়েই তাই কৈ যায়,— "ভাল কথা ময়ো চিন্তা কৰিব জানো নহয়। তই মিছায়ে চিন্তা কৰি মৰিছ কিয় ?"

সেইদিনা মাজনিশালৈকে সাৰে থাকি হেমপ্ৰভাই ভাবে—দেউতাকে-বৰ ভাল চিন্তাটো কৰিছে। কোন মুহূৰ্তত ফুকলীয়া ল'ৰাৰ নিচিনাকৈ হাও-মাও কৰে তাৰ ঠিক নাই; মাজে-মাজে আকৌ বৰ গহীন চিন্তাত ধৰে!

টোপনি যোৱাৰ আগমুহূৰ্তত হেমপ্ৰভাৰ এক গহীন বিশ্বাস জন্মে— নহয় নহয়, এই মানুহটোক এৰি থৈ গলে হেমপ্ৰভাক মাকে শাও দিব।

ঠিক সেই সময়ত হেমপ্ৰভাৰ অকণমান চকুপানী ওলায়।

দেউতাকৰ কথাৰ সোঁতটো সলাই দি আহি বিছনাত পৰাৰ পাছত হেমপ্ৰভাই মন কৰিলে—দেউতাক এইবাৰ মাকৰ চেহেৰা বৰ্ণোৱাত লাগিছে ;—গায়ে-গাৰিয়ে মানুহজনী ঠিক হেমপ্ৰভাৰ নিচিনা আছিল। এতিয়া মানুহে দেখা হ'লে মাক-জীয়েকক বায়েক-ভনীয়েক বুলিহে কলেহেঁতেন। খোৱাৰ কষ্ট, পিন্ধাৰ কষ্ট, অথচ মানুহজনীৰ মুখৰ হাঁহি মাৰ নগৈছিল—

অকণমান সময়ৰ কাৰণে হেমপ্ৰভাৰ টোপনি আহিছিল, টকাৰ শব্দত তাইৰ টোপনি ভাগি গল। তাই তৎক্ষণাত বিছনাত উঠি বহিল। চিপাহীটো গ'ল চাগৈ। দেউতাকে চাগৈ অকলে-অকলে—

কিন্তু তাইৰ কাণত পৰিল দেউতাকে গুণগুণকৈ এশাৰী কীৰ্তন গাইছে। শব্দটো চোতালত চকী-টুল থকা ঠাইৰ পৰাই আহিছে। তাই দুৱাৰমুখলৈ উঠি আহি বাহিৰলৈ চালে। দেউতাকে চকীখনত আউজি, টুলত ভৰি মেলি বহি আছে। দূৰত চিপাহীটোৱে টকা বজাইছে।

পাছদিনা ৰজনীয়ে লোকনাথক সুধিলে, "সেইফালৰ লেচুখিনিও ভালকৈ পকিছে, পাৰি পেলাওঁ নে ?"

লোকনাথে এবাৰ লেচুখিনি চাই কলে, "আজি নালাগে থাকক। আৰু অলপ বঙা পৰক। আজি এইফালৰ খিনিকে পাৰ।"

"কালি দেখোন এনেকুৱা লেচুকে পাৰিছিলো !" ৰজনীয়ে সঁচা কথাটো কলে।

"ৰংটো ভাল নহ'লে বজাৰত গ্ৰাহকবিলাকে এঙায় অ'। আজি থাকক দে।"—লোকনাথে কলে।

সোনকালে লেচুবিলাক ঢুকাই যাব, ৰখীয়া দিয়া কামটো শেষ হব—কথাটো লোকনাথৰ ভাল নালাগিল।

ৰাতি হেমপ্ৰভাই চাহৰ গিলাছ আৰু কাপ বেণ্ডখনত থৈ ভিতৰলৈ বুলি ঘূৰোঁতেই লোকনাথে আৰম্ভ কৰিলে,—তই শোৱগৈ নে কি ? টোপনি ধৰিছে জানো ? নাই ধৰা যদি বহচোন, কথাকে, পাতোঁ। হেৰি নহয় মথুৰা, তুমি এই ফিকা চাহটো কেনে পোৱা ? মই হ'লে টোপনি খতিব সময়ত নিমখ দিয়া ফিকা চাহহে ভাল পাওঁ। তোমাৰ জানো ফিকা

চাহ খোৱাৰ অভ্যাস আছে ? বাৰু ৰবা, কাইলৈ অলপ সৰহকৈ গাখীৰ ৰাখিব লাগিব। আৰু এটা কথা নহয় হেম, এই ভুজিয়া, ভজা বুট অকল ৰজনীহঁতেহে খাব পায় নে কি ?

মানুহটোৰ মুখখন বন্ধ হবই নোখোজে। কথাৰ লাগ-বান্ধ নাই। —আমি গৱালটোৰ পৰা গাখীৰ এপোৱাহে ৰাখোঁ। তাতো আধামান পানী। আবেলি চাহ খোৱাৰ পাছত গাখীৰ শেষেই হয়। হেৰি নহয় হেম, এই বদনহঁতৰ ঘৰত ছাগলী গাখীৰ ওলায় নে কি ? ৰবি বাৰু, কাইলৈ ময়েই খবৰ লম।

হেমপ্ৰভাই লেমটোৰ ওচৰত পৰি থকা সাপ লুডুখনৰ সাপ আৰু জখলাবোৰৰ ফালে চাই বহি ৰল।

পাছদিনা ৰজনীহঁতৰ খেলা শেষ হ'ল, লোকনাথ বিছনাৰ পৰা উঠি আহিল, কিন্তু মথুৰা তেতিয়ালৈকে নাহিল। কৰবাত চোৰ-তোৰ ওলাল নে কি ? হঠাতে তাৰ অইন ঃফালে ডিউটি পৰিল নে কি ? নে কিবা কথাত—

"চাহখিনি অলপ পাছতে কৰিবিচোন।''—লোকনাথে হেমপ্ৰভাক কলে। অলপ পৰ মনে-মনে থাকি তেওঁ কলে, "এই ল'ৰাটো, মথুৰাৰ কথা কৈছোঁ—তাৰ মানুহৰ ওপৰত বৰ খং বুইছ ? তোৰে নিচিনা। অঁকৰা।'' তাৰ পাছত হাতত টকাটো লৈ লোকনাথে বাদুলি খেদাৰ চল কৰি-কৰি পদুলিমুখ পালেগৈ দূৰলৈ একো নেদেখি, তথাপি এবাৰ ইফালে-সিফালে চাই তেওঁ উভতি আহিল।

অলপ পাছতে লোকনাথ উৎফুল্ল হৈ উঠিল,—"এই তোমাৰ কথাকে পাতি আছিলো বুইছা। কোৱা-কুই কৰিছিলো—আজি বা তোমাৰ কি হ'ল !''

কথাবোৰ কৈ আছিল লোকনাথে অকলে, কিন্তু এতিয়া কওঁতে তেওঁ 'কুৰাকুই কৰিছিলো' বুলি কলে।

সেই দিনা ৰাতি তিনিমান বজাত হঠাতে লোকনাথৰ বুকুখন বেয়া লাগিল। এটা ধৰফৰণি, ধপ-ধপনি। হেমপ্ৰভা উৎকণ্ঠিত হৈ উঠিল।

"নাই নাই, তেনেকৈ একো হোৱা নাই। অকণমান সময় বিছনাত পৰিলেই ভাল লাগিব। তোমালোক বহাচোন। হেম, মই আহোঁ মানে তই অকণমান বাদ্‌লিবোৰলৈ মন কৰিবি।"

বিছনাত পৰাৰ পাছত লোকনাথৰ বুকু বেয়া লগাটো এটা মৃদু যন্ত্ৰণালৈ পৰিণত হ'ল। হেমপ্ৰভাক তেওঁ বাহিৰত এৰি থৈ আহিছে। তাইৰ ওপৰত তেওঁৰ গভীৰ বিশ্বাস আছে। কিন্তু কি সৰ্বনাশী এই বিশ্বাস! এনেকৈ তাইক বিশ্বাস কৰি থাকিবলৈ কিমান কষ্ট হয়!

এদিন দোকমোকালিৰ পাছত লোকনাথ উঠিল। মথুৰা গলগৈ। তেতিয়া আৰু বাদুলি অহাৰ সময় নাই, সেইকাৰণে হেমপ্ৰভাও বিছনাত পৰিছেগৈ।

লোকনাথ লেচুজোপাৰ তললৈ গ'ল। আবেলি পৰত হেমপ্ৰভাই লেচু-তলখন সাৰি থয়! ধূলিৰ ওপৰত ৰামধেনুৰ আকৃতিৰ বাঢ়নীৰ দাগ, তাৰ ওপৰত অসংখ্য ভৰিৰ খোজ, কিন্তু ক'তো এটাও লেচুৰ গুটি বা বাকলি নাই। মনটো কেনেকুৱা লাগিল লোকনাথে ঠিক ধৰিব নোৱাৰিলে। তেওঁ অকণমান আহত বা হতাশ হ'ল? হেমপ্ৰভাই থিকিন্দালি নকৰে কাৰণে আৰু মথুৰাই কিমান পাপৰ কিমান ওজন জানে কাৰণে তেওঁৰ ভাল লাগিল?

প্ৰায় সকলোবোৰ লেচু ভালকৈ ৰঙা পৰি আহিছে। যি হাৰত সিহঁত ৰঙা পৰি আহিছে, সেই হাৰত সিহঁতক ছিঙি বজাৰলৈ নিবলৈ হ'লে আৰু বেছি দিন বাদুলি খেদিব নালাগিব। কিন্তু নিছিঙিলেও সিহঁত ৰসৰ ভৰত সৰি-সৰি পৰিব। লোকনাথৰ বুকুৰ যন্ত্ৰণাটো বাঢ়ি আহিল। তেওঁৰ বুকুৰ ধপধপনিটো এক নিৰ্জন মুহূৰ্তত হেমপ্ৰভাৰো শুনা যেন লাগিল।

পাছৰ কেইৰাতি লোকনাথে চাহ গিলাছ খোৱাৰ কিছু সময় পাছতে বিছনালৈ যোৱা কৰিলে। সদায় তেওঁ নিশ্চিন্ত মনে টোপনি যাবলৈকে চেষ্টা কৰিলে, কিন্তু এদিনো নুশুলে। তেওঁ পৰ্যায়ক্ৰমে একোটা উত্তাপ আৰু একোটা শীতলতা অনুভৱ কৰিলে।—হেমপ্ৰভাৰ বয়সত তাইৰ মাকৰ গাটো—এনেকুৱা সময়ত কিমান উষ্ণ আছিল? তাৰ বহুত দিনৰ

পাছতো তেওঁলোক দুয়ো হেমপ্ৰভাহঁতক শুবলৈ দি লেচু ৰখীয়া দিছিল। কেতিয়াবা ৩০-৪০ টা লেচুৰ গুটি আৰু বাকলি গছজোপাৰ তলত পৰি আছিল। লোকনাথে দৈৱণীয়েকক ধমকি মাৰিছিল— বাদুলিয়ে লেচু কেনেকৈ খাবলৈ পালেহে? দৈৱণীয়েকে প্ৰথমতে চকু দুটা ঘোপা কৰি তাৰ পাছত হাঁহিছিল। লাজ-লাজকৈ হাঁহিছিল। বাদুলিয়ে কেনেকৈ লেচু খাবলৈ পালে সোধে আকৌ! এনে নিলাজ!

কোনো এটা মুহূৰ্তত লোকনাথৰ বিৰক্তিও লাগিল। বাদুলি-বিলাকৰ হ'ল কি? ইহঁত কণা যে কণাই! ইহঁতে বোলে বতাহত কিবা ঢৌ তোলে? সেই ঢৌৰ পম খেদি বোলে শেষত পকা লেচু বিচাৰি পায়? কিন্তু কতা? ইমান প্ৰকাণ্ড মুকলি আকাশখন পৰি আছে, বতাহেৰে আকাশ ভৰপূৰ হৈ আছে, সিহঁতে কোনটো ঢৌ তুলিছে?

এদিন দোকমোকালিৰ পাছত লোকনাথৰ চকুদুটা উজ্জ্বল হৈ উঠিল। সাপৰ মুখেদি লুডুগুটি নমাদি হঠাতে তেওঁৰ বুকুৰ যন্ত্ৰণাটো নামি গ'ল।

এঠাইত দহ-বাৰটা লেচুৰ গুটি আৰু বহুত বাকলি সিঁচৰতি হৈ পৰি আছে।

ৰখীয়াবোৰ অকণমান সময় অন্যমনস্ক হ'লেও দহ-বাৰটা লেচুৰ গুটি তলত পৰে। হওক। সদ্যহতে দহ-বাৰটা হ'লেও হ'ব।

# গজিকা

দিনৰ দুইমান বাজিছে। বিৰাট চহৰখনত মোৰ বাহিৰে বোধকৰোঁ প্ৰত্যেকটো মানুহেই ব্যস্ত হৈ আছিল। টেক্সি-মটৰ-ৰিক্সা-স্কুল-কলেজ-অফিছ-কাছাৰি সকলোবোৰ পূৰ্ণোদ্যমে চলি আছিল। ময়ো অৱশ্যে একেবাৰে একো নকৰাকৈ বহি থকা নাছিলো। মাত্ৰ কেইদিনমানৰ আগৰ-পৰা কৰিবলৈ লোৱা এটা সৰু অথচ সুখময় কামত লাগি মই তন্ময় হৈ আছিলো। কামটোৰ শেষৰ অতি নিবিড় আৰু দীঘলীয়া পৰ্যায়টো শেষ কৰি উঠিছোঁ, ঠিক সেই মুহূৰ্ততে এটা নাভূত-নাশ্ৰুত ঘটনা ঘটিল।

এক মুহূৰ্তৰ ভিতৰতে চহৰখনলৈ ভয়াবহ নিস্তব্ধতা নামি আহিল। গতিশীল প্ৰত্যেকটো বস্তু, যি য'ত যেনেকৈ আছিল, সেই অৱস্থাতে জঠৰ হৈ গ'ল। মোৰ সমুখৰ গছজোপাৰপৰা কাউৰী এটা অইন এজোপা গছ অভিমুখে উৰি গৈছিল; যাওঁতে সি কা-কা কৈ চিঞৰি গৈছিল; হঠাতে তাৰ মুখৰ মাত বন্ধ হ'ল, গছ দুজোপাৰ মাজ ভাগত, শূন্যতে সি ওপঙি ৰল। তাৰ ডেউকা, ঠোঁট আদি ঠিক যি ভংগীতে আছিল, সেই ভংগীতে থাকি গ'ল। মোৰ কামটোৰ শেষ পৰ্যায়ত এটা মাখিয়ে মোৰ গলধনৰ কাণৰ ওচৰৰ চুলি নোহোৱা ঠাই ডোখৰত পাৰি কুট-কুটাই আছিল, কিন্তু সেই সময়ত মোৰ মাখি খেদাৰ সময় নাছিল। এতিয়া মই হতভম্ব হৈ সমুখলৈ মুখ মেলি চাই ৰলোঁ যদিও, মোৰ হাতটো মোৰ অজ্ঞাতসাৰেই মাখি পৰা ঠাই ডোখৰলৈ গ'ল। মোৰ আঙুলিয়ে গোটা বস্তু এটা পালে। বস্তুটো সমুখলৈ আনি চাই দেখোঁ, এটা মাখি; —যেনে মাখি তেনেই আছে, কিন্তু সি শিল হৈ গৈছে। কি সৰ্বনাশী কথা! তেনেহলে সৌ কাউৰীটোও শিল হৈ গ'ল নেকি? সমুখৰ ৰাস্তাত মহিলা এগৰাকী ৰিক্সাৰপৰা নামিছিল; তেওঁ দিয়া ভাৰাৰ পইচাখিনি হাতত লৈ ৰিক্সা-ৱালাটোৱে উচ্চ কণ্ঠেৰে আপত্তি কৰিছিল; —এক ঘণ্টা ঘূৰাই-ঘূৰাই এইকেইটা পইচা? সি চাগৈ ভাবিছিল, তিৰোতা মানুহৰ কথা, দহজনে শুনাকৈ চিঞৰ-বাখৰ কৰিলেই লাজতে ভদ্ৰমহিলাই সি বিচৰা ভাৰাটোৰ

ওচৰা-উচৰি কিবা এটা দি দিব। কিন্তু ভদ্ৰমহিলাও সেই। তেওঁ নিৰ্বিকাৰ ভংগীৰে ৰিক্সাৱালাৰ ফালে পিঠি দি খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে। ৰিক্সাৱালাই শুনিয়ে মাইজী বুলি সেইখিনি পইচাও ওভোতাই দিয়াৰ নিচিনা ভংগী এটা লৈছিল, ঠিক সেই মুহূৰ্ততে সি জঠৰ হৈ গ'ল।

চিলিমটো বহু ঠাইতে এৰি থৈ মই দৌৰ মাৰিলো ৰাস্তালৈ। ৰিক্সা-ৱালাটোৰ হাতখনত খামোচ মাৰি ধৰিলো। পাথৰ। তাৰ গাটো খেপিয়াই চালো; —সি গোটেই মানুহটো পাথৰ হৈ গৈছে। চকু দুটা খণ্ডত ডাঙৰকৈ মেল খাই আছে, ওঁঠ দুখন "জী" শব্দটো উচ্চাৰণ কৰাৰ ভংগীত, পইচা থকা হাতখন মহিলাৰ ফালে আগবঢ়া। মই বিভ্ৰান্ত হৈ একে জাঁপে মহিলাগৰাকীৰ ওচৰ পালোগৈ। কিন্তু ফৎকৰে ভদ্ৰমহিলাৰ গাত হাত দিবলৈ মোৰ সত নগ'ল। কিন্তু মই নিশ্চিন্ত হ'লো—ভদ্ৰ-মহিলাও পাথৰ হৈ গৈছে। তেওঁৰ মুখখনৰ ফালে চাই এনেকুৱা লাগিল যেন অকল তেৱেঁই পাথৰ হোৱা নাই, ৰিক্সাৱালাৰ চিঞৰবোৰো তেওঁৰ চকু-মুখত গোট মাৰি আছে। মই প্ৰথমতে আলফুলকৈ তেওঁৰ চাদৰৰ ঢৌ খেলি থকা আঁচলটোত আঙুলি এটাৰ আগটো লগালো; তাৰ পাছত মানুহৰ জ্বৰ চোৱাৰ নিচিনাকৈ কপালত হাত দিলোঁ, তাৰ পাছত দুই হাতেৰে মানুহজনীক ধৰি গাৰ সমস্ত শক্তিৰে জোকাৰিবলৈ চেষ্টা কৰিলো। নাই। মানুহজনীৰ গাটোৱে তিলমানো লৰচৰ নকৰিলে। মূৰ্তিটো মূৰ্তিয়েই, তাৰো যেন ফাউণ্ডেছনটো একেবাৰে ভূ-গৰ্ভৰপৰা গাঁথি অনা হৈছে। আনকি মানুহজনীৰ খোপাৰ বান্ধে সামৰি ৰাখিব নোৱৰা চুলিৰ অকণ-অকণ আগবোৰো একো-একোটা বেজিৰ নিচিনা হৈ পৰিছে।

ভয় আৰু বিস্ময়ত অভিভূত হৈ মই ৰাস্তাটোৰেদি দূৰলৈ চাই পঠিয়ালো। মোৰ গাটো শিয়ৰি উঠিল। ফাৰ্ষ্ট ক্লাছ গাড়ী, ষাঁড়-গৰু, টেলিফোনৰ তাঁৰৰ কাবণে খাল খন্দা এজাক বনুৱা, ঠেলাগাড়ী, বিভিন্ন ধৰণৰ পথচাৰী, ডিজেল-ট্ৰাক, কুকুৰ, প্ৰত্যেকটো জীৱ, প্ৰত্যেকটো বস্তু নিশ্চল হৈ আছে। কি কৰোঁ কি নকৰোঁকৈ থিয় হৈ আছোঁ, এনেতে

আৰু এটা আচৰিত ঘটনা ঘটিল। আকাশৰ ফালৰপৰা এটা পৰিষ্কাৰ, গলগলীয়া কণ্ঠস্বৰ ভাঁহি আহিল। মই কিন্তু মূৰ তুলি ডাৱৰৰ চপৰা কেইটামানৰ বাহিৰে অইন একো নেদেখিলো। কোনোবাই আকাশৰপৰা গুৰুগম্ভীৰ সুৰেৰে ক'লে, "এক মুহূৰ্তৰ ভিতৰতে মই এই চহৰখন পাথৰ কৰি পেলাইছোঁ। কেৱল প্ৰেছৰ আৰু টেলিগ্ৰাফ অফিছৰ মানুহ কেইটা-মানক দহ মিনিটমান সময় দিছোঁ। চহৰখনৰ অৱস্থা সম্পৰ্কে বাহিৰলৈ খবৰ পঠিওৱাৰ পাছতে সিহঁতো গোট মাৰিব। বাহিৰৰ মানুহে আহি চহৰখন চাওক, আত্মীয়-স্বজনে আহি নিজৰ-নিজৰ মানুহবোৰৰ কোন ক'ত কেনেকৈ আছে চাওক, তাৰ পাছত সকলো বস্তু, সকলো মূৰ্তি আকৌ আগৰ নিচিনা হৈ যাব। অৱশ্যে কোনোবাই যদি পাথৰ হৈ যোৱাৰ আগ মুহূৰ্তত এই পৃথিৱীত নিজৰ প্ৰয়োজনীয়তা শেষ হৈ যোৱা বুলি ঠিক কৰিছিল, তেনেহ'লে সেইবোৰ প্ৰাণী, সেইবোৰ বস্তু পাথৰ হৈয়েই থাকি যাব। চহৰখনত একমাত্ৰ তোক মই জীয়াই ৰাখিলো। বৰঞ্চ তোক মই এইখিনি সময়ৰ কাৰণে এটা গুণ বেছিকৈহে দিলোঁ। তই যিটো মূৰ্তিৰ ওচৰলৈকে যাৱ, তাকে তই চিনি পাবি; প্ৰতিটো জীৱ, প্ৰতিটো বস্তুৰ ইতিবৃত্ত তোৰ মনলৈ আপোনা-আপুনি আহি যাব। যা এতিয়া। চহৰখনত ঘূৰি ফুৰ।"

আকাশবাণী বন্ধ হোৱাৰ পাছত আকৌ সেই ভয়াবহ নিস্তব্ধতা। মই বুজিলো, —সেই কণ্ঠস্বৰে কথাবোৰ মোকেই ক'লে। কিন্তু চহৰ-খনত ঘূৰি ফুৰিম কি, ভৰিখন লৰাবলৈও মোৰ শক্তি নোহোৱা যেন লাগিল। মোৰ গোটেই গাটো ভয়ত চেঁচা হৈ যোৱাৰ নিচিনা লাগিল। তথাপি, অলপ পৰৰ পাছত মনত অলপ সাহ গোটাই লৈ মই লাহে-লাহে ৰাস্তাটোৱেদি আগবাঢ়িলো। টেলিফোনৰ তাঁৰ পুতিবলৈ খন্দা গাঁতটোত এটা মানুহ নামি আছে; চাব এটা মাৰিবলৈ কোবখন দাঙি লোৱা অৱস্থাতে সি গোট মাৰিছে। তাৰ লগৰ বাকী আঁঠটা মানুহ খালটোৰ পাৰত জুম পাতি বহি আছে। সিহঁতৰ দুটাই খইনি মাৰিছে। গংগাৰ বানপানীৰ সময়ত ফেঁটিসাপৰ সংখ্যা কিমান হৈছিল সেই বিষয়ে কথা পাতি খইনিলৈ আশা কৰি থাকোঁতেই সিহঁত বৈ গ'ল। অলপ

দুৰৰ চাৰি—আলিটোত দুখন ঘোঁৰাগাড়ী, ছখন ৰিক্সা, দুখন সৰু মটৰ, এখন প্ৰকাণ্ড ট্ৰাক, চল্লিছটামান মানুহ, এজনী আধুনিক সাজেৰে সুসজ্জিতা গাভৰু ছোৱালী। ছোৱালীজনীয়ে ৰাস্তা পাৰ হ'বলৈ চেষ্টা কৰিছে। গাড়ী চলোৱা মানুহবোৰকে ধৰি প্ৰায় সকলোৱেই ছোৱালী-জনীলৈ চাইছে। মই ট্ৰাকখন আৰু সৰু গাড়ী এখনৰ মাজৰ ফাকটোৰেদি পাৰ হৈ যাবলৈ চেষ্টা কৰিলো। নোৱাৰিলো। ফাকটো তেনেই সৰু। কি আচৰিত ধৰণে যে গাড়ী-ঘোঁৰা-মানুহবোৰ মুখামুখি হৈ আছে! বস্তুবোৰ যদি পাথৰ হৈ নগলহেঁতেন, তেনেহলেতো আৰু এক মুহূৰ্তৰ পাছতেই এটা প্ৰকাণ্ড সংঘৰ্ষ হৈ গলহেঁতেন! এই ট্ৰাকখন; এই ট্ৰাকখনে এই মানুহ দুটা আৰু এই সৰু গাড়ীখন নুখুন্দিৱাকৈ যাব পাৰিলে-হেতেন নে? পাছ মুহূৰ্ততে প্ৰশ্নটোৰ উত্তৰ মই নিজেই দিলো। পাৰিলেহেঁতেন। আজি যদিও পাথৰ হৈ থকা বস্তুবোৰ দেখি আচৰিত হৈছোঁ, আচলতে মই সদায় এনেকুৱা চাৰি-আলিয়েই পাৰ হৈ আছোঁ।

গাড়ীটনা ঘোঁৰা এটাৰ মুৰত হাতৰ ভেজা দি মই এটা ফাকেদি পাৰ হৈ গ'লো। কিন্তু মই এইবাৰ যাওঁ ক'লৈ? চাৰিওটা ৰাস্তালৈ একোবাৰ চালোঁ,—সেই একে;—ভয়ংকৰ নিশ্চলতা, জীৱন্ত সমাধিৰ বীভৎসতা। দুটা মানুহে লোহাৰ দীঘল ৰড এমুঠিৰ দুয়োমুৰ কান্ধত লৈ ৰাস্তা পাৰ হ'ব খুজি মাজ বাটতে ৰৈ গৈছিল। মই ৰড মুঠিৰ মাজৰ দোঁখাই-পৰা ডোখৰতে অৱশভাৱে ধৰি লৈ ভাবিবলৈ ললো। কোনফালে যাওঁ? ভাবি আছোঁ, এনে সময়তে এটা প্ৰচণ্ড শব্দত মই উচপ খাই উঠিলো। মোৰ গাৰ জোকাৰণিত এনেয়ে হোৱা হ'লে ৰডমুঠি কাপোৰ মেলা তাঁৰৰ নিচিনাকৈ দুলিবলৈ আৰম্ভ কৰিলেহেঁতেন; কিন্তু এতিয়া একো নহ'ল। ৰড মুঠিও নিশ্চল পাথৰ। শব্দটো আছিল বোমা বিস্ফোৰণৰ শব্দৰ নিচিনা। কিন্তু শব্দ মাত্ৰ এটাই নাছিল; শলিতাবোৰ সাঙুৰি থোৱা ফটকাৰ পেকেট এটাত জুই লগাই দিলে যেনেকৈ শব্দ হয়, শব্দবোৰ তেনেকৈ হ'ল; সেয়ে যেনিবা পেকেটটো ফটকাৰ নাছিল, আছিল শক্তিশালী বোমাৰ। অলপ পাছতে শব্দটোৰ উৎসটো মোৰ চকুত পৰিল। এখন হেলিকপ্টাৰ। চহৰখনত ইমান গভীৰ নিৰৱতাই বিৰাজ কৰিছিল

যে সাধাৰণ হেলিকপ্টাৰ এখনৰ শব্দও ইমান প্ৰচণ্ড যেন লাগিছিল। আৰু চহৰখন পাথৰৰ হৈ পৰাৰ কাৰণেও বোধকৰোঁ শব্দবোৰৰ তীক্ষ্ণতা বাঢ়িছিল। কিন্তু কেইঘণ্টামানৰ ভিতৰতে সেই শব্দও মোৰ কাৰণে সহজ হৈ পৰিল। গোটেই আকাশ শ-শ হেলিকপ্টাৰেৰে ভৰি পৰিল। মই বুজিলো—কেই মিনিটমানৰ কাৰণে পাথৰ নোহোৱাকৈ থকাৰ সুবিধা পোৱা সাংবাদিক কেইজনৰ জহত গোটেই পৃথিৱীত ইতিমধ্যে বাতৰিটো ৰাষ্ট্ৰ হৈ গৈছে। হেলিকপ্টাৰবোৰ একেবাৰে তললৈকে নামি আহিল, আৰু সেইবোৰৰ ভিতৰৰপৰা অলেখ মানুহ আচৰিত কৌশলেৰে টপা-টপকৈ মাটিলৈ নামি আহিল। মোৰ সমুখত প্ৰথমতে নমা মানুহকেইটাই পোনতে চন্দ্ৰৰ বুকুত খোজ কঢ়াৰ নিচিনাকৈ অতি সন্তৰ্পণে কেইটমান খোজ পেলালে; ঘোঁৰাগাড়ীৰ চকা, ৰিক্সাৰ চৈ আদিৰ নিচিনা দুই-এটা বস্তু আলফুলকৈ চুই চালে, তাৰ পাছত সিহঁতে কেমেৰা উলিয়াই ফৎ-ফৎকৈ ফটো তুলিবলৈ ধৰিলে। সিহঁতে দল পাতি-পাতি অলপ সময়ৰ ভিতৰতে চহৰৰ বিভিন্ন ৰাস্তাত পিয়াপি দিলে।

সেইবোৰ মানুহৰ গাৰ ৰং আমাৰ গাৰ ৰঙৰ নিচিনা নাছিল। কেইঘণ্টামান পাছৰ পৰাহে আমাৰ বঙৰ মানুহ অহাটো আৰম্ভ হ'ল। কিন্তু এবাৰ যি আৰম্ভ হ'ল, তাৰ যেন আৰু শেষ নাই। দুদিনৰ ভিতৰতে চহৰখন যেন সমগ্ৰ দেশৰ মানুহেৰে ঠাহ খাই পৰিল। অইন ঠাইৰপৰা অহা ৰেলগাড়ীবোৰ চহৰৰ বাহিৰৰ ষ্টেচনতে ৰৈ গৈছিল, কাৰণ চহৰৰ ভিতৰৰ ৰেললাইনবোৰত কেইবাখনো ৰেলগাড়ী গোট মাৰি আছিল। মটৰবোৰো চহৰৰ প্ৰায় বাহিৰতে ৰৈ গৈছিল; কাৰণ চহৰৰ ভিতৰৰ ৰাস্তাবোৰ মুকলি নাছিল। কোনো-কোনো ড্ৰাইভাৰে অভ্যাস-বশতঃ হৰ্ণ বজাই ৰাস্তাৰ মানুহ, কুকুৰ, ৰিক্সা আদি আঁতৰাবলৈ চেষ্টা কৰিছিল, কিন্তু অলপ পাছতে তেওঁলোকৰ ভুল ভাগিছিল।

এইবোৰ মানুহৰ সৰহভাগেই নিজৰ ল'ৰা-ছোৱালী, ভাই-ভনী, আত্মীয়-স্বজনৰ কি হ'ল, সেইটো খবৰ লবলৈ আহিছিল। ৰেল বা মটৰৰপৰা নামি প্ৰথম দুই-এটা পাথৰৰ মূৰ্তি দেখাৰ পাছতে মানুহ-বোৰে হাও-হাওকৈ চিঞৰিছিল, আৰু নিজৰ-নিজৰ মানুহ বিচাৰি

দৌৰিছিল। হাজাৰ-হাজাৰ মানুহৰ চিঞৰ-বাখৰ, কন্দা-কটাৰ শব্দই আকাশখন ফালোঁ-ফালোঁ কৰিলে। ৰাস্তা-ঘাট পাথৰৰ মূৰ্তিৰে ভৰ্তি, অথচ হাজাৰ-হাজাৰ মানুহক দৌৰিবলৈ লাগে! ফলত নিজৰ মানুহ-টোক বিচাৰি উলিয়াবলৈ সিহঁতে অইনৰ মানুহৰ মূৰ্তিবোৰ গছকি পাব হৈ দৌৰিবলৈ ধৰিলে।

এইখন চহৰৰ একমাত্ৰ জীৱন্ত মানুহ—মই পেপুৱা লাগিলো। জীয়া মানুহ আৰু পাথৰৰ অৰণ্যৰ মাজেৰে মই লাহে-লাহে আগুৱাবলৈ ধৰিলো। লাহে-লাহে মোব কিন্তু এটা আমোদ লাগি আহিল। মই বেছি কষ্ট কবি ঘূৰা-পকা কৰাৰ ইচ্ছা নকৰিলো; কিন্তু যি দুই-এটা ঘটনা দেখিলো, তাকে বৰ আগ্ৰহেৰে চাই গলো। কাছাৰিৰ বাৰবিত ধৰ্মকান্ত মহাজনক তেওঁৰ ঘৈণীয়েকে বিচাৰি পাইছে। মহাজন আহিছিল এটা ফৌজদাৰী কেছৰ কামত। বিভিন্ন ধৰণৰ তাবিজ বেচা মানুহ এটাই গ্ৰাহক গোটাবলৈ যাদুৰ খেল প্ৰদৰ্শন কৰিছিল। মহাজনেও ভিৰৰ মাজত সোমাই খেল চাইছিল; তেনে অৱস্থাতে তেওঁ পাথব হৈ গ'ল। ঘৈণীয়েকে তাতে তেওঁক বিচাৰি উলিয়ালে। মহাজনব গাত গা লগাই থিয় হৈ আছে ৰামলাল। মহাজনে পিন্ধি আছে এটা ডাঠ কপাহী কাপোৰৰ কোট। কোটটোৰ তলজেপৰপৰা এটা নোদোৰা মণিবেগ বামলালৰ আঙুলি কেইটাই উলিয়াই আনিছে। বেগটো জেপৰপৰা আধাতকৈও বেছি ওলাই আহিছে, ঠিক তেনে অৱস্থাতে মহাজন-ৰামলাল-মণিবেগ গোট মাৰিছে। মহাজনৰ ঘৈণীয়েকে অইন মূৰ্তিবোৰৰ সুৰুঙাইদি হাত ভৰাই একোবাৰ মহাজনৰ বাহুত খামোচ মাৰি ধৰি কান্দিছে, আৰু একোবাৰ খণ্ডত ৰামলালৰ হাতখনত থপথপকৈ মাৰিছে,—এৰি দে; এৰি দে বেগটো।

কলেজৰ হল এটাত বহুত মানুহে হুৰাদুৰা লগাইছে। ল'ৰাবোৰে পৰীক্ষা দি থাকোঁতেই দুৰ্ঘটনাটো ঘটিছিল। এতিয়া বাপেকহঁত আহিছে ল'ৰা বিচাৰি। মই দুৱাৰ এখনৰ ওচৰত থিয় হৈ এনেয়ে এবাৰ ভিতৰলৈ চালো। মোৰ সন্মুখতে থকা লৰাটোৰ নাম অশ্বিনী। মাক, বাপেক, তিনিটা ভায়েক আৰু এজনী ভনীয়েকে তাক বেৰি ধৰিছে।

মাকে তাৰ বাঁওহাতখনত ধৰি কান্দিছে। তাৰ হাতৰ তলুৱাখনে চামুচ এখনৰ আকৃতি লৈ আছে; আৰু চামুচখনৰ গৰ্ভত নকলৰ কাগজখিনি পাথৰ হৈ আছে।

শ্ৰীশ্ৰীআনন্দ মন্দিৰত দুপৰীয়াৰ পূজা শেষ হৈছিল। মন্দিৰৰখীয়া হৰিহৰ ঠাকুৰে প্ৰসাদ বিলাইছিল। টোকোনা ল'ৰা কেইটামানে তেওঁক বৰ আমনি কৰিছিল। ওচৰতে তেওঁ সান্ধ্য ভ্ৰমণত ব্যৱহাৰ কৰা লাঠীডাল আছিল। বাওঁহাতে প্ৰসাদৰ পাত্ৰ সোঁহাতে ল'ৰা কেইটাক "ভাগো" কৰিবলৈ ডাঙি লোৱা লাঠী,—সেই ভংগীতে হৰিহৰ ঠাকুৰ ৰৈ আছে।

মন্দিৰটোৰ পিছফালে এজনী তিৰোতা মানুহে বিনাই-বিনাই কান্দি আছে। মই আগবাঢ়ি গলো। মানুহজনী বসুদেৱৰ ঘৈণীয়েক। সাত মাইল দূৰৰপৰা তাই দৌৰি-দৌৰি গিৰিয়েকৰ ওচৰলৈ আহিছে। এজাক মানুহৰ লগত শাৰীপাতি বহি গিৰিয়েকে ৰঙীন তৰল পদাৰ্থৰে ভৰপূৰ বটলত লেবেল লগাইছে; স্থানীয় প্ৰেছত ছপোৱা বিদেশী ঔষধৰ লেবেল। হেলিকপ্টাৰৰপৰা নমা মানুহ দুটাই বসুদেৱহঁতৰ ক্লজআপ ফটো তুলিছে।

এখন ৰেস্তোঁৰাৰ সন্মুখ পালোহি। অসময় আছিল কাৰণেই হ'বলা, ৰেস্তোঁৰাখনত গোট মাৰি থকা মানুহ প্ৰথমতে চকুত নপৰিল। চকীবোৰ খালী। কিন্তু এজন ডেকাই বৰ অস্থিৰভাৱে দোকানখনৰ ভিতৰত অহা-যোৱা কৰি আছে। তাৰ নাম সুধাময়। অমিয়া নামৰ এজনী ছোৱালীৰ লগত তাৰ বিয়াৰ বন্দবস্ত হৈ আছে। অমিয়াই এইখন চহৰত থাকি পঢ়িছে। বৰ্তমানে তাইৰ পৰীক্ষা চলি আছে। দুৰ্ঘটনাটোৰ খবৰ শুনি সুধাময়ে উধাতু খাই অমিয়াৰ খবৰ লবলৈ আহিছে, আৰু বৰ্তমানে ৰেস্তোঁৰাৰ ভিতৰত উত্তেজিতভাৱে খোজ চলাই আছে। অমিয়াৰ বুঢ়া বাপেকক ৰঞ্জন নামৰ ল'ৰা এটাৰ বুঢ়া বাপেকে, কেবিন এটাৰ সন্মুখত ডবিয়াইছে,—"নিজৰ ছাগলী ভাল হলে তাই কিয় লোকৰ বাৰীৰ ঘাঁহ খাবলৈ যাব? আপোনাৰ ছোৱালী যদি ভাল—"

মই কেবিনটোৰ ওচৰলৈ গলো। পদাখন পাথৰ হৈ আছে যদিও,

এটা ফাকেদি মই ভিতৰখন দেখিলো। অমিয়াই পৰীক্ষা ড্ৰপ কৰি আহি গম্ভীৰ মুখেৰে বহি আছে। তাইৰ বাঁও হাতখন দুয়োখন হাতেৰে ধৰি তাইৰ মুখলৈ চাই থকা ৰঞ্জন পাথৰ হৈ আছে। দেখিলেই ধৰিব পাৰি, তাৰ মুখৰ শেষ বাক্য কেইটা আছিল,—"তুমি মিছায়ে দুখ কৰিছা অমিয়া। ইউনিভৰ্ছিটিয়ে পতা পৰীক্ষাইতো জীৱনৰ একমাত্ৰ পৰীক্ষা নহয়। ইয়াতকৈও কঠিন পৰীক্ষা আছে। সেই পৰীক্ষাৰ কাৰণে সাজু হোৱাটোহে ডাঙৰ কথা।"—ইত্যাদি।

ছাপ্লাই অফিছাৰ কীৰ্তিভূষণে চাৰিটা খুলশালীয়েকৰ পঢ়াৰ খৰচ দিয়ে। মই দেখিলো,—এতিয়া চাৰিওটা খুলশালীয়েকে তেওঁক বেৰি ধৰি কান্দিছে। এক শকত-আৱত মানুহে এজাপ নোট কীৰ্তিভূষণলৈ আগবঢ়াই দিছে, কীৰ্তিভূষণেও নোটজাপ ধৰিছে। তেওঁৰ প্ৰসাৰিত হাতৰ তলেদি মূৰটো সুমুৱাই সৰু খুলশালীয়েকটোৱে তেওঁক সাৱট মাৰি ধৰি ভেং-ভেংকৈ কান্দি আছে।

দৃশ্যবোৰ চাবলৈ মই যিমান সময় পাইছিলো, সেই হিচাপে বিশেষ একো চাব নোৱাৰিলো। মানুহৰ ভিৰৰ মাজেদি আগবঢ়াই টান। আটাইতকৈ বেছি দিগদাৰী কৰিছিল এই হেলিকপ্টাৰবপৰা নমা মানুহবোৰে। ফটো ফটো ফটো; সিহঁতক কেৱল ফটো তুলিবলৈ লাগে। দৌৰা-দৌৰি, হেঁতা-ওপৰা, ঠেলা-ঠেলি। মোৰ ধাৰণা হ'ল—সিহঁতে চহৰখনৰ এক ইঞ্চি ঠায়ো বাদ নিদিলে। সিহঁতৰ হয়তো ফটো তোলা সহজে শেষ নহ'লহেঁতেন; কিন্তু এসময়ত এই অভিশপ্ত চহৰখনে মুক্তি পালে।

এবাৰ হঠাতে মূৰ্তিবোৰ লৰি উঠিল। মুহূৰ্তৰ ভিতৰতে গাড়ী-ঘোঁৰা মানুহ সকলো ঠিক আগৰ নিচিনা হৈ পৰিল। বহুত সময়ৰ কাৰণে এই চহৰৰ মানুহ আৰু বাহিৰৰ বহুত চহৰবপৰা অহা মানুহবোৰে লগ লাগি এক অবৰ্ণনীয় হুলস্থুল খেলিমেলিৰ সৃষ্টি কৰিলে। এই খেলিমেলিৰ মাজত মই দুটামান ঘটনা মন কৰিলো। এই ঘটনাকেইটা সেই আকাশবাণীটোৰ ভুলৰ কাৰণে ঘটিবলৈ পালে যেন লাগিল। কোৱা শুনিছিলো—"তাৰ পাছত সকলো বস্তু, সকলো মূৰ্তি

আকৌ আগৰ নিচিনা হৈ যাব। এই ভুলটোৰ সুবিধা লৈয়েই হ'বলা, চহৰখনৰ দুখন পাৰ্কত আগৰে পৰা থকা দুটা মূৰ্তিও পকা বেদিৰপৰা নামি আহিল। এখন পাৰ্কত আছিল ৰায় বিষ্ণুপদ বাহাদুৰৰ এটা হুবহু প্ৰস্তৰ মূৰ্তি। তেখেত এসময়ত দোৰ্দণ্ড-প্ৰতাপী চৰকাৰী বিষয়া আছিল। তেখেতৰ প্ৰতাপৰ স্মৰণাৰ্থে সেই সময়ৰ শাসনকৰ্তা-সকলে তেখেতৰ মূৰ্তিটো সজাই থৈছিল। আজি সুবিধা পায়েই বিষ্ণুপদ বেদীৰপৰা নামি, কমিছনাৰৰ বঙলাৰ ফালে লৰালৰিকৈ খোজ ললে। চাকৰিত থকা কালত তেওঁ এখন গাওঁ ৰে'ইড কৰি বাৰ সেৰ সোণৰ গহণা পাইছিল। সেই সোণখিনি তেওঁ সেই ৰাতিয়েই কমিছনাৰ ষ্টিফেনছন চাহাবৰ ঘৈণীয়েকৰ হাতত জমা থৈছিল, আৰু সেই ৰাতিয়েই এদল মানুহে তেওঁক হত্যা কৰিছিল। আজি সুবিধা পাই, বেদীৰ পৰা নামিয়েই তেওঁ সোণখিনিৰ খবৰ কৰিবলৈ বুলি কমিছনাৰৰ বঙলাৰ ফালে খোজ ললে।

অইন এখন পাৰ্কত এজন উদং গাৰ, আঠুমূৰীয়া চুৰিয়া পিন্ধা বুঢ়া মানুহৰ মূৰ্তি এটা আছিল। ভালেমান ভাল কাম কৰাৰ কাৰণে মানুহজনক স্মৰণযোগ্য বুলি ধৰি লৈ কিছুমান মানুহে তেওঁৰ মূৰ্তিটো প্ৰতিষ্ঠা কৰিছিল। মানুহজনে কিবা কথাত আমনি পাই আছিল হবলা, আজিৰ এই সুবিধাটো পাই তেওঁ মাটিলৈ নামি আহিল, আৰু হাতৰ লাখুটি ডালৰ সহায়ত খুপি-খুপি আঁতৰি গ'ল। অগণন মানুহৰ মাজেদিয়েই তেওঁ গুচি গ'ল, কিন্তু কোনেও তেওঁলৈ মনেই নকৰিলে। তেওঁ কলৈ গলগৈ, ময়ো ধৰিব নোৱাৰিলো।

লাহে-লাহে চহৰখনত মানুহৰ ভিৰ কমিল।

"কোনোবাই যদি পাথৰ হৈ যোৱাৰ আগমুহূৰ্তত এই পৃথিৱীত নিজৰ প্ৰয়োজনীয়তা শেষ হৈ যোৱা বুলি ঠিক কৰিছিল, তেনেহ'লে সেইবোৰ প্ৰাণী, সেইবোৰ বস্তু পাথৰ হৈয়েই থাকি যাব।"—আকাশ-বাণীটোৰ এই কথাষাৰৰ সুবিধা লৈ চহৰখনত কিছুমান বস্তু আৰু প্ৰাণী পাথৰ হৈয়েই থাকি গ'ল। সেইবোৰৰ ভিতৰত থাকিল,—কেইবাজনীও ৰোৱাৰী থকা শাহু কিছুমান, বৰ কষ্টৰে পুতেকহ'তক

মানুহে কৰা বৃদ্ধ কিছুমান, অফিছ আৰু ৰাজহুৱা ঘৰত থৈ আৰু পিক পেলাবলৈ থোৱা বাচনবোৰ, ডাঙৰ-ডাঙৰ কমিছনৰ ৰিপ'ৰ্ট কিছুমান, ডেভেলপমেণ্ট প্লেন লিপিবদ্ধ কৰি থোৱা ফাইল কিছুমান ; কেনছাৰ বেমাৰী কিছুমান ;—ইত্যাদি।

চহৰখন কিন্তু সহজে শান্ত নহ'ল। কেইদিনমানৰ পাছৰপৰা সেই ফটোগ্ৰাফাৰবিলাকে তোলা ফটোবিলাকৰ হাজাৰ-হাজাৰ কপিৰে চহৰখন ভৰি পৰিল। ফটোবিলাকে মানুহ কিছুমানক বহুত কথা নতুন ধৰণে চিন্তা কৰিবলৈ শিকালে, বহুত কাম নতুন ধৰণে কৰিবলৈ শিকালে। প্ৰথমতে সেই মানুহবোৰে, সিহঁত থকা ফটোবোৰৰ এটাইবোৰ কপি নষ্ট কৰি পেলাবলৈ চেষ্টা কৰিছিল। কিন্তু ফটোৰ সংখ্যা হ'ল অগণন ; এখন যদি ফালি পেলায়, তেনেহলে মূৰ বেঁকা কৰিলেই আৰু দহখন ফটো দেখে। গতিকে এসময়ত সিহঁতে ফটো ফালি শেষ কৰাৰ বৃথা চেষ্টা বাদ দিলে।

এদিন মোৰ সমুখেদি এটা প্ৰছেছন পাৰ হৈ গ'ল। ন্যায্য অধিকাৰ আদায় কৰাৰ উদ্দেশ্যে আয়োজিত প্ৰছেছন। সমুখত চিঞৰি-চিঞৰি শ্ল'গান গাই গৈছিল ৰামলাল আৰু বসুদেৱে। সিহঁতৰ ঠিক পিছতে আছিল সেই খইনিলৈ আশা কৰি ৰহি থকা বনুৱাকেইটা।

এদিন এখন নিমন্ত্ৰণী চিঠি পালো। শ্ৰীশ্ৰীআনন্দ মন্দিৰত এখন তিনিদিনীয়া আন্তঃৰাজ্যিক ধৰ্মসভাৰ আয়োজন কৰা হৈছে। চিঠিখনৰ তলত হৰিহৰ ঠাকুৰৰ নাম। তেওঁ চেক্ৰেটৰি।

এদিন দেখিলোঁ—এখন বিৰাট ছাত্ৰসভাত অশ্বিনীয়ে বৰ্তমানৰ শিক্ষা-ব্যৱস্থাৰ, বিশেষকৈ পৰীক্ষাৰ ব্যৱস্থাৰ আমুল পৰিবৰ্তনৰ সপক্ষে এটা আন্দোলন গঢ়ি তুলিবলৈ সকলোকে উদাত্ত কণ্ঠেৰে আহ্বান জনাইছে।

এদিন এখন আলোচনীত এলানি প্ৰবন্ধ পঢ়িলো। এটা প্ৰবন্ধৰ নাম হ'ল,—"এটি সুখী পৰিয়াল : নাৰীৰ কৰ্তব্য।" অইন এটাৰ নাম হ'ল, "সময়ৰ দোমোজাত আজিৰ যুৱতী,"—ইত্যাদি। প্ৰবন্ধবোৰ লিখিছে অমিয়াই।

কিছুদিনৰ ভিতৰতে মই নিশ্চিন্তভাৱে ঠিক কৰিলো, এই চব মানুহে প্ৰচুৰ পৰিমাণে ভাং খায়। চম্ভালিব নোৱাৰে, অথচ ভাং খায়।

ভাগ্য ভাল, এই বস্তুটোৱে মোৰ গাত ক্ৰিয়া কৰিব নোৱাৰে।

## ৰাক্ষস

পৰমেশ্বৰ ঘৰৰ পৰা ওলাই যোৱাৰ মুহূর্তটোলৈ ঘৰখনৰ প্ৰত্যেকটো প্ৰাণীয়ে শংকিত আৰু উৎকণ্ঠিত হৈ বাট চাই থাকে। কলহ পাৰত মমতাই পিৰিচ, পিয়লা, বাটি, গিলাছ, চামুচ, ছাকনি, কেটলি আদি এসোপামান চাহৰ বাচনৰ মাজত বহি টুং-টাং শব্দ তুলি আছে; কিন্তু তাইৰ কাণ দুখনে ঘৰটোৰ ভিতৰৰ শব্দবোৰ পৰীক্ষা কৰি আছে—দেউতাক গল নে নাই। ৰবীনে পঢ়া মেজত বহি আঠু দুটা লৰাই খিৰিকিয়েদি পদুলিলৈ ওলাই যোৱা বাটটোৰ যিকণ দেখি, সেইকণলৈ চাই আছে,—কেতিয়া বাটমুৱা হৈ দেউতাকৰ সেইখিনিত আবিৰ্ভাৱ হয় আৰু বাটৰ ফালে গৈ-গৈ তেখেত অদৃশ্য হয়। তাৰ জেপত আৰু বেছি অধীৰভাৱে অপেক্ষা কৰি আছে এটা দিয়াচলাই আৰু এটুকুৰা আধা-পোৰা ছিগাৰেটে: পৰমেশ্বৰ ওলাই যোৱাৰ পাছত ৰবীন ওচৰৰ মেছটোত সোমোৱাৰ লগে-লগে সিহঁতৰ উত্তেজনা আৰু বেদনাৰ অৱসান ঘটিব। মঞ্জুৱে ভূগোলৰ বহীখনৰ এটা পাতৰ মহাসাগৰ এখনত, আগতে বোলাই থোৱাৰ ওপৰতে, ৰঙীন পেনছিলডালৰ নীলা মুৰটো লাহে-লাহে ঘঁহাই আছে; বুৰঞ্জী কিতাপখনৰ মলাটৰ ভিতৰত কালি গধুলি লিখি থোৱা চিঠিখন আছে; দেউতাক ওলাই যোৱাৰ পাছত তাই "মোৰ হৃদয়ৰ" আৰু "প্ৰীতিৰে ইতি"—ইত্যাদি কথাখিনিৰ ওচৰে-ওচৰে পেনছিলডালৰ ৰঙা মুৰটোৰে দুপাহ সৰু-সৰু ফুল আঁকিব; সুবিধা হ'লে গোটেই চিঠিখন ৰিভাইজ কৰিব আৰু কিনাৰত 'কিমান যে লিখিব থাকিল, কাগজখন দেখোন শেষেই হ'ল—বুলি এটা বাক্য লগাই দিব। হেমন্তই মঞ্জুৰ পৰা অলপ দূৰতে বহি এসময়ত গোদাবৰী নদীৰ পাৰত এজোপা ডাঙৰ শিমলু গছ আছিল বুলি উচ্চকণ্ঠে ঘোষণা কৰি আছে; মিলৰ পৰা মোন হিচাপে কিনা খৰিৰ মাজৰ পৰা বাছি লোৱা এছটা কাঠক যোৱা তিনি দিনে সি এখন ক্ৰিকেট-বেটৰ ৰূপ দিয়াৰ চেষ্টা কৰি আছে; দেউতাক ওলাই যোৱাৰ পাছ মুহূর্ততে সি দাখন হাতত লব আৰু

পাগঘৰৰ পিছফালে শুকান গছ পাতেৰে ঢাকি থোৱাৰ পৰা আধাকৰা বেটখন উলিয়াই আনিব। ৰীতাই তাইৰ কিতাপ-বহীবোৰ ঠিক কৰাৰ নিচিনা দেখুৱাই আছে; কিন্তু তাই প্ৰতিমুহূৰ্তে চিন্তা কৰি আছে নতুন ফিটা দুডালৰ কথা। তাই নিজে গোটোৱা পইচাৰে কালি স্কুলৰ পৰা আহোঁতে ফিটা দুডাল কিনি আনিছে, কিন্তু ঘৰ সোমোৱাৰ লগে-লগে গীতাই মোক দে মোক দে কৈ চিঞৰ-বাখৰ লগালে। সহ্য কৰিব নোৱাৰি মাক সুশীলাই কলে, "দেচোন তাই অকণমান লওক। দিব নহয় আকৌ।" আবেলিতে ফিটা দুডাল গীতাৰ মূৰত উঠিল, আৰু যেতিয়া সেই দুডাল খুলি ৰীতাক দিয়াৰ সময় হ'ল, তেতিয়া দেউতাক আহি ঘৰ সোমাল। তাৰ পাছত আৰু ফিটা লৈ যুদ্ধ কৰা প্ৰশ্নই নাই। ৰীতাই মাজে-মাজে মৰম কৰাৰ ছলেৰে গীতাৰ মূৰটোত হাত দিয়ে, আৰু গীতাই লগে-লগে টেঁকৈ চিঞৰি উঠে। সেই শব্দ শেষ হ'ল কি নহ'ল, সিফালৰ পৰা পৰমেশ্বৰৰ মাত ভাঁহি আহে। হাৰমনিয়ামৰ একেবাৰে বাওঁফালৰ ৰিডটোৰ শব্দৰ লগত বন্ধা মাত—"কি হৈছে?" ৰাতি এবাৰ সাৰ পায়ো ৰীতাই গীতাৰ মূৰত হাত দিছে, কিন্তু লগে-লগে গীতায়ো সাৰ পাইছে। ৰাতিপুৱা শুই উঠি, কেনেবাকৈ ৰীতাই ফিটা লৈ যায় বুলি, গীতা মাকৰ ওচৰে-ওচৰে ফুৰিছে। ৰীতাই বাট চাই আছে,—দেউতাক যোৱাৰ লগে-লগে তাই গীতাৰ ওপৰত জাঁপ মাৰি পৰিব; আৰু তাই যদি খুলি নিদিয়ে, তেনেহলে তাইৰ চুলি কোঁচাৰে সৈতে ফিটা দুডাল তুলি আনিব। সুশীলাই পৰমেশ্বৰৰ অলপ দূৰে-দূৰে থাকি লক্ষ্য ৰাখিছে—মানুহটো যেন সুকলমে ওলাই যাব পাৰে।

হঠাতে এবাৰ ৰবীনে দেখিলে পদুলিলৈ ওলাই যোৱা বাটটোৰ এমূৰত দেউতাকৰ আবিৰ্ভাৱ হৈছে। তেখেতে ছাতিটোৰ ফিটাৰ বান্ধটো খুলিছে; মকৰা, পঁইতাচোৰা কিবা সোমাই আছে বুলি ছাতিটো এবাৰ জোকাৰিছে, এই তেখেত আগবাঢ়িছে, এই ছাতিটো মেলে—

পৰমেশ্বৰ ৰৈ গ'ল। তেখেতে হাৰমনিয়ামৰ একেবাৰে বাওঁফালৰ ৰিডটোৰ মাতৰ নিচিনা এটা মাত উলিয়ালে—"এই ৰবীন, এই হেমন্ত।"

পৰমেশ্বৰৰ এই মাতটো ওলালেই ঘৰখনৰ প্ৰত্যেকটো প্ৰাণীৰ বুকুবোৰ কোঁচ খাই যায়। আনকি পাঁচ বছৰীয়া গীতায়ো ওচৰত থকাটোৰ মুখলৈ চায়। পৰমেশ্বৰৰ মেজাজ বৰ উগ্ৰ। আগৰে পৰাই তেওঁৰ স্বভাৱ উগ্ৰ আছিল, কিন্তু আজি কিছু দিনৰ পৰা, বিশেষকৈ ব্যৱসায় বেয়া হৈ অহাৰ পৰা তেওঁৰ মেজাজ অত্যন্ত খিটখিটীয়া হৈ আহিছে। তেওঁৰ ব্যৱসায় আছিল ভাওনা – থিয়েটাৰ-যাত্ৰাৰ সাজ-পাৰ আৰু বিভিন্ন ধৰণৰ সামগ্ৰী ভাৰালৈ দিয়াৰ। চাহজাহানৰ চোলা, দ্ৰৌপদীৰ ব্লাউজ, হলৰইড চাহাবৰ টুপী, ৰাৱণৰ মুখা, বাজমাওৰ মুঠিখাৰু, শিৱাজীৰ তৰোৱাল, ডকাইত আৰু প্ৰেমিকৰ পিস্তল— এইবোৰ লৈয়েই পৰমেশ্বৰৰ ব্যৱসায়। ব্যৱসায় এসময়ত ভাল চলিছিল। ভাওনা-থিয়েটাৰ-যাত্ৰাৰ পোন্ধৰ দিনৰ আগতে খবৰ দিলে পৰমেশ্বৰে যি কোনো বস্তুৰ যোগান ধৰিব পাৰিছিল। কোনোবা ডুবিবলৈ আৰম্ভ কৰা ৰাজ্যৰ শেষ ৰজাৰ কাৰণে গুড়গুড়ী এটা লাগে ; পৰমেশ্বৰে ঘৰৰ পৰা এতায়েকৰ দিনৰ গুড়গুড়ীটো নি ৰাং-পতা লগাই উপযোগী কৰি দিছিল, তথাপিও দিছিল। কিন্তু লাহে-লাহে যাত্ৰা-ভাওনা নোহোৱা হৈ আহিল ; থিয়েটাৰ থাকিল, কিন্তু সেই থিয়েটাৰ যেন সকলোৱে ঘৰত পিন্ধা কাপোৰ আৰু কেই পেকেটমান ছিগাৰেট আৰু কেইটামান দিয়াচলাই হ'লেই চলি যোৱা বিধৰ হ'ল। পিস্তল, দেগাৰ—এইবোৰ অৱশ্যে যথেষ্ট পৰিমাণে লগা হৈ থাকিল ; কিন্তু অকল পিস্তল-দেগাৰ ভাৰালৈ দি পৰমেশ্বৰে কেই পইচা পাব ? ৰাৱণৰ মুখা বেৰত বিবৰ্ণ হৈ ওলমি আছে, তাৰ মুখৰ গহ্বৰত জেঠীয়ে কণী পাৰিছে। চাহজাহান-দ্ৰৌপদীৰ কাপোৰবোৰ চুলেই গোটেই গাটো তোবোৰা-তোবোৰ হয় ; বিছাৰে বা বিছাৰ বাহেৰে ভৰ্তি। তৰোৱাল দুখনমান খাপৰ পৰা উলিয়াবই নোৱাৰি ; খাপে তৰোৱালে লগ লাগি গৈছে।

আৰু বাজমাও, ৰাৱণ, দ্ৰৌপদী, হলৰইড এই এটাইমখা মৰি যেন এই পৃথিৱীত পুনৰ এক এক কৈ মমতা, ৰবীন, মঞ্জু, হেমন্ত আদিৰ ৰূপত আবিৰ্ভূত হৈছে !

গতিকে কিছুদিনৰ আগতে পৰমেশ্বৰে ব্যৱসায়ৰ অলপ পৰিৱৰ্তন

সাধিছে। তেওঁ তিনিটা মাইক্ৰফ'নৰ ছে'ট কিনিছে। সেই তিনিটা ভাৰালৈ দিয়ে। কিন্তু কামটো বৰ অশান্তিজনক। আগতে কোনোবাই দুৰ্যোধনৰ চোলাৰ বুটাম এটাইকেইটা ছিঙি চোলাটো ওভোতাই দিছিল, পৰমেশ্বৰে বৰ বেছি চিন্তা নকৰিছিল। কিন্তু আজিকালি কোনোবা মিটিঙত যন্ত্ৰবোৰে কথাৰ মাজত পোঁ-পোঁ কৰিলেই পইচাখোৰ, বদমাচ, অতপলীয়াহঁতে ভাৰাৰ পইচা কাটে। কেতিয়াবা নিদিয়েই কেতিয়াবা পৰমেশ্বৰৰ দৰমহা খোৱা মেকানিকটো বহি থাকোঁতেই কোনোবা সবজান্তা ভলণ্টিয়াৰে ছে'টটোৰ ইটো-সিটো পকাই দিয়ে, ফলত ভাল্‌ভ্‌ জ্বলি যায়, কনডেন ছাৰ নষ্ট হয়। কোনোবাই ছমছাদ বেগমৰ অত্যন্ত জনপ্ৰিয় ৰেকৰ্ডখন ৰাখি থয় দামটোও নিদিয়ে। "এস্‌, পুৰণা ঘেগেলা ৰেকৰ্ড চব ঘাট কাটি গৈছে, একে ঠাইতে মেৰে দিল—মেৰে দিল—মেৰে দিল কৰি থাকে, সেইখন ৰেকৰ্ডৰ আকৌ দাম!—বুলি ওলোটাই পৰমেশ্বৰক ধমকি দি গ্ৰাহক গুচি যায়। মাইক্ৰফ'ন ভাৰালৈ দিয়া দোকান গধূলি-গধূলি এমপ্লিফায়াৰত গান বজাবই লাগিব। গতিকে গ্ৰাহকৰ ধমকি খোৱাৰ পাছতো পৰমেশ্বৰে গ্ৰামোফোনটোত ৰেকৰ্ডখন লুটিয়াই দি নাক—মুখ কোঁচ খুৱাই বহি থাকে। ইফালে এমপ্লিফায়াৰৰ উচ্চ কণ্ঠত উলফত বেদদি আদিৰ বৰ্ণনা চলি থাকে।

আজিকালি পৰমেশ্বৰে ঘৰখনৰ ভিতৰত বিনা কাৰণত কোনোবাই কাহ এটা মৰাও সহ্য কৰিবলৈ টান পায়। সকলো বস্তু চিজিল হৈ থাকিব লাগিব। প্ৰত্যেকটো মানুহ চিজিলত চলিব লাগিব। ঘৰখনৰ কাৰো চিজিলত চলিবলৈ আপত্তি নাই, কিন্তু কোন মুহূৰ্তত পৰমেশ্বৰৰ মগজত কিহে উক দিয়ে, তাৰ কোনো ঠিক নাই কাৰণেহে সিহঁতৰ বিপদ।

এই যেনিবা ঘটি, গামোচা, এঙাৰ, বাল্টিত পানী,—এটাইবোৰ ঠিক আছে, পৰমেশ্বৰ গৈছে এঙাৰ টুকুৰা তুলি লবলৈ, হঠাতে তেওঁ সুধিলে, "এই আচাৰৰ বটলকেইটা ৰ'দত দিয় নে নিদিয়?"

মমতাই সাউৎকৈ মাকৰ মুখলৈ চাই লৈ কয়, "দিওঁ, সদায় দিওঁ। কালিও দিছিলো চোতালত ৰ'দ পৰিবলৈ বাট চাই আছোঁ; পৰিলেই আজিও দিম।"

"ক'ত কালি দিছিলি ? পৰহিৰ পৰা মই বটলকেইটা একে চিনতে দেখিছোঁ।"—পৰমেশ্বৰৰ মাত একেকোবেই হাৰমোনিয়ামৰ একেবাৰে সোঁফালৰ ৰিডটোৰ মাতলৈ উঠে। তাৰপাছত তেওঁ ঘৰত থকা সময়খিনি সেই ৰিডটোৰ বাহিৰে হাৰমোনিয়ামটোৰ এটাইবোৰ ৰিডৰ কথা পাহৰি থাকে, কিন্তু প্ৰায় অনবৰত সৰৱ হৈ থাকে। দোকানত থকা সময়খিনি তেওঁ কি কৰি থাকে মমতাহঁতে নাজানে, কিন্তু দোকানৰ পৰা আহি ঘৰ পোৱাৰ লগে-লগে তেওঁ আকৌ সেই মাত ডিঙিলৈ আনি লয়, আৰু দোকানলৈ যোৱাৰ আগতে য'ত শেষ কৰিছিল, ঠিক তাৰ পৰা বক্তব্য আৰম্ভ কৰে। আনকি কেতিয়াবা ৰাতি টোপনি যোৱাৰ আগমুহূৰ্তত যদি তেওঁ কয়, "এনেকৈ ঘৰ নচলিব কৈ দিছোঁ। চব ঘৰৰ পৰা ওলাব লাগিব",—তেনেহলে পুৱা শোৱাৰ পৰা উঠিয়েই "আৰু তহঁত যদি নোলাৱ, ময়েই বাহিৰ ওলাম"—বুলি আৰম্ভ কৰে।

পৰমেশ্বৰৰ মেজাজে আটাইতকৈ বেছি স্তব্ধ কৰিলে মমতাক। সেইবাৰ মমতাই আই-এ পৰীক্ষা দি ঘৰতে অলসভাৱে দিন কটাইছে। সেই সময়তে ইলেভেন টাইগাৰছ নামৰ নতুনকৈ গঠিত হব খোজা ফুটবল টিম এটাৰ গ'লকিপাৰ আৰু কেপ্টেইন কীৰ্তিভূষণ নামৰ ল'ৰা এটা সিহঁতৰ ঘৰলৈ কেইবাদিনো একেলেঠাৰিয়ে আহিছে ; আহিছে ৰবীনক সেই টিমটোৰ ৰাইট আউট হিচাপে খেলিবলৈ ৰাজী কৰাবলৈ। ৰবীনে বিশ্ববিজয়ী নামৰ অইন এটা টিমৰ পৰা তিনিখন ছিনেমা চোৱাৰ দাম লৈ থৈছে, কিন্তু ইলেভেন টাইগাৰৰ মুখ্য টাইগাৰটো তাৰ বন্ধু কাৰণে তাকো কথা দি থৈছে। গতিকে সি অলপ মস্কিলত পৰিছে আৰু কীৰ্তিভূষণ কেইবাদিনো আহিবলগীয়া হৈছে। দেউতাক ঘৰত থকা সময়তহে ৰবীন ঘৰত থাকে, গতিকে পৰমেশ্বৰে কীৰ্তিভূষণক কেইবাদিনো দেখিলে। আছে আছে, হঠাতে এদিন তেওঁ বাঁওফালৰ ৰিডটোৰে ঘৈণীয়েকক সুধিলে, "এই ল'ৰাটো সদায় কিয় আহে ?"

সুশীলাই কলে,—ৰবীনৰ লগৰ ল'ৰা ; কিবা কামত আহে।

"সেই ডাঢ়ি-গোঁফ পাক খোৱা বুঢ়াটো ৰবীনৰ লগৰ ল'ৰা ?"—

পৰমেশ্বৰে হুংকাৰ তুলিলে। সি ৰবীনৰ ওচৰলৈ আহে? মই নাজানো সি কি মতলবত আহে?"

ডেকা ল'ৰা, গাভৰু ছোৱালীৰ মতলবৰ প্ৰতি পৰমেশ্বৰৰ তিলমানো ভাল ভাব নাই। থিয়েটাৰৰ ড্ৰেছ পিন্ধাবলৈ গৈ, মাইক্ৰ'ফ'ন ছে'টৰ লগত গৈ তেওঁ বহুদিন ধৰি বহু গ্ৰিনৰুম দেখিছে। দৰ্শকে কি থিয়েটাৰ দেখে তেওঁ নাজানে, কিন্তু তেওঁ আচল থিয়েটাৰ দেখিছে। যি মতলবত ল'ৰা-ছোৱালীবোৰে দৰ্শকক উপলক্ষ্য কৰি থিয়েটাৰ পাতে, তেওঁ সেই মতলবৰ নিৰ্ভেজাল ৰূপ দেখিছে। কি নিৰ্লজ্জ, অসভ্য কাৰবাৰ! বিছ ফুট দীঘল পোন্ধৰ ফুট বহল ষ্টেজ কৰবাতে থাকে, ইফালে সিহঁতৰ প্ৰাণঢলা অভিনয় হয় গ্ৰিণৰুমৰ অন্ধকাৰ চুকবোৰত। ইহঁতক তিলমানো সহ্য কৰিব নোৱাৰি। ইহঁত বৰ্বৰ।

"কোনে তাক ঘৰ লগাইছে? গাভৰু ছোৱালী থকা ঘৰত কিহৰ আড্ডা?"—সোঁফালৰ ৰিডটোৰে পৰমেশ্বৰে সেইদিনা ঘৰ কঁপাই তুলিলে। "খবৰদাৰ, আৰু এদিন যদি মই তাক ইয়াত দেখোঁ, তাক—তাক মই মুচৰি পেলাম।"

সেইদিনাই ৰাতি পৰমেশ্বৰে ঘোষণা কৰিলে, যিমান পঢ়িলে পঢ়িলে, মমতাই আৰু পঢ়া-শুনা কৰিব নালাগে। তাইৰ ফুৰা-চকা বন্ধ। ঘৰত সোমাই থাকক তাই।

সঁচাসঁচিকৈয়ে মমতাৰ পঢ়াশুনা বন্ধ হৈ গ'ল। মমতাই মুখেৰে একো আপত্তি নকৰিলে। তাই বিচাৰে—দেউতাকৰ মুখখন বন্ধ হৈ থাকক। তাৰ কাৰণে তাই যি কৰিব লাগে তাকে কৰিব। ইফালে সিফালে নিচেই ওচৰতে মানুহৰ ঘৰ আছে, সেইবোৰ ঘৰত ডেকা-ডঙুৰা ল'ৰা আছে, একে বয়সৰ ছোৱালী আছে, দেউতাকে চিঞৰিলে মমতাই বৰ লাজ পায়।

দেউতাকৰ মুখখন বন্ধ ৰাখিবৰ কাৰণে মমতাই যি কৰিব লাগে ইমান দিনে তাকে কৰি আহিছে; আৰু তাইৰ ডেউকাৰ তলতে থাকি যেন ৰবীণ মঞ্জুহঁতে যি ইচ্ছা তাকে কৰিছে। সিহঁত দুটাই চিঠি-লিখা প্ৰেমত ধৰিছে। মঞ্জুৱে চিঠি লিখে ৰবীনৰ বন্ধু এটালৈ, ৰবীনে চিঠি

লিখে মঞ্জুৰ বান্ধৱী এজনীলৈ। মমতাই মঞ্জুক মাজে-মাজে কয়, "কেতিয়াবা সৰ্বনাশ হ'ব কিন্তু কৈ দিছোঁ।"

মঞ্জুৱে নিভীকভাৱে উত্তৰ দিয়ে, "কি সৰ্বনাশডাল হ'ব? তই গণ্ডগোল নলগালেই হ'ল।"

ৰবীনে কেতিয়াবা মমতাৰ ডিঙিটো সোঁহাতেৰে মেৰিয়াই ধৰি আদৰ কৰি কয়, "তই থাকিলে আমাৰ কোনো চিন্তা নাই ছিণ্টাৰ।"

পৰমেশ্বৰে সিহঁত দুটাৰ কথা এইটো দিশৰ পৰা চিন্তাই নকৰে। পৃথিৱীত যিমান প্ৰেম আছিল, এটাইখিনিতো মমতাই কৰি শেষেই কৰিলে, গতিকে ৰবীন-মঞ্জুহঁতে আৰু কিটো কৰিব? হেমন্তইতো কেতিয়াবা মমতাৰ চাদৰৰ আঁচলৰ আঁৰত লুকাবই খোজে। দেউতাক ঘৰত থকাৰ সময়ততো সেয়াই, নথকা সময়তো কেতিয়াবা মমতাই তাৰ লগত ক্ৰিকেট বলৰ কেচ ধৰা খেলিব লাগে। বীতাৰ আকৌ লগৰ ছোৱালী বহুত; স্কুলৰ পৰা আহি কিবা এটা খায়েই দৌৰ মাৰিবৰ সময়ত তাই মমতাক তাইৰ ভাগৰ কামখিনি কৰি থবলৈ কৈ যায়। গীতাক স্কুলত নাম লগাই দিয়া নাই; মমতাই তাইক ঘৰতে ক শ্ৰেণীৰ পঢ়াখিনি পঢ়াব লাগে। পাছত তাইক একেবাৰে খ শ্ৰেণীত নাম লগাই দিয়াৰ কথা। মমতায় পঢ়ায়, আৰু কেতিয়াবা মন গলে পৰমেশ্বৰে তাইক পঢ়া ধৰে।

অকল সেইখিনি সময়তেই নহয়, প্ৰতি দিনৰ, দেউতাক ঘৰত থকাৰ প্ৰতিটো মুহূৰ্ত মমতাৰ বুকুখন ধপধপাই থাকে।

আজি, পদুলিলৈ ওলোৱা বাটটোৰ যিকণ ৰবীনে পঢ়া মেজৰ পৰা দেখি থাকে, সেইখিনিত থিয় হৈ পৰমেশ্বৰ থমকি ৰল। তেওঁ ৰবীন, হেমন্তক মাতিলে। মাতটো সেই বাঁওফালৰ বিড়টোৰ। ৰবীন প্ৰায় একেজাঁপেই আগফাললৈ ওলাই আহিল।

"কি হল দেউতা?" —সি একান্ত বাধ্য সেৱকৰ সুৰেৰে সুধিলে।

"এই খৰিবিলাক কেইদিন ইয়াত পৰি আছে? কেতিয়া আনিছিলো মনত আছে?"

এইবোৰ প্ৰশ্ন ৰবীনহঁতে উত্তৰ দিয়াৰ কাৰণে নহয়। এইবোৰ প্ৰশ্ন সেপ গিলি-গিলি শুনি থাকিবৰ কাৰণে। ৰবীনহঁতে সেইটো জানে।

দেউতাকে কলে, "আজিউভতি আহি যেন ইয়াত এটুকুৰা খৰিও নেদেখোঁ।" ছাতিটো মেলি, দুখোজমান আগুৱাই তেওঁ আকৌ ঘূৰিল। এটা কামৰ কথা ভাবিলে তেওঁৰ মনলৈ দহোটা কামৰ কথা আহে। সেই-খিনিতে থিয় হৈয়েই তেওঁ ৰবীনক কলে—পাগঘৰৰ পিছফালখনৰ গছ-পাতবোৰ সাৰি, চাফা কৰি তাতে খৰিবিলাক জাপি-জাপি থব লাগিব; গীতাক সি ফাৰ্মাছিলৈ নি, ডাক্তৰক দেখুৱাই ঔষধ আনিব লাগিব; কোনোবা এজনীয়ে তেওঁৰ ক'লা পাৰিৰ চুৰিয়াখন ধুই থব লাগিব; সিহঁত এটাইকেইটাই লগ লাগি পিছফালৰ বাৰান্দাৰ মকৰাজালবোৰ একদম নাইকিয়া কৰিব লাগিব।

মমতাই ইতিমধ্যে কলৰ পাৰৰ পৰা আহি আঁৰবপৰা মনে-মনে দেউতাকৰ হুকুমবোৰ শুনিছিল। দেউতাকে ৰবীনক কব এটা, ৰবীনে তাইক কব এটা. পাছত দেউতাকৰ কথাৰ লগত কাম নিমিলিলে লাগিব গণ্ডগোল।

বিশেষকৈ আজি দিনটো মমতাই ঘৰখনৰ শান্তি বজাই ৰাখিবলৈ সৰ্বশক্তিৰে চেষ্টা কৰিব।

কালি ৰাতি মাকৰ লগত তাইৰ এবিধ নতুন কথা-বতৰা হৈছিল। ৰবীন আৰু মঞ্জুৱে প্ৰেম-পত্ৰ লিখিছিল, হেমন্তই পঢ়া কিতাপৰ মাজত আলোচনী এখন ভৰাই লৈ ক্ৰিকেট খেলুৱৈৰ ছবি চাই আছিল, ৰীতাই ফিটাৰ দুখত মুখ ওফোন্দাই মেজৰ সন্মুখত বহি আছিল, গীতাই পাগঘৰত মাকৰ ওচৰতে ক-খ কিতাপ মেলি লৈছিল, মমতাই আপোনমনে জিকাৰ সিৰ কাটিছিল. এনে সময়তে মাকে তাইক কথাটো কৈছিল। ৰেলৱেত কাম কৰা ল'ৰা এটাই এইখন চহৰলৈ কইনা বিচাৰি আহিছে। তাক এতিয়াই কইনা লাগেই। ছোৱালী পাব, বিয়া কৰাব, আকৌ চাকৰিত জইন কৰিবলৈ ছোৱালীসহ গুচি যাব। গোলাপৰ মাকে হেনো সুশীলাক মমতাৰ কথা সুধিছিল।

মমতা কিছু সময় নিস্তব্ধ হৈ বহি আছিল। লাজ-ভয়ে তাইক সেইখিনি সময় কথা কবলৈ বাধা দি ৰাখিছিল। কিন্তু এবাৰ জিকাবোৰ মিহিমিহিকৈ কুটি-কুটি, তললৈ চাই-চাই তাই কৈছিল, "বুইছ মা, এইখন

ঘৰত থকাৰ সুখতো তই পাইছই। বৰ কিবা লাগিছে আৰু। যাব লাগিবই যদি সোনকালে মোক পঠিয়াই দিয়াই ভাল।"

সুশীলাই কৈছিল, "চাওঁচোন দেউতাৰক কৈ। তেখেতেতো এইবোৰ কথালৈ কাণেই নকৰে।" অলপ পৰ ৰৈ তেওঁ আকৌ কৈছিল, "পিছে যিহে মূৰ্তি ধৰি থাকে, কওঁনো কেতিয়া? কবলৈ সুবিধা পালেহে।"

সুবিধা মমতাই কৰি দিব। তাই অপ্ৰাণ চেষ্টা কৰিব—ঘৰখন শান্ত কৰি ৰাখিবলৈ। দেউতাকক শান্ত কৰি ৰাখিবলৈ। মাকে যাতে সুবিধাটো পায়।

দেউতাক বাট পোৱাৰ অলপ পাছতে, তেখেত উভতি অহাৰ কোনো লক্ষণ নাই বুলি ঠিক কৰাৰ পাছতে ৰবীন মেছটোলৈ যাবলৈ ওলাল। জেপত ছিগাৰেটৰ টুকুৰাটো আছেতো? আছে। ৰীতাই দৌৰি আহি গীতাৰ চুলিত থাপ মাৰি ধৰিলে। মমতাই ৰবীনক কাকুতি কৰিলে, "মই পইচা দিওঁ, যা না, তই চাৰি-আলিৰ পৰা ফিটা দুগজ আনি দে।"

বাকছৰ চুকত সুমুৱাই থোৱা মাত্ৰ কেইটামান পইচাৰে দুটামান দি মমতাই ৰবীনৰ হতুৱাই গীতাৰ কাৰনে নতুন ফিটা অনালে।

তাৰ পাছত ৰবীন ওলাই গ'ল। মঞ্জু চুকত সোমাল। হেমন্ত পিছফালে দা লৈ ক্ৰিকেট বেট চাঁচাত লাগিল। গছপাতৰ লগতে কাঠৰ চোঁচ পেলাই সি পিছফালখন বৈছি লেতেৰা কৰিলে। স্কুললৈ যাবৰ সময়ত আজি মঞ্জু আৰু ৰীতাই গা ধোওঁতে তিওৱা কাপোৰ মেলি দি যাবলৈও সময় নাপালে।

মমতাই এটাইবোৰ কাপোৰ মেলি দিলে। দেউতাকৰ ক'লা পাৰিৰ চুৰিয়াখন ধুলে। পাগঘৰৰ পিছফালখন সাৰি চাফা কৰিলে। ঘোঁৰা গাড়ীৰে দুবাৰত অনা মিলৰ ফলা কাঠৰ ডাঙৰ-ডাঙৰ খৰিবোৰ এডাল-এডালকৈ পিছফালে নি জাপি থলে। টুল এখনত উঠি পিছ বাৰাণ্ডাৰ মকৰাজাল গুচালে। এইখিনি কৰি উঠোঁতে আবেলি হ'ল। মমতাৰ মুখখন তেতিয়া ৰঙা হৈ উঠিছে। তাইৰ গাটো ধুই পেলোৱাৰ নিৰ্চিনাকৈ তিতি গৈছে। হওক। তথাপি আজি ঘৰখনত শান্তি হওক। তাৰ পাছত মমতাই গীতাক ফাৰ্মাছিলৈ লৈ গ'ল।

সঁচাকৈয়ে ঘৰখনত আজি শান্তি-শান্তি লাগিল। আগফালে থকাৰ দ'মটো নেদেখাৰ কাৰণেই নে কি, পৰমেশ্বৰে ঘৰলৈ আহি ঠাণ্ডা মেজাজৰে কথা-বতৰা পাতিবলৈ ধৰিলে। শোৱাৰ আগমুহূৰ্তলৈকে মমতাই দেউতাকৰ মনটো বৰ ভাল দেখিলে।

এসময়ত পৰমেশ্বৰে সুশীলাক আঙুলিবিলাক টানি দিবলৈ সিটো কোঠালিলৈ মাতি নিলে। তেতিয়া মমতাৰ আৰু ভাল লাগিছিল।

শান্তি। মাকে যেন কথাটো দেউতাকক কব পাৰে। দেউতাকে যেন শান্ত চিত্তেৰে ভাল কথা কয়।

ৰবীন আৰু মঞ্জুৱে চিঠি পঢ়িছে। সিহঁতৰ আকৌ নিয়ম হ'ল, কালিৰ চিঠিখনৰ উত্তৰ আজি পাব, আজি দিয়া খনৰ উত্তৰ কাইলৈ পাব ; কিন্তু সদায় চিঠি পাবই লাগিব, দিবই লাগিব। নহলে—"তুমি যদি বুজিবলৈ চেষ্টা কৰিলাহেঁতেন এদিন চিঠি নাপালেই মই—।" অভিমান। বেদনা।

এসময়ত সিটো কোঠালিৰ পৰা পৰমেশ্বৰে মাত লগালে, তহঁত শুলিনে নাই ? লেম নুনুমাৱ কিয় ?"

মমতাই জাঁপ মাৰি উঠি গৈ "থৈ দে এইবোৰ" বুলি মঞ্জুক চেপা মাতেৰে ধমক এটা দি লেমটো নমুৱাই দিলে।

"আমি শুলো দেউতা। লেমটো পাহৰাতে জ্বলি আছিল"—বুলি কওঁতে মমতাই আধা-টোপনিত থকা মাত এটা উলিয়াবলৈ চেষ্টা কৰিলে।

কিন্তু দেউতাকৰ এই কথা কেইষাৰ শুনিলে মমতাৰ লাজত কাণমুৰ গৰম হৈ আহে। বহুদিন তাই এইষাৰ কথা শুনিছে। শুনাৰ পাছত প্ৰত্যেকদিনেই তাই টোপনি যাবলৈ আপ্ৰাণ চেষ্টা কৰিছে। কিন্তু লাজ-ঘৃণা-যন্ত্ৰণাৰ চেপাত তাই সদায় বেছিকৈহে সাৰে আছে।

আজিও তাই সাৰে থাকিল। ৰবীন, মঞ্জুহঁতৰ কি হ'ল তাই কব-নোৱাৰে ; কিন্তু তাই সাৰে থাকিল। নিস্তব্ধ। শান্তি। যেনেকুৱা নিস্তব্ধতাত মাক দেউতাকে ল'ৰা-ছোৱালীবোৰৰ টোপনি গ'ল বুলি ভাবি শান্তি পায়।—মাকে কথাটো কব পাৰিবতো ? তথাপি, এসময়ত

সুশীলা আহি তাইৰ ওচৰত শুই থাকিল। এনেকুৱা সময়ত মমতাই সাৰে থকাৰ কোনো লক্ষণ দেখুৱাব নালাগে।

নোৱাৰিলে। মাকে হেনো কথাটো কব নোৱাৰিলে। গোটেই দিনটো পৰিশ্ৰম কৰি থকা মানুহতো, সেইকাৰণে ভাগৰে-জুগৰে বোলে পৰমেশ্বৰৰ সাউৎকৈ টোপনি গ'ল।

এদিন, দুদিন, তিনিদিন; মমতাই মাজে-মাজে কেইবাদিনো সেই আপ্ৰাণ চেষ্টাটো কৰিলে—ঘৰখনত নিবিড় শান্তি বিৰাজ কৰক; মাক-দেউতাকে শান্তিৰে তাইৰ কথা পাতক। কিন্তু নহয়। যিদিনাই মমতাই দেহা মাৰি পৰিশ্ৰম কৰি ঘৰখনত এটা শান্তিময় পৰিবেশ গঢ়ি তুলিছে, সেইদিনাই মানুহবিলাকে নিৰ্লজ্জভাৱে সেই শান্তিক শেতেলি কৰি পাৰি লৈছে। ছিঃ!

এদিন মমতাই শুনিলে—সেই ৰেলৰেত কামকৰা লৰাটোৰে ছোৱালী এজনী পালে। মমতাই ছোৱালীজনীক চিনি পায়। মমতাতকৈ তাই এক শ্ৰেণী তলত পঢ়িছিল।

হঠাতে এদিন মমতাই ঠিক কৰিলে—নিৰ্লজ্জ নিস্তব্ধতাতকৈ হাৰ-মনিয়ামৰ যি কোনো ৰিডৰ মাত বেছি শ্ৰুতিমধুৰ। এটাইসোপা ৰিড অবিৰতভাৱে একেলগে বাজি থাকিলেও কোনো ক্ষতি নাই। তাইৰ আৰু সেই নিস্তব্ধতা আৰু শান্তি সৃষ্টি কৰা আৰু সহ্য কৰাৰ শক্তি নাই। ধৈৰ্য নাই। ইচ্ছাও নাই। মমতাৰ ধাৰণা হ'ল, ঘৰখনৰ এটাইজাকে খেদি বাহিৰ কৰি নিদিলে তাই ইয়াৰ পৰা কলৈকো যাবলৈ নাপাব।

এদিন দেউতাকে ঘৰ সোমোৱাৰ পাছতে মমতাই দেউতাক ওচৰতে আছে বুলি জানি লৈ, নাই বুলি ধৰি লৈ কলে, "মঞ্জু মই কিন্তু কৈ দিছোঁ, এইবোৰ চিঠি-পিঠি লিখা বন্ধ কৰ।"

পৃথিৱীৰ সমস্ত বিকট শব্দ কৰা যন্ত্ৰ যেন একেলগে বাজি উঠিল। ক'ত হাৰমনিয়ামৰ ৰিড! ফুঃ।

এদিন ৰাতি ভাত খাই থাকোঁতে মমতাই ৰবীনক কলে, "তোক কিন্তু ৰেণুৰ ককায়েকে বাটত পালে চৰিয়াব!"

প্ৰচণ্ড হুলস্থুলৰ মাজতো মমতাই বাৰে-বাৰে তাইৰ নিজৰ দাঁতৰ কৰকৰণিহে শুনিবলৈ পালে।

অইন এদিন ৰাতি মমতাই কলে,—।

আৰু এদিন ৰাতি মমতাই কলে,—।

মমতাই ঘৰখন খাই পেলালে।

# ধেমালি

মৃতজনৰ ঘৰত গোট খোৱা মানুহবোৰক শেষ সময়ৰ খবৰবোৰ দিবলৈ সাধাৰণতে এজন ঘৰুৱা অথচ কাহিল হৈ নপৰা, স্মাৰ্ট মানুহ ওলায়েই। নিশিকান্তৰ ঘৰত এই কামটো কৰিবলৈ লৈছিল প্ৰদীপে। প্ৰদীপ নিশিকান্তৰ অলপ দূৰ সম্পৰ্কীয় ভাগিনীয়েক। সি ৰেলৱেত কেৰাণী কাম কৰে, মেছত থাকে। নিশিকান্তৰ অসুখ টান হোৱা দিনৰেপৰা সি অফিছলৈ যাওঁতে আহোঁতে দুয়োবেলাই খবৰ কৰি আছিল। শেষৰ তিনি দিন সি ইয়াতে থাকিবলৈকে লৈছিল। আজি পুৱা প্ৰথম ভাগতে অহা মানুহবোৰক সি দিয়া খবৰবোৰ মোটামুটিভাৱে এনেকুৱা ঃ পৰহি নিশিকান্তৰ অৱস্থা যথেষ্ট বেয়া আছিল : গধূলি ডঃ দাস আহিল, চাই-চিতি তেখেতে নিজে এটা ইনজেকছন দিলে, ৰাতি-পুৱা কম্পাউণ্ডাৰ মাতি আৰু এটা ইনজেকছন দিওৱা হ'ল, তাৰ পাছত নিশিকান্ত যথেষ্ট ভালৰ ফাললৈ আহিল। কালি আবেলিৰ পাছততো বেছ ভাল। নিজে বাথৰুমলৈ গৈছে, টুনটুনক ওচৰত বহুৱাই লৈ তাৰ হাতখনত ধৰি সুধিছে—আজি কাৰ লগত খেলিলা, কি কি খেলিলা, সিদিনাৰ নিচিনাকৈ আকৌ পুখুৰিটোৰ পানীৰ ওচৰলৈ গৈছিলা নে কি ? জিলিয়ে হাত মেলি দেউতাকৰ ওচৰলৈ যাব খোজাৰ নিচিনা কৰা দেখি মাক বিজয়াই তাইক নিশিকান্তৰ বিছনাতে বহুৱাই দিছিল, নিশিকান্তই তাইৰ গালে-মুখে হাত ফুৰাই বিজয়াক কৈছিল—নিয়া, তাইক লৈ যোৱা, অসুখীয়া বিছনা, মোৰ পৰা আকৌ তাইৰো কিবা এটা—। ৰাতি বাৰমান বজাত নিশিকান্তই নিজে ভোক লাগিছে বুলি কৈ দুটা বিস্কুট আৰু আধা কাপমান গাখীৰো খালে। তাৰ পাছত বিজয়াই প্ৰদীপক কলে, তুমি অকণমান ভালকৈ শোৱাগৈ যোৱা। হেলনীয়া চকীখনত শোৱাৰ নিচিনা কৰি থকা প্ৰদীপ তাৰ টেম্পৰেৰি বিছনা থকা আগফালৰ কোঠালিটোলৈ গ'ল, গৈ সি আঁঠুৱাখন পেলাই এটা ফাল খুছিছেহে, এনেতে মামীয়েকে চিঞৰ মাৰি তাক মাতিলে—চোৱাহিচোন মোমায়েৰাই

কেনেকুৱা কৰিছে। প্ৰয়োজন হ'লে খুৱাবলৈ ডাক্তৰে কৈ থোৱা ঔষধৰ এপালি খুৱাই দিয়া হ'ল ; বুকু, ভৰি আদি মালিছ কৰা হ'ল, ওচৰৰ হিমাংশু বাবু, গোলাপ দাসক খবৰ দিয়া হ'ল ; তাৰ পাছত ৰাতি পুওৱাৰ আগে-আগে, চাৰি বাজি পোন্ধৰ মিনিটত নিশিকান্ত ঢুকাল। ঠিক ঢুকুৱাৰ আগে-আগে তেওঁ কিবা কৈছিল নে ? নাই, ঠিক কোৱা হিচাপে একো কোৱা নাই, কিন্তু তেওঁ বৰ অসহায়ভাৱে, করুণ দৃষ্টিৰে ইফালে-সিফালে চাইছিল ; বিজয়াৰ ফালে থৰ লাগি চাই থাকোঁতে তেওঁৰ ওঁঠ দুখন লৰিছিল, তেওঁ কিবা কব খুজিছিল ; হাত দুখনেৰে কিবা খেপিয়াইছিল। এটা সময়ত বিজয়াই নুশুনাকৈ হিমাংশু বাবু, গোলাপ দাস আৰু প্ৰদীপে আলোচনা কৰিছিল—ল'ৰা-ছোৱালী হালক জগুৱাই নিশিকান্তৰ ওচৰলৈ আনিব নে কি ; কিন্তু শেষ পৰ্যন্ত তেওঁলোকে ঘটনাটো সঁচাকৈয়ে ইমান ছিৰিয়াছ হৈ যাব বুলি নাভাবিলে আৰু শুই থকা অবোধ ল'ৰা-ছোৱালীহালক আমনি কৰিবলৈ ভাল নাপালে।

প্ৰথমভাগতে অহা মানুহবোৰৰ কেইবাজনৰো আগত প্ৰদীপে মোটা-মুটিভাৱে এইখিনি খবৰকে দোহাৰিলে, তাৰ পাছত আৰু তাৰ মানুহৰ লগত কথা পাতিবলৈ সময় নাথাকিল। দুধদানী আৰু বেবি ফুডৰ টেমাৰে সৈতে জিলিক সি ওচৰৰে মদন তালুকদাৰৰ ঘৈণীয়েকৰ তালৈ লৈ গ'ল ; খুৱাই-বুৱাই যিমান সময় পাৰে জিলিক তেৰেঁ ৰাখক। তাৰ পাছত সি ধূপ-ধুনা-ঘিউ-বাঁহ-টেকেলি-থান কাপোৰ-পুৰোহিতৰ ধাণ্ডাত দৌৰা-দৌৰি কৰিবলৈ ধৰিলে।

ৰাতিপুৱাৰ চাহ-তাহ খোৱাৰ সময় পাৰ হোৱাৰ পাছত মানুহৰ ভিৰ বাঢ়িল। বিৰাট কোম্পানিৰ এছিষ্টেন্ট একাউন্টেন্ট আছিল নিশিকান্ত ; খবৰটো ৰাষ্ট্ৰ হোৱাৰ পাছত প্ৰথম অৱস্থাত কোম্পানিৰ খোজ কাঢ়িব পৰা আৰু ছাইকেল আদি থকা কৰ্মচাৰীসকল আহিছিল, লাহে-লাহে দুখন-এখনকৈ গাড়ীবোৰ আহিবলৈ ধৰিলে। নিশিকান্তৰ ঘৰৰ সন্মুখৰ ৰাস্তাটো ঠেক, গতিকে মানুহবোৰে গাড়ীবোৰ অলপ দূৰৰ বালিকা স্কুলৰ বাবে ছাইনবৰ্ড মাৰি থোৱা মুকলি ঠাইডোখৰতে থৈ এইকণ খোজ কাঢ়ি আহিল। আহিয়েই মানুহবোৰে অলপ আগতে অহা মানুহৰ

পৰা নিশিকান্তৰ শেষ সময়ৰ খবৰবোৰ ল'লে। তেওঁলোকে পোৱা মোটামুটি খবৰবোৰ এনেকুৱা : নিশিকান্তই মৰিম বুলি আগদিনাই গম পাইছিল। ল'ৰা ছোৱালী দুটাৰ প্ৰতি আগদিনাৰ ব্যৱহাৰে সেই কথা সাব্যস্ত কৰে। মাজ ৰাতি ভোক লাগিছে বুলি গাখীৰ আৰু বিস্কুট খোৱাৰ অস্বাভাৱিকতায়ো সেই কথাকে প্ৰমাণ কৰে। আনহাতে, সেই গাখীৰ আৰু বিস্কুটেই নিশিকান্তৰ পাকস্থলীত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। যি হ'বলগীয়া আছিল সেইটোতো হ'বই, কিন্তু সেই মুহূৰ্তত হিমাংশু বাবু আৰু গোলাপ দাসৰ অকৰ্মণ্যতা, ঠিক অকৰ্মণ্যতা নহয়, উদাসীনতা বুলিব পাৰি,—তেওঁলোকৰ উদাসীনতাৰ বাবেই মেডিকেল হেল্প্ পোৱা নগ'ল। শেষ মুহূৰ্তত নিশিকান্তই ল'ৰা-ছোৱালীহালক বৰকৈ বিচাৰিছিল, কিবা ক'ব খুজিছিল, কিন্তু তেওঁ সিহঁতক ওচৰত নাপালে। সেইটোও হ'বলৈ পালে হিমাংশু বাবু আৰু—। ফিল্ডখনৰ সিপাৰে থকা পুখুৰীটোত কালিকা আছে—নিশিকান্তই এনে এটা মনোভাব পোষণ কৰি গৈছে, আৰু ল'ৰাটোক পুখুৰীটো সম্পৰ্কে বাৰে-বাৰে সাৱধান কৰি দি গৈছে। তাৰ নিশ্চয় কিবা এটা গূঢ়াৰ্থ আছে।

মোটামুটিভাৱে এইখিনি খবৰ সংগ্ৰহ কৰি মানুহবোৰ এবাৰ নিশিকান্তক চাবলৈ ভিতৰ সোমাইছে। মানুহটোৰ চকু-মুখ জাপ খাই আছে। মুখখনৰ ৰংটো শেঁতা হৈ গৈছে। গাল দুখন সোমাই গৈছে। কিছুমান মানুহ মৰিলেও যে মুখখন দেখিলে ভাল মানুহ এটা শুই থকা যেন লাগে, নিশিকান্তৰ ক্ষেত্ৰত কথাটো তেনেকুৱা হোৱা নাই। মানুহটোৰ মুখখন সঁচাকৈয়ে মৰা মানুহৰ মুখৰ নিচিনা হৈছে।

ওচৰৰ কোঠালিটোৰ মাটিত ভালেমান তিৰোতা মানুহ বহি আছে। তাৰে এগৰাকীৰ কোলাত মূৰ গুজি বিজয়া পৰি আছে। এগৰাকী তিৰোতাই তাইৰ পিঠিত হাত এখন থৈ দিছে। মৰা মানুহ চাবলৈ ভয় কৰা, বিজয়াৰ পৰা প্ৰায়েই হাতৰ কাম শিকা চুবুৰিৰ গাভৰু ছোৱালী দুজনীমান বেৰত আউজি আছে ; সিহঁতে চাদৰৰ আচঁলেৰে মুখবোৰ ঢাকি ৰাখিছে ; সিহঁতৰ চকুবোৰ ফুলি আছে। নিশিকান্তক চাই উঠি

ওলাই যাবৰ সময়ত মানুহবোৰে পদাখিন দাণ্ডি থোৱা দুৱাৰখনেদি সেই কোঠালিটোলৈ চাওঁ-নাচাওঁকৈ চাইছে, নিশিকান্তৰ ঘৈণীয়েক কোনজনী নিৰ্ণয় কৰিব পাৰোঁতে-নোৱাৰোঁতেই দুৱাৰখন শেষ হৈছে।

টুনটুনৰ এনেয়ে কোলাত উঠাৰ বয়স পাৰ হৈ গ'ল; কিন্তু আজি হিমাংশু বাবুৰ ঘৈণীয়েকে তাক চিৰা আৰু গাখীৰ খুৱাই দিয়াৰ পাছত সি চিনাকি-অচিনাকি মামাবোৰৰ কোলাই-কোলাই ঘূৰি ফুৰিছে। খুৱাবৰ সময়ত কোনোবা এজনীয়ে হিমাংশু বাবুৰ ঘৈণীয়েকক সুধিছিল,—সি খাব পায় জানো? হিমাংশু বাবুৰ ঘৈণীয়েকে গোজোৰা মাৰি কৈছিল—যি দায় লাগে মোৰ গাত লাগিব যোৱা। এই টুকুন ছেলে নাখাই মৰিব নেকি? মানুহবোৰে টুনটুনৰ গালে-মূৰে হাত ফুৰাই মৰম কৰিলে, তাৰ বয়স কিমান হৈছে সেই বিষয়ে নিজৰ ভিতৰতে সোধাসুধি কৰিলে আৰু বয়সটো চাৰে তিনি বছৰৰ পৰা পাঁচ বছৰৰ ভিতৰত হ'ব বুলি ঠিক কৰিলে।

সি বাৰু কি হৈছে কিবা বুজিছেনে? একো নাই বুজা। বৰঞ্চ সি গোলাপ দাসে ঘৰৰ আগত ৱাল বনাবলৈ বুলি পেলোৱা বালিৰ দ'মটোৰ ওপৰত উঠি খেলেহে! তাক কোলাত লৈ থকা মামাজনে এতিয়া খেলিব নাপায় নহয়, ভৰি লেতেৰা হ'ব, পৰি গ'লে দুখ পাবা—ইত্যাদি বুলি বুজাইহে কোনোমতে ৰাখিছে। কি ঘটনাটো ঘটিছে সেইবিষয়ে যে সি একো বুজা নাই, তাৰ বাবে মানুহবিলাকৰ বৰ দুখ লাগিল। বেচেৰা!

পাৰ্চেজ অফিছাৰজনে সম্মুখত পোৱা মানুহজনক সুধিলে—নিশিকান্তৰ ইন্সিঅ'ৰেন্স-তিন্সিঅ'ৰেন্স আছেনে নাই। মানুহজনে ঠিককৈ কব নোৱাৰিলে, কিন্তু বিশ্বাস প্ৰকাশ কৰিলে—অলপ-অচৰপ নিশ্চয় আছে চাগৈ। ইন্সিঅ'ৰেন্সৰ টপিকটো কেন্দ্ৰ কৰি পাৰ্চেজ অফিছাৰৰ ওচৰত কেইজনমান মানুহ থুপ খালে। ইন্সিঅ'ৰেন্সৰ টকা উলিউৱা কিমান জঞ্জালৰ কথা তাৰপৰা আৰম্ভ কৰি শেষ পৰ্যন্ত আলোচনা গুলত পৰিলগৈ। এটা মানুহে বিছ মহলাৰ ওপৰৰ পৰা জাঁপ মাৰি আত্মহত্যা কৰোঁতে যে দুই মহলাত থকা এজেন্টজনে তেওঁক ইন্সিঅ'ৰেন্সৰ টকা দি

দিছিল এজনে সেই গল্পটো মাৰিবলে ; যি কেইজনে বহু বছৰ ধৰি বহুবাৰ সেই গল্পটো শুনিছে, তেওঁলোকেও ভদ্রতাৰ খাতিৰত বাকী কেইজনৰ লগতে হাঁহিলে।

সেই সময়তে নিশিকান্তৰ ঘৰটোৰ সিকাষৰ পৰা বাঁহ কটাৰ শব্দ আহিল। অইন এঠাইত জুম পাতি থকা সকলৰ এজনে কলে—এই বাঁহ কটাৰ শব্দটো বৰ বেয়া লাগে নহয় ? বিশেষকৈ ৰাতি ক'ৰবাত বাঁহ কটাৰ শব্দ শুনিলে গাটো জিকাৰ খাই উঠে। বাকী কেইজনে কথাটো একমুখে সমৰ্থন কৰিলে ;—শব্দটো অমংগলীয়া, অবনক্সাছ, ভয়াল—।

আহক, তামোল এখন খাই আহোঁগৈ—জুমটোৰ মাজৰ এজনে অইন এজনক কলে। তিনি আলিৰ তামোলৰ দোকানৰ ফালে আগবাঢ়োঁতে তেওঁলোক দুজনৰ লগত আৰু দুজন লগ লাগিল। বাঁহ কটাৰ শব্দটোৱে জোকাৰি দিয়াৰ কাৰণেই নে কি, কিছু সময় তাপ মাৰি থকা বিজয়াই আকৌ ডাঙৰ শব্দ কৰি কান্দিলে। তামোলৰ দোকানৰ ফালে আগবঢ়া মানুহ কেইজন নিঃশব্দে ঘৰটো পাৰ হৈ গ'ল।

মানুহজনীৰ বয়স কিমান হ'ব বাৰু ? অলপ দূৰ যোৱাৰ পাছত এজনে সুধিলে। কিমান হ'ব আৰু ? ত্রিছৰ বেছি নিশ্চয় নহয় ডাঙৰ ল'ৰা সেইটো ; বাইছ বছৰ বয়সতো যদি বিয়া হৈছে, তেইছ বছৰ বয়সত যদি ল'ৰাটো হৈছে—তেন্তে সাতাইছ-আঠাইছ।

—বৰ বেয়া লাগে।

—সহ্য কৰিবলৈকে টান।

—ৰেণ্টাৰ্ণ কাম্প্রিত হোৱা হ'লেতো এইটো চিন্তা কৰিবলগীয়া কথাই নহয় ! ইফ ছি উইছেছ দে'ন যি কোনো সময়ত আকৌ···। আমাৰ ছ'ছিয়েল ছিষ্টেমটোৱেই কাল হ'ল—।

আজিকালি পিছে এই বিষয়ে এটা জাগৰণ হৈছে—।

ক'ৰ জাগৰণটো হৈছে হেৰি ? যি কেইটাই বাধ্যত পৰি নিজে বিধবা বিবাহ কৰিবলগীয়া হৈছে, সিহঁতেহে মাজে-মাজে হৈ-চৈ কৰি আছে, বাকীবিলাকে এতিয়াও সেই অনাঘ্রাত, অক্ষত, অসূৰ্য্যম্পশ্যা বিচাৰি লেবেজান—।

বা,—আপুনি দেখোন বৰ ডাঙৰ-ডাঙৰ শব্দ কৈছে! হেৰা, চাওঁ, তামোল দিয়াচোন। কেইখন তামোল লাগিব সেইটো কবলৈ মানুহজনে লগৰ মানুহখিনি গণিত কৰিলে—এখন, দুখন, তিনিখন—

মোক নধৰিব। মই তামোল নাখাওঁ। ডাঙৰ-ডাঙৰ শব্দ কোৱাজনে কলে।

তেনেহলে আপুনি ছিগাৰেটকৈ খাওক?

নাই নালাগে। মই ছিগাৰেটো নাখাওঁ।

নাখায় মানে একেবাৰে নাখায়েই নে কি?—কেন্সাৰৰ ভয়ত চৰ এৰিছে?

তাৰ পাছত কেন্সাৰ ৰোগ সম্পৰ্কে এটা জোৰ আলোচনা চলিল। তামোল-ছিগাৰেট খোৱা নোখোৱা সেইবোৰ চব মিছা কথা। ফষ্টাৰ ডালেছ, আন্নাডোৰায়ে কিমান তামোল খাইছিল? আমাৰ ডেপুটি জেনেৰেল মেনেজাৰে দেখোন এটা ছিগাৰেটৰ জুইৰে ইটো ছিগাৰেট জ্বলায়। তেওঁৰ দেখোন ডিঙিৰ নলী তেলৰ পাইপৰ নিচিনা চাফা! কেতিয়াও কাহ এটা মৰা শুনা নাই। আমাৰ বৰ মা এজনীয়ে তামোলৰ বটাটো লগৰ পৰা নেৰেই; ৰাতি এক-দুই বজাতো ঘুটুং-ঘুটুংকৈ তামোল খুন্দে;—কিন্তু ক'তা? —কিন্তু বেমাৰটো পিছে বৰ দুৰ্দান্ত। —আমাৰ লগৰ ল'ৰা এটাৰ দেউতাকক হস্পিটালত দেখিছিলো,—নাকেদি পাইপ, ডিঙিৰ ফুটাইদি পাইপ,—কি যে এটা দৃশ্য!—তেনেকৈ বচাই ৰখাতকৈ ডাক্তৰে কিবা এটা দি তেনেকুৱা মানুহক মাৰি পেলোৱাই ভাল। দৰকাৰ পৰিলে এই সম্পৰ্কীয় আইনখনো সংশোধন— —।

তামোল খাই উভতি অহা দলটো নিশিকান্তৰ পদূলিত ভাগ-ভাগ হৈ বেলেগ-বেলেগ জুমত সোমাই গ'ল। তাৰে এটা জুমে ইতিমধ্যে সিদ্ধান্ত কৰিছিল—নিশিকান্তই অন্ততঃ ঘৰটো সাজি এটা ভাল কাম কৰি গ'ল। এতিয়া ইন্সিঅ'ৰেন্স, প্ৰভিডেণ্ট ফাণ্ডৰ টকাখিনি উলিয়াই মিছেছে ঘৰটোৰ ওপৰখিনি কমপ্লিট কৰিব পাৰিলে ইনকামৰ ৰেগুলাৰ ছ'ৰ্ছ এটা ওলাব। ল'ৰাটোক তেওঁ অন্ততঃ এটা ষ্টেজলৈকে ডাঙৰ কৰিব পাৰিলে— —।

পিছে এতিয়া ঘৰ সজা কি ধেমালি কথা হ'ব ? গুৰুপ্ৰসাদে আজি চাৰি মাহৰ আগতে লোহা কিনিছিল এশ আশী টকা দৰত, আৰু এতিয়া কিনিছে দুশ পাঁচ টকা দৰত। আনকি এই যে বল্টু—চাৰি ছুতাৰ বল্টু যোৱা বছৰ দিগেনে কিনিছিল— —। হৈছে কি বাৰু দেশখনত ? এক্সপ'র্ট ? হ'র্ডিং ? লে'ছ প্ৰডাকছন ? ইনফ্লেছন,—মানে মুদ্ৰাস্ফীতি ? নাই, নাই, সেইবোৰ চব বাজে কথা। আচল কথা হ'ল বদমাইছি। কাৰ বদমাইছি ? চবৰে।

নিশিকান্তৰ ঘৰৰ ভিতৰৰপৰা এইবাৰ বিজয়াৰ তীক্ষ্ম কণ্ঠৰ কান্দোনৰ শব্দ ওলাই আহিল। কি হৈছে এইবাৰ ? নিশিকান্তক এইবাৰ বাহিৰলৈ উলিয়াই অনা হ'ব।

—এইযে মানুহটো ঘৰটোৰ বেৰকেইখনৰ ভিতৰৰপৰা বাহিৰলৈ ওলাল, আৰু তো কেতিয়াও নোসোমায় ছাৰ! বালিৰ দ'মটোৰ ওচৰত থিয় হৈ কথা পাতি থকা মানুহ কেইজনৰ আপাৰ ডিভিজন এছিষ্টেণ্ট এজনে কোম্পানিৰ এছিষ্টেণ্ট পাৰ্ছনেল অফিছাৰ বিভূতি চক্ৰবৰ্তীক কলে। চক্ৰবৰ্তীয়ে 'এয়েই জীৱন' জাতীয় ভাব এটা প্ৰকাশ কৰি মূৰ দুপিয়ালে আৰু তাৰ পাছত ছিগাৰেটৰ পেকেটৰ মুখখন খুলি সুধিলে, 'কলৈ নিব এতিয়া ?' কলৈ মানে কোনখন শ্মশানলৈ। আপাৰ ডিভিজন এছিষ্টেণ্টজনে এতিয়ালৈকে সংগ্ৰহ কৰা খবৰখিনি সবিস্তাৰে দিবলৈ চেষ্টা কৰিলে—মানুহবোৰে নীলাচল শ্মশানলৈ নিয়াৰ কথাকে ভাবি আছে, কিন্তু কথাটো খাটাং হ'ব নিশিকান্তৰ ককায়েক আহি পালে। এইবোৰ বিষয়ত ঘৰৰ মানুহৰ ইচ্ছাৰ কথাটো বৰ ডাঙৰ কথা।—তেনে-হ'লে বহুত দেৰি হ'ব নে কি ? নাই নাই দেৰি নহয়, দোকমোকালিতে টেক্সি গৈছে, ককায়েক থকা ঠাইডোখৰলৈ মাত্ৰ ত্ৰিছ মাইল দূৰ।

আপাৰ ডিভিজন এছিষ্টেণ্টজনে কথাখিনি হেঁপাহ পলুৱাই শেষ কৰিবলৈ নাপালে, ৰিটায়াৰ্ড এ. ডি. এম. কেশৱানন্দ ত্ৰিপাঠীয়ে অলপ দূৰৰপৰা মাত লগালে—কিহে বিভূতি! ত্ৰিপাঠী চাহাবে চুবুৰিটোৰ মূৰত থকা টিলাটোৰ ওপৰত ঘৰ এটা সাজি তাতে ৰিটায়াৰ কৰিছে ; এতিয়া নিশিকান্তৰ খা-খবৰ লবলৈ ওলাই আহিছে। গৱৰ্ণমেণ্ট স্কুলত

সেই তাহানিখন মাষ্টৰ থকা কালত তেখেতে বিভূতিহঁতক পঢ়াইছিল। বিভূতিয়ে ছিগাৰেটৰ পেকেট জেপত ভৰাই কলে,—'এয়া ছাৰ। আপোনাৰ ভাল ?'

'ভাল মানে আছোঁ আৰু। দেখিছাই নহয়, যাব লাগে কোন, গৈছে কোন! লাইনত থাৰা হৈ আছোঁ, আমাৰ পাল নাহে হে নাহে। মানুহ-বিলাকে কিউ মানিবলৈ নিশিকিলে, কি কৰিবা ?'

বিভূতিয়ে শিষ্টাচাৰ প্ৰকাশ কৰিলে—'নাই ছাৰ, আপোনাৰ পাল সহজে নাহিছে। আপোনাৰ স্বাস্থ্য এতিয়াও আমাতকৈ বহুত ভাল হৈ আছে।'

চাওঁ, তোমাৰ লগত কথা এটা আছে—বুলি ত্ৰিপাঠী চাহাবে বিভূতিক অলপ আঁতৰলৈ মাতি নিলে।—তোমাক মই এবাৰ ঘৰতে লগ ধৰিমগৈ বুলি ভাবি আছিলোঁ। আজি ইয়াতে পালোঁ, ভালেই হ'ল। হেৰি নহয়, এইযে তোমালোকে ফিল্ড অফিছাৰ এজন ল'ব খুজিছা,—কথাটো কিমান দূৰ আগবাঢ়িছে ? মানে কথা হ'ল—তুমি চিনি পাবাই,—মোৰ ব্ৰাদাৰ ইন ল দিবাকৰ—

হয় ছাৰ—।

তেওঁৰ ছেকেণ্ড ল'ৰাটো,—সি যোৱাবাৰ জিঅ'লজিত এম. এছ. ছি পাছ কৰিছে,—কেৰিয়াৰ থ্ৰুআউট ভাল, খুব ডেছ থকা পুছিং ল'ৰা—

নিশিকান্তৰ ল'ৰাটোক এইবাৰ ভিতৰত কোনোবাই বিচাৰিছে। তাক এতিয়া কাপোৰ-কানি সলাই প্ৰয়োজনীয় কামৰ কাৰণে সাজু কৰা হ'ব। টফিৰ কাগজখনেৰে বনাই দিয়া নাচনী এজনী হাতত লৈ সি মামা এজনৰ কোলাত উঠি আছিল ; চুবুৰিৰ ডেকা ল'ৰা এটাই তাক ভিতৰলৈ লৈ গ'ল। সিহঁত সম্মুখেদি যাওঁতে ত্ৰিপাঠী চাহাবে সুধিলে,—ডাঙৰ ল'ৰা এইটোৱেই হবলা ? তাৰ পাছত তেখেতে জিভা আৰু তালুৰ সংস্পৰ্শ ঘটাই কেইটামান চ্ছ চ্ছ চ্ছ চ্ছ শব্দ কৰিলে।

অলপ পাছতে নিশিকান্তৰ ককায়েক পালেহি। টেক্সিখনৰপৰা তিৰোতা মানুহ এজনী আৰু ল'ৰা-ছোৱালী কেইটামানো নামিল। তাৰ কেই মুহূৰ্তমানৰ পাছত ঘৰটোৰ ভিতৰত বহুতো কণ্ঠৰ কান্দোনৰ

ৰোল উঠিল। ইমানপৰে ভিতৰত কামবনৰ দিহা-পৰামৰ্শ দি থকা মানুহজনে সেই ৰোলৰ মাজতে বিশেষ কাকো উদ্দেশ্য নকৰাকৈ 'এতিয়া আৰু দেৰি কৰিব নালাগে ; দেৰি কৰিলে দেৰি হৈ গৈ থাকিব'—বুলি কৈ ফুৰিবলৈ ধৰিলে।

এসময়ত নিশিকান্তৰ যাবৰ সময় হ'ল। চুবুৰিৰ কাৰোবাৰ চোতালত ল'ৰা-ছোৱালীৰ থিয়েটাৰ হ'লে পিন্ধোৱাৰ নিচিনাকৈ কোনোবাই টুনটুনক এডোখৰ মাৰ্কিন কাপোৰ চুৰিয়া কৰি পিন্ধাই দিছিল ; এজন মানুহে তাক নিশিকান্তৰ ভৰিৰ ওচৰত আঠু কঢ়াই দিলে, সেৱা কৰালে। হিমাংশু বাবুৰ ঘৈণীয়েকে জিলিৰ হাত এখনো নিশিকান্তৰ ভৰিৰ আঙুলি কেইটাত লগাই দিলে। তাৰ পাছত বিজয়াই নিশিকান্তৰ ভৰি দুখনত সাবট মাৰি ধৰিলে। এজনী মানুহে বিজয়াৰ গাৰ কাপোৰ ঠিকঠাক কৰি দি তেওঁক সাবট মাৰি ধৰিলে।

প্ৰায় সকলো মানুহে কোৱাকুই কৰিলে—এই মুহূৰ্তটোহে আচল। সহ্য কৰিবলৈ বৰ টান।

বিজয়াই নিশিকান্তৰ ভৰিদুখন কোনোমতে নেৰে। দুজনী মানুহে তেওঁক জোৰকৈ আঁতৰাই ধৰিলে।

'আহাঁ, ধৰা'—বুলি কোনোবা এজনে চাংখন কান্ধত লবলৈ আৰু তিনিজন মানুহৰ প্ৰতি আহবান জনালে। ওচৰে-পাজৰে থকা প্ৰায়বোৰ মানুহেই আহবানটো তেওঁৰ নিজৰ বাহিৰে আন সকলোকে জনোৱা বুলি ধৰিলে। এজনে তেওঁৰ ওপৰত চকু পৰিছে বুলি সন্দেহ কৰি ওচৰৰ-জনক ইনফ্লুয়েঞ্জা হ'লে বাহু-পিঠি কেনেকৈ বিষায় তৎক্ষণাত তাৰ এটা চমু বৰ্ণনা দিলে। শেষ পৰ্যন্ত এই চুবুৰিৰে দুটা ল'ৰা আৰু দুজন ল'ৰাৰ ডিভিজন এছিষ্টেণ্টৰ কান্ধত উঠি নিশিকান্ত ৰাস্তালৈ ওলাল। কোনোবা দুজনমানে এটা হৰিধ্বনি তুলিবৰ চেষ্টা কৰিলে, কিন্তু তেওঁলোকৰ ধ্বনিটো কোনোবা পাইলট পত্নীৰ অভিজাত লেডিজ ক্লাবৰ উৰুলিৰ নিচিনা শুনা গ'ল। যিখিনিত নিশিকান্তৰ ভৰি দুখন আছিল সেইখিনিত উবুৰি খাই পৰি বিজয়াই মাটি আঁচুৰিবলৈ ধৰিলে।

দহবাৰখন গাড়ীত গাড়ীয়ে প্ৰতি পাঁচ-ছজনকৈ মানুহ, এজাক

ছাইকেল, এজাক খোজকঢ়া মানুহ, —শৱযাত্ৰাটো বেছ চকুত লগা হ'ল। এইফালৰপৰা চাবলৈ গলে নিশিকান্ত লাকি মানুহ। সমদলটো আধা মাইলমান যোৱাৰ পাছত বাটৰ কাষৰ মানুহে খোজকাঢ়ি যোৱা মানুহ-খিনিক সুধিলে—কোন ? উত্তৰটো পোৱাৰ পাছত তেওঁলোকে নিশিকান্ত নামৰ কোন ডাঙৰ মানুহক চিনি পায়, সেইটো মনত পেলাবলৈ চেষ্টা কৰিলে।

শ্মশান পাওঁতে-পাওঁতে দুখনমান গাড়ী কমিল। ছেকেণ্ড গিয়েৰত গাড়ী চলাই অসুবিধা পোৱা দুজনমানে সমদল এৰি শৰ্টকাট কৰি শ্মশান পোৱাৰ কথা আছিল। নাপালেহি। কিন্তু অলপ পাছত গাড়ীৰ সংখ্যা বাঢ়িল। বহুতৰে খবৰটো পাওঁতে পলম হৈছিল, বহুতে অফিছলৈ গৈহে খবৰটো পাইছিল।

পাছত অহা চাফ-চিকুণ মানুহ-বিলাকক দেখি আগতে অহা কেইবাজনো মানুহৰ একাপ গৰম চাহ খাবলৈ মন গ'ল। চাহ ? চাহ ইয়াত ক'ত পাবা ? সৌখন এখন দোকান আছে, পাছে তাৰ চাহ কি খাবা ?

লগে-লগে সেই জুমটোৰ মাজত বহুত শ্মশান দেখা এজন মানুহ ওলাল। কানপুৰ নে ক'ত তেওঁ এখন শ্মশান দেখিছিল, খবৰ দিলেই মানুহে শ্মশানতে ষ্টেইনলেছ ষ্টিলৰ গিলাছত চাহ দি যায়হি ; মছলা-ছছলা দিয়া কাৰা চাহ, এগিলাছ খাই দিলেই গাটো তজবজীয়া হৈ উঠে, শ্মশানৰ নৈৰাশ্য ভাবটো কাটি যায়। আমাৰ ইয়াতো যদি— —।

—এ হ'ল দিয়ক। আমাৰ ইয়াত—! আন এজনে কথাটো উৰুৱাই দিলে। আমাৰ ইয়াত আগতে শ্মশানৰ শিয়াল কেইটাকে খেদকচোন !

একাউণ্টছ ব্ৰান্সৰ পিয়ন কেইটামানে ওচৰৰ দোকান এখনৰপৰা গাইপতি দুদালকৈ খৰি কঢ়িয়াইছিল। কেইজনমানৰ চিন্তা হ'ল চিতাখন কোনে সাজিব ? পাৰিবনে সিহঁতে ? এইটো কিন্তু উলামুলা কাম নহয়। খৰিবিলাক জপাৰ নিয়ম আছে। পুবা-পশ্চিমা ? নহয়, উত্তৰা-দক্ষিণা। এঃ নহয় হে, পুবা-পশ্চিমা। বাৰু দেখা যাওকচোন, পুৰোহিত বাপু আছেই নহয়। ডেপুটি চিফ মাৰ্কেটিং অফিছাৰ

মজুমদাৰে এজন বুঢ়া তৰণীৰ কথা জানে, —তেওঁ সেই মানুহজনৰ কাহিনী কবলৈ আৰম্ভ কৰিলে। পাঁচছটা মানুহে কাম কৰক, তৰণীয়ে হাত নলগালে চিতাৰ কাম নচলে। এনে কায়দাত খৰিবোৰ জাপে—ওপৰৰ পৰা বৰষুণ পৰি থাকক—চিতা দপদপাই জ্বলি থাকিব। আৰু এই কামটোৰ প্ৰতি মানুহটোৰ কি এটা টান—খবৰ দিলেই—দিন হওক, ৰাতি হওক, ৰ'দ হওক, বৰষুণ হওক, —ঠিক ওলাবহি।

হয় হয়, থাকে তেনেকুৱা মানুহ। সেইটো মানে কেপাছিটি আৰু কনষ্টেণ্ট অভ্যাসৰ কথা। আমাৰ ইয়াৰ মেডিকেল কলেজত বোলে এটা জমাদাৰ আছে,—সি কোন টুকুৰা ক'ৰ হাড়, বাঁও হাতৰ কেঞা আঙুলিৰ নে ভৰিৰ বুঢ়া আঙুলিৰ—তৎক্ষণাত কৈ দিব পাৰে। পৰীক্ষাৰ সময়ত সি বোলে···। তাৰ পাছত মানুহজাকৰ আলোচনাই দুৰ্দান্ত গতি ললে —মেডিকেল কলেজ—চিকিৎসাৰ ধৰণ-মাদাৰ টেৰেছা—নোবেল প্ৰাইজ-কিছিঞ্জাৰ-পেলেষ্টাইনি গেৰিলা-এয়াৰ হাইজেকিং—জাম্বু জে'ট-ফ'কাৰ ফ্ৰেণ্ডশিপ-ডাকোটা-আমাৰ নেফাৰ ফালে আগতে বোলে এবিধ ডাকোটা চলিছিল, —তাৰ বোলে দুৱাৰেই নাই, ভিতৰত পেছেঞ্জাৰবিলাক মুখা-মুখিকৈ দীঘল-দীঘল বেঞ্চত বহে! এজাক মানুহৰ খোলা হাঁহিৰ শব্দত শ্মশানখন ৰজনজনাই গ'ল। তুলনামূলকভাৱে মনে-মনে থকা আন এটা দলৰ-দুজনমান এই দলটোৰ কাষ চাপি আহিল। —বৰ জমিছে যেন পাওঁ? মজুমদাৰ থাকিলেতো জমিবই! চাওঁ আমিও ভাগ লওঁ, —কি ৰস ওলাইছে।

এই সময়তে প্ৰদীপে কোলাত তুলি টুনটুনক শ্মশানলৈ লৈ আহিল। প্ৰায়বোৰ মানুহেই সোধাসুধি কৰিলে—লৰাটোক আকৌ কিয় আনিলে? মুখাগ্নি কৰিবলৈ? এঃ, সেইকণ ল'ৰাই কি মুখাগ্নি কৰিব? নাই, নাই, তাক স্পেয়াৰ কৰিব লাগিছিল। আমাৰ নিয়মবিলাক বৰ বিগাৰাছ, কমপ্লিকেটেড আৰু মিনিংলেছ। আজি কালি এইবোৰ ছিমপ্লিফাই কৰিব লাগে।

টুকটাক বস্তু-বাহানিবোৰৰ ইতিমধ্যে প্ৰায় সকলো যোগাৰ হৈছিল। ফুল-চুলবোৰ আঁতৰাই থৈ দুজনমানে নিশিকান্তক গা ধুৱাইছিল।

ওচৰত থকা মানুহবোৰে মন কৰিলে, —মানুহটো কাপোৰৰ তলে তলে, এই কেইদিনৰ ভিতৰতে একেবাৰে অস্থিচৰ্মসাৰ হৈ পৰিছিল। জীৱটোৰ লগতে যেন মানুহটোৰ শেষ তেজটোপাও ভাপ হৈ উৰি গৈছিল। সেইখন হাতেৰেই মানুহটোৱে কত হাজাৰ টকাৰ বিলৰ তলত খচখচকৈ ন'ট লিখিলে আৰু এতিয়া পিয়নটোৱে হাতখন যেনেকৈ থয় তেনেকৈ পৰি থাকে! মানুহৰ জীৱনটো যে—।

দূৰৰ ৰাস্তাত এখন বগা, দীঘল গাড়ী প্ৰায় সকলো মানুহৰে একে লগে চকুত পৰিল। জেনেৰেল মেনেজাৰ আহিছে। বিভিন্ন ঠাইত জুম পাতি থকা মানুহবোৰৰ মাজৰপৰা ওলাই ডেপুটি চিফ জাতীয় মানুহ কেইজন ৰাস্তাৰ ফালে অলপ আগবাঢ়ি গ'ল। জেনেৰেল মেনেজাৰে হাতত ফুল এথোপা লৈ গাড়ীৰপৰা নামি আহিল। তেখেত নতুনকৈ আহিছে, সকলো এমপ্লয়িকে নামে মানুহে এতিয়াও তেখেতে চিনি পাব পৰা নাই। কেনেকুৱা আছিল বাৰু দেখিবলৈ নিশিকান্ত মানুহজন? শকত, বগা, চাপৰকৈ? নহয় নহয়, সেইজন একাউণ্টেণ্ট পুৰকায়স্থ।—ছবি। নিশিকান্ত আছিল নিয়মীয়া, বগা, ওখ। শ্মশানলৈ সোমোৱা বাটৰ মুখতে অলপপৰ কথা-বতৰা পাতি জেনেৰেল মেনেজাৰ নিশিকান্তক চাবলৈ বুলি ওচৰ চাপি গ'ল। মুখখন দেখিলে হয়তো মনত পৰিব পাৰে। পিছে লাভ নহ'ল। এতিয়া নিশিকান্তক দেখিলে লগৰ মানুহেও চিনি পোৱা টান। মজুমদাৰে জেনেৰেল মেনেজাৰক এটা উপায় দিলে—একাউণ্টছ ব্ৰাঞ্চে তেখেতক অভ্যৰ্থনা জনোৱাৰ দিনা তোলা গ্ৰুপ ফটো এখন জিএমৰ ৰুমতে আছে, তলত নামবোৰো টাইপ কৰা আছে, ছেকেণ্ড ৰ', —লেফ্‌ট্ টু ৰাইট, —যিমান দূৰ মনত পৰে ফিফ্‌থ জন।

চিতাৰ ওপৰত নিশিকান্তক চিৎ খুৱাই শুৱাই দিব লাগে নে উবুৰিয়াই শুৱাই দিব লাগে সেই লৈ নজনা মানুহ দুটামানে তৰ্ক কৰিলে, কিন্তু জনা মানুহ এটাৰ ধমকিত সেই তৰ্ক শেষ হ'ল। অৱশিষ্ট খৰিখিনি নিশিকান্তৰ গাৰ ওপৰত জাপি দিয়াৰ পাছত শ্মশানখনলৈ হঠাতে এটা নিস্তব্ধতা নামি আহিল। দূৰে-দূৰে জুম পাতি থকা

মানুহবিলাক অলপ কাষ চাপি আহিল। প্ৰদীপে টুনটুনক ধৰি-ধৰি এবাৰ চিতাখনৰ চাৰিও কাষে খোজ কঢ়ালে, নিশিকান্তৰ মূৰৰ ওচৰত আঁঠুকঢ়াই জোৰডালৰ জুইখিনি তেওঁৰ মূৰত লগাই দিয়ালে। তাৰ পাছত প্ৰদীপে টুনটুনক কোলাত ললে, চিতাখনৰ চাৰিও ফালে ছবাৰ-মান ঘূৰিলে, প্ৰতিবাৰেই টুনটুনৰ হতুৱাই নিশিকান্তৰ ভৰিত সেৱা আৰু মূৰত অগ্নি সংযোগ কৰালে।

নিস্তব্ধতাটো শেষ হোৱাৰ পাছত ভিৰৰ মাজত এজনে আন এজনক সুধিলে, "এওঁৰ মিছেছ গ্ৰেজুৱেট নহয় জানো ?"

"জানো ! ঠিককৈ কব নোৱাৰোঁ।"

'গ্ৰেজুৱেট নহ'লেও নিশ্চয় এডুকেটেড ?'

'এডুকেটেডতো হবই। আজি কালি—'

"অন্ততঃ তেওঁক এটা চাকৰি দিয়াব পাৰিলেও ! সেইটো মাইনৰ ল'ৰা লৈ মানুহজনী"—

"এৰা, কিবা এটা কৰিবৰ পৰা হ'লে ভাল আছিল।"

"জি. এম. ইয়াতে আছে যেতিয়া কথাটো উলিয়াওঁ বলক।"

"ইয়াত ? এইটো এটমছফিয়েৰত ? কথাটো ঠিক নহ'ব হ'বলা।"

"নহয় নহয়, এনেকুৱা কথা এনেকুৱা এটমছফিয়েৰতে ক'ব লাগে।"

কিন্তু ইতিমধ্যে জেনেৰেল মেনেজাৰে ভিৰৰপৰা ওলাই আৰু চাবি-জন মানুহৰ সৈতে ৰাস্তাৰ ফালে খোজ লৈছিল। দূৰৰ গছ এজোপাৰ তলত থকা বগা, দীঘল গাড়ীখন তৎক্ষণাত শ্মশানলৈ সোমোৱা বাটটোৰ মুখত ৰৈছিলহি। জেনেৰেল মেনেজাৰে বাকী কেইজনৰ মাজৰপৰা মজুমদাৰক গাড়ীৰ ওচৰলৈ মাতি লৈ গ'ল। গাড়ীৰ দুৱাৰ বন্ধ কৰাৰ পাছতো তেওঁ মজুমদাৰক কিবাকিবি কলে। মজুমদাৰ উভতি অহাৰ পাছত বাকীকেইজনে উৎসুক হৈ সুধিলে, —কি কলে ? অফিছ ছুটী-টুটী ? —নহয়। বাৰ্মা শেৱলৰ হেড অফিছৰপৰা পুৱাই ট্ৰাংক কল আহিছে—তেওঁলোকক কেইটামান ফিগাৰ লাগে। বৰ জৰুৰী। মজুমদাৰে যেন আজিয়েই চিফৰ লগত কনছাল্ট কৰি ফিগাৰখিনি ৰেডি কৰি দিয়ে।

খৰিবোৰ ভাল। জুইকুৰা অতি কম সময়ৰ ভিতৰতে দপদপকৈ জ্বলি উঠিল। নিশিকান্ত নেদেখা হৈ গ'ল। ইয়াৰ পাছত আৰু ইয়াত ৰৈ থকাৰ বিশেষ কাৰণ নাই। আচল কামখিনিয়েই হৈ গ'ল। নিশিকান্তৰ গা জুয়ে পাইছে। গোন্ধটো ওলাইছে। দুই-এটা সৰু-সুৰা কথা,—এখন ইলেকট্ৰিক শ্মশানৰ বৰ প্ৰয়োজন হৈছে, নিশিকান্তহঁতে শ্ৰাদ্ধ এঘাৰ দিনত কৰে নে এমাহত কৰে, আত্মা বোলা বস্তুটো সঁচাকৈয়ে আছে নে নাই, ককায়েকৰ লগত নিশিকান্তৰ সম্বন্ধ কেনেকুৱা আছিল ইত্যাদি দুই-এটা সৰু-সুৰা কথা পাতি-পাতি মানুহবোৰ গ'লগৈ। আচল কামখিনিয়েই হৈ গ'ল, জুই জ্বলিছে যেতিয়া বাকীখিনি আপোনা-আপুনি হৈ যাব।

বাকী থাকিলগৈ এটা টাইপিষ্ট, তিনিটা পিয়ন, নিশিকান্তৰ চুবুৰিৰ ল'ৰা দুটা আৰু সেই চুবুৰিৰে গেলামালৰ দোকানীটোৰ বুঢ়া বাপেকটো। বুঢ়াটো ওস্তাদ। তাৰ হুকুম মতেই আৰম্ভণিৰ পৰা কামবোৰ চলি আছিল। মানুহবোৰ যোৱাৰ পাছত বুঢ়াৰ ডিঙিটো হঠাতে যেন খুলি গ'ল। —"হঁা। এতিয়াহে আচল কাম। লোৱাচোন তুমি সেই বাঁহটুকুৰা লোৱা। দাখনেৰে আগটো অলপ জোঙা কৰি লোৱা।"

তাৰ পাছত বুঢ়াই পিয়ন কেইটাক নিশিকান্তক খুচিবলৈ লগাই দিলে। সিহঁত কেইটাই তেতিয়াও নিশিকান্তই দুখ পাব বুলি সন্দেহ কৰিছিল নে কি,—কামটো সিহঁতে ঠিক মতে কৰিব নোৱাৰিলে। "এহ এনেকৈ নহয় হে', এনেকৈ"—বুলি দেখুৱাই দি দি বুঢ়াই নিজেই কামটো কৰিবলৈ ললে।

এসময়ত নিশিকান্ত এটা সৰু, কুৎসিৎ পিণ্ডত পৰিণত হ'ল। বুঢ়াই পিণ্ডটোত বাঁহডালৰ আগটো লগাই কলে, এইটোৱেই আচল বস্তু বুইছা? এইটো। মানুহৰ বুকু, পেটৰ চব বস্তু লগ লাগি এই বস্তুটো হয় বুইছা? এইটো শেষ কৰাহে আচল কাম।"

প্ৰদীপে টুনটুনক ৰিক্সা এখনত তুলি নৈৰ পাৰলৈ লৈ গৈছিল। নৈৰ পাৰত থিয় কৰাই সি তাক গা ধুৱালে, আন এটুকুৰা নতুন কাপোৰ

ল'ৰা-ছোৱালীক থিয়েটাৰত পিন্ধোৱাৰ নিচিনাকৈ পোন্ধ মাৰি পিন্ধাই দিলে। তাৰ পাছত সিহঁত আকৌ বিস্মাত উঠিল। ছিটত বহুৱাই দি প্ৰদীপে তাক বাঁও হাতেৰে সাবট মাৰি ধৰি থাকিল। গৈ থাকোঁতে বাটত এবাৰ টুনটুনে সুধিলে, 'আ দাদা, ইমানবিলাক মামা কিয় আহিছিল ?'

প্ৰদীপে কলে, "ফুৰিবলৈ বাবা।"

# প্ৰহৰ

ঘড়ীটোৰ কিবা এটা হ'ল। মাজে-মাজে বন্ধ হৈ যায়। এই যে বন্ধ হয় তাৰ কিছু সময়ৰ ভিতৰত ত্ৰৈলোক্যনাথৰ প্ৰায়েই সময়ৰ গোলমাল হয়। সময় বেছি হোৱা নাই বুলি তেওঁ সেই হিচাপে কাম কৰি থাকে, কিন্তু অইন কোনোবাই সঁচা সময়টো উল্লেখ কৰিলে তেওঁ চক খাই উঠে : —হাঁ? কি? তিনি বাজি গ'ল? মোৰ ঘড়ীটোত দেখোন,—অ' ঘড়ীটো বন্ধ হৈ আছে! ছেঃ, মই মনেই কৰা নাই।—তেওঁ ঘড়ীটো এনেয়ে এবাৰ কাণৰ ওচৰলৈ নিয়ে, হাতৰপৰা খুলি লৈ চাবিটো পৰীক্ষা কৰে,—আজি চাবি দিছিলতো? দিছিল। তেনেহ'লে? তাৰ পাছত তেওঁ ঘড়ীটো দুবাৰমান জোকাৰে, জোকাৰি আকৌ কাণৰ ওচৰলৈ নিয়ে; হাঁ, চলিছে। এইবাৰ তেওঁ ঘড়ীটো মিলাবলৈ, হেৰোৱা সময়খিনি বিচাৰি, ওচৰৰ এজনক আচল সময়টো সোধে। দুদিনমান ঘড়ীটো চলে; অলপ শল' চলে; তাৰ পাছত আকৌ বন্ধ হৈ থাকে।

কিছু দিনৰপৰা এই ঘটনাটো আৰম্ভ হৈছে। কিয় এনেকুৱা হৈছে? ঠাণ্ডাৰ কাৰণে? কোনোবাই কোৱা মনত পৰে, বেছি ঠাণ্ডাত ঘড়ীবোৰে অলপ দিগদাৰি কৰিব পাৰে। এইযে লাহে-লাহে দিনবোৰ শীতল হৈ আহিছে, সেই কাৰণেই এনেকুৱা হৈছে নেকি? নহয়, সেইটোও নহয়। ত্ৰৈলোক্যনাথে ঘড়ীটো হাতত নাবান্ধি কোটৰ ভিতৰ জেপত থৈয়ো চাইছে, তাতো বন্ধ হৈ যায়। এবাৰ তেওঁ মন কৰিছিল—ঘড়ীটো মেজত চিৎকৈ পেলাই থলে চলি থাকে, কিন্তু হাতত লৈ কাতি-কুতা কৰালেই বন্ধ হৈ যায়। কিন্তু চলাই ৰাখিবৰ কাৰণেই হাতঘড়ীৰ নিচিনা বস্তুটোতো মেজত চিৎকৈ পেলাই থব নোৱাৰি। কথাটো ভাবোঁতে ত্ৰৈলোক্যনাথৰ পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ মাহৰ পাছত মাহ বিছনাত চিৎ হৈ পৰি থকা তেওঁৰ শহুৰেকলৈ মনত পৰিছিল। মানুহজন, মানুহজনৰ লগত অভিন্ন বিছনাখন, এফাল অবশ হৈ পৰা কোঠালিটো। সেইটো দৃশ্য মনলৈ অহাৰ লগে-লগে ত্ৰৈলোক্যনাথে ঘড়ীটো হাতলৈ লৈছিল। এনেকৈ ঘড়ী এটা চলাই ৰাখিব নোৱাৰি।

কি হ'ল বাৰু ? কৰবাত ঘড়ীটোৱে খুন্দা-চুন্দা খালেনেকি ? ক'তা, তেনেকুৱা একোতো মনত নপৰে ! ইহঁতে ঘড়ীটো কেনেবাকৈ পেলাই-ছিলনেকি ? সুধিব নে কি কথাটো ? কিন্তু লগে-লগে ত্ৰৈলোক্যনাথৰ মনলৈ আহিল—সুধি লাভ নাই। সুধিলে ইহঁতৰ কোনে কি কব তেওঁ জানেই। এতিয়ালৈকে উপযাচি কোনেও কোৱা নাই যেতিয়া, এতিয়া সুধিলে—হয়, মই পেলাইছিলো—বুলি কোনেও নকয়। পুতেক-জীয়েকহঁতে কব,—আমি আপোনাৰ ঘড়ী নোচোঁৱেই ; সেইটো ঘড়ীত সময়ো নাচাওঁ। ঘৈণীয়েকে কব—মোৰ ঘড়ী-ঘণ্টাৰ লগত কাৰবাৰেই নাই। মোৰ ঘড়ী চাবলৈয়ো সময় নাই।

নাইবা সাধনবাবুৰ কথাই সঁচা হৈছেনেকি ? এতিয়ালৈকে যিকেইবাৰ দেখুৱাবলগীয়া হৈছে, সেই আটাইকেইবাৰ লাইফ-টাইম নামৰ দোকান-খনতে, মানে সেই দোকানৰ মালিক সাধনবাবুকে ত্ৰৈলোক্যনাথে ঘড়ীটো দেখুৱাই আহিছে। শেষৰ বাৰ সাধনবাবুৱে কৈছিল—"এইবাৰ কোনো-মতে কিবা এটা কৰি দিলো। ইয়াৰ পাছত আৰু নহ'ব। ই অলৰেডি পেনছন পাইছেই কেতিয়া কি হয় ঠিক নাই।" তথাপি এবাৰ দেখুৱাই লোৱাতনো অসুবিধা কি ? সাধনবাবুৱে কিজানি কিবা বিৰক্তিত নাইবা ধেমালিতে তেনেকৈ কৈছিল !

দোকানত ভৰি দিওঁতে, সাধনবাবুৰ চকুৰে-চকুৰে পৰোঁতে ত্ৰৈলোক্য-নাথৰ এইবাৰ অলপ সংকোচ লাগিছিল, লাজ লাগিছিল ; কিন্তু তেওঁ মনত সাহ গোটাই ললে। সাধনবাবুৱে কেতিয়া কি কৈছিল পাহৰিলেই চাগৈ ! তেওঁনো ইমানবোৰ ঘড়ীৰ মাজত এইটো ঘড়ীৰ বুৰঞ্জীখনহে মনত ৰাখিছেনে ? কোটৰ ভিতৰ জেপৰপৰা উলিয়াই ত্ৰৈলোক্যনাথে ঘড়ীটো সাধনবাবুৰ সন্মুখত থলে। সাধনবাবুৱে কিন্তু লগে-লগে চিনি পালে,—"ইয়াক হ'বলা এতিয়াও লৈ ফুৰিছে ?" তেওঁ ঘড়ীটোৰ পিছফালৰ ঢাকোনখন খুলিলে, তাঁৰডাল মুৰত পিন্ধি লেন্সখন চকুত লগাই ললে, আৰু কিছুসময়ৰ পাছত মুৰটো লাহে-লাহে ইফালে-সিফালে লৰালে, তৰল ওঁঠখন বিদৰালে। নহ'ব। একো উপায় নাইনে ? দুই এটা পাৰ্ট-ছাৰ্ট সলনি কৰি— ? নাই, সেইবোৰ কৰি লাভ নাই, পাৰ্ট

সলাবলৈ গলে আটাইবোৰ পাৰ্ট সলাব লাগিব। তাতকৈ নতুন ঘড়ী এটা···।

কোটৰ ভিতৰ জেপত ঘড়ীটো সুমুৱাই ত্ৰৈলোক্যনাথ দোকানৰপৰা ওলাল। ৰাস্তাত ঠাণ্ডাটো অলপ বেছি। ত্ৰৈলোক্যনাথে কোটৰ ওপৰৰ শেষ বুটামটো মাৰি এবাৰ ৰাস্তাটোলৈ চাই পঠিয়ালে। ডেকা কেইটামানে কয়লাৰ চৌকাৰ ওপৰৰ বাচনত গৰম হৈ থকা বাদাম কিনিছে; দোকানীয়ে দিয়াৰ আগতেই সিহঁতৰ এটাই বাচনটোৰপৰা এটা বাদাম লৈ টেষ্ট কৰি চাইছে। গাভৰু বোৱাৰী এজনীয়ে বিক্ৰীত ৰখি লৈ স্কাৰ্ফখন ভালকৈ ললে আৰু অলপ কিনাবলৈ গৈ গিৰিয়েকৰ কাৰণে বহাৰ ঠাই উলিয়াই দিলে। স্কুটাৰ এখন বৰ বেগেৰে পাৰ হৈ গ'ল, স্কুটাৰৰ পিছত বহি যোৱা ল'ৰাটোৱে কাৰোবালৈ চাই হাত জোকাৰিলে। তিনিজনী ধুনীয়া ফুলাম শাৰী আৰু বেলেগ-বেলেগ ৰঙৰ ছুয়েটাৰ পিন্ধা ছোৱালী বৰ গহীন হৈ বাদামৰ দোকানখন পাৰ হৈ আহিল; অলপ দূৰ আহি সিহঁতে ইজনীয়ে সিজনীৰ কাষ চাপি হাঁহিলে। চিপাহীজনৰ হাতখন আগৰেপৰা মন নকৰা মানুহজনে হঠাতে ব্ৰেক মাৰিলে; চিকচিকিয়া গাড়ীখনৰ পিছৰ ৰঙা লাইট দুটা বেছি উজ্জ্বল হৈ উঠিল। ৰৈ থকা সময়কণত মানুহজনে ছিগাৰেট এটা জ্বলালে; ওচৰত বহি থকা মহিলা-গৰাকীয়ে নিজৰ ফালৰ দুৱাৰৰ গ্লাছখন অলপ নমাই এটা সৰু ফাক কৰি ললে আৰু হাতত থকা কিবা এখনেৰে সম্মুখৰ গ্লাছখন মচিলে। গ্ৰামোফোনৰ দোকানখনত বৰ তাল উঠা হুলস্থুলীয়া যন্ত্ৰসংগীতৰ ৰেকৰ্ড এখন বাজি আছিল, সেইখন শেষ হ'ল; ঠাইডোখৰ হঠাতে নিজম-নিজম লাগিল, তাৰ পাছত দোকানখনে গানৰ ৰেকৰ্ড এখন বজালে,—স্বপ্ন আমাৰ—

ত্ৰৈলোক্যনাথে খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে। ঘড়ীটো তেনেহ'লে গ'ল?

কিবা এটা হৈছে। ত্ৰৈলোক্যনাথে হঠাতে যেন মন কৰিলে—অকল আজি ঘড়ীটো যোৱাই নহয়, কিছু দিনৰপৰা ইটো-সিটোকৈ বহুত বস্তু গৈ আছে। বহা কোঠালিৰ ছোফা ছে'টটো, ৰেডিঅ'টো, প্ৰেছাৰ

কুকাৰটো, চিলাই কলটো, চচমাৰ ফ্ৰেমটো, ডাঢ়ি খুৰোৱা ছে'টটো, এৰী কাপোৰখন—।

প্ৰথম-প্ৰথম ত্ৰৈলোক্যনাথে যেতিয়া ইয়াত ঘৰ পাতে তেতিয়া তেওঁ এটা বেতৰ ছোফা ছে'ট লৈছিল। ছিলেটৰ মৌলবী বজাৰৰ গনি নামৰ মানুহটো, পুৰা নামটো কি আছিল? আব্দুল গনি? হ'ব পাৰে। সেই গনি নামৰ মানুহটোৰপৰা ত্ৰৈলোক্যনাথে বেতৰ ছে'টটো কিনিছিল। দুখন চকী, এখন দুজনীয়া দীঘল চকী, এখন গোল চাৰিঠেঙীয়া টেবুল, তাৰ তলৰ খলপাত পুৰণা খবৰ কাগজ আৰু মেগেজিন থব পাৰি। ছে'টটোৰ দামটো ত্ৰৈলোক্যনাথে দুমাহত আদায় দিয়াৰ কথা আছিল, কিন্তু আচলতে তেওঁ দামটো তিনি মাহত আদায় কৰিছিল। সেই ছে'টটোতে কত মানুহ বহি গ'ল! বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া, ইন্সিঅ'ৰেন্সৰ এজেণ্ট, পূৰ্বজ্যোতি ক্লাবৰ সদস্যসকল, কথা পাতিবলৈ লগ বিচাৰি ৰাতিপুৰাই ঘৰৰপৰা ওলোৱা সেই ভগীৰথ বুঢ়া। ৰূপালী, হেম আৰু শকুন্তলা, সিহঁত তিনিওজনী সদায় প্ৰায় একেলগে আহিছিল; সিহঁতে প্ৰায়েই কৈছিল—আপোনাৰ ঘৰটোত সোমালে একেবাৰে তিৰোতা মানুহ থকা ঘৰৰ নিচিনা লাগে। ইমান ভালকৈ ৰাখিছে! চকীৰ কুছনৰ কাভাৰবিলাক দৰ্জীয়ে চিলাই দিছিল বুলি সিহঁতে বিশ্বাস নকৰিছিল। আচলতে কোনে চিলাই দিছে, সেইটো উলিয়াবলৈ সিহঁতে বৰ চেষ্টা কৰিছিল।

সুৰময়াৰ মাক আৰু দেউতাক আহি বহিছিল। তেওঁলোক এনেয়ে ত্ৰৈলোক্যনাথৰ লগত চিনাকি হওঁ বুলি, দেখা কৰি যাওঁ বুলি সোমাইছিল। "তোমাৰ নামটো শুনি আছোঁ, দেখা নাই; এইফালে কিবা কাম এটাত আহিছিলোঁ, ভাবিলোঁ এনেয়ে এবাৰ দেখা কৰি চিনাকি হৈ যাওঁ।" নাই নাই, তাৰ বাহিৰে তেওঁলোকৰ কোনো উদ্দেশ্য নাছিল।

কথাটো মনত পৰি ত্ৰৈলোক্যনাথৰ হাঁহি উঠিল।

সুৰময়াই অনা কাঠৰ, বেছ আহল-বহল, শেহতীয়া নতুন ডিজাইনৰ ছে'টটো সোমোৱাৰ লগে-লগে আব্দুল গনিৰ ছে'টটো আৰু ছে'ট হিচাপে নাথাকিল; দুজনীয়া চকীখন বহা কোঠালিৰে এটা চুকত অলপ

আছুতীয়া হৈ থাকিল ; তাত বৰষুণীয়া বতৰত জোতাৰ তলিত বোকা লাগি অহা মানুহ বহে, নাইবা কাঠৰ ছোফাত বহিবলৈ সংকোচ কৰা মানুহবোৰ বহে। বাকী দুখন চকীৰ কোনো নিৰ্দিষ্ট ঠাই নাথাকিল ; গৰম দিনৰ আবেলি ত্ৰৈলোক্যনাথ আৰু সুৰমায়াৰ দক্ষিণৰপৰা বলা বতাহত, জেতুকাজোপাৰ ওচৰত বহিবলৈ মন গ'ল,—নিতাই, চকী দুখন আন। জাৰৰ দিনৰ পুৰা ত্ৰৈলোক্যনাথৰ ৰ'দত বহি নখ কাটিবৰ মন গ'ল,—নিতাই, চকী এখন উলিয়াই দেচোন। বাকচ-তাকচ থোৱা গোল টেবুলখন সৰু কোঠালিটোৰ চুকত সোমাল, তাৰ ওপৰত সঘনে খুলিব নলগীয়া বাকচ এটা থাকিল, তলৰ খলপাত ফিটা ছিগা ছেণ্ডেল, জোতাৰ ৰং আৰু ব্ৰাছ থাকিল। এসময়ত চকীকেইখনৰ পায়াবোৰৰ বেতৰ গাঁথনি খুলি গ'ল ; ত্ৰৈলোক্যনাথে দুবাৰমান বেতৰ সুতবোৰ টানকৈ মোৰিয়াই বান্ধি দিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁ গাঁঠিবোৰ ৰাখিব নোৱাৰিলে ; কেইদিনমানৰ পাছতে জীৱন শেষ হোৱা স্প্ৰিঙৰ নিচিনাকৈ কুণ্ডলী পকাই বেতৰ সুতবোৰ ওলমি পৰিল। কোনোবা এসময়ত পায়াবোৰৰ বাঁহবোৰ ভাগিবলৈ আৰম্ভ কৰিলে। পিছফালটো বেৰত লগাই নললে চকী দুখনত বহিব নোৱৰা হ'ল। ত্ৰৈলোক্যনাথৰ মনত আছে—এবাৰ কোনোবা এখন চকীত বহি দিওঁতে সুৰমায়া পৰিছিলো। কেইবা-দিনো তেওঁ চকী ভাল কৰা মানুহ এটা ধৰি চকীকেইখন ৰিপেয়াৰ কৰোৱাৰ কথা ভাবিছিল ; কিন্তু দৰকাৰৰ সময়ত তেনেকুৱা মানুহ পোৱা নাযায় নহয় ! আৰু সেই সময়ত ত্ৰৈলোক্যনাথৰ এলাহো অলপ বেছি আছিল চাগৈ ! ৰিপেয়াৰ কৰাম-কৰামকৈ থাকোঁতেই চাগৈ দিনবোৰ—মানে চকীকেইখন গুচি গ'ল। কিন্তু গ'ল ক'লৈ ? ঠিক কেনেকৈ শেষ পৰ্যন্ত চকীকেইখন ঘৰটোৰপৰা নোহোৱা হৈ গ'ল ? নাই, মনত নপৰে। সিহঁতৰ অৱস্থা আব্দুল গনিৰ লগত থকা খাতিৰটোৰ নিচিনাই হ'ল। মনত পৰে --এখন চকী পাগঘৰৰ পিছফালৰ ছালিখনৰ তলত পুৰণা হাৰিকেন লেমৰ ফ্ৰেম, ৰাৱাণ্ডাখন বহলাবৰ সময়ত ওলোৱা পুৰণা বাতামৰ টুকুৰা, ভগা পেৰাম্বুলেটৰ আদিৰ লগত বহুত দিন পৰি আছিল, তাৰ পাছত কি হ'ল আৰু মনত নপৰে।

মনত পৰে—সুৰমায়াই এবাৰ বহা কোঠালিটো নতুনকৈ সজোৱাৰ বাবে বৰ হুলস্থুল লগাইছিল। ইফালৰ বস্তু সিফাল, সিফালৰ বস্তু বাহিৰ। সেই সময়তে দুজনীয়া বেতৰ চকীখন বাহিৰ। ৰুবি আৰু তাইৰ লগৰ ছোৱালীবিলাক চকীখনত উঠে, উঠি সিহঁতে তাৰপৰা কিমান দূৰলৈ জাঁপ মাৰিব পাৰে তাৰ কম্পিটিশ্যন কৰে। গাৰ্জেন নোহোৱা বেছ শকত-আৱত মেকুৰী এটা ৰাতি ৰাতি চকীখনত শোৱে। ঘৰত চূণতেল দিয়া ঠিকাদাৰে কাম কৰাবলৈ পোৱালি এটা আনিছিল, সি চকীখনত উঠি দুৱাৰ-খিৰিকিৰ ওপৰেদি যোৱা বাতামডালত মাটিতেল ঘঁহে। তাৰ পাছত আৰু মনত নপৰে।

সুৰমায়াই ভালকৈ তিনিজন, থেপাথেপিকৈ পাঁচজনী মানুহ বহিব পৰা এখন ডিভান কৰাইছিল। সেইখন সোমোৱাৰ কাৰণেই ত্ৰৈলোক্য-নাথৰ, —নহয়, ত্ৰৈলোক্যনাথৰনো কি,—আব্দুল গনিৰ দুজনীয়া চকীখন বাহিৰ ওলাইছিল। ত্ৰৈলোক্যনাথে কৈছিল—ঠিকেইতো আছে, কিয়নো মিছামিছিকৈ খৰচ—

সুৰমায়াই কৈছিল—ডিভানখনৰ কাৰণে ত্ৰৈলোক্যনাথে পইচা দিব নালাগে; সেইখিনি পইচা সুৰমায়াই নিজৰপৰা দিব। নিজৰপৰা? ত্ৰৈলোক্যনাথে হাঁহিছিল।

সুৰমায়াই ছোফা ছেট'টোৰো কুছন-তুছন বদলাই দিছিল। ভাল লাগিছিল। বহুত দিন ধৰি ছে'টটো বেছ চলিছিল। গধূলি গধূলি ৰুবি, বুপক আৰু ত্ৰৈলোক্যনাথৰ সাঁথৰ আৰু সাধুকথাৰ অধিবেশন চলিছিল। ৰুণিয়ে ছোফাবোৰত ধৰি-ধৰি খোজ কাঢ়িবলৈ শিকিছিল। সুৰমায়াহঁতৰ কাটিং, নিটিং, টেটিঙৰ ডিজাইন শিকোৱা-শিকি চলিছিল। বহুত মানুহ,—বহুত মানুহ ছোফাবোৰত বহিছিল। ত্ৰৈলোক্যনাথৰ এসময়ৰ বন্ধু, পাছত মগজৰ গণ্ডগোল হোৱা লক্ষ্মীকান্ত লেতেৰা-পেতেৰা কাপোৰ-কানিৰে প্ৰায়েই ছোফা এখনত বহি আছিলহি আৰু টকা তিনিটামান নোপোৱালৈকে নুঠিছিল। দেশদ্ৰোহী বুলি মৃত্যুদণ্ডৰে দণ্ডিত চাৰিজন আফ্ৰিকাৰ মানুহৰ জীৱন ৰক্ষাৰ কাৰণে চহী সংগ্ৰহ কৰিবলৈ এদিন এজাক বৰ ডাঙৰ-ডাঙৰ মানুহ আহিছিল; —ছোফা

ছে'টটোৱে তেওঁলোকক নাটিছিল। কলেজত একেলগে পঢ়া ৰুবিৰ লগৰ ছোৱালীবোৰ বহিবৰ সময়ত বৰ সাৱধানে, আলফুলকৈ বহিছিল, কিন্তু উঠিবৰ সময়ত সিহঁতৰ কাপোৰত বহুত সৰু-সৰু কোঁচ পৰিছিল। বুপকৰ লগৰ ল'ৰাবোৰে বহাৰ নামত আধা শুইছিল। সিহঁতে টিপয়-বোৰত ভৰি থৈছিল ; আৰু ত্ৰৈলোক্যনাথ কিবা কামত কোঠালিটোলৈ আহিলে সিহঁত পোন হৈ বহিছিল। ত্ৰৈলোক্যনাথে নিৰ্ভয় দি কৈছিল —বহাঁ বহাঁ।

কোনোবা এসময়ত সুৰমায়াই কুছনৰ কাভাৰবিলাক সলাইছিল। আগৰ কাভাৰবিলাকৰ ফুল-ফুল কাপোৰৰ ৰংটো অলপ নিস্তেজ হৈছিল। গতিকে সুৰমায়াই ৰুবি আৰু ৰুণিৰ লগ লাগি ফুল-চুল নথকা, মিহিমিহি আঁক-বাঁক থকা কাপোৰ এটা পছন্দ কৰিছিল আৰু নিজৰ পইচাৰেই কিনিছিল।

আৰু, কিছুদিনৰ আগতে, এবছৰ-ডেৰবছৰমান হ'ল হ'বলা, —সেই ছোফা ছে'টটো বহা কোঠালিৰপৰা ওলাল। কাঠবিলাক আগৰেপৰা ফপৰীয়া হৈ আহিছিল, এদিন এখন চকীৰ হেণ্ডেল এডাল হেলেক-পেলেক হ'ল, এদিন দীঘল চকীখনৰ দুটা পায়া একেলগে মেটেককৈ উঠিল। এদিন ত্ৰৈলোক্যনাথে বুজিলে-ৰুবি-ৰুণিহঁতৰ কথাটো সঁচা, এইটো ছে'ট ৰিপেয়াৰ কৰি লাভ নাই। গতিকে তেওঁ এটা নতুন ছোফা ছে'ট কৰাই আনিলে। সেই সময়ত তেওঁ সুৰমায়াক সুধিছিল—তোমাৰ নিজৰ পইচা অলপমান দিবানেকি ?

সুৰমায়াই কৈছিল—মোৰ নিজৰ পইচা আকৌ ক'ৰ-পৰা ওলাব !

ত্ৰৈলোক্যনাথে হাঁহিছিল। হয়তো। সুৰমায়াৰ নো নিজৰ পইচা আকৌ কি ? তেওঁতো নিজে একো উপাৰ্জন নকৰে !

উপাৰ্জন ত্ৰৈলোক্যনাথেই কৰে, কৰি পইচাখিনি সুৰমায়াক দিয়ে। সুৰমায়াৰ বাকছটোত দুটা চুক আছে, তাৰে এটা চুক তেওঁৰ নিজৰ। ইটো চুকৰপৰা সেইটো চুকলৈ তেওঁ যিখিনি পইচা নি থয়, সেইখিনিয়েই তেওঁৰ নিজৰ। সেইখিনি পইচা এজাপ কাপোৰে হেঁচা মাৰি ধৰি থাকে। ইটো চুকত কাপোৰ-কানি বিশেষ নাথাকে, সেইটোত লোকৰ পইচা থাকে।

কি কি কামত সুৰমায়াই নিজৰ পইচা খৰচ কৰে, সেইটো লক্ষ্য কৰি ত্ৰৈলোক্যনাথে বৰ আমোদ পায়। ৰুবিৰ দেখোন দুটা ছুয়েটাৰ আছেই, আকৌ— ? তাইক তেনেকুৱা দীঘল ছুয়েটাৰ এটা দিবলৈ সুৰমায়াৰ বৰ মন গৈছে, গতিকে সেইটো সুৰমায়াই নিজৰ পইচাৰে দিব। মুণিৰ কাৰণে তেনেকুৱা লং পেণ্ট ? ত্ৰৈলোক্যনাথে দুৰ্ঘোৰ আপত্তি কৰে—মই সেইচব ভাল নাপাওঁ, কি মিছামিছি বাৰেভচহু, ছাকাছিৰ ফতুৱা—। গতিকে পইচাখিনি সুৰমায়াই নিজৰপৰা দিব। এটা বঢ়িয়া জাপানী ট্ৰেনজিষ্টৰ ৰেডিঅ' ওলাইছে, ছাইজটো সৰু কিন্তু মাতটো তাৰ বৰ গলগলীয়া। ৰূপকে কেইবাদিনৰেপৰা বৰকৈ লাগি আছে। ৰেডিঅ' শুনিবলৈ পঢ়া মেজৰপৰা উঠি-উঠি আহিলে পঢ়া-শুনা বেছিহে ক্ষতি হয়। ত্ৰৈলোক্যনাথে আৰু এটা ৰেডিঅ' থাকোঁতে আৰু এটাৰ কাৰণে ক'ৰ পইচা দিব ! গতিকে পইচাখিনি—

সুৰমায়াৰ নিজৰ পইচাকেইটা বৰ খৰচ হয় ঘৰত থকা সোণখিনিৰ লগত। তেওঁ ইয়েৰ-ৰিং এযোৰ ভঙাই থুৰীয়াৰ নিচিনা ফুল এযোৰ কৰায়, অকণমান সোণ বাচে, তাৰে ৰুবিৰ মিহি, সৰু ৰিং এযোৰ হয়। বুলি এযোৰ ভঙাই চেইন এডাল, আঙঠি এটা ভঙাই সৰু লকেট এটা গঢ়ায় ; ব্ৰেছলেট এপাত দি ৰুণিৰ কাৰণে ছপাত সৰু-সৰু খাৰু গঢ়ায় ; অকণমান সোণ কম পৰে, তাৰ কাৰণে জোনাবৰিৰ ধাৰৰপৰা সৰু মণি এটা দিয়ে। ত্ৰৈলোক্যনাথে কয়—কিয়নো এই ভঙোৱা-গঢ়োৱাখন কৰি থাকা ? যি আছে তাকে পিন্ধিবলৈ দিয়াচোন সিহঁতক। সুৰমায়াই কয়— সেইবোৰ সিহঁতে পিন্ধিব পাৰে নেকি ? আৰু লোকচানতো একো হোৱা নাই ! সোণতো কিনাই নাই ; খালী গঢ়ানিটোহে ! আৰু সেইখিনিতো মই নিজৰপৰাই দিওঁ ! ত্ৰৈলোক্যনাথে কয়—লোকচান নহয় বুলি নকবা। হয়। প্ৰতিবাৰ ভঙোৱা-গঢ়োৱা কৰোঁতে অকণ-অকণ সোণ হেৰাই যায়। সুৰমায়াই কয়—যিকণ হেৰাই হেৰাওক, এবাৰ সেইকণ কিনি ললেই হ'ল। আচলতে সুৰমায়াই কিনেও। নিজৰ পইচাৰে। কেৱল যেতিয়া ত্ৰৈলোক্যনাথৰ পইচাৰ অলপ টনাটনি হয়, তেতিয়া সুৰমায়াৰ নিজৰ পইচা নাইকিয়া হয়। যেনে নতুন ছোফা ছে'টটো কিনিবৰ সময়ত।

ত্ৰৈলোক্যনাথৰ মুখত এটা ক্ষীণ হাঁহি বিৰিঙিব খুজিছিল। সম্মুখৰ ফালৰপৰা অহা মটৰ এখনৰ হে'ডলাইটৰ পোহৰ মুখত পৰাত তেওঁ হাঁহিটো সামৰিলে। মটৰখন বৰ কাষেদি পাৰ হৈ গ'ল। ত্ৰৈলোক্যনাথ অলপ বিৰক্ত হ'ল। তেওঁৰ মানুহ-দুনুহ, গাড়ী-চাড়ী কম থকা ৰাস্তা এটাইদি খোজ কাঢ়িবলৈ মন গ'ল।

মূঠৰ ওপৰত ছোফা ছে'টটো গ'ল। কিন্তু ইণ্টাৰেষ্টিং কথা,—যোৱা কিছুদিনৰ ভিতৰৰ কোনোবা এটা দিনৰ পাছত ত্ৰৈলোক্যনাথৰ ৰেডিঅ'টোও বজা নাই। ঠিক কোন দিনা ৰেডিঅ'টো বেয়া হ'ল সেইটো কব নোৱাৰি। ঘেৰ-ঘেৰ, কোঁ কোঁ, পিং পিং শব্দ ওলায়, গান আৰু কথা নোলায়, কেতিয়াবা একো শব্দ নোলায়। ত্ৰৈলোক্যনাথে এবাৰ সন্দেহ কৰিব খুজিছিল-কিজানি ৰেডিঅ'টো ঠিকেই আছে। সিফালে ৰেডিঅ' ছেণ্টাৰতহে গণ্ডগোল! কিন্তু তেওঁ ভালকৈ সন্দেহ কৰাৰো সুবিধা নহ'ল; অকণমানি চকাটো ঘূৰাই দিওঁতেই ৰূপকৰ ৰেডিঅ'ই চিঞৰি উঠিল—মোৰ আকাশত—টুং টুং-পেং পেং পেং—

মনত আছে—ৰেডিঅ'টো কিনিবলৈ সুৰমায়া আৰু ত্ৰৈলোক্যনাথ একেলগে গৈছিল। ৰিক্সাত। দোকানত সুৰমায়াই কেবিনেটটোৰ ডিজাইন পছন্দ কৰিছিল। ত্ৰৈলোক্যনাথে অলপ টেকনিকেল কথা জনা যেন দেখুৱাইছিল; তেওঁ ছুইচ, কণ্ট্ৰলকেইটা আৰু এৰিয়েল লগোৱা ফুটাটো চিনি লৈছিল। জোকাৰণিত বেয়া হয় বুলি তেওঁলোকে ঘৰলৈ আনোতে ৰেডিঅ'টো ৰিক্সাৰ ভৰি থোৱা ঠাইডোখৰত থোৱা নাছিল। সুৰমায়াই ৰিক্সাত বহি, কাপোৰ-কানি ঠিক-ঠাক কৰি লৈ ত্ৰৈলোক্যনাথৰ কাৰণে বহা ঠাই উলিয়াই দিছিল, ত্ৰৈলোক্যনাথ বহিছিল আৰু তাৰ পাছত তেওঁ দুয়োৰে কোলাত আধা-আধা পৰাকৈ ৰেডিঅ'ৰ বাকছটো তুলি লৈছিল। সেইদিনা ৰাতি ত্ৰৈলোক্যনাথে ৰেডিঅ'টো অফ কৰিবই নুখুজিছিল। লোকেল ছেণ্টাৰটো বন্ধ হৈ যোৱাৰ পাছতো তেওঁ সমগ্ৰ বিশ্বৰ ইমূৰৰপৰা সিমূৰ গান আৰু সুৰ বিচাৰি চলাথ কৰিছিল। কোনে যে ক'ত কি গান গায়! ক'ত যে কি সুৰ বাজে! কি যে ভাষা! কিলিং-কালাং, বেং বেং, উদাত্ত কণ্ঠত অপেৰাৰ গান, দিছ-ফিছ-তিছ,

কোনোবা কোমল নাৰী-কণ্ঠত—আই ফাইণ্ড এ ব্ৰ' কেন হাৰ্ট এমং মাই ছুভেনিৰ—

সুৰমায়াই আঁঠুৱাৰ তলৰপৰা মাতিছিল, হৰ দিয়ক, আহক।

বাটত মানুহ কমি অহাৰ কাৰণেই হ'বলা গাড়ীবোৰৰ বেগ বৰ বেছি হৈছে। ত্ৰৈলোক্যনাথে এইবাৰ স্টাকৈয়ে আমনি পালে। অলপ দূৰ গৈ তেওঁ ঠেক বাস্তা এটাত সোমাল।

ৰেডিঅ'টো—। এই সুদীৰ্ঘ কালত কিমান গান, —তৰা খহি পৰে তোমাৰ চকুত—ভাঙি দিয়া এই বাধাৰ প্ৰাচীৰ—নিয়ঁৰ উৰিল সূৰ্য বিচাৰি—ফুলিলে ভেবেলি লতা—পাৰ কৰা ৰঘুনাথ—হে মাই মই আৰু লৰণু নাখাওঁ—। কত নাটক, —কত নায়ক-নায়িকাৰ আকুল ক্ৰন্দন, —মই মোৰ সমগ্ৰ সত্ত্বাৰে উপলব্ধি কৰিছোঁ অসীমদা, বা মধুস্মিতা—। কত কথা, কত সাধুকথা, কত খেল, কত চিঞৰ! কি হ'ল? গ'ল নেকি কোনোবা এটা? নাই, নগ'ল। আম্পায়াৰে নিগেটিভ কৰিলে—।

এবাৰতো ৰেডিঅ'টোত ত্ৰৈলোক্যনাথৰ নিজৰ মাতো ওলাইছিল। যিজন ডাঙৰ মানুহৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনাই আলেখ্যখন প্ৰচাৰ কৰা হৈছিল, সেইজন মানুহৰ লগত এসময়ত ত্ৰৈলোক্যনাথে একেলগে কাম কৰিছিল। গতিকে ত্ৰৈলোক্যনাথক সোধা হ'ল—আপোনাৰ বক্তব্য? ত্ৰৈলোক্যনাথে কৈছিল—তেখেত বৰ অমায়িক, ধাৰ্মিক, কৰ্তব্যপৰায়ণ, দয়ালু আৰু সৰবৰহী লোক আছিল। দুই মিনিটমান কৈ ত্ৰৈলোক্যনাথে মানুহজনৰ আত্মাৰ সদগতি কামনা কৰিছিল। তাৰে এক মিনিটমান ৰেডিঅ'টোত বাজিছিল। সুৰমায়া, ৰবি, ৰূপক আৰু ৰূণি ৰেডিঅ'-টোৰ সম্মুখত নিস্তব্ধ হৈ বহি আছিল। ত্ৰৈলোক্যনাথ লাজতে অলপ দূৰত—কিনো ডাঙৰ কথা—এনেকুৱা এটা ভাব দেখুৱাই বহি আছিল। মিনিটটো পাৰ হৈ যোৱাৰ পাছত ৰবিয়ে কৈছিল,—মাতটো দেউতাৰ মাত যেন লগাই নাই নহয়? ৰূপকে কৈছিল,—মই হ'লে ঠিক ধৰিব পাৰিছোঁ। ৰূণিয়ে কৈছিল,—ময়ো।

যোৱা কিছুদিনৰ ভিতৰৰ কোনোবা এটা সময়ত সেই ৰেডিঅ'টো

বেয়া হৈছে। প্ৰথমতে যেন তাৰ ভাষা হেৰাইছিল, তাৰ পাছত মাত হেৰাল, কিছুদিনলৈ থাকিল বুকুৰ ঘেৰঘেৰণি, তাৰ পাছত সি নিতাল মাৰিলে। ত্ৰৈলোক্যনাথে বুজিলে—এইটো ৰেডিঅ' আৰু কোনো মেকানিকে ভাল নকৰে। বুণিয়ে কৈ আছে—এটা ডাঙৰ, দীঘলীয়া, হাই-ফাই ৰেডিঅ' কিনিব লাগে, কিনা হোৱা নাই, যিমান দূৰ সম্ভৱ বুপেকৰটোৰে কাম চলি আছে কাৰণে।

সেইখিনি সময়ৰে কোনোবা এদিন প্ৰেছাৰ কুকাৰটোত প্ৰেছাৰ নোহোৱা হ'ল। দোকানৰ মানুহে কলে-ঢাকোনখন আৰু বাচনটোৰ মুখখন বেঁকা-বেঁকি হৈ গ'ল; এতিয়া আৰু সিহঁতে খাপ খাই নধৰে, গতিকে কোনো উপায় নাই। কেতিয়া কিনিছিল প্ৰেছাৰ কুকাৰটো? বুবি জন্ম হোৱাৰ আগত নে পাছত? ঠিক মনত নপৰে, কিন্তু প্ৰায় তেনেকুৱা এটা সময়তে।

বেছ কিছুদিনৰ আগৰপৰা চিলাইকলটোৱে ঘৰ ঘৰ ঘৰ শব্দ কৰিবলৈ লৈছিল। তেল দিলেও লাভ নহৈছিল। ঘনে-ঘনে বেজি ভাগিছিল। চিলাইবোৰ সমান দূৰে-দূৰে নপৰিছিল। বুণি উচাট মাৰি চকীখনৰপৰা উঠি আহে—মই এইডালত নোৱাৰোঁ। কাপোৰটোহে নষ্ট হ'ল। সুৰমায়াই কয়, —তহঁতৰ অত্যাচাৰতে এনেকুৱা হ'ল। নহ'লে বাইছ-তেইছ বছৰতে এনেকুৱা মেচিন এটা বেয়া হয়নেকি?

পাছত মেছিনটো এক বুঢ়া দৰ্জিক বেছি দিয়া হ'ল। যিখিনি পইচা পোৱা গ'ল তাৰ লগতে বাকীখিনি দি ত্ৰৈলোক্যনাথে নতুন মেছিন এটা কিনিলে। ছোৱালী থকা ঘৰত মেছিন এটা নহ'লেই নহয়। বাকীখিনি পইচা ত্ৰৈলোক্যনাথে দিলে। সুৰমায়াৰ নিজৰ পইচা নাছিল।

এইখিনি সময়ৰ ভিতৰতে চচমাৰ ফ্ৰে'মটো বদলাব-লগীয়া হৈছে; কোন কাহানিয়েই কিনা বিলাতী ডাঢ়ি খুৰোৱা ছে'টটোৰ গ্ৰে'ডবোৰ ক্ষয় গ'ল, গতিকে ডাঢ়ি খুৰোৱা ছে'ট এটা নতুনকৈ কিনিবলগীয়া হৈছে; ইমান দিনৰ পুৰণি এৰী চাদৰখনৰ উম-চুম নোহোৱা হৈ যোৱাৰ কাৰণে বাই এজনীক দি দিবলগীয়া হৈছে; হৈছে কি বাৰু?

আৰু আজি গ'ল এই ঘড়ীটো।

ৰাস্তাটো প্ৰায় জনশূন্য হৈ পৰিছিল। কুঁৱলী পৰিছিল। ষ্ট্ৰিট লাইটবোৰৰ ইটোৰ পোহৰক সিটোৱে কোনোমতেহে চুইছিল। ত্ৰৈলোক্য-নাথৰ সম্মুখত গাৰ ছাঁটো বাৰে-বাৰে দীঘল হৈ গৈছিল। বাৰে-বাৰে তাক মূৰৰ ফালৰপৰা পোহৰে খাই আনিছিল, কিন্তু বাৰে-বাৰে সি আকৌ দীঘল হৈ গৈছিল। ত্ৰৈলোক্যনাথ লাহে-লাহে চিন্তিত হৈ পৰিছিল। কিয় এনেকুৱা হৈছে? এইটো ঘড়ী—মনত আছে এইটো তেওঁ ছাব্বিছ বছৰ বয়সত কিনিছিল। কিমান বিচাৰ, কিমান দাম-দৰ! পছন্দ আৰু জেপৰ পইচা নিমিলেহে নিমিলে। মনত আছে—ঘড়ীটোৰ লগত তেওঁ এটা ডাঠ কাগজৰ বাকচ পাইছিল; বহুত দিনলৈ নিপিন্ধা সময়খিনি তেওঁ ঘড়ীটো সেই বাকচটোত ভৰাই থৈছিল। এইটো ঘড়ীত সময় চাই তেওঁ চাকৰিটোৰ কাৰণে ইণ্টাৰভিউ দিছিল। তেওঁৰ বিয়াৰ লগ্ন আছিল ৰাতি এঘাৰ বাজি পোন্ধৰ মিনিট যোৱাত,—আঁৰ চকুৰে তেওঁ এইটো ঘড়ীতে সেই সময় চাইছিল। ৰুবিৰ জন্ম দিনৰ চাৰি বাজি একত্ৰিছ মিনিটত, ৰূপকৰ ৰাতি আঠ বাজি ওঠৰ মিনিটত, ৰুণিৰ…। কত ট্ৰেইন ধৰাৰ সময়, কত থিয়েটাৰ চোৱাৰ সময়, কত ঔষধ খুউৱাৰ সময়।

সেই ঘড়ীটো আজি শেষবাৰৰ কাৰণে বন্ধ হৈ গৈছে। অকল ঘড়ীটো বন্ধ হৈ যোৱাই নহয়, এইখিনি দিনৰ ভিতৰত ইমানবোৰ বস্তু! হৈছে কি বাৰু? কেনেকুৱা সময় এইখিনি?

ৰাতি বিছনাত চিত হৈ পৰি ত্ৰৈলোক্যনাথে ডিঙিৰ ওচৰলৈকে লেপখন টানি লৈ সুৰমায়াক ক'লে,—মন কৰিছানে? কি হৈছে বাৰু? শেষ পৰ্যন্ত সময়টোও বৈ গৈছে। কিবা কাম নাইকিয়া-নাইকিয়া যেন লাগিছে।

কিছুসময় ত্ৰৈলোক্যনাথ আৰু সুৰমায়া দুয়ো নিশ্চল হৈ পৰি থাকিল। যেন সময় পাৰ হোৱাই নাই। তাৰ পাছত ত্ৰৈলোক্যনাথে ক'লে,—ৰূপকহঁতৰ ঘড়ীৰেই চলিব লাগিব।

অলপ পৰ বৈ তেওঁ আকৌ ক'লে,—পিছে অলপ অসুবিধা লাগি থাকিব। খালী-খালী লাগিব।

সুৰমায়া অসাৰ হৈ পৰি থাকিল। যেন সময় পাৰ হোৱাই নাই।

পাছ দিনা সুৰমায়াই ত্ৰৈলোক্যনাথক এটা ঘড়ী কিনি দিয়াৰ কথা কলে ; তেওঁৰ নিজৰ পইচাৰে।

ত্ৰৈলোক্যনাথে কেই মুহূৰ্তমান সুৰমায়াৰ মুখলৈ চাই ৰল। তাৰ পাছত তেওঁ আনফালে চকু ঘূৰালে। আনফালে চোৱাৰ পাছতো তেওঁৰ সম্মুখত সুৰমায়াৰ মুখখন ভাঁহি থাকিল। সুৰমায়াই উচ্চাৰণ কৰা শব্দকেইটা তেওঁৰ কাণত বাজি থাকিল। লাহে-লাহে সুৰমায়াৰ মুখৰ বহুতো ছবি এখনৰ পাছত এখনকৈ তেওঁৰ সম্মুখেদি পাৰ হৈ যাবলৈ ধৰিলে। যেন ৰেলৰ ডবা কিছুমান এটা সুৰংগৰ ভিতৰত এটাৰ পাছত এটাকৈ অদৃশ্য হৈ যাবলৈ ধৰিলে। সুৰংগটোৰ ভিতৰত বহুত শব্দৰ সৃষ্টি হ'ল। এটা ডবাৰ শব্দ, দুটা ডবাৰ শব্দ, বহুতো ডবাৰ শব্দ। শব্দবোৰ লাহে-লাহে ক্ষীণ হৈ আহিল। শেষত থাকিল এটা অনুৰণন। সেই অনুৰণন সুৰমায়াই উচ্চাৰণ কৰা শব্দকেইটাৰ নিচিনা শুনা গ'ল।

ত্ৰৈলোক্যনাথে যেন বুজিবলৈ আৰম্ভ কৰিলে—কি হৈছে, এইটো কি সময় হৈছে।

এইটো সুৰমায়াই নিজৰ পইচা নতুন ধৰণে খৰচ কৰাৰ সময় হৈছে। ঘড়ী চলাই ৰখাৰ চেষ্টা কৰাৰ সময় হৈছে।

## উপক

মাটি-বিক্ৰি। চৰকাৰী ৰাস্তাৰ কাষতে, কিনিয়েই ঘৰ সাজিব পৰা অৱস্থাত থকা চাৰি কঠা মাটি বিক্ৰি কৰা হ'ব। এজেন্ট লাগে। বিখ্যাত শিল্প প্ৰতিষ্ঠানে প্ৰস্তুত কৰা বেচমৰ কাপোৰ বেচিবলৈ এজেন্ট লাগে। ৰাস্তা বন্ধ। ফুলেশ্বৰী বাগিচাৰ মাজেদি সোণপুৰ ঘাটলৈ যোৱা বাটটো বিশেষ কাৰণত অনিৰ্দিষ্ট কালৰ বাবে জনসাধাৰণৰ কাৰণে বন্ধ কৰি দিয়া হৈছে।

তাৰ পাছত, তাৰ পাছত—নিৰ্মালিৰ চকু দুটা হঠাতে বহলকৈ মেল খাই গ'ল।

নিৰ্মালিয়ে নিতান্ত উদাসীনভাৱে বাতৰি-কাকতৰ এটাইবোৰ বাতৰি বাদ দি বিজ্ঞাপনবোৰৰ ওপৰত চকু ফুৰাই আছিল। ডাঙৰ-ডাঙৰ মেৰপাক লগোৱা, জটিল বাতৰি কিয়, বাতৰি-কাকতৰ প্ৰতিয়েই নিৰ্মালিৰ কোনো আগ্ৰহ নাই। কেতিয়াবা ছবি থকা কিতাপপাতি-আলোচনী ঘৰত সোমালে,—মন গলে,—তাই পাত লুটিয়াই ছবিবোৰ চায়, তাতকৈ বেছি সক্ৰিয় হ'বলৈ তাইৰ মন নাযায়। এইখন, স্থানীয়, সৰু বাতৰি-কাকত ; এইখনত ছবি-তবিও তেনেকৈ নেথাকে, এনেকুৱা কাকত এখন পঢ়োঁ বুলি ওচৰলৈ চপাই লোৱাৰ কথা নিৰ্মালিয়ে বহু দিন ভবা নাই। ওচৰতে কাকতখন পৰি আছিল, বিজ্ঞাপনৰ পৃষ্ঠাটো ওপৰতে ওলাই আছিল, সেইকাৰণে তাই নিৰ্বিকাৰভাৱে চকু ফুৰাই গৈছিল—মাটি বিক্ৰি, এজেন্ট লাগে, ৰাস্তা বন্ধ। কিন্তু তাৰ পাছতে তাইৰ চকু দুটা বহলকৈ মেল খাই গ'ল। তাৰ পিছৰ বিজ্ঞাপনটো তাই একে উশাহে পঢ়ি শেষ কৰি পেলালে, আৰু তাৰ পাছত তাই স্তব্ধ হৈ ৰহি ৰল।

পাত্ৰ লাগে। শিক্ষিতা, মিঠাবৰণীয়া, পাতল, ওখ, দেখিবলৈ ভাল পাত্ৰীৰ কাৰণে এজন উপযুক্ত পাত্ৰ লাগে। পাত্ৰ কোন সম্প্ৰদায়ৰ হ'ব লাগে সেই কথাটোও দিয়া আছে, আৰু সবিশেষ জনাই কাকতখনৰ সম্পাদকৰ মাৰফতে পত্ৰৰ দ্বাৰা যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হৈছে।

বিজ্ঞাপনত উল্লেখ কৰা সম্প্ৰদায়টো নিৰ্মালিহঁতৰ সম্প্ৰদায়ৰ লগত মিলি গৈছে। নিৰ্মালিয়ে তাইৰ মুৰলৈ তেজৰ সোঁত এটা উঠি যোৱা যেন অনুভৱ কৰিলে। বিজ্ঞাপনৰ আখৰবোৰখিনিৰ ওচৰতে তাইৰ হাতখন পৰি আছে, মিঠাবৰণীয়া,—প্ৰায় মিঠাবৰণীয়া। সদায় উদং হৈ থাকে কাৰণে হাতখনৰ ৰংটো মুখৰ ৰংটোতকৈ অলপ মলিন হৈছে, কিন্তু নিৰ্মালিয়ে ভালকৈ জানে, মুঠৰ ওপৰত তাইৰ গাৰ ৰং মিঠাবৰণীয়া। নিৰ্মালিয়ে এক দৃষ্টিৰে বিজ্ঞাপনৰ শব্দবোৰলৈ চাই বল। পাতল। হয়, এতিয়া তাই পাতল, লাহী। এসময়ত তাই শকত আছিল, মঙহবোৰে যেন অনবৰত ভিতৰফালৰ পৰা তাইৰ গাৰ ছালবোৰক ঠেলি ফিন্দ খুৱাই ৰাখিছিল। এতিয়া—কিবা কাৰণত,—নহয় নহয়, ঠিক বয়সৰ কাৰণে নহয় চাগে,—ঘৰখনৰ কাৰণে চিন্তা কৰিবলগীয়া হোৱাৰ কাৰণে, পৰিশ্ৰম কৰিবলগীয়া হোৱাৰ কাৰণে,—বোধহয় এইবোৰ কাৰণতে তাই খীণাইছে! এসময়ত চাবোন পানী ব্যৱহাৰ কৰি খুলিবলগীয়া খাৰুপাতে এতিয়া এনেয়ে বুঢ়া আঙুলিৰ গুৰিৰ গাঁঠিটো চোওঁচোওঁ কৰি থাকে। মুঠতে তাই এতিয়া ক্ষীণ, তাকে বোধহয়,—হয়, তাকে পাতল বোলে। আৰু পাতল হৈ যোৱাৰ কাৰণেই তাইক ওখ-ওখ লাগে। সেইটো কথা লগৰ ছোৱালীয়েও তাইক প্ৰায়েই কয়। তাই এনেয়েও লগৰ অইন বহুততকৈ ওখ আছিল, অলপ পাতল হৈ যোৱাৰ কাৰণে এতিয়া তাইক বেছি ওখ যেন লাগে।

বিজ্ঞাপনখনৰ "দেখিবলৈ ভাল'' এই শব্দ দুটাৰ পৰা চকু আঁতৰাই আনি নিৰ্মালি আকৌ থৰ হৈ ৰ'ল। দেখিবলৈ তাই কেনেকুৱা—এইটো প্ৰশ্নৰ উত্তৰ নিৰ্মালিৰ কেইবা হাজাৰো আছে, কিন্তু তাৰ ভিতৰত কোনটো উত্তৰ সঁচা তাই নাজানে, জনাৰ সম্ভাৱনাও নাই! গোটেই জীৱনটো আয়না এখনৰ সমুখত বহি থাকিলেও তাইৰ বাৰে-বাৰে মনলৈ আহিব—মইবা দেখিবলৈ কেনেকুৱা? —এই প্ৰশ্নৰ সঠিক উত্তৰ তাইৰ নাই। তথাপিও—মুঠতে কবলৈ গলে,—তাই দেখিবলৈ ভালেই চাগে। আয়নাই যিয়েই নকওক, তাই নুশুনাকৈ মানুহে যিয়েই নকওক, তাইৰ সাতাইছ বছৰীয়া জীৱনৰ যোৱা বাৰটা বছৰ তাই নিজকে যেনেকৈ

চলাইছে, যেনেকৈ সজাইছে, বাটৌদি তাই যেনেকৈ খোজ কাঢ়িছে, সেইবোৰ চাগৈ তাই দেখিবলৈ ভাল কাৰণেই তেনেকৈ কৰিছে ; নহলে তাই সেইবোৰ বেলেগ ধৰণে কৰিলেহেঁতেন। তাইৰ চলন-ফুৰণ ভাব-গতিক তেনেকুৱা এটা ৰূপ দিবলৈ তাইৰ নিশ্চয় কিবা এটা সম্বল আছিল। হয়, তাই দেখিবলৈ ভালেই। অন্ততঃ বিজ্ঞাপনত তাইৰ কাৰণে এই দুটা শব্দ ব্যৱহাৰ কৰাৰ বাহিৰে অইন উপায় নাই।

নিৰ্মালিয়ে নিশাহটো বন্ধ কৰি ৰাখি আকৌ বিজ্ঞাপনটো পঢ়িবলৈ ললে। শিক্ষিতা, –হয়, তাই নিশ্চয় শিক্ষিতা, এয়া তাই বাতৰি-কাকত পঢ়িছে।

মিলি গৈছে। প্ৰত্যেকটো শব্দ তাইৰ লগত মিলি গৈছে। নিৰ্মালিৰ কাণ দুখন গৰম-গৰম লাগিল। এয়া তেনেহ'লে তাইৰ কাৰণে প্ৰচাৰ কৰা বিজ্ঞাপন ? হ'ব পাৰে। হ'ব পাৰে নহয়, হয়েই। বিজ্ঞাপনৰ প্ৰত্যেকটো শব্দই কৈছে, তাইৰ মনে কৈছে, ঘৰখনৰ পৰিবেশে কৈছে,—এইখন তাইৰ কাৰণে দিয়া বিজ্ঞাপন। পাত্ৰ লাগে। বহুদিন ধৰি নিৰ্মালিয়ে মৰ্মে মৰ্মে উপলব্ধি কৰি আহিছে—এই বিজ্ঞাপন সিহঁতৰ ঘৰৰ প্ৰত্যেকটো প্ৰাণীৰ মুখত, বেৰে-দুৱাৰে-পদুলিয়ে-জেওৰাই অদৃশ্য হৈ ওলমি আছে। আজি কেৱল তাৰে এছোৱা কাগজত প্ৰকাশিত হৈ গ'ল।

নিৰ্মালিৰ গোটেই শৰীৰটো যেন লাজত কোঁচ খাই গ'ল। তাইৰ অদৃশ্য হৈ যাবৰ মন গ'ল ; বাতৰি-কাকতখন মোহাৰি সোমাৰি অদৃশ্য কৰি পেলাবৰ মন গ'ল। এই কাকতখনৰ কিমান সংখ্যা ছপা হয় ? কিমান মানুহে এইখন কাকত পঢ়ে ? কেৱল এই এখনহে ছপা হৈছে নে কি ? নহয় নহয়, এইখন কাকতৰ লাখ-লাখ সংখ্যা ছপা হৈছে, গোটেই পৃথিৱীৰ কোটি-কোটি মানুহে এই কাকত পঢ়িব ; তাৰ পাছত মানুহ-বোৰে কাগজবোৰ ওজন কৰি দোকানীক বেচিব ; দোকানীয়ে সেই কাগজত বস্তু বেচিব ; সেই বস্তুৰ টোপোলা খুলি পাগঘৰৰ পঢ়িব জনা ৰান্ধনী, বোৱাৰী, ল'ৰা-ছোৱালীয়ে আকৌ বিজ্ঞাপনটো পঢ়িব, আকৌ

পঢ়িব,—আকৌ পঢ়িব,—অনন্তকাললৈ বিজ্ঞাপনটো মানুহৰ মাজে-মাজে ঘূৰিয়েই ফুৰিব।

লাজ, ভয়, অপমানত নিৰ্মালিৰ নাকৰ পাহিবোৰ ফুলি-ফুলি উঠিল। আগফালে ওলালেই আজি তাই দেখিব—পদূলিয়ে-পদূলিয়ে চুবুৰিৰ বোৱাৰী-জীয়াৰীহঁতে জুম বান্ধি-বান্ধি বিজ্ঞাপনখনৰ আলোচনা কৰিছে; তাইক দেখিলেই মানুহবোৰ অকণমান সময় মনে-মনে থাকিব, তাৰ পাছত সিহঁতৰ ভিতৰৰ বেছি চালাকজনীয়ে ডাঙৰ-ডাঙৰ মাতেৰে অইন কথা পতা যেন দেখুৱাব। সৰুতে নিৰ্মালিহঁতে সুলেখা বাইদেউক বেঢ়ি ধৰি চিঞৰবাখৰ কৰিছিল: "বাইদেউ, আমি হাতীপটিত ওলোৱা আপোনাৰ গল্পটো পঢ়িলো।"—ঠিক তেনেকৈয়ে যদি আজি এজাক ছোৱালীয়ে বেঢ়ি ধৰি নিৰ্মালিক কয়: "বাইদেউ, আমি খবৰ-কাগজত ওলোৱা আপোনাৰ কথাখিনি পঢ়িলো—!" ছি ছি ছি!

কোনে এই বিজ্ঞাপন প্ৰচাৰ কৰিলে? দেউতাকে? নিশ্চয় দেউতাকে কৰিছে। দেউতাকৰ বাহিৰে ঘৰখনত এইবোৰ কথা ভাবি কিবা এটা কৰাৰ কথা ভাবে তাইৰ মাকে, কিন্তু বাতৰিকাকতত বিজ্ঞাপন দিয়াৰ নিচিনা কথা মাকে ভাবিব নোৱাৰে। তাইৰ এটা কলেজত পঢ়া ভায়েক আছে, সি ৰুগ্ন দেউতাকৰ কাষেদিয়েই পুৱা ওলাই যায়, ৰাতি ন-দহ বজাত ঘৰলৈ আহে; দেউতাকৰ কাৰণে ডাক্তৰৰ ওচৰলৈ যাবলৈ তাৰ আধাঘণ্টা সময় ৰাহি নহয়। তাইৰ এজনী দুবাৰ মেট্ৰিক ফে'ল কৰা ভনীয়েক আছে, লগৰ ছোৱালী এজনীৰ তালৈ গৈ সন্ধিয়াৰ বহুত পাছত উভতি অহা, প্ৰেম-পত্ৰ লিখি ধৰা পৰা,—এইবোৰ কাৰণত মাকৰ গালি খাই সপ্তাহটোৰ তিনি-চাৰি সাঁজ তাইৰ লঘোনে থাকোঁতেই যায়। বাতৰি-কাকতৰ লগত ইহঁতৰ সম্পৰ্ক নাই। কেতিয়াবা যদি বাতৰি-কাকতত ইহঁতৰ ফটো ছপা হয়, তেতিয়াহে ইহঁতে কাকতখন চুই পাব।

এইখন বিজ্ঞাপন দেউতাকে প্ৰচাৰ কৰিছে। সেইবিষয়ে নিৰ্মালিৰ মনত কোনো সন্দেহ নাথাকিল। দেউতাকৰ ওপৰত নিৰ্মালিৰ খং উঠিল। তাইক লৈ দেউতাক কিমান বিপদত পৰিছে, তাৰ এটা পৰিষ্কাৰ হিচাপ তেখেতৰ পৰা লৈ আহিবলৈ তাইৰ মন গ'ল।

কিন্তু দেউতাকৰ মুখামুখি হোৱাৰ কথা ভাবোঁতেই নিৰ্মালিৰ চকুৰ আগত সিটো কোঠালিত নিশ্চল হৈ পৰি থকা দেউতাকৰ মুখখন ভাঁহি উঠিল। অকণমান সময়ৰ ভিতৰতে নিৰ্মালিৰ মনটো মৰহি আহিল।

এই কাকতখনৰ এই পৃষ্ঠাটো দেখিলে নিৰ্মালিৰ দেউতাকৰ চকুৰ কোণত চাগৈ আকৌ পানী গোট খাব। তেখেতৰ প্ৰায়েই এনেকুৱা হয়। ঔষধ খুৱাই দিয়াৰ পাছত তেখেতে প্ৰায়েই নিৰ্মালিক কাষত বহিবলৈ কয়, তাইৰ হাতখন তেখেতে এখন হাতেৰে খামোচ মাৰি ধৰি থাকে, আৰু নিৰ্বাক, নিশ্চল হৈ থাকি নিৰৱে কান্দে। নিৰ্মালিয়ে পৰিষ্কাৰকৈ বুজে, তাইক এখন সংসাৰত প্ৰতিষ্ঠা কৰি পিতৃৰ দায়িত্ব শেষ কৰিব নোৱৰাৰ বেদনাতেই তেখেতে কান্দে। যি সময়ত তেখেতে ৰেল-মটৰত উঠি, চহৰে-চহৰে ঘূৰি জ্যেষ্ঠা কন্যাৰ সংসাৰখন বিচাৰি ফুৰিব লাগিছিল, ঠিক সেই সময়তেই দুৰাৰোগ্য ৰোগে তেখেতক আলিংগন কৰিলে। আৰু এই আলিংগনৰ যেন শেষ নাই। সাতাইছ বছৰ বয়সীয়া জীয়েকজনীয়ে উকা সেওঁতাৰে তেখেতৰ মৃত্যুশয্যাৰ চাৰিওকাষে ঘূৰি ফুৰা দেখিলে তেখেতৰ অন্তৰে হয়তো হাহাকাৰ কৰি উঠে। নিৰ্মালিয়ে তাকো বুজে। আজি কেইদিনমানৰ পৰা তেখেতে বিছনা এৰি অলপ ইফাল-সিফাল কৰিব পাৰিছে, আৰু এইকণ সুবিধা পাওঁতেই দায়িত্ব পালনৰ কাৰণে যিমানকণ কৰাটো সম্ভৱ, তাকে তেখেতে কৰিছে ; ঘৰতে বহি সকলোকে জনাইছে,—এজন পাত্ৰ লাগে।

লাগে। নিৰ্মালিয়ে এটা চিনাকি যন্ত্ৰণা অনুভৱ কৰিলে। এখন সংসাৰৰ কথা নিৰ্মালিয়েও বহুদিন ভাবিছে। বহুদিন তাই দেহ-মনৰ লগত যুদ্ধ কৰি, পৰাস্ত হৈ, এখন নতুন সংসাৰলৈ লৰ মৰাৰ কাৰণে অস্থিৰ হৈছে ; বহুদিন এই পৃথিৱীখনৰ মানুহবোৰৰ জড়তা, নিশ্চেষ্টতা দেখি বিদ্ৰোহ কৰিব খুজিছে ; বহুদিন নিজৰ মন, গাৰ মঙহক অভিশাপ দিছে ; তাৰ পাছত আকৌ সোঁ বাহুৰ ওপৰেদি পাৰ কৰি অনা চাদৰৰ আঁচলেৰে মুখখন মচি, ধুমুহা-বৰষুণে কোবাই যোৱা শান্ত গছৰ নিচিনাকৈ বহি আছে ; সময়ৰ বুকুত ভাঁহি গৈ থকা ভাগ্যৰ চৰণত নিজকে সমৰ্পণ কৰি থৈ দিছে।

কিন্তু হঠাতে এইটো আকৌ এটা কোলাহল আৰম্ভ হ'ল। দেউতাকে তাইৰ কাৰণে পাত্ৰ বিচাৰিছে। কেইদিনমান নিৰ্মালি ভিতৰতে সোমাই থাকিল। এই কেইদিনৰ ভিতৰতে তাই ভাবি পালে, ঠিকেই হৈছে; বিচাৰিছে বিচাৰক। ভালেই হৈছে। কথাটো যিমানেই স্বাৰ্থপৰ যেন নহওক, তাই বিজ্ঞাপনখন সমৰ্থন কৰিব। পাত্ৰ লাগে। তাইক এই নিষ্ঠুৰ বেষ্টনীৰ পৰা ওলাই যাবলৈ লাগে। তাই কি অপৰাধ কৰি এই পৃথিৱীলৈ আহিছিল যে অকল তায়েই এক ৰুগ্ন পিতৃৰ মুৰ শিতানত বহি থাকিব; এক মুমূৰ্ষু, ৰুগ্নপ্ৰায় মাকৰ সাৰথি হৈ থাকিব, এক উদণ্ড ভায়েক আৰু এজনী উৰণীয়া মনৰ ভনীয়েকৰ মুৰৰ ওপৰত ছাতি হৈ থাকিব? দেউতাকে সামৰ্থ্য অনুসাৰে যি কৰিছে—ভাল কৰিছে। নিৰ্মালিয়ে এদিন বিজ্ঞাপনটো আকৌ পঢ়িলে। তাইৰ কথাই হয়তো? নিশ্চয় হয়।

এই বিজ্ঞাপনৰ উত্তৰবোৰ নিশ্চয় চিঠিৰে আহিব। সম্পাদকে চিঠিবোৰ নিশ্চয় নিৰ্মালিৰ দেউতাকৰ নাম-ঠিকনা লিখা খামত ভৰাই এইটো ঘৰলৈ পঠাই দিব। দেউতাকৰ নামত অহা প্ৰত্যেকখন চিঠি আজিৰ পৰা তাই লুকুৱাই-লুকুৱাই খুলি চাব নে কি? কোনে বা লিখে? কি বা লিখে? কেনেকুৱা বা মানুহ সেইবোৰ? মাজ মজিয়াত পোন হৈ থিয় হৈ নিৰ্মালিয়ে আকৌ এবাৰ নিজকে যেন চালি জাৰি চালে;—এয়া, এইজনী মানুহ,—সেয়া তাইৰ পাব হৈ যোৱা বছৰবোৰ,—এইখন ঘৰ,—ইয়ালৈ তাইক বিচাৰি কেনেকুৱা মানুহ আহিব? নহয়, নহয়, এইবোৰ মানুহৰ এইবোৰ কথাৰ লগত কোনো সম্পৰ্ক নাথাকিব; এইবোৰ মানুহ বিজ্ঞাপন দেখি আহিব। কেনেকুৱা বা মানুহ? ব্যৱসায়ী? মিলিটেৰি? প্ৰথম পত্নীৰ মৃত্যু হোৱা মানুহ? বহুদিন বিয়া নকৰোঁ বুলি থকা মানুহ?

চাব লাগিব। চিঠিবোৰ খুলি-খুলি চাব লাগিব।

পাছৰ দিনবোৰত নিৰ্মালিয়ে দেউতাকলৈ অহা চিঠিবোৰ পঢ়াত লাগিল। খুৰায়েকৰ চিঠি,—নিৰ্মালি, মণ্টু আৰু বুলিক মোৰ মৰম জনাব। মোমায়েকৰ চিঠি,—মণ্টুৱে পৰীক্ষা বেয়া কৰাৰ কাৰণে আমিও

বেয়া পালো ; যি হ'ল হ'ল, এইবাৰ তাক ভালকৈ পঢ়িবলৈ কব। প্ৰকাশৰ চিঠি—নিৰ্মালিৰ কাৰণে আমিও চিন্তিত হৈ আছোঁ। কৰবাত কিবা খবৰ পালেই জনাম। পেহাকৰ চিঠি,—সেয়া ঔষধে কাম দিছে যদি, তাকে নিয়মমতে খাই থাকক। আপোনাৰ স্বাস্থ্য সম্পূৰ্ণ ভাললৈ আহিলে নিৰ্মালিক অলপ দিন থকাকৈ ইয়ালৈকে পঠিয়াই দিব।

ক'তা ? নিৰ্মালিয়ে আশা কৰি থকা চিঠি এখনোতো নাই। কিয় ? সেইদিনাৰ বাৰ্তাৰ-কাকতখন ভালকৈ প্ৰচাৰিত হোৱা নাছিল নে কি ? নহয়, নহয়, কিয় নহ'ব ! সেইখন বাৰ্তাৰ-কাকতৰ হাজাৰ-হাজাৰ কপি বিক্ৰি হয়। কাৰো প্ৰয়োজন নোহোৱা সত্ত্বেও সিহঁতৰ ঘৰলৈকো এখন কাকত আহে। তেনেহলে সেইখন নিৰ্মালিৰ বিজ্ঞাপন নহয় নে কি ?

দেউতাকে তেনেহলে বিজ্ঞাপন দিয়া নাই ? কিয় দিয়া নাই ? সেইকণ কাম কৰিব পৰা শক্তিতো দেউতাকৰ নিশ্চয় আছে ! কেৱল বাৰ্তাৰ-কাকতৰ সম্পাদকলৈ চিঠি এখন লিখা আৰু ডাকত দিয়া ! সেইকণ কাম দেউতাকে কিয় নকৰিব ?

তাৰ পাছত এদিন তীব্ৰ অভিমানত নিৰ্মালিৰ মুখখন যেন ফুলি উঠিল। কি নিৰ্মমভাৱে নিৰ্বিকাৰ, শীতল এই মানুহবোৰ ! কি নিষ্ঠুৰভাৱে স্বাৰ্থপৰ এই মানুহবোৰ !

নিৰ্মালিৰ অন্তৰখনে ছটফটাই উঠিল। চাৰিওকাষৰ বেৰকেইখনে যেন ওচৰ চাপি আহি তাইক লৰচৰ কৰিব নোৱৰাকৈ আটক কৰি ধৰিলে। জীৱনত বহুবাৰ হোৱাৰ নিচিনাকৈ আকৌ তাইৰ বহু দূৰৰ এখন নতুন সংসাৰলৈ লৰ মাৰিবলৈ মন গ'ল। কেইবা বছৰৰো পুৰণি বুৰঞ্জী, ভূগোল, হাইজিনৰ বহীৰ মাজত ভনীয়েকজনীয়ে লুকুৱাই থোৱা চিঠি লিখা বহীটো টান মাৰি উলিয়াই আনি তাইৰ খচ-খচকৈ লিখিবলৈ মন গল এখন বিজ্ঞাপন—শিক্ষিতা, মিঠাবৰণীয়া,—নহয় নহয়, উজ্জ্বল গৌৰবৰ্ণা, পাতল, ওখ,—নহয় নহয়, সুদেহী, দীৰ্ঘাংগী,—সুন্দৰী পাত্ৰীৰ কাৰণে—এজন বহু দূৰ—বহু দূৰৰ মানুহ লাগে। এইখন বিজ্ঞাপন সম্পাদকে কাকতত প্ৰকাশ কৰক—মাটি বিক্ৰি, এজেণ্ট লাগে, এইবোৰ বিজ্ঞাপনৰ লগতে ;—আৰু তাৰ পাছতে ছপা কৰক—ফুলেশ্বৰী বাগিচাৰ মাজেদি সোণপুৰ ঘাটলৈ যোৱা বাটটো জনসাধাৰণৰ কাৰণে খুলি দিয়া হ'ল।

—:০:—